# ডিব্ৰুয়ান

ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

২০১০-২০১১ বৰ্ষ



সম্পাদক

শান্তনু চেতিয়া

ডিব্ৰু মহাবিদ্যালয়ৰ ২০১০ বৰ্ষৰ বিভিন্ন বিভাগৰ প্ৰাচীৰ পত্ৰিকাসমূহ




# ডিব্ৰুয়ান

## ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী


৩০তম্ সংখ্যা, ২০১০-২০১১ বৰ্ষ


প্ৰতি,

.............................................................................

.............................................................................


সম্পাদক

শান্তনু চেতিয়া




**DIBRUYAN**

The 30th Annual Journal of Dibru College of the session 2010-2011, edited by Santonu Chetia, published by Dibru College Students' Union and printed at Insui Infotech, Dibrugarh.

সম্পাদনা সমিতি

তত্বাৱধায়ক অধ্যাপকসকল ঃ

ড° বিপুল কুমাৰ বৰুৱা, ড° হৰদীপ কৌৰ ৱালিয়া, ড° অলস নিৰঞ্জন সাহাই, প্ৰদীপ চেতিয়া ফুকন, মৌচুমী দত্ত

সম্পাদক ঃ

শান্তনু চেতিয়া

সদস্য-সদস্যা ঃ

ৰাজীৱ বুঢ়াগোহাঁই, বিশ্বজিৎ কোঁৱৰ, শান্তনু বৈঠক, জিতেন শৰ্মা, ৰাখী বকলিয়াল, ত্ৰিণাস্মৃতা গগৈ

বেটুপাত ঃ

নয়নজ্যোতি কটকী

অলংকৰণ ঃ

ড° বিকাশ ডেকা

অংগসজ্জা ঃ

ইন্দ্ৰজিৎ সন্দিকৈ

ডি.টি.পি. ঃ

পলাশ গগৈ

মুদ্ৰণ ঃ

ইনচুই ইনফ'টেক, ডিব্ৰুগড় বিশ্ববিদ্যালয় চৌহদ, ডিব্ৰুগড় - ৭৮৬ ০০৪

## উচৰ্গা

যিসকল ব্যক্তিৰ নিঃস্বাৰ্থ ত্যাগ,
অক্লান্ত পৰিশ্ৰম আৰু আশাসুধীয়া
প্ৰচেষ্টাৰ ফলত এই পৱিত্ৰ জ্ঞান
মন্দিৰ 'ডিব্ৰু মহাবিদ্যালয়'ৰ জন্ম
হ'ল, সেইসকল মহান মনীষী তথা
এই মহাবিদ্যালয়ৰ অগ্ৰজ আৰু
জ্ঞান অৰ্জন কৰিবলৈ অহা সমূহ
ছাত্ৰ-ছাত্ৰীলৈ আলোচনীখন উচৰ্গা
কৰিলোঁ।

**Prof. K.K. Deka,** M.Sc., M.Ed., Ph.D. 'Stazorovka' (USSR)
*Vice-Chancellor*

**DIBRUGARH UNIVERSITY**
**DIBRUGARH - 786 004**
**ASSAM, INDIA**
Phone : 0373-2370239 (O)
Fax : 0373-2370323
e-mail : kkdekadu@yahoo.com

No. DU/VC/073/11/908

Date : 31.10.2011

## শুভেচ্ছাবাণী

প্ৰতি

শ্ৰী শান্তনু চেতিয়া
আলোচনী সম্পাদক
ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা ঃ ২০১০-২০১১ বৰ্ষ
ডিব্ৰুগড়

মৰমৰ শান্তনু,

মই জানিবলৈ পাই আনন্দিত হৈছোঁ যে ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'ডিব্ৰুয়ান'ৰ ৩০তম্ সংখ্যাটি প্ৰকাশৰ যো-জা কৰা হৈছে।

মহাবিদ্যালয় এখনৰ আলোচনীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ সাধন কৰাৰ উপৰিও অনুষ্ঠানখনৰ বিভিন্ন তথ্য-পাতি লিপিবদ্ধ কৰিব পাৰে। মই আশা কৰিছোঁ ডিব্ৰু মহাবিদ্যালয়ৰ আলোচনীখনিত গল্প, কবিতা, প্ৰবন্ধ ইত্যাদি প্ৰকাশ কৰাৰ লগতে সমাজখনৰ বাস্তৱ জীৱনৰ ওপৰতো আলোকপাত কৰিব আৰু ছাত্ৰ-ছাত্ৰীসকলক সৰ্বাংগীন বিকাশ সাধনৰ পথ দেখুৱাব।

'ডিব্ৰুয়ান'ৰ ৩০তম্ সংখ্যাটি সৰ্বাংগ সুন্দৰ হওক, তাৰে শুভ কামনাৰে—

কন্দৰ্প কুমাৰ ডেকা ৩১/১০/১১
(কন্দৰ্প কুমাৰ ডেকা)
উপাচাৰ্য
ডিব্ৰুগড় বিশ্ববিদ্যালয়

**Dr. Bipul Kr. Baruah**
M.Sc., M.Phil., Ph.D.
Principal
Dibru College, Dibrugarh
Ph. No. : 0373-2311328, 2310228, 2310249
e-mail : dibrucollege@rediffmail.com

**RESIDENCE**
**Milan Nagar, Lane - G**
P.O.- C.R. Building, Dibrugarh
PIN - 786 003 (Assam)
Ph. No. : 0373-2311152 (R)
9435130599 (M)
e-mail : drbkbaruah@gmail.com

**Ref.No. :.................................**

**Date : .........................**

## শুভেচ্ছাবাণী

২০১০-২০১১ বৰ্ষৰ ডিব্ৰু মহাবিদ্যালয়ৰ আলোচনী 'ডিব্ৰুয়ান' প্ৰকাশ কৰিবলৈ লোৱাৰ বাবে মই আনন্দ অনুভৱ কৰিছোঁ আৰু বিভাগীয় সম্পাদকক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ আলোচনীখন ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য-সংস্কৃতিৰ সুপ্ত প্ৰতিভা বিকাশৰ এক মাধ্যম। শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উচ্চমানৰ লিখনি ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ পথ প্ৰদৰ্শক হ'ব। আলোচনীখন সৰ্বাঙ্গসুন্দৰ ৰূপে যেন প্ৰকাশ হয় তাৰ কামনাৰে মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

তাৰিখ ঃ ১৯/১০/২০১১

(ড° বিপুল কুমাৰ বৰুৱা)
অধ্যক্ষ / সভাপতি
ডিব্ৰু মহাবিদ্যালয়, ডিব্ৰুগড



# সূচীপত্ৰ

■ শুভেচ্ছাবাণী
■ সম্পাদকীয়

**প্ৰবন্ধ**

| | | |
|---|---|---|
| ■ বৌদ্ধধৰ্মী টাই ফাকেসকলৰ ধৰ্মীয় উৎসৱ-পাৰ্বণ | ড° বিজু মৰাণ | ১৫ |
| ■ তথ্য প্ৰযুক্তি আৰু মানৱ সভ্যতা | অধ্যাপক প্ৰদীপ চেতিয়া ফুকন | ২০ |
| ■ অসমৰ জাতীয় চেতনা আৰু লেখক-সাহিত্যিক-বুদ্ধিজীৱীৰ দায়িত্ব | ড° শশীকান্ত শইকীয়া | ২৩ |
| ■ বিজ্ঞান সাহিত্য আৰু ইয়াৰ প্ৰচাৰৰ ক্ষেত্ৰসমূহ | ড° দিলীপ কলিতা | ২৯ |
| ■ N-LIST : INITIATIVES FOR E-RESOURCES IN COLLEGE LIBRARIES | Ms. Dipika Das | ৩৬ |
| ■ FOUNDATION OF PERSONALITY DEVELOPMENT | Miss Jolly Chutia | ৪০ |
| ■ RELIGIOUS IMPLEMENTS OF THE KHAMYANGS | Dr. Promanita Bora | ৪২ |
| ■ CAREER PLANNING AND CHOICE OF COURSES AFTER 10+2 | Dr. Mahesh Kr. Jain | ৪৪ |
| ■ প্ৰতিযোগিতামূলক বিজ্ঞাপন আৰু সমাজ জীৱনত ইয়াৰ প্ৰভাৱ | প্ৰশান্ত কুমাৰ বৰা | ৪৭ |
| ■ ইলা বৰগোহাঁইৰ বুৰঞ্জীমূলক উপন্যাস পিজৌ গাভৰু | স্মৃতিৰেখা চেতিয়া সন্দিকৈ | ৪৯ |
| ■ ALL ASSAM STUDENTS' UNION | Nayanjyoti Kotoky | ৫৩ |
| ■ HISTORY OF THE GORKHAS | Jiten Sharma | ৫৬ |
| ■ অসমীয়া সংস্কৃতিত সাজপাৰৰ গুৰুত্ব | লাকী বৰা | ৬১ |
| ■ যুৱ উশৃংখলতা আৰু ইয়াৰ প্ৰতিৰোধ | বিপ্লৱী গগৈ | ৬৪ |
| ■ আলি আঃয়ে লৃগাং | সোণমণি দাং | ৬৭ |
| ■ সোণোৱাল কছাৰীসকলৰ সংস্কৃতি | ভৈৰৱী সোণোৱাল | ৬৯ |
| ■ অসমীয়া সমাজৰ লোকবিশ্বাস | নিৰ্মল গগৈ | ৭২ |
| ■ হুগ্ৰা নৃত্যৰ চমু আভাস | ধৰিস্মিতা সোণোৱাল | ৭৩ |
| ■ চাহ জনগোষ্ঠীৰ মাজত প্ৰচলিত লোকবিশ্বাস আৰু তেওঁলোকৰ লোক-সংস্কৃতিৰ কেইপদমান বাদ্যযন্ত্ৰ | আদিত্য তামুলী | ৭৪ |
| ■ আমাৰ চকু | প্ৰিয়ংকা পাংগিং | ৭৫ |

**গল্প**

| | | |
|---|---|---|
| ■ অবান্তৰ প্ৰেম গাথা | মৃগাঙ্ক গগৈ | ৭৯ |
| ■ নিয়তিৰ পৰিহাস | জুৰি দিহিঙীয়া | ৮২ |
| ■ প্ৰতিশোধ | সত্যজিত গগৈ | ৮৩ |
| ■ তমসো মা জ্যোতিৰ্গময় | কুলদীপ ফুকন | ৮৫ |
| ■ নিয়ৰ সৰে সংগোপনে | বিপ্লৱী গগৈ | ৯০ |
| ■ পৰিণয় | প্ৰাণজিৎ শইকীয়া | ৯৪ |
| ■ জীৱনৰ বাটত | ৰাখী বকলিয়াল | ৯৫ |
| ■ প্ৰেম মানে... | লাকী বৰা | ৯৬ |
| ■ বন্ধুত্বৰ মাজেৰেই প্ৰেম | ৰাজশ্ৰী দুৱৰী | ১০১ |
| ■ প্ৰকৃত বান্ধৱী | জিম্পি শইকীয়া | ১০৫ |
| ■ বিফলতাৰ কাৰণ | ভদ্ৰাৱতী পাত্ৰ | ১০৬ |

কবিতা


| | | |
|---|---|---|
| যদি মোক কাইলৈ এৰি যোৱা | ধন্তি কোঁৱৰ | ১০৯ |
| মোৰ অসহায় মুহূৰ্তবোৰ | ড° বন্তি ফুকন সোণোৱাল | ১০৯ |
| জীৱন্ত মৃতক | ৰিণী গগৈ | ১১০ |
| মুক্তি | দিম্পী সন্দিকৈ দুৱৰা | ১১০ |
| আত্মগাঁথাৰ চাৰিটি ৰূপ | কুলদীপ ফুকন | ১১১ |
| ভগ্ন হৃদয় | মধুৰস্মি বৰুৱা | ১১১ |
| লিমাৰিক / আপদীয়া পদ্য | বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই | ১১২ |
| এন্ধাৰ | গনেশ পাংগিং | ১১৩ |
| নিসংগতা | জাফ্রিনা হুছেইন | ১১৩ |
| সঁহাৰি বিচাৰি | ভাগ্যশ্ৰী গোস্বামী | ১১৪ |
| স্মৃতি | প্ৰণৱ জ্যোতি দাস | ১১৪ |
| মাজুলী | বিৰাজ খাটোৱাল | ১১৫ |
| সেউজী | পৰিক্ষিত কন্দ | ১১৫ |
| কল্পনা পৃথিৱীৰ মানুহ | অসীম জ্যোতি গগৈ | ১১৬ |
| ভাৱনা | পৰীক্ষিত দাস | ১১৬ |
| যন্ত্ৰণাৰ জীৱনটো | নিৰ্মালী বৰা | ১১৭ |
| এটি মধুৰতম কবিতা | কবিতা শইকীয়া | ১১৭ |
| তোমাক হেৰুৱাই | ছায়াৰানী মিলি | ১১৮ |
| বিপন্ন সময় | বিনী ভৰালী | ১১৮ |
| মোৰ টুকুৰা টুকুৰ সপোনবোৰ | দ্বীপজোতি পাত্ৰ | ১১৯ |
| জীৱন কি? | গুণিন বৰগোহাঁই | ১১৯ |
| সময় নিৰ্বিকাৰ | সুভজিত হাজৰিকা | ১২০ |
| তুমি এৰি থৈ যোৱা স্মৃতিবোৰে | মজেশ মুণ্ডা | ১২০ |
| মনুষ্যৰ জীৱন কচুপাতৰ পানী | বিপুল ভূঞা | ১২১ |
| চকুপানী | নয়ন জ্যোতি কটকী | ১২১ |
| গুৰুৰ দান | প্ৰাঞ্জিত শইকীয়া | ১২২ |
| শৰতৰ শেৱালি সুবাস | কৰবী সন্দিকৈ | ১২২ |
| প্ৰিয়জনৰ সন্ধানত | হিৰণ্য বড়া | ১২৩ |
| আজি যে সোণৰ বিয়া | সোণমণি দাং | ১২৩ |
| Friendship | Noyanmoni Dihingia | ১২৪ |
| Weekness is Death | Mahananda Dutta | ১২৪ |


অন্যান্য ৰচনা


| | | |
|---|---|---|
| আমাৰ আকাশ তেনেই অকণি, তোমাৰ আকাশ দিয়া | শ্ৰীমতী মৌচুমী দত্ত | ১২৭ |
| বুদ্ধদেৱে মানুহক দিয়া এটা কৰুচৰ কথা | সীমা ছেত্ৰী | ১২৯ |
| মন এটি সূক্ষ্ম দৃষ্টি | হেমন্ত সৎনামী | ১৩০ |
| বন্ধুত্ব | লক্ষীনাথ দলে | ১৩১ |
| কলেজীয়া জীৱন | নিৰ্মালি বৰা | ১৩২ |
| কিম্বদন্তী আৰু বাস্তৱৰ মোহনাত মেৰবিল | সত্যজিত গগৈ | ১৩৩ |
| ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ বছৰেকীয়া প্ৰতিবেদন | | ১৩৯-১৫০ |






# সম্পাদকীয়

## মোৰ অনুভৱৰ একলম . . .

ঐতিহ্যমণ্ডিত ডিব্ৰুগড় চহৰত অৱস্থিত ডিব্ৰু মহাবিদ্যালয়। চাহ বাগিচাৰে আৱৰা ডিব্ৰু মহাবিদ্যালয়খনি যিদৰে দেখাত শুৱনি, ইয়াৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকল, চাৰ-বাইদেউসকল আৰু কৰ্মচাৰীসকলেৰে গঢ়ি তোলা এটি পৰিয়ালৰ নিচিনা মহাবিদ্যালয়খনৰ ভিতৰখনো শুৱনি। কলা, বাণিজ্য, বিজ্ঞান তিনিওটা শাখাৰে পাঠ্যক্ৰম চলি থকা এই মহাবিদ্যালয়খনিত ভৰি দিয়েই আপ্লুত হৈছিলো। কল্পনা কৰিছিলো কলেজখনৰ বাবে মোৰ সাধ্যানুসাৰে কিবা এটা কৰিবৰ যত্ন কৰিম। সেই সপোনৰ হাতত ধৰিয়েই ছাত্ৰ একতা সভাৰ নিৰ্বাচনত আলোচনী সম্পাদক হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হওঁ। ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ ভোটেৰে জয়ী কৰি আমাৰ কান্ধত এই গুৰু দায়িত্ব ল'বলৈ সুবিধা দিয়ে।

বৰ্তমান অসম তথা সমগ্ৰ বিশ্বতে এক অস্থিৰ বৰ্তমানে বিৰাজ কৰিছে। সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক অস্থিৰতাই ছাত্ৰসকলৰ জীৱনতো প্ৰভাৱ পেলাইছে। এই অস্থিৰতাক নিয়ন্ত্ৰনাধীন কৰাত ছাত্ৰসমাজৰো এক উল্লেখনীয় ভূমিকা আছে। ছাত্ৰ-ছাত্ৰীসকলৰ অনুভৱবোৰ সৃষ্টিশীল কৰি তুলিব পাৰিলে বহুত প্ৰতিভাই প্ৰজ্বলিত হোৱাৰ আশা থাকে। ছাত্ৰ-ছাত্ৰীসকলৰ স্ব-প্ৰতিভাৰ উৎকৰ্ষ সাধনৰ যোগেদি সমাজলৈ অমূল্য বৰঙণি আগবঢ়াব পাৰে।

## ডিব্ৰুয়ানৰ সম্পৰ্কত ঃ

আলোচনী এখন হৈছে বিদ্যালয় বা মহাবিদ্যালয়ৰ দাপোন স্বৰূপ। ইয়াতেই সকলো শিক্ষাৰ্থী বা ছাত্ৰ-ছাত্ৰীয়ে নিজৰ সুপ্ত প্ৰতিভা বিকাশ কৰাৰ সুযোগ পায় আৰু নিজৰ মত-অভিমত, ৰুচি-অভিৰুচি আদি বিনাদ্বিধাই প্ৰকাশ কৰিব পাৰে ন লেখক-লেখিকাৰ লিখনিসমূহ বেছিভাগ প্ৰকাশ পায় মহাবিদ্যালয়ৰ "মূখপত্ৰ" অৰ্থাৎ আলোচনীখনত গতিকে বিদ্যালয় বা মহাবিদ্যালয়ৰ পৰা এখন উন্নত আলোচনী প্ৰকাশ হোৱাটো এটা অতি গুৰুত্বপূৰ্ণ কথা আৰু ইয়াৰ বাবে সকলো ছাত্ৰ-ছাত্ৰী সচেষ্ট হোৱাতো নিতান্তই প্ৰয়োজনীয়। কিয়নো ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ, লিখন পদ্ধতি আৰু প্ৰকাশভংগীৰ ওপৰতেই আলোচনীখনৰ মানদণ্ড বহুখিনি নিৰ্ণয় কৰিব পাৰে।



ড° সূৰ্য কুমাৰ ভূঞাদেৱৰ মতে, "কোনো জাতিৰ মনোভাৱ উন্নত কৰিবলৈ সাহিত্যৰ যিমান শক্তি আন কাৰো সিমান শক্তি নাই"। সাহিত্যই হৈছে এটা জাতিৰ দাপোন। ব্যক্তি আৰু সমাজৰ স্ব-প্ৰকৃতি প্ৰকাশ পায় সাহিত্যিকৰ লেখনীত। জীৱনী, আত্মজীৱনী, গল্প, সাধু, বুৰঞ্জী, প্ৰবন্ধ আদিত এখন সমাজৰ সংস্কৃতি, মানসিক সংঘাত, ভাব অনুভূতি আদি নানান দিশ ফুটি উঠে। সাহিত্যৰ উন্নতিয়েই জাতিৰ উন্নতি আৰু ইয়াৰ বাবে প্ৰয়োজন জাতিটোৰ মাজত একতা তথা সমন্বয়ৰ। সাহিত্যিকক অৱহেলা কৰি কোনো জাতিয়েই নিজৰ প্ৰকৃত পৰিচয় দাঙি ধৰিব নোৱাৰে।

# সম্পাদকীয়

অতি পৰিতাপৰ কথা যে, অসমীয়া জাতিটোৰ মাজত আগত যি সম্বন্ধ আছিল এতিয়া সেই একতা বা সমন্বয়ৰ শিকলিডাল খৰ্ব গৈছে। যদিহে অসমীয়া জাতিটোৰ গতি বৰ্তমানৰ দৰে হৈ থাকে। তেনেহ'লে এনে এটা সময় দূৰত নাই, যেতিয়া সমন্বয়ৰ শিকলি ডাল একেবাৰেই চিঙি থান-বান হৈ যাব। আৰু তেতিয়া অসমীয়া জাতিৰ কোনো অস্তিত্বই জীয়াই নাথাকিব। এনেহ'লে আমি পূৰ্বৰ বীৰ বীৰাঙ্গনাসকলৰ ত্যাগৰ প্ৰকৃত মূল্য দিব নোৱাৰিম।

এতিয়াও ক্ষণ উকলি যোৱা নাই। গতিকে আহকচোন, শতিকাটোত ভৰি দিয়েই আমি একতাৰ দোলেৰে বান্ধ খাই প্ৰতিজ্ঞাবদ্ধহওঁ যাতে সাহিত্য সংস্কৃতিৰ উন্নতি সাধন কৰি এনে এখন সমাজ গঢ়ো য'ত থাকিব কেৱল সত্য, শান্তি আৰু অহিংসা আৰু এনেদৰেই পৰিচয় দিওঁ "আমি অসমীয়া, অসমীয়া এটা মহান জাতি"।

## কৃতজ্ঞতা স্বীকাৰ ঃ

২০১০-১১ বৰ্ষৰ 'ডিব্ৰুয়ান'ৰ বাবে আমাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই বহু ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ লেখনিসমূহ প্ৰকাশৰ বাবে দিয়ে। 'ডিব্ৰুয়ান' খনি সুন্দৰ আৰু মনোগ্ৰাহীকৈ প্ৰকাশ কৰি উলিয়াবৰ বাবে যত্নৰ ত্ৰুটি কৰা নাই।

পোনপ্ৰথমে ডিব্ৰু মহাবিদ্যালয়ৰ 'আলোচনী সম্পাদক' দায়িত্বটো মোক অৰ্পণ কৰি মহাবিদ্যালয়খনিৰ বাবে কিঞ্চিত মান হলেও সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী আৰু শ্ৰদ্ধাৰ ছাৰ বাইদেউসকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ যিসকল শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ বহুমূলীয়া লিখনীসমূহ দি আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰাত সহায় কৰিলে তেওঁলোকলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জ্ঞাপন কৰিলোঁ।

আলোচনীখনৰ প্ৰকাশৰ বাবে বিভিন্ন দিশত সহায় আগবঢ়োৱা বাইদেউ ছাৰ আৰু মোৰ বন্ধু-বান্ধৱীসকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ আলোচনী সম্পাদকৰ গুৰু দায়িত্ব বহন কৰাটো অতি কঠিন আৰু গুৰুত্বপূৰ্ণ কাম। গতিকে মোৰ নজনা জানেৰে এই আলোচনীখনত জ্ঞাতে-অজ্ঞাতে অনেক ভুল-ভ্ৰান্তি হৈ যোৱাটো স্বাভাৱিক। তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা জনাইছোঁ।

সদৌ শেষত সোণালী জয়ন্তীবৰ্ষ গৰকি বলৈ ওলোৱা মহাবিদ্যালয়খনিৰ সৰ্বতোপ্ৰকাৰৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰিছোঁ।

শান্তনু চেতিয়া





ড° বিপুল কুমাৰ বৰুৱা, এম.এছচি., এম্. ফিল্, পিএইচ্. ডি.
অধ্যক্ষ




**Sitting (Let to Right) :** Mr. P. Bora (Eco.), Mrs. A. Dutta (Bot.), Dr. D. Kalita (Bot.), Dr. K. Saikia (Eco.), Mr. P.K. Chetia Phukan (Maths.), Sri P. Banerjee (Com.), Mrs. R. Phukan (Eng.), Dr. B.K. Baruah (Principal), Mr. A.C. Goswami (Vice-Chancellor), Dr. H.K. Walia (Eng.), Mrs. E. Baruah (Phy.), Dr. R. Singha (P.Sc.), Mr. B. Baruah (Asm.)

**Standing :** Dr. H.K. Nath (Maths.), Mr. P. Kumbang (P.Sc.), Dr. J. Singh (Anth.), Dr. R. Mahanta (Phy.), Mr. J. Saud (Eco.), Dr. B. Moran (Asm.), Mrs. P. Borah (Anth.), Dr. B. Sonowal (His.), Ms. P. Hussain (Zoo.), Ms. C. Konwar (Phy.), Ms. J. Borah (Math.), Mrs. M. Dutta (Asm.), Ms. J. Chutia (Soc.), Ms. A. Boruah (Sanskrit), Ms. N. Baishya (Eng.), Mrs. S.C. Handique (Asm.), Ms. M.K. Sharma (Asm.), Mr. R.J. Hazarika (Chem.), Dr. P. Baruah (Anth.), Mr. Z. Buragohain (Chem.), Mr. J. Taye (Edu.)




**Left to Right (Sitting) :** Mr. B. Saikia, Mr. S. Paul, Dr. B.K. Baruah (Principal), Mr. R. Das, Mr. R. Bedia, Mr. N. Sharma. (Standing) : Ms. B. Malakar, Ms. M. Kakoti, Ms. J. Sarmah, Ms. L. Handique, Ms. U. Baishya, Mr. B. Sahu, Mr. P. Phukan, Mr. L. Handique, Mr. S. Jamuar.



**Left to Right :** Mr. P.K. Chetia Phukan (Maths.), Dr. A.N. Sahai (Hindi), Dr. B.K. Baruah (Principal), Dr. H.K. Walia (Eng.), Mrs. M. Dutta (Asm.), Standing : Santanu Chetia (Magazine Secy.)




**Left to Right :** Apurba Kr. Das (Boys' Commmon Room Secy.), Rumi Sonwal (Girls' Common Room Secy.), Nabajyoti Borah (Gynasium Secy.), Akhim Jyoti Gogoi (Major Games Secy.), Santanu Chetia (Magazine Secy.), Gobin Kumbhakar (Vice-President), Dr. B.K. Baruah (Principal), Monmohan Baruah (Gen. Secy.), Nayanjyoti Kotoky (Music Secy.), Barin Saikia (Cultural Secy.), Jiten Sarma (Gen. Sports Secy.)

# প্ৰবন্ধ

প্ৰবন্ধ হ'ল চুম্বক পাণ্ডিত্যপূৰ্ণ বিশ্লেষণশীল মনৰ এবিধ উপাদেয় সাহিত্য। প্ৰবন্ধকাৰৰ প্ৰকাশভঙ্গীত নিজা এটা পৰিসৰ, স্বাধীন আৰু গতিশীল মনৰ সোঁত আছে।

# বৌদ্ধধৰ্মী টাই ফাকেসকলৰ ধৰ্মীয় উৎসৱ-পাৰ্বণ

ড° বিজু মৰাণ
*অসমীয়া বিভাগ*



**অৱতৰণিকা ঃ**

নৃ-গোষ্ঠীগত দিশৰপৰা টাই ফাকেসকল মঙ্গোলীয় নৃ-গোষ্ঠীৰ আৰু ভাষাগত দিশৰপৰা পৃথিৱীৰ দ্বিতীয় বৃহৎ চীন তিব্বতীয় ভাষা পৰিয়ালৰ অন্তৰ্গত। সাধাৰণতে 'ফাকে' বা 'ফাকেয়াল' নামেৰে পৰিচিত টাই ফাকেসকল অষ্টাদশ শতিকাৰ শেষভাগত অসমত প্ৰৱেশ কৰা বৃহৎ টাই গোষ্ঠীৰ অন্যতম এটা দল। এই দলটিক থলুৱা লোকে 'ফাকিয়াল' নামেৰে জানে যদিও এয়া অপভ্ৰংশ ৰূপহে। আহোম ৰজা গৌৰীনাথ সিংহৰ ৰাজত্ব কালৰ শেষছোৱাত ১৭৭৫ চনত টাই ফাকেসকলে অসমত প্ৰৱেশ কৰে আৰু কালক্ৰমত অসমৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত সিঁচৰতি হৈ পৰে। বৰ্তমান ডিব্ৰুগড় জিলাৰ দুখন আৰু তিনিচুকীয়া জিলাৰ সাতখন গাঁৱত ফাকে লোকৰ বসবাস পোৱা যায়। এই গাঁৱকেইখন হ'ল—

১) ডিব্ৰুগড় জিলা
- ক) নাম ফাকে (নাহৰকটীয়া)
- খ) টিপাম ফাকে (জয়পুৰ)

২) তিনিচুকীয়া জিলা
- ক) বৰফাকে (মাৰ্ঘেৰিটা)
- খ) মান ম (মাৰ্ঘেৰিটা)
- গ) নঙলাই (মাৰ্ঘেৰিটা)
- ঘ) লঙ্ ফাকে (মাৰ্ঘেৰিটা)
- ঙ) মুঙলাঙ্ (লিডু)
- চ) নিঙ্গাম্ (লঙ্ টঙ্, লিডু)
- ছ) ফানেঙ (জাগুন)

**ফাকেসকলৰ দৈনন্দিন জীৱনত বৌদ্ধধৰ্ম ঃ**

অসমত স্থায়ীভাৱে থাকিবলৈ লোৱাৰেপৰা জনা যায় যে ফাকেসকল থেৰ'বাদী বা হীনযানী বৌদ্ধধৰ্মীয় লোক। প্ৰত্যেক গাঁৱতে একোখনকৈ বাপুচাং বা বৌদ্ধবিহাৰ থাকে। প্ৰত্যেকদিনা পুৱা ঘৰৰ কোনো লোকে আহাৰ গ্ৰহণ কৰাৰ আগতেই বৌদ্ধবিহাৰলৈ খাদ্যবস্তু দান দিয়া নিয়ম। বৌদ্ধবিহাৰত এজন বৌদ্ধ ভিক্ষু (ভান্তে) থাকে। বৌদ্ধ ভিক্ষুজনে বৌদ্ধ বিহাৰখনিৰ ধৰ্মীয় দিশত পুৰোহিতৰ ভূমিকা পালন কৰি বৌদ্ধ বিহাৰখনি পৰিচালনা কৰাত মুখ্য ভূমিকা পালন কৰে। তদুপৰি বৌদ্ধবিহাৰত ধৰ্মীয় শিক্ষা প্ৰদান কৰে। পালি ভাষাৰ শিক্ষা প্ৰদান কৰি বৌদ্ধ ধৰ্মীয় গ্ৰন্থসমূহ অধ্যয়ন কৰোৱায়। বৌদ্ধ বিহাৰৰ ভিক্ষুজনে গাত মেৰিয়াই লৈ থকা ফাকেসকলে কাপোৰখনক 'ছাঙ কান' বোলে। তেখেতলোকৰ ওপৰত ধৰ্মৰ প্ৰভাৱ অপৰিসীম। সততে ফাকেসকলে বৌদ্ধ ধৰ্মৰ পঞ্চশীল নীতি মানি চলে। পাপ কৰ্মৰপৰা বিৰত থাকি জীৱিত কালতেই পাৰ্থমানে পুণ্য অৰ্জন কৰি চৰম প্ৰাপ্তি নিৰ্বাণলৈ হাবিয়াস কৰে। দান তেওঁলোকৰ মানসত এক পুণ্য কৰ্ম। দানৰপৰা পুণ্য অৰ্জন হয় বুলি তেওঁলোকৰ মনত গভীৰ বিশ্বাস আছে। দান কৰ্মৰপৰা পুণ্য হয় আৰু পুণ্য হ'লেই নিৰ্বাণৰ পথ সহজ হয় বুলি থকা বিশ্বাসৰ ভেঁটিতেই তেওঁলোকে মুক্তহস্তে বৌদ্ধবিহাৰলৈ আৰু ভিক্ষুজনলৈ পাৰ্থমানে দান আগবঢ়ায়। প্ৰত্যেক উৎসৱ তিথি আদিৰ শুভাৰম্ভ বৌদ্ধবিহাৰত সমূহীয়াকৈ অনুষ্ঠিত হোৱা প্ৰাৰ্থনা (থম্ ট্ৰা)ৰ পৰাই হয়। পৰম্পৰাগত সাজ-পাৰ পৰিধান কৰি হাতত মম, ধূপ, ফুলৰ থোপা আদিৰে নৈবেদ্য আগবঢ়ায়। তদুপৰি কোনো অপায়-অমঙ্গল উপস্থিত হ'লেই বৌদ্ধবিহাৰত প্ৰাৰ্থনা জনাই পৰিত্ৰাণ বিচাৰে। বাৰ্ষিকভাৱে পতা উৎসৱ তিথি আদিৰ উপৰিও বৌদ্ধবিহাৰত বিভিন্ন উপলক্ষ্যত বিভিন্ন দান উৎসৱ অনুষ্ঠিত হয়। দান উৎসৱৰ ভিতৰত 'কঠিন চীৱৰ' দান উৎসৱেই সৰ্বোত্তম। কোনো লোকৰ মৃত্যুত অথবা দান উৎসৱত বৌদ্ধ ভিক্ষুৰ উপস্থিতি অপৰিহাৰ্য। বৌদ্ধ ধৰ্মই ফাকেসকলক সংযমী আৰু শান্তিপ্ৰিয় কৰি ৰাখিছে। ধৰ্মভয়েই ফাকেসকলক পাপ কৰ্মৰপৰা বিৰত ৰখাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।



ফাকেসকলে পালন কৰা উৎসৱসমূহ ঘাইকৈ ধৰ্মীয়। চান্দ্ৰমাহৰ গণনা মতে উৎসৱসমূহ পালন কৰা হয় গতিকে উৎসৱসমূহ পূৰ্ণিমাকেন্দ্ৰিক। সেয়েহে বছৰৰ বিশেষকৈ পূৰ্ণিমাৰ দিনাহে উৎসৱ-পাৰ্বণ আদি অনুষ্ঠিত হয়। ফাকেসকলে পালন কৰা উৎসৱসমূহ উদ্‌যাপনৰ তিথি সম্পৰ্কে জানিবলৈ পৰম্পৰাগতভাৱে গণনা কৰা মাহৰ ধাৰণা থকা প্ৰয়োজন। ফাকেসকলে গণনা কৰা বাৰটা মাহক অসমীয়া মাহৰ সৈতে তুলনা কৰি দেখুওৱা হ'ল —

ফাকেসকলে পালন কৰা উৎসৱসমূহ ঘাইকৈ ধৰ্মীয়। চান্দ্ৰমাহৰ গণনা মতে উৎসৱসমূহ পালন কৰা হয় গতিকে উৎসৱসমূহ পূৰ্ণিমাকেন্দ্ৰিক। সেয়েহে বছৰৰ বিশেষকৈ পূৰ্ণিমাৰ দিনাহে উৎসৱ-পাৰ্বণ আদি অনুষ্ঠিত হয়। ফাকেসকলে পালন কৰা উৎসৱসমূহ উদ্‌যাপনৰ তিথি সম্পৰ্কে জানিবলৈ পৰম্পৰাগতভাৱে গণনা কৰা মাহৰ ধাৰণা থকা প্ৰয়োজন।





| ক্ৰম নং | টাই মাহৰ নাম | অসমীয়া মাহৰ নাম |
|---|---|---|
| ১ | নীন্ চিঙ্ | আঘোণ-পুহ |
| ২ | নীন্ কাম্ | পুহ-মাঘ |
| ৩ | নীন্ ছাম্ | মাঘ-ফাগুন |
| ৪ | নীন্ ছি | ফাগুন-চ'ত |
| ৫ | নীন্ হা | চ'ত-ব'হাগ |
| ৬ | নীন্ হৌক্ | ব'হাগ-জেঠ |
| ৭ | নীন্ চেত্ | জেঠ-আহাৰ |
| ৮ | নীন্ পেত্ | আহাৰ-শাওন |
| ৯ | নীন্ কাও | শাওন-ভাদ |
| ১০ | নীন্ ছিপ্ | ভাদ-আহিন |
| ১১ | নীন্ ছিপ্ এ'ত্ | আহিন-কাতি |
| ১২ | নীন্ ছিপ্ ছঙ্ | কাতি-আঘোণ |

(তালিকা নং - ১)



ফাকেসকলে পালন কৰা ধৰ্মীয় উৎসৱসমূহৰ ভিতৰত 'পয় ছাঙ্ কেন্', 'পয় খাও ৱা', 'পয় অক্ ৱা', 'পয় কান্ ট সাংঘা', 'মাই ক চুম্ ফাই', 'বৌদ্ধ জয়ন্তী', 'পয় নীন্ ছি' আদিয়েই প্ৰধান। তলত ফাকেসকলে পালন কৰা ধৰ্মীয় উৎসৱ-পাৰ্বণসমূহৰ বিষয়ে একাদিক্ৰমে আলোচনা আগবঢ়োৱা হৈছে।

(ক) পয় ছাঙ্ কেন্ ঃ

ফাকেসকলৰ শ্ৰেষ্ঠতম 'পয় ছাঙ কেন' চ'ত আৰু ব'হাগ মাহৰ সংক্ৰান্তিত পালন কৰা হয়। 'পয়' শব্দৰ অৰ্থ 'উৎসৱ বা মেলা'। আনহাতে 'ছাঙ্ কেন্' শব্দটো 'সংক্ৰান্তি' শব্দৰপৰা আহিছে। উল্লেখযোগ্য যে ফাকেসকলৰ উৎসৱসমূহ পূৰ্ণিমাকেন্দ্ৰিক যদিও এই উৎসৱ কোনো পূৰ্ণিমাত পালন কৰা নহয়। 'পয় ছাঙ কেন'ক 'পানী বিহু' নামেৰেও জনা যায়। বৌদ্ধ মূৰ্ত্তিক বাহিৰলৈ উলিয়াই নিৰ্দিষ্ট কৰি লোৱা ঠাইত ৰাখি থোৱা হয়। এই উৎসৱ ৪৮-৫২ ঘন্টালৈকে চলে। ব্ৰহ্মদেশৰ পঞ্জিকা মতে এই উৎসৱত নিৰ্ধাৰিত সময়ত বৌদ্ধ মূৰ্ত্তি যথেষ্ট নিয়ম সহকাৰে বাহিৰলৈ উলিওৱা হয়। পথত পাৰি দিয়া বগা কাপোৰৰ ওপৰেদি খোজ কাঢ়ি বৌদ্ধ মূৰ্ত্তিবিলাক নিৰ্দিষ্ট স্থানত থোৱা হয়। বাহিৰৰ এটা পাত্ৰত ভক্ত ফাকে লোকসকলে পানী ঢালি থাকে। সেই পানী নলীয়েদি আহি মূৰ্ত্তিবিলাকৰ ওপৰত সিঁচৰতি হৈ পৰে। এনেদৰে মূৰ্ত্তিবিলাক ধুই পৰিস্কাৰ কৰে। এই উৎসৱক কেন্দ্ৰ কৰি বৌদ্ধবিহাৰত সমূহীয়া প্ৰাৰ্থনা 'থম ট্ৰা' (থম্-শুনা, ট্ৰা-ধৰ্মীয় ব্যাখ্যা) কৰা হয়। পৰম্পৰাগত সাজ পোচাক পৰিধান কৰি ভক্ত ফাকে লোকসকলে বৌদ্ধবিহাৰত দান বৰঙনিৰ লগতে ফুলৰ থোপা, মম, ধূপ আদিৰে নৈবেদ্য আগবঢ়ায়। বৌদ্ধমূৰ্ত্তিলৈ পানী আনোঁতে পানী চটিয়াই আনন্দও কৰা হয়। নিৰ্দিষ্ট সময়ত বৌদ্ধমূৰ্ত্তিবিলাক যথাস্থানত নিয়ম সহকাৰে ৰাখে। পুৱালৈ পুনৰ বৌদ্ধবিহাৰত সমূহীয়া প্ৰাৰ্থনা কৰাৰ পাছত উৎসৱটোৰ সামৰণি পৰে।



**(খ) বৌদ্ধ জয়ন্তী ঃ**

ব'হাগী পূৰ্ণিমাৰ পৱিত্ৰ দিনত 'বৌদ্ধ জয়ন্তী' উৎসৱ পালন কৰা হয়। এই পৱিত্ৰ তিথিৰ দিনা পুৱাতে বৌদ্ধ বিহাৰত সমূহীয়া 'থম ট্ৰা' অনুষ্ঠিত হয়। সন্মানীয় ভিক্ষুৱে



উপস্থিত ৰাইজৰ আগত বৌদ্ধ ধৰ্মৰ তত্ত্ব ব্যাখ্যা কৰে। বুদ্ধদেৱৰ স্মৃতিক সুঁৱৰি আনন্দৰ মাজেৰেই এই উৎসৱৰ সামৰণি পৰে। দিনজোৱা কাৰ্যসূচীৰে বৌদ্ধ জয়ন্তী পালন কৰা পৰম্পৰা ফাকে গাঁৱত প্ৰচলিত হৈ আছে।

(গ) পয় খাও ৱা ঃ

বৌদ্ধবিহাৰৰ ভিক্ষু আৰু গাঁৱৰ বয়োজ্যেষ্ঠসকলে আহাৰ মাহৰপৰা আহিন মাহলৈ তিনিমাহজোৱা এটা ব্ৰত বা 'ৱা' পালন কৰে। ফাকে ভাষাত 'খাও' মানে 'প্ৰৱেশ' আৰু 'ৱা' মানে 'ব্ৰত'। বৰ্ষাব্ৰতত প্ৰৱেশ কৰাক 'খাও ৱা' বুলি কয়। আহাৰ মাহৰ পূৰ্ণিমা তিথিৰ দিনা সমূহীয়া প্ৰাৰ্থনা 'থম্ ট্ৰা' কৰাৰ পাছত তেওঁলোকে এইব্ৰতত প্ৰৱেশ কৰে। অষ্টশীল, দশশীল ব্ৰত লোৱাসকলৰ বাবে এই দিনটো বিশেষ তাৎপৰ্যপূৰ্ণ।

(ঘ) পয় অক্ ৱা ঃ

আহিন মাহৰ পূৰ্ণিমা তিথিত 'পয় অক ৱা' উৎসৱ পালন কৰা হয়। আহিন মাহৰ পূৰ্ণিমা তিথিত এই ব্ৰত শেষ হয় আৰু ব্ৰতৰপৰা ওলোৱাক 'অক্ ৱা' বুলি কোৱা হয়। 'অক্' মানে 'ওলোৱা' আৰু 'ৱা' মানে 'ব্ৰত'। এই উৎসৱ ধুম-ধামেৰে পালন কৰা হয়। বিভিন্ন দান উৎসৱো এই সময়ত পালন কৰা হয়। কোনো কোনো বছৰত 'অক ৱা' উৎসৱৰ লগত 'এহেজাৰ পদুম ফুল' (ম হেইঙ) দান কৰা হয়। দুদিনীয়াকৈ অনুষ্ঠিত এই উৎসৱত প্ৰথম দিনা সমূহীয়া প্ৰাৰ্থনাৰ অন্তত নিৰ্দিষ্ট ঠাইলৈ পদুম ফুলবিলাক প্ৰত্যেকজন লোকে আনি দান দিয়ে। পিছদিনা পুৱা বৌদ্ধবিহাৰত পুনৰ সমূহীয়া প্ৰাৰ্থনা কৰাৰ পাছতেই এই উৎসৱৰ সামৰণি পৰে।

(ঙ) পয় কাণ্ ট সাংঘা ঃ

বৰ্ষাব্ৰতৰ সামৰণিৰ পাছত অন্যান্য বৌদ্ধধৰ্মাৱলম্বী গাঁৱৰ সৈতে লগলাগি কেন্দ্ৰীয়ভাৱে 'পয় কান ট সাংঘা' উৎসৱ পালন কৰা হয়। এই উৎসৱৰ এটি মনকৰিবলগীয়া কথা হ'ল বিভিন্ন ঠাইৰপৰা বুজন পৰিমাণৰ ভিক্ষু আহি গোট নাখালে এই উৎসৱ হ'ব নোৱাৰে। গতিকে এই উৎসৱত বৃহৎ সংখ্যক বৌদ্ধ ভিক্ষুৰ সমাগম হয়। তদুপৰি একে নিশাৰ ভিতৰত সূতা কাটি কাপোৰ বৈ বৌদ্ধ ভিক্ষুসকলক 'কঠিন চীৱৰ' দান কৰে। কঠিন চীৱৰ দানক শ্ৰেষ্ঠ দান কৰ্ম বোলা হয়। এই উৎসৱৰ শেষৰ দিনা চৌৰাশী হাজাৰ মম প্ৰজ্বলন কৰা হয়। পুৱা সমূহীয়া প্ৰাৰ্থনা 'থম ট্ৰা'ৰ পাছত উৎসৱটোৰ সামৰণি পৰে।

(চ) মাই ক চুম্ ফাই ঃ

মাঘ মাহৰ পূৰ্ণিমা তিথিত ফাকেসকলে 'মাই ক চুম ফাই' উৎসৱ পালন কৰে। নৈৰ বালিত খৰিৰ মেজি সাজি পৰম্পৰাগত বাদ্য বজাই সমবেত ৰাইজ বৌদ্ধবিহাৰৰপৰা মেজিৰ ওচৰত উপস্থিত হয়। ভিক্ষুৱে মাতি যোৱা ধৰ্মীয় বাণীবিলাক

> একে নিশাৰ ভিতৰত সূতা কাটি কাপোৰ বৈ বৌদ্ধ ভিক্ষুসকলক 'কঠিন চীৱৰ' দান কৰে। কঠিন চীৱৰ দানক শ্ৰেষ্ঠ দান কৰ্ম বোলা হয়। এই উৎসৱৰ শেষৰ দিনা চৌৰাশী হাজাৰ মম প্ৰজ্বলন কৰা হয়।





তেওঁলোকে মনোযোগেৰে শুনে আৰু মেজিৰ চাৰিওফালে মম, ধূপ, ফুলৰ থোপা আদিৰে নৈবেদ্য আগবঢ়ায়। যথাসময়ত মেজি জ্বলাই তাত নানা ৰং-ধেমালি কৰে। পুৱা সমবেত হৈ বৌদ্ধবিহাৰত সমূহীয়াকৈ প্ৰাৰ্থনা জনোৱাৰ অন্তত উৎসৱটিৰ সামৰণি পৰে।



(চ) পয় নীন ছি ঃ

'পয় নীন্ ছি' উৎসৱ ফাগুন মাহৰ পূৰ্ণিমা তিথিত পালন কৰা হয়। নৈৰ বালিত চৌৰাশী হাজাৰ বৌদ্ধ মূৰ্ত্তি 'ক্যাঙ মু' সাজি দান দিয়া হয়। ইয়াৰ লগে লগে চৌৰাশী হাজাৰ মমো প্ৰজ্বলন কৰা হয়। পিছদিনা পুৱা বৌদ্ধবিহাৰত সমূহীয়া প্ৰাৰ্থনা 'থম ট্ৰা' কৰাতেই এই উৎসৱৰ সামৰণি পৰে।

তিনিমাহ বৰ্ষাব্ৰত পালন কৰাৰ মাজতে ফাকেসকলৰ উপাস্য ধৰ্মগুৰু বুদ্ধদেৱে তপস্যা কৰা কালত ঘটা বিভিন্ন ঘটনাক কেন্দ্ৰ কৰি 'মে পি', 'চা লে' আদি বিভিন্ন তিথিও পালন কৰা হয়। বৌদ্ধবিহাৰত প্ৰাৰ্থনা (থম ট্ৰা) কৰোঁতে ভিক্ষুৱে এই তিথিৰ তাৎপৰ্য সম্পৰ্কে আলোচনা আগবঢ়ায়। এই তিথিত বৌদ্ধ বিহাৰত বিভিন্ন সামগ্ৰী দান দিয়াৰ উপৰি কাগজী টকাও 'পেতেছা' (কল্পতৰু)ত আঁৰি দান কৰা হয়।

উপসংহাৰ ঃ

বৌদ্ধধৰ্মী টাই ফাকেসকলে পালন কৰা ধৰ্মীয় পূজাবিলাকৰ উপৰিও আন কেইবাটাও উৎসৱ-পালন কৰে। তাৰ ভিতৰত 'খাও মাউ', 'থান পূজা' আদি উল্লেখনীয়। ইয়াৰ উপৰি ব্যক্তিগতভাৱে নানা দান উৎসৱো পালন কৰা হয়। চান্দ্ৰমাহৰ গণনা অনুসৰি পালন কৰা পূৰ্ণিমাকেন্দ্ৰিক এই উৎসৱসমূহৰ ভিতৰত 'পয় চাং কেন্' একমাত্ৰ ব্যতিক্ৰম। ইয়াত পূৰ্ণিমাতকৈ চ'ত আৰু বহাগ মাহৰ সংক্ৰান্তিহে প্ৰধান বিষয়।

ফাকেসকলে পালন কৰা উৎসৱসমূহত বুদ্ধদেৱে জন্মৰপৰা আৰম্ভ কৰি জীৱন কালত মুখামুখি হোৱা নানা ঘাত প্ৰতিঘাত মূল উপজীব্য হৈ থাকে। সমূহীয়াকৈ পালন কৰা 'থম্ ট্ৰা'ত ভিক্ষুৱে ধৰ্মীয় দীক্ষা প্ৰদান কৰাৰ লগতে বুদ্ধদেৱে জীৱনকালত লাভ কৰা নানা পৰিস্থিতিৰ ব্যাখ্যা কৰে।

ফাকেসকলে পালন কৰা ধৰ্মীয় উৎসৱ-পাৰ্বণসমূহ অসমৰ জাতীয় জীৱনৰ অমূল্য সম্পদ। এই উৎসৱসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰাৰ অৱকাশ আছে।

> ফাকেসকলে পালন কৰা উৎসৱসমূহত বুদ্ধদেৱে জন্মৰপৰা আৰম্ভ কৰি জীৱন কালত মুখামুখি হোৱা নানা ঘাত-প্ৰতিঘাত মূল উপজীব্য হৈ থাকে।

সমল ব্যক্তি ঃ

১. আই চে লেত হাইলীঙ, নামফাকে গাঁও, নাহৰকটীয়া
২. অংক্যা গোঁহাই, নামফাকে গাঁও, নাহৰকটীয়া
৩. আম চাউ খ্য চাখাপ, নামফাকে গাঁও, নাহৰকটীয়া
৪. ই ক্যা চাখাপ, টিপাম ফাকে গাঁও, জয়পুৰ
৫. নাঙ পি লিঙ, ফানেং গাঁও, জাগুন

সহায় লোৱা গ্ৰন্থ ঃ


১. ভীমকান্ত বৰুৱা ঃ অসমৰ ভাষা
২. ডিয়ত ৱেইংকেন ঃ হৌকং উপত্যকাৰ পৰা নামফাকে গাৱলৈ
৩. Ganesh Chandra Sharma Thakur : The Tai Phakes of Assam
৪. Supriti Phukan : The Phakes
৫. বিজু মৰাণ ঃ টাই ফাকে ভাষা আৰু সংস্কৃতি


****

# তথ্য প্ৰযুক্তি আৰু মানৱ সভ্যতা

অধ্যাপক প্ৰদীপ চেতিয়া ফুকন
*গণিত বিভাগ*

সাম্প্ৰতিক বিশ্বত ইনফ'ৰমেশ্যন টেকন'লজিয়ে মানৱ জাতিক অভূতপূৰ্বভাৱে প্ৰভাৱান্বিত কৰিছে। ইনফ'ৰমেশ্যন টেকন'লজি অৰ্থাৎ তথ্য প্ৰযুক্তিৰ জগতখন কল্পনাতীতভাৱে বাঢ়ি গৈছে। সাধাৰণতে মৌলিক বিজ্ঞানৰ পৰাই প্ৰায়োগিক বিজ্ঞান আৰু তাৰ পৰাই প্ৰযুক্তিবিদ্যাৰ উদ্ভৱ হয়। তথ্য প্ৰযুক্তিও প্ৰযুক্তিবিদ্যাৰ শেহতীয়া বিপ্লৱ। আধুনিক প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগৰ ফলত বৰ্তমান গোটেই বিশ্বখন হৈ পৰিছে সংকুচিত। দূৰ-সংযোগৰ জৰিয়তে পৃথিৱীৰ যিকোনো এখন ঠাইৰ এজন বক্তিয়ে আন এখন ঠাইৰ এজন ব্যক্তিৰ লগত কথা পাতিব পাৰে। E-mail, FAX আদিৰ জৰিয়তে পৃথিৱীৰ যিকোনো ঠাইলৈ আন ঠাইৰ পৰা মাত্ৰ কেইচেকেণ্ডৰ ভিতৰতে বাৰ্তা প্ৰেৰণ কৰিব পাৰি। আজি কম্পিউটাৰৰ প্ৰযুক্তিয়েই সমগ্ৰ বিশ্বৰ জনসাধাৰণৰ মাজত অধিক নিৰ্ভৰযোগ্যতা প্ৰতিপন্ন কৰি দৈনন্দিন জীৱনৰ অপৰিহাৰ্য অংগ হিচাপে পৰিণত হৈ পৰিছে। একৈশ শতিকাৰ দুৱাৰদলিত ইনফ'ৰমেশ্যন টেকন'লজিয়ে চমকপ্ৰদ সাফল্য লাভ কৰিছে। নতুন বিশ্ব শৃংখলাৰ প্ৰধানতম উপাদানৰ অন্যতম মাধ্যম হৈছে ইনফ'ৰমেশ্যন টেকন'লজি।

তথ্য প্ৰযুক্তিৰ এটি প্ৰধান অৱলম্বন হৈছে PARAM-10000। আমেৰিকা আৰু জাপানৰ পাছতে ভাৰতবৰ্ষতো Super Computer PARAM-10000ৰ সহায়ত আধুনিক প্ৰযুক্তিবিদ্যাৰ সম্বল যোগাইছে।

তথ্য প্ৰযুক্তিৰ এটি প্ৰধান অৱলম্বন হৈছে PARAM-10000। আমেৰিকা আৰু জাপানৰ পাছতে ভাৰতবৰ্ষতো Super Computer PARAM- 10000ৰ সহায়ত আধুনিক প্ৰযুক্তিবিদ্যাৰ সম্বল যোগাইছে। আধুনিক সংজ্ঞা অনুযায়ী যি কম্পিউটাৰে 52 মেগাবাইতকৈও বেছি স্মৃতি ধৰি ৰাখিব পাৰে সিয়েই চুপাৰ কম্পিউটাৰ। চুপাৰ কম্পিউটাৰৰ সহায়ত পৃথিৱীৰ অৱস্থানৰ বিষয়ে জানিব পৰা যায়।

আধুনিক সংজ্ঞা অনুযায়ী যি কম্পিউটাৰে 52 মেগাবাইতকৈও বেছি স্মৃতি ধৰি ৰাখিব পাৰে সিয়েই চুপাৰ কম্পিউটাৰ। চুপাৰ কম্পিউটাৰৰ সহায়ত পৃথিৱীৰ অৱস্থানৰ বিষয়ে জানিব পৰা যায়। আমেৰিকাই চুপাৰ কম্পিউটাৰ আন দেশবিলাকলৈ পঠাবলৈ অস্বীকাৰ কৰিছিল আৰু নিৰ্দিষ্ট স্বত্ব অবিহনে নপঠাই ছিল; কিন্তু সেই সময়তে ভাৰত বৰ্ষৰ বিজ্ঞানীসকলে চুপাৰ কম্পিউটাৰ PARAM-10000 নিৰ্মাণ কৰি উলিয়ায়। এই PARAM-10000ৰ সহায়ত 10,000 কোটি গণনা এক চেকেণ্ডত কৰিব পৰাৰ ব্যৱস্থা আছে।

বাংগালোৰত অৱস্থিত National Aeronautical Laboratoryত LO-SALVE নামৰ চুপাৰ কম্পিউটাৰে প্ৰযুক্তিবিদ্যাত অৰিহণা যোগাই আহিছে। হাইদৰাবাদত PACE চুপাৰ কম্পিউটাৰ, বাংগালোৰত C-Dot Centre, ভাবা এটমিক ৰিচাৰ্চ চেণ্টাৰ থকা ANUPAM নামৰ চুপাৰ কম্পিউটাৰ তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰত বহুলভাৱে ব্যৱহাৰ হৈ আহিছে। চুপাৰ কম্পিউটাৰ হৈছে অন্যবিলাক কম্পিউটাৰতকৈ শক্তিশালী। চিকিৎসা বিজ্ঞানৰ বিভিন্ন তথ্য চুপাৰ কম্পিউটাৰে দিব পাৰে। বতৰৰ নিৰ্দেশনা, মংগল, বৃহস্পতি, বুধ আদি কৰি অন্য গ্ৰহবিলাকৰ অধ্যয়ন চুপাৰ কম্পিউটাৰৰ দ্বাৰা সম্ভৱ হৈছে।





নিৰ্দিষ্ট পৰিমাণৰ ভিটামিন আৰু প্ৰ'টিনে মানৱ শৰীৰত কেনেকৈ সহায় কৰে সেই বিষয়ে ডাক্তৰ আৰু গৱেষকসকলক PARAM-10000এ সকীয়াই দিয়ে। এইবিলাকৰ উপৰিও কাৰিকৰী শিক্ষা, ঔদ্যোগিক বিকাশ, মহাকাশ অধ্যয়ন, জ্যোতিৰ্বিজ্ঞান আদি সকলোতে তথ্য প্ৰযুক্তিৰ নৱতম বিকাশ PARAM-10000ৰ ব্যৱহাৰৰ বহুলভাৱে হ'বলৈ ধৰিছে।

ইণ্টাৰনেট হৈছে তথ্য প্ৰযুক্তিৰ আটাইতকৈ বেছি যোগান ধৰিব পৰা যোগাযোগৰ অন্যতম ব্যৱস্থা। শেহতীয়াকৈ আমাৰ মাজলৈ আহিছে নিউবি, ৱেবছাইট, ছাইবাৰ স্পেছ ইত্যাদি শব্দবোৰ। এই শব্দবোৰ বৰ্তমান আমাৰ অচিনাকী যদিও কিছু বছৰৰ পাছত চিনাকী হৈ যাব। এই শব্দবোৰৰ আগমন ইণ্টাৰনেট ব্যৱস্থাৰ ফলস্বৰূপেই ঘটিছে। কম্পিউটাৰ নেটৱৰ্ক গঢ় লগত সমগ্ৰ বিশ্বৰ অসংখ্য কম্পিউটাৰ সংলগ্ন হৈ তথ্য সংগ্ৰহৰ যি এক অভূতপূৰ্ব ব্যৱস্থা গঢ় লৈ উঠিছে তাক কোৱা হয় নেটৱৰ্ক অব নেটৱৰ্ক অথবা ইণ্টাৰ নেটৱৰ্ক আৰু ইয়াকে নাম দিয়া হৈছে ইণ্টাৰনেট।

প্ৰকৃতপক্ষে ইণ্টাৰনেট কোনো এক যন্ত্ৰ নহয়। ই হৈছে তথ্য সৰবৰাহৰ এক প্ৰণালীযুক্ত কম্পিউটাৰৰ ব্যৱস্থা। ইণ্টাৰনেটৰ দ্বাৰা পৃথিৱীৰ বিভিন্ন ব্যৱহাৰিক প্ৰতিষ্ঠানক ব্যৱহাৰিকভাৱে তথ্য মজুত ৰাখি যোগান ধৰা হয়। গ্ৰাহকে

ভাৰতবৰ্ষৰ টেলিকমিউনি-কেশ্যন বিভাগৰ নেটৱৰ্কৰ নাম হৈছে আইনেট। দিল্লী, মুম্বাই, কলিকতা, চেন্নাই, বাংগালোৰ, হায়দৰাবাদ, পুনে আৰু আহমেদাবাদ— এই আঠটা কেন্দ্ৰৰ কম্পিউটাৰক সংলগ্ন কৰি আইনেটৰ মূল মেৰুদণ্ড গঢ় লৈ উঠিছে। এই আইনেট পৃথিৱীৰ আনবোৰ আইনেটৰ লগত সংলগ্ন হৈ ইণ্টাৰনেটৰ অংশ হৈ পৰিছে। পৃথিৱীৰ বহু দেশত এনেধৰণৰ বহুতো নেটৱৰ্ক বেকব'ন আছে।

ইণ্টাৰনেটৰ জৰিয়তে আহৰণ কৰিব পৰা তথ্যসমূহ এনেধৰণৰ—

১। চিঠি-পত্ৰ আদান-প্ৰদান।
২। পৃথিৱীৰ বিভিন্ন অঞ্চলৰ বিভিন্ন বিষয়ত তথ্য সংগ্ৰহ।
৩। অধ্যয়ন আৰু গৱেষণাৰ বাবে প্ৰয়োজনীয় তথ্য সংগ্ৰহ।
৪। কম্পিউটাৰ গেম খেলা।
৫। বিনোদনধৰ্মীয় অনুষ্ঠান উপভোগ কৰা।
৬। পত্ৰবন্ধুৰ লেখিয়াকৈ ইণ্টাৰনেট বন্ধুৰ লগত আলাপ আলোচনা।
৭। ব্যৱহাৰিক লেনদেন বা আলোচনা ইত্যাদি।

ভাৰতবৰ্ষৰ টেলিকমিউনিকেশ্যন বিভাগৰ নেটৱৰ্কৰ নাম হৈছে আইনেট। দিল্লী, মুম্বাই, কলিকতা, চেন্নাই, বাংগালোৰ, হায়দৰাবাদ, পুনে আৰু আহমেদাবাদ— এই আঠটা কেন্দ্ৰৰ কম্পিউটাৰক সংলগ্ন কৰি আইনেটৰ মূল মেৰুদণ্ড গঢ় লৈ উঠিছে। এই আইনেট পৃথিৱীৰ আনবোৰ আইনেটৰ লগত সংলগ্ন হৈ ইণ্টাৰনেটৰ অংশ হৈ পৰিছে। পৃথিৱীৰ বহু দেশত এনেধৰণৰ বহুতো নেটৱৰ্ক বেকব'ন আছে। সেইবোৰ সমগ্ৰ ইণ্টাৰনেট ব্যৱস্থাৰ অংশীদাৰ।

পৃথিৱীৰ সকলোধৰণৰ টেলিফোন ব্যৱস্থাৰ বিপুল তৰংগমালাৰ বিশাল এলেকাকে কোৱা হয় ছাইবাৰ স্পেছ। অনাতাঁৰ তৰংগৰ অদৃশ্য জগতখনেই হ'ল এই ছাইবাৰ স্পেছ। তথ্য সমুদ্ৰৰ বিশাল তথ্যভাণ্ডাৰৰ পৰা যিকোনো বিশেষ তথ্যৰ সন্ধান কৰা এক জটিল কাম আৰু এই জটিলতাক সহজ কৰিবলৈ সৃষ্টি কৰা হৈছে অজস্ৰ ছফ্‌টৱেৰ। তথ্য প্ৰযুক্তিৰ বাবে তথ্য অনুসন্ধান প্ৰক্ৰিয়াক দ্ৰুত কৰিবৰ কাৰণে সম্প্ৰতি ব্যৱহাৰ কৰা হৈছে হাইপাৰ টেক্সট নীতি। ইয়াৰ ব্যৱহাৰৰ ফলত তথ্য অনুসন্ধানৰ সময়ত কম্পিউটাৰ পৰ্দাত কোনো বিশেষ তথ্যৰ কিছুমান বিশেষ আখৰ আন এক বেলেগ ৰঙৰ দ্বাৰা লিখা থাকিব আৰু গ্ৰাহকে সেই ৰঙীণ আখৰসমূহক ক্লিক্ কৰি বিষয়সমূহ আয়ত্ব কৰিব পাৰে। তথ্য প্ৰযুক্তিৰ অন্যতম আহিলা ইণ্টাৰনেটে সমগ্ৰ বিশ্বজুৰি যোগাযোগ ব্যৱস্থাৰ ক্ষেত্ৰত অনা দ্ৰুত পৰিৱৰ্তনৰ ফলত নিঃসন্দেহে আজি বিশ্ব উন্নয়নৰ দিশত আমূল

পৰিৱৰ্তন ঘটিছে। সমগ্ৰ বিশ্বতে হোৱা কাগজৰ নাটনি, গ্ৰন্থৰ উচ্চ মূল্য, প্ৰকাশৰ খৰচ আদিলৈ লক্ষ্য ৰাখি সম্প্ৰতি পৃথিৱীৰ প্ৰায় আটাইবোৰ উল্লেখযোগ্য বাতৰি কাকতে ইণ্টাৰনেটত ৱেবছাইটৰ ব্যৱস্থা কৰিছে। ইণ্টাৰনেট ব্যৱস্থাটোৱে সমগ্ৰ পৃথিৱীৰ বিভিন্ন কলা, স্থাপত্য, ভাস্কৰ্য, চিত্ৰকলা, লোককাহিনী, লোকজীৱন, লোকসাহিত্য, নৃত্য-গান, লোকপৰিৱেশ আদি সংস্কৃতিৰ বিষয়সমূহকো সাঙুৰি লৈছে।

তথ্য প্ৰযুক্তিৰ কেইটামান উল্লেখযোগ্য আহিলা হৈছে PARAM-10000, ইণ্টাৰনেট, NICNET (National Information Centre Network), ERNET (Education Research Network), SOFNET (Software Network), INDONET আৰু E-mail।

বৰ্তমান বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ প্ৰতিগৰাকী গৱেষকৰ কোঠালিত কম্পিউটাৰ আছে। কম্পিউটাৰৰ সহায়ত গৱেষকসকলে গৱেষণামূলক প্ৰবন্ধ-পাতি প্ৰকাশ হোৱা আলোচনীৰ নামো পৃষ্ঠাত বিচাৰি পায়। ইলেক্ট্ৰনিক ডাকৰ সহায়ত চিঠি পঠোৱা হয়। তথ্য প্ৰযুক্তিৰ এনেবোৰ সা-সুবিধাৰ বাবে পশ্চিমীয়া দেশবোৰত বিজ্ঞানৰ গৱেষণা অতি দ্ৰুতগতিৰে আগবাঢ়িব পাৰিছে। কুৰি শতিকাৰ তৃতীয় স্তৰত বিজ্ঞান উন্নতিৰ শিখৰ পায়হি। পৰিৱেশ বিজ্ঞান, চিকিৎসা বিজ্ঞান আদিৰ ওপৰত তথ্য প্ৰযুক্তিৰ গুৰুত্ব অধিক বৃদ্ধি পাবলৈ ধৰিলে।

মহাকাশ গৱেষণা আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ ক্ষেত্ৰত ইনফ'ৰমেশ্যন টেকন'লজিৰ অৱদান অতুলনীয়। দূৰ সংযোগ, বতৰৰ আগজাননী দিয়া, বহিৰ্জগতৰ প্ৰাণীৰ উপস্থিতিৰ সম্পৰ্কীয় গৱেষণা, প্ৰাকৃতিক সম্পদৰ সন্ধেদ আৰু ৰক্ষণাবেক্ষণ, প্ৰাকৃতিক বিপৰ্যয়ৰ বিষয়ে আগতীয়া সতৰ্কবাণী দিয়া আদি আধুনিক জীৱন-ধাৰণ প্ৰণালীত প্ৰায় সকলো ক্ষেত্ৰতে মহাকাশ বিজ্ঞানৰ প্ৰভাৱ বিদ্যমান। এই সকলোবিলাকৰ গুৰিতে আছে তথ্য প্ৰযুক্তি।

মানৱ জাতিৰ ভৱিষ্যতৰ অগ্ৰগতিৰ বাবে বিজ্ঞানৰ মৌলিক গৱেষণা অবিৰতভাৱে চলি থকাৰ লগতে আধুনিক তথ্য প্ৰযুক্তিৰে বিশুদ্ধ জ্ঞানৰ অৰিহণা যোগাব লাগিব। নহ'লে প্ৰায়োগিক বিজ্ঞানো ৰুগ্ন হৈ যাব পাৰে। আইনষ্টাইনে ১৯৩১ চনত কেলটেকত দিয়া ঐতিহাসিক বক্তৃতাটোৰ সাৰাংশ হ'ল— যিকোনো বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিষয়ক অভিযানৰ মূল উদ্দেশ্য হ'ব লাগিব— মানুহ আৰু প্ৰতিজন মানুহৰ সুখ সম্পদ। অতি ক্ষুদ্ৰ জগতখনেই হওক বা অতি বৃহৎ জগতখনেই হওক— আমাৰ বিশ্বৰ সকলো সমস্যা বিজ্ঞানীসকলে এতিয়াও সমাধান কৰিব পৰা নাই।

মানৱ জাতিৰ ভৱিষ্যতৰ অগ্ৰগতিৰ বাবে বিজ্ঞানৰ মৌলিক গৱেষণা অবিৰতভাৱে চলি থকাৰ লগতে আধুনিক তথ্য প্ৰযুক্তিৰে বিশুদ্ধ জ্ঞানৰ অৰিহণা যোগাব লাগিব। নহ'লে প্ৰায়োগিক বিজ্ঞানো ৰুগ্ন হৈ যাব পাৰে। আইনষ্টাইনে ১৯৩১ চনত কেলটেকত দিয়া ঐতিহাসিক বক্তৃতাটোৰ সাৰাংশ হ'ল— যিকোনো বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিষয়ক অভিযানৰ মূল উদ্দেশ্য হ'ব লাগিব— মানুহ আৰু প্ৰতিজন মানুহৰ সুখ সম্পদ।

অদূৰ ভৱিষ্যতে বিজ্ঞানী আৰু গৱেষকসকলৰ চিন্তা-ধাৰা আৰু তেখেতসকলৰ গৱেষণা তথা আৱিস্কাৰৰ ফলাফলসমূহ মানৱজাতিৰ কল্যাণৰ বাবে হোৱা উচিত। তথ্য প্ৰযুক্তিৰ মাধ্যমসমূহ যিমানেই ক্ষমতা সম্পন্ন নহওক, মনত ৰখা উচিত যে এই প্ৰযুক্তিসমূহ মানৱৰ দ্বাৰা পৰিচালিত। ইয়ে সময়ত বিপদজনক হৈ নুঠে, তাৰ প্ৰতি বিজ্ঞানীসকলে দৃষ্টি ৰখা কৰ্তব্য। ভাৰতৰ নিচিনা উন্নয়নশীল দেশৰ ক্ষেত্ৰত তথ্য প্ৰযুক্তিৰ আহিলাসমূহৰ ব্যৱহাৰ অপৰিহাৰ্য আৰু বিশ্বায়নৰ লগত প্ৰতিযোগিতাত ব্ৰতী হোৱা একান্ত বাঞ্ছনীয়। কিন্তু ব্যাপকভাৱে কম্পিউটাৰ প্ৰচলনৰ আগতে সামগ্ৰিক পৰিস্থিতি বিচাৰ আৰু বিশ্লেষণ কৰা একান্ত প্ৰয়োজন। মানুহক তুচ্চ জ্ঞান কৰি তথ্য প্ৰযুক্তিৰ মাধ্যমসমূহক উচ্চ আসন দিলে নহ'ব। আমি মনত ৰাখিব লাগিব, তথ্য প্ৰযুক্তিৰ বাবে মানুহ নহয়, মানুহৰ উন্নতিৰ কাৰণেহে তথ্য প্ৰযুক্তি। □





# অসমৰ জাতীয় চেতনা আৰু লেখক-সাহিত্যিক-বুদ্ধিজীৱীৰ দায়িত্ব

ড° শশীকান্ত শইকীয়া
*বাণিজ্য বিভাগ*

**এক ঃ দায়বদ্ধ লেখক-সাহিত্যিক, জীৱনৰ অভিজ্ঞতা আৰু সাহিত্যিত স্থান...**

অসমত নিশাৰ ভিতৰতে অনেক লেখক-সাহিত্যিক সৃষ্টি হৈছে। সঁচা অৰ্থত অসমত এতিয়া লেখক-সাহিত্যিকৰ অভাৱ নাই। দৈনিক নতুন-নতুন লেখক-লেখিকা তথা সাহিত্যিকৰ আত্মপ্ৰকাশ ঘটিয়েই আছে। লেখক-লেখিকা, সাহিত্যিক বৃদ্ধি পোৱাটো এখন সমাজৰ কাৰণে ভাল কথা। সমাজৰ প্ৰতি কিমানজন লেখক-সাহিত্যিক প্ৰকৃতাৰ্থত দায়বদ্ধ। এই প্ৰশ্ন কৰিলে হয়তো দায়বদ্ধ লেখক-লেখিকাৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পাৰি। অসমখন এতিয়া এক জলন্ত অগ্নিপিণ্ড হোৱাৰ পথত। মাওবাদীকে ধৰি বিচ্ছিন্নবাদী শক্তিসমূহ পুনৰ সক্ৰিয় হৈছে। একাৰ্থত বিচ্ছিন্নতাবাদী আন্দোলনে অসমত পুনৰ গা কৰি উঠিছে। অসমৰ আৰ্থ সামাজিক পৰিৱেশত কেনেদৰে এনে ঘটনাসমূহে প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে, নতুন প্ৰজন্মৰ মাজত কিদৰে শিপাইছে ,ভৱিষ্যত কেনি গৈ আছে বা আমি সভ্য সমাজত থাকিব বিচৰা সকলে নতুবা শান্তিপ্ৰিয়সকল ক'লৈ গৈ আছো, নতুবা কলৈ আমাক নি থকা হৈছে সেই বিষয়ে কিমানজন লেখক-সাহিত্যিকে লেখনিৰ যোগে প্ৰকাশ কৰিছে। এতিয়া জানো ক'ৰবাত ভোজ খাই ভাল লগা, কাৰোবাক লগ পাই ভাল লগা, কাৰোবাৰ চাং ঘৰত বহি গাহৰি মাংস, সাজপানী জুতিলৈ ভাল পাই লিখা ইত্যাদি ইত্যাদি কথাবোৰ বহুলভাৱে প্ৰচাৰ কৰাৰ সময়? এখন সমাজৰ লেখক-লেখিকা বুদ্ধিজীৱীসকল যিমানেই দায়বদ্ধ সিমানেই সমাজৰ অন্যান্য সাধাৰণ ব্যক্তিসকল চিন্তা প্ৰয়াসী হয়। লেখক-লেখিকা বা বুদ্ধিজীৱীসকলক সদায় এক উচ্চ খাপৰ বুলি ভবা হয় আৰু তেওঁলোকেই সমাজখন পৰিচালিত কৰে। আজিকালি অসমত এনে বাতৰি কাকতৰ সম্পাদকো আছে তেওঁ নিজৰেই চিন্তাগধুৰ, মননশীল নিবন্ধ এটা ছমাহৰ মূৰতো নিজৰ কাকততে প্ৰকাশ নাপায়। অসমৰ লেখিক-সাহিত্যিকৰ বৌদ্ধিক দৈন্যতা ইয়াতকৈ আৰু অধিক উদাহৰণ দিব নালাগে নিশ্চয়। অসমখন যিহেতু এতিয়া সমস্যা জৰ্জৰ এখন ৰাজ্য ,এই ৰাজ্যৰ লেখক-সাহিত্যিক-কবিসকলে তেওঁলোকৰ পেনপেনিয়া লেখনিৰে কলমৰ চিঁয়াহী খৰচ কৰাৰ সময় নহয়। প্ৰত্যেকজন লেখক-সাহিত্যিকে এতিয়া কলম হাতত তুলি ল'ব লাগিব-সমস্যা জৰ্জৰ অসমৰ জটিল সমস্যাসমূহ সমাধানৰ প্ৰকৃত পথ আঙুলিয়ায়। তেওঁলোকে সৰ্বসাধাৰণ ৰাইজক বাট দেখুৱাব লাগিব সৃষ্টিৰ। উপন্যাস সৃষ্টি হ'ব লাগিব, গল্প সৃষ্টি হ'ব লাগিব, কবিতা সৃষ্টি হ'ব লাগিব জাতীয় ভাৱাদৰ্শৰ, জাতীয় সমস্যাৰ ওপৰত। জাতীয় সংকটৰ কাৰণ আৰু সমাধানৰ পথ প্ৰকাশ পাব লাগিব তেওঁলোকৰ কলমৰ যোগেদি।

মাওবাদীকে ধৰি বিচ্ছিন্নবাদী শক্তিসমূহ পুনৰ সক্ৰিয় হৈছে। একাৰ্থত বিচ্ছিন্নতাবাদী আন্দোলনে অসমত পুনৰ গা কৰি উঠিছে। অসমৰ আৰ্থ সামাজিক পৰিৱেশত কেনেদৰে এনে ঘটনাসমূহে প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে, নতুন প্ৰজন্মৰ মাজত কিদৰে শিপাইছে ,ভৱিষ্যত কেনি গৈ আছে বা আমি সভ্য সমাজত থাকিব বিচৰা সকলে নতুবা শান্তিপ্ৰিয়সকল ক'লৈ গৈ আছো, নতুবা কলৈ আমাক নি থকা হৈছে সেই বিষয়ে কিমানজন লেখক-সাহিত্যিকে লেখনিৰ যোগে প্ৰকাশ কৰিছে।

সঁচাকৈ এইটো স্বীকাৰ কৰিব লাগিব যে সাম্প্ৰতিক সময়ত অসমৰ লেখক-সাহিত্যিকসকলৰ দায়িত্বৰ বোজা বৃদ্ধি পাইছে। সমাজৰ প্ৰতিটো স্তৰতে অৱক্ষয়ে চূড়ান্ত ৰূপ লৈছে। সমাজৰ এনে সন্ধিক্ষণত লেখক-সাহিত্যিক, সাংবাদিক, বুদ্ধিজীৱীৰ দায়িত্ব অধিক হোৱাটোৱেই স্বাভাৱিক। লেখক, সাহিত্যিকসকলে তেওঁলোকৰ জীৱনৰ অভিজ্ঞতা গ্ৰন্থত লিপিবদ্ধ কৰি ৰাখে। সমাজৰ প্ৰতিখন ছবি গ্ৰন্থত লেখক-সাহিত্যিকসকলে স্থান দিয়ে। গ্ৰন্থক জনপ্ৰিয় কৰাৰ দায়িত্ব

অসমখন যিহেতু এতিয়া সমস্যা জৰ্জৰ এখন ৰাজ্য, এই ৰাজ্যৰ লেখক-সাহিত্যিক-কবিসকলে তেওঁলোকৰ পেনপেনিয়া লেখনিৰে কলমৰ চিয়াঁহী খৰচ কৰাৰ সময় নহয়। প্ৰত্যেকজন লেখক-সাহিত্যিকে এতিয়া কলম হাতত তুলি ল'ব লাগিব-সমস্যা জৰ্জৰ অসমৰ জটিল সমস্যাসমূহ সমাধানৰ প্ৰকৃত পথ আঙুলিয়ায়। তেওঁলোকে সৰ্বসাধাৰণ ৰাইজক বাট দেখুৱাব লাগিব সৃষ্টিৰ। উপন্যাস সৃষ্টি হ'ব লাগিব, গল্প সৃষ্টি হ'ব লাগিব, কবিতা সৃষ্টি হ'ব লাগিব জাতীয় ভাৱাদৰ্শৰ, জাতীয় সমস্যাৰ ওপৰত। জাতীয় সংকটৰ কাৰণ আৰু সমাধানৰ পথ প্ৰকাশ পাব লাগিব তেওঁলোকৰ কলমৰ যোগেদি।

লেখক-সাহিত্যিকসকলৰ ওপৰতো আছে। লেখক-সাহিত্যিকসকলৰ জীৱনৰ গভীৰতা যিমানেই গভীৰ হয় বা ৰসাল হয় সিমানেই গ্ৰন্থৰ জনপ্ৰিয়তা বৃদ্ধি পায়। সাম্প্ৰতিক সময়ত সমাজত সৃষ্টি হোৱা পৰিৱেশ লেখক-সাহিত্যিকসকলে তেওঁলোকৰ ৰচনাৰাজিৰ মাধ্যমেৰে গ্ৰন্থত স্থান দিলে নিশ্চয় তেনে গ্ৰন্থৰ জনপ্ৰিয়তা বৃদ্ধি পাব। সমাজৰ প্ৰকৃত ছবিখন কেনেদৰে লেখক-সাহিত্যিকসকলে আলোকপাত কৰিব পাৰিছে তাৰ ওপৰতো গ্ৰন্থৰ ভৱিষ্যত নিৰ্ভৰ কৰে। ৰাছিয়া, আমেৰিকা, বিট্ৰেইন, ফৰাচী, জাৰ্মানীৰ লেখক-সাহিত্যিকসকলে এসময়ত সমাজৰ প্ৰকৃত ছবিখন লেখনিৰ মাধ্যমেৰে সফল হোৱা বাবেই আজিও সেই দেশসমূহৰ বহু সংখ্যক লেখক-সাহিত্যিকে মৃত্যুৰ পিছতো জনপ্ৰিয়তা হেৰুৱা নাই। আজিও ৰাছিয়াৰ টলষ্টই, টুৰ্গেনিভ, গগল আদি লেখসকল জীৱন্ত কিংবদন্তীৰূপে পৰিচিত হৈ আছে, তেওঁলোকৰ সৃষ্টিৰাজিৰ বাবে।

আৰম্ভণিতে উল্লেখ কৰা হৈছে অসম এখন সমস্যা জৰ্জৰ ৰাজ্য। অসমত বিচ্ছিন্নতাবাদী সমস্যা, নিবনুৱা সমস্যা, বিদেশী সমস্যা, বৃহৎ নদীবান্ধৰ সমস্যা, দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ সমস্যা, সামাজিক আৰু ৰাজনৈতিক সমস্যাসমূহে ভাৰাক্ৰান্ত কৰি আহিছে। এনে সমস্যাসমূহ কিয় বৃদ্ধি পাইছে আৰু সমস্যাসমূহ সমাধান কেনেকৈ হ'ব পাৰে সেই বিষয়ে বিস্তৃত বিশ্লেষণ কৰি লেখা মেলা কৰা সাহত্যিক অসমতনো কেইজন আছে। নিশ্চয় তেনে লেখক-সাহিত্যিকৰ সংখ্যা তেনেই নগণ্য। সমস্যাৰ মাজত ডুব গৈ থকা লেখক-সাংবাদিক, বুদ্ধিজীৱিসকলে কিমান নিষ্ঠাসহকাৰে তেওঁলোকৰ দায়িত্ব পালন কৰিব পাৰিছে ? অসমৰ ক্ষেত্ৰত দেখা যায় সাম্প্ৰতিক লেখক-সাহিত্যিকসকলৰ অধিকাংশই সমাজৰ বাস্তৱ ছবি অংকন কৰিবলৈ সক্ষম হোৱা নাই। বিগত বছৰসমূহত দেখা যায় দুই এখন গ্ৰন্থৰ বাহিৰে অতি বেছি ৰোমান্তিকতাক প্ৰশ্ৰয় দি সৃষ্টি কৰা হৈছে বহুসংখ্যক ৰোমান্তিক কবিতা আৰু গল্পপুথি। অসমত কনকসেন ডেকাৰ 'গৃহযুদ্ধ', ৰীতা চৌধুৰীৰ 'মাকাম' নামৰ গ্ৰন্থখনে এক ইতিহাস তুলি ধৰিবলৈ সক্ষম হৈছে। সেয়ে সেই গ্ৰন্থকেইখন অসমৰ ৰাইজে আদৰি লৈছে। মই এইটো ক'ব খোজা নাই যে গৃহযুদ্ধ, মাকাম নামৰ গ্ৰন্থই সৃষ্টি হওক, ৰোমান্তিক কবিতা, গল্প-সাহিত্যৰ মুঠেই প্ৰয়োজন নাই। তেনে অভাৱো আমাৰ আছে । সেই অভাৱ সম্পৰ্কে আলোচনা কৰিবলগীয়াও যথেষ্ট আছে। কিন্তু সময়ৰ স'তে খাপ খোৱাকৈ সমাজৰ সমস্যাসমূহ আলোকপাত কৰিব পৰাকৈ বা লিপিবদ্ধ হোৱাকৈ তেনে গ্ৰন্থ, কবিতাপুথি আমাৰ সমাজত সৃষ্টি হোৱা নাই। 'তোমাক মই ভাল পামেই পাম' 'তোমাৰ প্ৰেমত পৰিমেই পৰিম' 'তুমি ঘৃণা কৰিলেও মই তোমাক ভাল পাম' এনেকুৱা দৃষ্টিভংগীৰে ৰচনা কৰা কবিতাৰ প্ৰয়োজন আছে। তেনে পৰিৱেশো আমাৰ সমাজত গঢ়ি উঠিব লাগিব। সঁচা অৰ্থত তেনে ৰোমান্তিক কবিতা লিখাৰ পৰিৱেশ আজি অসমত এতিয়া সৃষ্টি হৈছেনে? বিগত তিনিটা দশক অসম কেনে সমস্যাৰ মাজেদি আগবাঢ়ি আহি আছে, সেই পৰিক্ৰমা কিমানজন লেখক-সাহিত্যিকে গ্ৰন্থাকাৰে লিপিবদ্ধ কৰি ৰাখিছে। তেনেদৰে আমাৰ সমাজৰ যিখিনি জলন্ত সমস্যা সেই সমস্যাসমূহ কেইজন লেখকে সৰ্বভাৰতীয় পৰ্যায়লৈ বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ লেখনিৰ মাধ্যমেৰে উলিয়াই নিব পাৰিছে। দিনৌ বাতৰি কাকতত প্ৰকাশ পাই আহিছে নাৰী নিৰ্যাতনৰ বাতৰি। জলন্ত জুইত পেলাই নাৰীক হত্যা কৰা হৈছে, ডাইনী সন্দেহত নাৰীক নৃশংসভাৱে হত্যা কৰা হৈছে। কিন্তু এনে সমস্যা কিয় বৃদ্ধি পাইছে বা ইয়াৰ অন্তৰালত কিহে ক্ৰিয়া কৰিছে তেনে গৱেষণাধৰ্মী গ্ৰন্থনো প্ৰকাশ পাইছে কেইখন? অসমীয়া সমাজ ব্যৱস্থাৰ অন্যান্য নেতিবাচক দিশসমূহ সাঙুৰিও ভাল গ্ৰন্থ সৃষ্টি হৈছে বুলি মনে নধৰে।

আশীৰ দশকৰ আগছোৱাত যেতিয়া অসমৰ বিচ্ছিন্নতাবাদী কাৰ্যকলাপ বা অস্তিত্ব ৰক্ষা আন্দোলন গঢ় লৈ উঠিছিল তেতিয়া অসমৰ লেখক-সাহিত্যিকসকলে ইয়াৰ ভৱিষ্যত পৰিণতি কি হ'ব সেই বিষয়ে বিশ্লেষণ কৰি জনমত সৃষ্টি কৰিব পৰা হেতেঁন, আজি অসমৰ এনে অগ্নিগৰ্ভ পৰিস্থিতি সৃষ্টি নহ'লহেঁতেন। কিন্তু দেখা গৈছিল যে সেই সময়ত অসমৰ লেখক-সাহিত্যিক, বুদ্ধিজীৱীসকলৰ অধিকাংশই বিচ্ছিন্নতাবাদৰ পৰিণতি বিষম যেন অনুভৱ নকৰি ইয়াৰ বিপৰীতে সাৰ-পানী যোগোৱাহে পৰিলক্ষিত হৈছিল। ফলত অসমখন পৃথিৱীৰ অন্যান্য ঠাইৰ তুলনাত বিশ বছৰ পিছুৱাই গ'ল আৰু সেই খালী ঠাই পূৰ কৰিবৰ বাবে আমি আৰু কমেও এশ বছৰ সংগ্ৰাম চলাব লাগিব। একে সময়ছোৱাত পৃথিৱীৰ অন্যান্য অঞ্চল উন্নতিৰ পথত আগবাঢ়ি গ'ল আৰু আমি অসমীয়াই ৰৈ থাকিলো। অসমৰ লেখক-লেখিকা তথা বুদ্ধিজীৱীসকলে যথা সময়ত সঠিক বাট অসমৰ ৰাইজক দেখুৱাই দিয়াহেঁতেন আজি অসমৰ এনে পৰিস্থিতি সৃষ্টি নিশ্চয় নহ'লহেঁতেন। দুই এজন লেখক-সাহিত্যিকে ভৱিষ্যত পৰিণতি বিষয়ে আঙুলিয়াই দিছিল ঠিকেই কিন্তু তেওঁলোকৰ সংখ্যা নগণ্য হোৱাত আন কেইজনমানে তেওঁলোকৰ দৃষ্টিভংগী ভুল বুলি প্ৰমাণিত কৰাহে চেষ্টা কৰিছিল। এনে ঘটনাপ্ৰৱাহৰ পৰা অনুমান কৰিব পাৰি যে অসমৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যা হ'ল সকলো লেখক-সাহিত্যিক-বুদ্ধিজীৱী দেশৰ সংকটকালীন মুহূৰ্ততো ঐক্যবদ্ধ হ'ব নোৱাৰাটো। তেওঁলোকৰ দৃষ্টিভংগী প্ৰত্যেকৰে বেলেগ বেলেগ। সকলোৱে এক হ'ব নোৱাৰে। সেয়ে হয়তো কোনোবা এজনে ক্ষোভত এই বুলি প্ৰকাশ কৰিছিল যে অসমৰ একাংশ লেখক-সাহিত্যিক, বুদ্ধিজীৱী কাছৰ দৰে। কাছই যেতিয়াই নিজক সুবিধা যেন দেখে তেতিয়াই মূৰটো চলঙৰ বাহিৰত উলিয়াই ৰাখে আৰু যেতিয়াই বিপদ যেন দেখে তেতিয়াই মূৰটো চলঙৰ ভিতৰত সুমুৱাই নিৰাপদ দূৰত্বত অৱস্থান কৰে। কাছৰ দৰে একাংশ লেখক-বুদ্ধিজীৱীয়ে আচৰণ কৰাৰ বাবেই অসমৰ বহু সমস্যা একেখন মঞ্চত সমাধানৰ বাট ওলোৱা নাই। অসমৰ লেখক-সাহিত্যিকসকলৰ একাংশ যে নীতিহীন, ধূৰ্ত আৰু সুবিধাবাদী সেই কথা আৰু এতিয়া আৰু ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। এনে দুমুখীয়া, সুবিধাবাদী লেখক-সাহিত্যিকসকলৰ বাবেই আজি অসমৰ আৰ্থ সামাজিক পৰিৱেশত পয়াঁ লাগিবলৈ আৰম্ভ কৰিছে। হয়তো ভৱিষ্যতে আৰু অধিক বেয়া ৰূপ ল'ব। অসমৰ ভূমি বাংলাদেশক হস্তান্তৰ কৰা বুলি প্ৰচাৰিত হোৱা খবৰৰ পিছতো অসমৰ অধিকাংশ লেখক-বুদ্ধিজীৱি একেখন মঞ্চত আজিও ঠিয় হ'ব পৰা নাই। অসমৰ সকলো লেখক-সাংবাদিক, বুদ্ধিজীৱি এখেখন মঞ্চত ঠিয় হৈ এই কাৰ্যৰ প্ৰকৃত সমাধান দিব পাৰিলহেঁতেন। কিন্তু দেখা গ'ল সমস্যাটোৰ গভীৰতা ছাঁ-পোহৰৰ মাজতে লীন হোৱাৰ উপক্ৰম হ'ল। আজিও সেই সমস্যাটোৰ প্ৰকৃত এটা সমাধান অসমৰ ৰাইজে নাপালে। বাংলাদেশে তেওঁলোকৰ ভূমি অসমক প্ৰদান কৰিলে নে অসমৰ ভূমি বাংলাদেশক হস্তান্তৰ কৰা হ'ল সেই ঘটনাৰ প্ৰকৃত ছবি অসমৰ ৰাইজে নাপালে। এইয়ে হ'ল আমাৰ অসমৰ লেখক-সাহিত্যিক বুদ্ধিজীৱিৰ দৈন্যতা।

অসমৰ একাংশ লেখক-সাহিত্যিকে অসম আন্দোলনৰ আৰম্ভণি সময়ত ঘোৰ বিৰোধিত্ৰ কৰিছিল। পৰৱৰ্ত্তী সময়ত একেকেইজন লেখক-সাহিত্যিকে ইয়াক পূৰ্ণ সমৰ্থন কৰি অসমৰ ৰাইজকেই চৰম বিভ্ৰান্তিত পেলাইছিল। জাতীয় সংকট কালীন মুহূৰ্তত সকলো লেখক-সাহিত্যিকবুদ্ধিজীৱী এক হোৱাতো প্ৰয়োজন। তেওঁলোকৰ ভাৱাদৰ্শও এক হ'ব লাগিব। ক্ষুদ্ৰ স্বাৰ্থ পৰিহাৰ কৰি দেশ আৰু জাতিৰ স্বাৰ্থত হাতত কলম তুলি ল'ব লাগিব। চীন-ভাৰতৰ যুদ্ধৰ সময়ত এমাহতেই হেনো তেৰ হাজাৰতকৈও বেছি যুদ্ধ সংক্ৰান্তিয় কবিতা সৃষ্টি

আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যা হ'ল সকলো লেখক-সাহিত্যিক-বুদ্ধিজীৱী দেশৰ সংকটকালীন মুহূৰ্ততো ঐক্যবদ্ধ হ'ব নোৱাৰাটো। তেওঁলোকৰ দৃষ্টিভংগী প্ৰত্যেকৰে বেলেগ বেলেগ। সকলোৱে এক হ'ব নোৱাৰে। সেয়ে হয়তো কোনোবা এজনে ক্ষোভত এই বুলি প্ৰকাশ কৰিছিল যে অসমৰ একাংশ লেখক-সাহিত্যিক, বুদ্ধিজীৱী কাছৰ দৰে। কাছই যেতিয়াই নিজক সুবিধা যেন দেখে তেতিয়াই মূৰটো চলঙৰ বাহিৰত উলিয়াই ৰাখে আৰু যেতিয়াই বিপদ যেন দেখে তেতিয়াই মূৰটো চলঙৰ ভিতৰত সুমুৱাই নিৰাপদ দূৰত্বত অৱস্থান কৰে।




ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী ◆ ২০১০-১১ বৰ্ষ

সৰ্বভাৰতীয় পৰ্যায়ৰ পৰা আমাক যদি অসমৰ সাম্প্ৰতিক পটভূমিক কেন্দ্ৰ কৰি ৰচনা কৰা দহটা কবিতা, দহখন গ্ৰন্থ, দহটা গল্প, দহখন উপন্যাস বিচাৰে বা কথা সোধে তেন্তে আমি উলিয়াই দিব নোৱাৰিম বা ক'ব নোৱাৰিম। আমাৰ নতুন প্ৰজন্মৰ লেখক-সাহিত্যিকসকলে অতি বেছি ৰোমান্তিকতাকগুৰুত্ব দিবলৈ ধৰিছে যেন অনুমান হয়। অতি বেছি ৰোমান্তিকতাৰ ফলত আমাৰ সমসাময়িক বহু ঘটনা-পৰিঘটনা ঐতিহাসিক দলিল হিচাবে লিপিবদ্ধ হৈ নাথাকিব।

হৈছিল। এই কবিতাবিলাক ৰচনা কৰা হৈছিল হিন্দী ভাষাত। প্ৰথম মহাযুদ্ধৰ সময়তো পৃথিৱীত বহু প্ৰেৰণামূলক কবিতাৰ সৃষ্টি হৈছিল। অৱশ্যে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত তেনে প্ৰেৰণামূলক কবিতাৰ সৃষ্টি নোহোৱাত ইংলেণ্ডৰ এগৰাকী সম্পাদকে ইংৰাজ কবিসকলক ধিক্কাৰ দি সম্পাদকীয় পৰ্যন্ত লিখিব লগা হৈছিল। অসমৰ জাতীয় সংকট দৈনিক বাঢ়ি গৈ আছে। অসমৰ থলুৱা বাসিন্দাসকলৰ মাজতেই এতিয়া নিজৰ মাজতে অৰিয়াঅৰি। যুদ্ধংদেহী মনোভাৱ। স্বাধীন অসমৰ সমস্যাই হওক বা জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ সমস্যাই হওক অসমত দৈনিক সংকট বাঢ়ি গৈয়ে আছে। নগা, খাছী, অৰুণাচলী সকলোৱে অসমীয়াক চেপি-খুন্দি আহিছে। এনে সংকটকালীন মুহূৰ্তত কোনো লেখক-সাহিত্যিকে হৃদয় জোকাৰি যাব পৰা গ্ৰন্থ ৰচনা কৰি আলোড়ন সৃষ্টি কৰিব পৰা নাই। সেই সকলোবোৰেই হ'ল জাতীয় সংকটকালীন সমস্যা। দেশৰ আৰু জাতিৰ এনে সময়ছোৱাত কেইখনমান ৰোমান্তিক কবিতাপুথি ৰচনা কৰি বজাৰত এৰি দিলে সমাজত কিবা ইতিবাচক প্ৰভাৱ পৰিব বুলি ক'ব নোৱাৰি। কবিতা সৃষ্টি হ'ব লাগিব হৃদয় স্পৰ্শী যোৱা নগাৰ, খাছীৰ, বড়ো, অৰুণাচলীৰ অন্তৰ চুই যোৱা। অন্যান্য সাহিত্যও সৃষ্টি হ'ব লাগিব তদনুৰূপ ধৰণৰ। লেখক-সাহিত্যিকসকলৰ দায়িত্ব এতিয়া সৰ্বাধিক বৃদ্ধি পাইছে। লেখক-সাহিত্যিকসকলেই সমাজৰ স্নায়ু কেন্দ্ৰ আৰু তেওঁলোকে সমাজৰ গতি বিধি লক্ষ্য কৰা উচিত। ৰাইজক কলমৰ যোগেদি সুস্থ পথ দেখুৱাটো উচিত। সমাজৰ প্ৰমূল্য অক্ষুণ্ণ ৰখাৰ বাবে লেখক-সাহিত্যিকসকলে সমাজৰ প্ৰকৃত ছবিখন গ্ৰন্থত স্থান দিয়া উচিত। সেয়ে হ'ব সমাজৰ ইতিহাস।লেখক-সাহিত্যিকসকলে তেওঁলোকৰ দায়িত্ব সময়ৰ স'তে খাপ খোৱাকৈ পালন কৰিব লাগিব। সৰ্বভাৰতীয় পটভূমিত আজিৰ আমাৰ সমসাময়িক সাহিত্য তুলনা কৰি চালে দেখা পাওঁ অসমৰ জলন্ত সমস্যাসমূহক আলোকপাত কৰি গভীৰ অধ্যয়ন পুষ্ট মগজুৰে উপযুক্ত গ্ৰন্থ ৰচনা হোৱা নাই। সৰ্বভাৰতীয় পৰ্যায়ৰ পৰা আমাক যদি অসমৰ সাম্প্ৰতিক পটভূমিক কেন্দ্ৰ কৰি ৰচনা কৰা দহটা কবিতা, দহখন গ্ৰন্থ, দহটা গল্প, দহখন উপন্যাস বিচাৰে বা কথা সোধে তেন্তে আমি উলিয়াই দিব নোৱাৰিম বা ক'ব নোৱাৰিম। আমাৰ নতুন প্ৰজন্মৰ লেখক-সাহিত্যিকসকলে অতি বেছি ৰোমান্তিকতাকগুৰুত্ব দিবলৈ ধৰিছে যেন অনুমান হয়। অতি বেছি ৰোমান্তিকতাৰ ফলত আমাৰ সমসাময়িক বহু ঘটনা-পৰিঘটনা ঐতিহাসিক দলিল হিচাবে লিপিবদ্ধ হৈ নাথাকিব। নতুন প্ৰজন্মৰ লেখক-সাহিত্যিকসকলৰ লগতে প্ৰবীণ বুদ্ধিজীৱিসকলে এনে বিষয়বোৰৰ প্ৰতি চকু দিয়া উচিত। সময়ৰ ইতিহাস সময়ত নিলিখিলে তেনে ইতিহাস হেৰাই যোৱাৰ সম্ভাৱনাও থাকে।

**দুই ঃ গ্ৰন্থ অধ্যয়ন, প্ৰজ্ঞাৰ সাধনা, জীৱনৰ সাধনা ইত্যাদি...**

মনত পৰিছে কোনোবা কাকত-আলোচনীত পঢ়া জাৰ্মানীৰ সেই ঘটনাটো। জাৰ্মানীৰ মহানগৰসমূহত কেবামহলাৰো ভৱনত ডাঙৰ-ডাঙৰ কিতাপৰ দোকান আছে। সেই কিতাপৰ দোকানসমূহ চৌব্বিছ ঘণ্টাই গ্ৰাহকৰ বাবে খোলা থাকে। দোকান খোলা থকা সময়ত গ্ৰাহকৰ ভিৰ নিয়ন্ত্ৰণ কৰিবলৈ নিৰাপত্তাৰক্ষীৰ সহায় ল'বলগীয়া হয়। আজিৰ অসমত সকলো সামগ্ৰী যোগান ধৰা প্ৰকাণ্ড প্ৰকাণ্ড ব্যৱসায়িক মলসমূহ যেনেদৰে গঢ়ি উঠিছে জাৰ্মানীত বোলে তেনেদৰে কিতাপৰ দোকান গঢ় লৈ উঠিছে। জাৰ্মানীত গ্ৰন্থৰ প্ৰতি পাঠকৰ যি উৎসাহ তদনুৰূপ অসমীয়া মানুহৰ উৎসাহ দেখা পোৱা যায় অসমত শেহতীয়াকৈ গঢ়ি উঠা শ্বপিং মলসমূহত। কিন্তু দুৰ্ভাগ্যজনক কথা যে অসমৰ নগৰ-চহৰসমূহত এই শ্বপিং মলসমূহত কোনো এটা বিভাগতে





কিতাপ বা গ্ৰন্থ বিক্ৰী কৰা নহয়। অসমৰ নগৰ-চহৰসমূহত যিটো অঞ্চলত গ্ৰাহকৰ উপস্থিতি সেৰেঙা তেন্তে সেয়া সহজে অনুমান কৰিব পাৰি যে সেই অঞ্চলত কিতাপৰ দোকান আছে। গ্ৰন্থ বিপণী থকা অঞ্চলতেই গ্ৰাহকৰ ভিৰ কম। অসমীয়া মানুহে আজিও গ্ৰন্থক জনপ্ৰিয় কৰি তুলিবলৈ চেষ্টা কৰা নাই। জাৰ্মানীৰ চহৰত যে কেবামহলাৰ কিতাপৰ দোকান গঢ়ি উঠিছে সেই কিতাপৰ দোকানলৈ কেৱল কিতাপ কিনিবলৈহে যে যায় সেয়া নহয়। একাংশ গ্ৰাহকে যেনেদৰে কিতাপ কিনিবলৈ ভিৰ কৰে তেনেদৰে আন একাংশই নিজৰ সন্তানক কিতাপ দেখুৱাবলৈ নিয়ে। আমাৰ ইয়াত যেনেদৰে সন্ধিয়া আজৰি সময়ত নিজৰ সন্তানক পাৰ্ক, ৰেষ্টুৰালৈ নি আমোদ-প্ৰমোদৰ সুযোগ দিয়ে তেনেদৰে জাৰ্মানীৰ একাংশ অভিভাৱকে নিজৰ সন্তানক পাৰ্ক, ৰেষ্টুৰালৈ নিয়াৰ বিপৰীতে নিয়ে সেই বৃহৎ বৃহৎ কিতাপৰ দোকানলৈ। কিতাপ নিকিনিলেও নিজৰ সন্তানক কিতাপ দেখুৱাবলৈ নিয়ে, কিতাপৰ বজাৰ দেখুৱাবলৈ নিয়ে যাতে সন্তানৰ কিতাপৰ প্ৰতি আকৰ্ষণ বৃদ্ধি পায়। সেয়া হ'ল এখন উন্নত দেশৰ জ্ঞানী-গুণী পিতৃ-মাতৃৰ কথা। অসমত কোনো অভিভাৱকে চহৰৰ কিতাপৰ দোকানলৈ নিজৰ সন্তানক নিয়মীয়াকৈ কিতাপ দেখুৱাবলৈ নিয়ে বুলি মনে নধৰে। দৈনিক নহ'লেও সপ্তাহে-পযেকে নতুবা মাহেকত এবাৰো নিজৰ সন্তানক কিতাপৰ দোকানলৈ নিনিয়ে। হাতত বেগ লৈ শাক-পাচলিৰ বজাৰলৈ যোৱাৰ দৰে কিতাপৰ দোকানলৈ অসমীয়া মানুহে আজিও কিতাপ কিনিবলৈ যোৱাৰ মানসিকতা গঢ়ি তুলিব পৰা নাই। যেতিয়ালৈকে অসমীয়া মানুহে কিতাপ নিজৰ সন্তানৰ মাজত জনপ্ৰিয় কৰিব নোৱৰে তেতিয়ালৈকে এখন সুস্থ সমাজ নিশ্চয় আশা কৰিব নোৱাৰি। যতীন্দ্ৰনাথ দুৱৰায়ো সৌ তেতিয়াই কৈ গৈছিল ঘৰৰ নিয়মীয়া সামগ্ৰী কিনাৰ লগতে পৰাপক্ষত মাহেকত হ'লেও এখন নতুন কিতাপ কিনাটো সভ্য সমাজৰ লক্ষণ। বিশিষ্ট সাহিত্যিক ভল্টেয়াৰেও কৈছিল কিতাপেই হ'ল বিশ্বৰ শাসক। যিখন সমাজত কিতাপৰ আদৰ নাই বা যিখন সমাজত গ্ৰন্থৰ জনপ্ৰিয়তা কম সেইখন সমাজ থকা বা নথকা একে কথা।

অসমত গ্ৰন্থক জনপ্ৰিয়তা কৰাৰ বাবে গ্ৰন্থমেলাসমূহৰ গুৰুত্ব কোনো গুণে উলাই কৰিব পৰা নাযায়। অসমত মাজে মাজে গঢ়ি উঠা এই গ্ৰন্থমেলাসমূহে এক বৌদ্ধিক আৰু সামাজিক পৰিৱেশ গঢ়ি তুলিছে। কিন্তু দেখা যায় যে অসমত বহু পলমকৈ অৰ্থাৎ ১৯৮৪ চনৰ পৰাহে আনুষ্ঠানিকভাৱে গ্ৰন্থমেলাই আত্মপ্ৰকাশ কৰে। অসমৰ গ্ৰন্থমেলা মূল বীজ আছিল জাৰ্মানীৰে। ইতিমধ্যে জাৰ্মানীত গ্ৰন্থ বিপ্লৱৰ কথা থুৰতে উনুকিয়াইছোঁৱেই। ১৯৮৩ চনত অসমৰ বিশিষ্ট সাহিত্যিক চন্দ্ৰপ্ৰসাদ শইকীয়াই জাৰ্মানীৰ ফ্ৰাংকফটত অনুষ্ঠিত হোৱা এক গ্ৰন্থমেলাত যোগদান কৰিছিল। সেই গ্ৰন্থমেলাৰ ৰূপ, সৌন্দৰ্য আৰু জনপ্ৰিয়তা দেখি শইকীয়াই অসমতো এখন গ্ৰন্থমেলা আয়োজন কৰাৰ কথা ভাবিলে। শইকীয়াৰ চেষ্টাৰ পৰিণতিত অসম প্ৰকাশন পৰিষদৰ উদ্যোগত ১৯৮৪ চনৰ ২৯ ডিচেম্বৰৰ পৰা গুৱাহাটীৰ স্নায়ু কেন্দ্ৰ জৰ্জ খেলপথাৰত গ্ৰন্থমেলা প্ৰথমবাৰৰ বাবে আয়োজন কৰিছিল। ১৯৭২ চনত ভাৰতৰ ৰাজধানী নতুন দিল্লীত বিশাল আয়োজনেৰে আন্তঃৰাষ্ট্ৰীয় গ্ৰন্থমেলা শুভাৰম্ভ কৰা হৈছিল। আৰু অসমত.........। ইয়াৰ বাৰ বছৰ পিছত অসমত গ্ৰন্থমেলাৰ উকমুকনি আৰম্ভ হয়। অসমীয়া মানুহৰ গ্ৰন্থৰ প্ৰতি কিমান মৰম বা স্নেহ আছে সেই ঘটনাপ্ৰবাহেই প্ৰমাণ দাঙি ধৰে। অসমত গ্ৰন্থমেলা আন্দোলন পলমকৈ আৰম্ভ হ'লেও এতিয়া দেখা গৈছে যে চহৰ-নগৰসমূহত গ্ৰন্থমেলা প্ৰতিবছৰে আৰম্ভ হৈছে। ইয়াৰোপৰি ক্ষুদ্ৰ পৰিসৰত অন্বেষা, জাগৰণ, কৌস্তুভ ইত্যাদি প্ৰকাশন গোষ্ঠীসমূহে গাঁৱে-ভূঞেও

জাৰ্মানীৰ চহৰত যে কেবামহলাৰ কিতাপৰ দোকান গঢ়ি উঠিছে সেই কিতাপৰ দোকানলৈ কেৱল কিতাপ কিনিবলৈহে যে যায় সেয়া নহয়। একাংশ গ্ৰাহকে যেনেদৰে কিতাপ কিনিবলৈ ভিৰ কৰে তেনেদৰে আন একাংশই নিজৰ সন্তানক কিতাপ দেখুৱাবলৈ নিয়ে। আমাৰ ইয়াত যেনেদৰে সন্ধিয়া আজৰি সময়ত নিজৰ সন্তানক পাৰ্ক, ৰেষ্টুৰালৈ নি আমোদ-প্ৰমোদৰ সুযোগ দিয়ে তেনেদৰে জাৰ্মানীৰ একাংশ অভিভাৱকে নিজৰ সন্তানক পাৰ্ক, ৰেষ্টুৰালৈ নিয়াৰ বিপৰীতে নিয়ে সেই বৃহৎ বৃহৎ কিতাপৰ দোকানলৈ।

গ্রন্থ আৰু জ্ঞানৰ প্ৰতি অনিহাৰ বাবেই আজিকালি দেখা যায় বহু ছাত্ৰ-ছাত্ৰীয়ে সমসাময়িক জ্ঞান ভাণ্ডাৰৰ পৰা বহুযোজন নিলগত অৱস্থান গ্ৰহণ কৰে। তেনে ছাত্ৰ-ছাত্ৰীসকলে ভাল গ্রন্থ কিনি পঢ়াতো দূৰৰে কথা, এখন আলোচনী, বাতৰি কাকত নিয়মীয়াকৈ নপঢ়ে। টেলিভিছনত গুৰুত্বপূৰ্ণ বা-বাতৰি খবৰ নলয়। নৱ প্ৰজন্মৰ মাজত গঢ়ি উঠা এনে মনোভাৱে কেতিয়াও সমাজ সচেতন কৰি তেওঁলোকক গঢ়ি তুলিব নোৱাৰে। জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাই হে সকলোকে সমাজৰ প্ৰতি দায়বদ্ধতা প্ৰতিপন্ন কৰিব পাৰে আৰু সমাজেও সেইসকলক লৈ ইতিবাচক দিশে আগবাঢ়ি যায়।

গ্রন্থমেলা আয়োজন কৰিছে। এনে পৰিসৰত আয়োজন কৰা গ্রন্থমেলাসমূহে পাঠকসকলক গ্রন্থৰ কাষ চপাই অনাত সহায় কৰিছে। বিশেষকৈ স্কুল-কলেজৰ সোণালী জয়ন্তী, ৰূপালী জয়ন্তী ইত্যাদি উৎসৱ-পাৰ্বণসমূহত গ্রন্থমেলা আয়োজন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গ্রন্থক পৰিচয় কৰি দিয়াত সহায় কৰিছে। অসমত এতিয়া গ্রন্থমেলাই গ্রন্থ উৎসৱত পৰিণত হৈছেগৈ। গ্রন্থমেলাৰ প্ৰতি এনে আব্দাৰ তথা জনপ্ৰিয়তাই সমাজত ইতিবাচক প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। কোনোদিনেই কিতাপ এখন কিনি নোপোৱা লোকসকলেও কিতাপ কিনিবলৈ লৈছে। গ্রন্থৰ যি মাদকতা সেই মাদকতাৰ স্বাদ ল'ব পৰা হৈছে। আজিকালি জটিল সমাজ ব্যৱস্থাত নিত্য-নতুন আৱিষ্কাৰ হৈ আছে। দিনৌ আৱিষ্কাৰ হোৱা নিত্য-নতুন সামগ্ৰীসমূহৰ কথা গ্রন্থ অধ্যয়ন নকৰিলে জানিব পৰা নাযায়। কেৱল খাই বৈ জীৱন-ধাৰণ কৰাটোৱেই আজিৰ জীৱনৰ লক্ষ্য নহয়। দৈনন্দিন জীৱনটোক আগুৱাই নিবলৈ হ'লে বিশাল জ্ঞান ভাণ্ডাৰৰ প্ৰয়োজন। এনে জ্ঞান ভাণ্ডাৰ আয়ত্ত কৰিব পাৰি গ্রন্থ অধ্যয়ন কৰিলেহে। সমাজকৰ্মীয়েই বোলক বা ৰাজনীতিজ্ঞই বোলক, চিকিৎসকেই বোলক বা লেখক, সাংবাদিকেই বোলক নতুবা অধ্যাপকেই বোলক সকলোৱে অধ্যয়ন কৰিবই লাগিব আৰু ইয়াৰ বাবে প্ৰয়োজন তত্ত্বগধুৰ বিশ্লেষত্মক গ্রন্থৰ। এই শ্ৰেণীৰ গ্রন্থ লাভ কৰিব পাৰি গ্রন্থমেলাসমূহৰ পৰাহে। গ্রন্থমেলাত সকলো ধৰণৰ গ্রন্থ মুকলিকৈ সজাই থোৱা হয়। পাঠকে গ্রন্থখনৰ কাষত গৈ নিৰীক্ষণ কৰিব পাৰে, চুই চাব পাৰে নতুবা প্ৰয়োজনবোধ কৰিলে কিনি আনি নিজৰ ঘৰুৱা গ্রন্থাগাৰত কিতাপখন সংৰক্ষণ কৰিব পাৰে। সেয়ে হয়তো কোৱা হয় গ্রন্থতকৈ স্থায়ী সম্পদ আন একো নাই। গ্রন্থমেলাসমূহে নৱ প্ৰজন্মক গ্রন্থৰ প্ৰতি আকৰ্ষণ কৰাৰ যথেষ্ট সম্ভাৱনা থাকে। জ্ঞান আৰু প্ৰজ্ঞা আহৰণ কৰিব পাৰে নৱ প্ৰজন্মই। কিন্তু দেখা গৈছে যে নৱ প্ৰজন্মৰ একাংশ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীয়ে গ্রন্থৰ প্ৰতি নেতিবাচক মনোভাৱ গ্ৰহণ কৰিছে। অধিকাংশ কলেজ-বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী নিজৰ মন-পচন্দৰ গ্রন্থখন বিচাৰি গ্রন্থমেলালৈ নাযায়। তেওঁলোকে জনপ্ৰিয় গ্রন্থৰ বুজ নলয়। সেইসকল লোকে গ্রন্থমেলালৈ যায় যদিও মেলা উপভোগ কৰে, কিন্তু গ্রন্থৰ ৰসপান নকৰে। যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰীৰ এনে দৃষ্টিভংগীয়ে গ্রন্থৰ প্ৰতি থকা মৰম, সমাজৰ প্ৰতি থকা দায়িত্বক উলাই কৰা হয়। গ্রন্থ আৰু জ্ঞানৰ প্ৰতি অনিহাৰ বাবেই আজিকালি দেখা যায় বহু ছাত্ৰ-ছাত্ৰীয়ে সমসাময়িক জ্ঞান ভাণ্ডাৰৰ পৰা বহুযোজন নিলগত অৱস্থান গ্ৰহণ কৰে। তেনে ছাত্ৰ-ছাত্ৰীসকলে ভাল গ্রন্থ কিনি পঢ়াতো দূৰৰে কথা, এখন আলোচনী, বাতৰি কাকত নিয়মীয়াকৈ নপঢ়ে। টেলিভিছনত গুৰুত্বপূৰ্ণ বা-বাতৰি খবৰ নলয়। নৱ প্ৰজন্মৰ মাজত গঢ়ি উঠা এনে মনোভাৱে কেতিয়াও সমাজ সচেতন কৰি তেওঁলোকক গঢ়ি তুলিব নোৱাৰে। জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাই হে সকলোকে সমাজৰ প্ৰতি দায়বদ্ধতা প্ৰতিপন্ন কৰিব পাৰে আৰু সমাজেও সেইসকলক লৈ ইতিবাচক দিশে আগবাঢ়ি যায়। যিসকলে গ্রন্থক ভাল নাপায়, গ্রন্থ নপঢ়ে, গ্রন্থৰ শেহতীয়া খা-খবৰ নলয় সেইসকলৰ বৰ্তমান বোলা বস্তু এটা যেনেদৰে নাই তেনেদৰে তেওঁলোকৰ বাবে অতীত আৰু ভৱিষ্যতো নাই। তেওঁলোকে গ্রন্থ অধ্যয়নৰ পৰা আঁতৰি থকাৰ বাবে জীৱনৰ প্ৰকৃত মাদকতা উপলব্ধি কৰিব নোৱাৰে। সেয়ে স্কুল-কলেজীয়া দিনৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে গ্রন্থ অধ্যয়ন কৰিব লাগে আৰু জীৱনৰ প্ৰকৃত ৰস উপভোগ কৰিব লাগে। গ্রন্থক ভাল নোপোৱা জনক ভূত-পিশাচৰ স'তে তুলনা কৰা হয়। সেয়ে আমি প্ৰত্যেকে ভূত পিশাচ হৈ জীয়াই থাকিম নে গ্রন্থ অধ্যয়নৰ যোগেদি জীৱনৰ প্ৰকৃত মাদকতা উপভোগ কৰিম। সেই সিদ্ধান্ত আমি জীৱনত গ্ৰহণ কৰিবই লাগিব। □





# বিজ্ঞান সাহিত্য আৰু ইয়াৰ প্ৰচাৰৰ ক্ষেত্ৰসমূহ

**ড° দিলীপ কলিতা**
*উদ্ভিদবিজ্ঞান বিভাগ*

বিজ্ঞান হ'ল প্ৰণালীবদ্ধ পৰ্যবেক্ষণ আৰু গৱেষণাৰ ফলত কোনো বিষয়ত ক্ৰম অনুসাৰে লব্ধ বিশেষ জ্ঞান তথা তত্ত্ব জ্ঞান। বিজ্ঞান সদায় বাস্তৱৰ ওপৰত নিৰ্ভৰশীল। মানৱ সমাজত এই বিজ্ঞান চৰ্চাৰ আৰম্ভণী আচলতে আদি প্ৰস্তুত যুগতে হৈছিল বুলি ক'ব লাগিব। যি সময়ত মানৱ জাতি আছিল যাযাবৰ। সেই সময়তে মানুহে জুইৰ ব্যৱহাৰৰ বিষয়ে জ্ঞান আহৰণ কৰাৰ পৰাই অৰ্থাৎ জুইৰ আবিস্কাৰৰ পৰাই বিজ্ঞান চৰ্চাৰ আৰম্ভণি হয়। সম্ভৱতঃ মানুহে ক'ৰবাত কেনেবাকৈ বনজুইত পোৱা জীৱজন্তুৰ মঙহ খাই তৃপ্তি লাভ কৰিলে। ক'ৰবাত অকস্মাত শিলে শিলে ঘঁহনি খোৱাত জুইৰ সৃষ্টি হোৱা দেখিলে। পিছত তেওঁলোকে নিজে শিলে শিলে খুন্দিয়াই জুইৰ সৃষ্টি কৰিবলৈ শিকিলে। এই জুই লাহে লাহে জীৱ-জন্তুৰ মঙহ পোৱা কামত ব্যৱহাৰ কৰাৰ উপৰিও শীত নিবাৰণৰ বাবেও ব্যৱহাৰ কৰিবলৈ শিকিলে। তেওঁলোকে মানুহে আন বন্যপ্ৰাণীসমূহৰ দৰে কেঁচা মঙল গছৰ কুমলীয়া পাত আৰু ফলমূল খাই জীৱন ধাৰণ কৰিছিল। সেই সময়ত তেওঁলোক সম্পূৰ্ণ উলংগ অৱস্থাত আছিল। লাহে লাহে মানুহে গছৰ বাকলি পিন্ধা, ঘৰ সজা, খেতিবাতি কৰা, জীৱ-জন্তু, প্ৰতিপালন কৰা আদিও শিকিলে। এনেদৰেই ক্ৰমশঃ বিজ্ঞান চৰ্চাৰ অগ্ৰগতি হ'বলৈ ধৰিলে। বিজ্ঞান চৰ্চাৰ আৰম্ভণী হয়তো পৃথিৱীৰ বিভিন্ন ঠাইত বসবাস কৰা বন্য মানুহৰ মাজত বেলেগ বেলেগ সময়ত হৈছিল। এইদৰে বিভিন্ন ঠাইত থকা মানৱ গোষ্ঠীৰ মাজত বিজ্ঞানৰ চৰ্চা হৈ আজি আমি এই অৱস্থাত ভৰি দিছোহি।

সৰ্বসাধাৰণ ৰাইজৰ বাবে বিজ্ঞানৰ গধুৰ তত্ত্বসমূহক সহজ-সৰল ভাষাত লেখা হয়। বিজ্ঞান সাহিত্য অৰ্থাৎ জনপ্ৰিয় বিজ্ঞান হ'ল বিজ্ঞানৰ গধুৰ তত্ত্বসমূহৰ সৰলীকৃত ৰূপ। বিজ্ঞানৰ বিভিন্ন বিষয়সমূহ সাধাৰণ ৰাইজৰ বাবে আগবঢ়াই নিবৰ বাবেই বিজ্ঞান সাহিত্যৰ সৃষ্টি। বিজ্ঞানৰ তত্ত্বসমূহক সৰলীকৃত কৰোঁতে বিজ্ঞানৰ আঁচল তত্ত্বসমূহ যাতে একেবাৰে লোপ নাপায় তাৰ বাবে সাৱধান হোৱা প্ৰয়োজন। অন্যথাই অতি সৰলীকৰণৰ দোষে চুব। বিজ্ঞান সাহিত্য সৃষ্টি অতি জটিল কাম। বিজ্ঞান সাহিত্য হৈছে বিজ্ঞান আৰু কলাৰ সুসমন্বয়ত গঢ়ি উঠা এটা দ্বিবান্ধনী যুক্ত বিষয়।

**বিজ্ঞান সাহিত্য কি?**

মানুহে মনৰ ভাব প্ৰকাশ কৰিবৰ বাবে বিভিন্ন বিষয়ৰ ওপৰত লেখা মেলা কৰে কিন্তু এই সকলোবোৰ লেখাকেই আমি সাহিত্য বুলি ক'ব নোৱাৰো। ড° মহেন্দ্ৰ বৰাদেৱে তেখেতৰ সাহিত্য উপক্ৰমণিকা নামৰ পুথিখনত কৈছে, 'যেনেদৰে কঁকালটো ভাঙিলেই নাচ নহয়, গুণগুণালেই গান নহয় তেনেদৰে লিখিলেই সাহিত্য নহয়। সাহিত্য হ'ল 'সত্য আৰু সুন্দৰৰ বোলসনা জীৱনৰ অভিজ্ঞতা।' সত্যৰ ধাৰণ সকলোৰে বাবে একে কিন্তু সুন্দৰৰ ধাৰণা ব্যক্তিভেদে বেলেগ বেলেগ হ'ব পাৰে। কোনোৱে তাজমহলটোও সুন্দৰ নহয় বুলি ভাবিব পাৰে। তাজমহলটো সুন্দৰ নহয় বুলি ভবা এজন ব্যক্তিয়ে বাঁহ, কাঠ আৰু খেৰেৰে আটোম-টোকাৰিকৈ সজা এটা জুপুৰি পঁজাও সুন্দৰ বুলি ভাবিব পাৰে। বিজ্ঞান বিষয়ক লৈ বিভিন্ন ধৰণৰ লেখা সমূহক আমি বহলকৈ দুটা ভাগত ভগাব পাৰোঁ। প্ৰথমবিধ হ'ল বিজ্ঞানৰ ছাত্ৰ, গৱেষক নতুবা বিজ্ঞানৰ নিৰ্দিষ্ট বিষয়ৰ শিক্ষকসকলৰ বাবে লেখা পাঠপুথি, গৱেষণা পত্ৰ, গৱেষণাগ্ৰন্থ নতুবা আন আন তত্ত্বগধুৰ লিখনিসমূহ। যিবোৰ সমাজৰ মুষ্টিমেয় শ্ৰেণীৰ মাজত সীমাবদ্ধ। দ্বিতীয় বিধ হ'ল সাধাৰণ পঢুৱৈ সমাজৰ বাবে লেখা বিজ্ঞানৰ লেখনিসমূহ। যিবোৰক সাধাৰণতে কোৱা হয় বিজ্ঞানৰ জনপ্ৰিয়কৰণৰ বাবে লেখা লেখনি। এই জনপ্ৰিয় বিজ্ঞানৰ লেখনিসমূহকে আমি বিজ্ঞান সাহিত্য বুলিও কওঁ। এই ধৰণৰ লেখনিৰ দ্বাৰা বিজ্ঞানক সাধাৰণ ৰাইজৰ মাজলৈ লৈ যোৱা

আহু সিঁচিবা খোজে বুৰি, শালি ৰুবা বেগেত থুৰি।
ঘন ঘনকৈ দিবা আলি, তেতিয়া যদি নহয় শালি,
ডাকক তুমি পাৰি া গালি।

হয়। সৰ্বসাধাৰণ ৰাইজৰ বাবে বিজ্ঞানৰ গধুৰ তত্ত্বসমূহক সহজ-সৰল ভাষাত লেখা হয়। বিজ্ঞান সাহিত্য অৰ্থাৎ জনপ্ৰিয় বিজ্ঞান হ'ল বিজ্ঞানৰ গধুৰ তত্ত্বসমূহৰ সৰলীকৃত ৰূপ। বিজ্ঞানৰ বিভিন্ন বিষয়সমূহ সাধাৰণ ৰাইজৰ বাবে আগবঢ়াই নিবৰ বাবেই বিজ্ঞান সাহিত্যৰ সৃষ্টি। বিজ্ঞানৰ তত্ত্বসমূহক সৰলীকৃত কৰোঁতে বিজ্ঞানৰ আঁচল তত্ত্বসমূহ যাতে একেবাৰে লোপ নাপায় তাৰ বাবে সাৱধান হোৱা প্ৰয়োজন। অন্যথাই অতি সৰলীকৰণৰ দোষে চুব। বিজ্ঞান সাহিত্য সৃষ্টি অতি জটিল কাম। বিজ্ঞান সাহিত্য হৈছে বিজ্ঞান আৰু কলাৰ সুসমন্বয়ত গঢ়ি উঠা এটা দ্বিবান্ধনী যুক্ত বিষয়। বিজ্ঞান সাহিত্যৰ লেখকজনৰ লেখা বিষয় বস্তুৰ ওপৰত বিশেষ জ্ঞান থকাৰ লগতে এজন সাহিত্যিকৰ গুণ সমূহো থাকিব লাগিব। আমাৰ সমাজত পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, গণিত শাস্ত্ৰ, চিকিৎসা বিজ্ঞান, ভেষজ বিজ্ঞান, ভূগোল, জীৱ বিজ্ঞান আদি বিজ্ঞানৰ বিভিন্ন বিষয়ৰ উচ্চ শিক্ষিত লোকৰ অভাৱ নাই যদিও বিজ্ঞান সাহিত্যৰ ক্ষেত্ৰত লেখা-মেলা কৰা লোকৰ সংখ্যা আঙুলি মূৰত গণিব পৰা। ইয়াৰ কাৰণ কেইবাটাও। প্ৰথমটো কাৰণ আমাৰ বহুতো উচ্চ শিক্ষিত লোকে শিক্ষানুষ্ঠানত পাঠদান, গৱেষণা আদিত লাগি থাকোঁতে বিজ্ঞান সাহিত্যত হাত দিবলৈ আহৰি নাপায়। দ্বিতীয়তে বিজ্ঞানৰ বহুতো উচ্চ শিক্ষিত লোকৰ ইংৰাজী ভাষাত যেনেদৰে দখল আছে তেনেদৰে বিজ্ঞানৰ বিষয় এটা সহজ-সৰল ৰূপত পঢ়ুৱৈ সমাজৰ আগত দাঙি ধৰিব পৰাকৈ ভাৰতীয় ভাষাসমূহৰ ওপৰত দখল নাই। আমাৰ ভাৰতীয় ভাষাসমূহৰ ক্ষেত্ৰত বিজ্ঞান সাহিত্য সৃষ্টিৰ এটা বিশেষ অসুবিধা হ'ল উপযুক্ত শব্দৰ অভাৱ। বিশেষকৈ অসমীয়া ভাষাৰ ক্ষেত্ৰত এই অসুবিধাটো বহুতো বিজ্ঞান সাহিত্যিকে অনুভৱ কৰে। দুই এখন অভিধান আছে যদিও সেই কেইখনে সম্পূৰ্ণ অভাৱ পূৰ কৰিব পৰা নাই যেন লাগে। বাতৰি কাকত, আলোচনী আদিৰ সম্পাদকসকল বিজ্ঞানৰ বিভিন্ন বিষয়ৰ ওপৰত প্ৰৱন্ধ পাতি প্ৰকাশ কৰিবলৈ খুব আগ্ৰহী যদিও তেওঁলোকে লেখকৰ অভাৱ অনুভৱ কৰে। বহুতো বাতৰি কাকত, আলোচনী আদিৰ পাত লুটিয়ালে এটা কথা অনুভৱ হয় সম্পাদকসকলে মুষ্টিমেয় দুই এজন লেখকৰ লেখনিতে প্ৰকাশ কৰি থাকিবলগীয়া হোৱাত লেখনিসমূহত একঘেয়ামীয়ে দেখা দিয়ে যিটো পঢ়ুৱৈ সমাজে একেবাৰেই নিবিচাৰে। পঢ়ুৱৈ সমাজক লাগে পৃথক পৃথক লেখকৰ ভিন্ন ৰুচি সম্পন্ন লেখা মেলা। লেখকৰ অভাৱৰ বাবে বহুতো বাতৰি কাকত, আলোচনী আদিৰ সম্পাদকে পঢ়ুৱৈ সমাজৰ ইচ্ছা পূৰণ কৰিব নোৱাৰে। জনপ্ৰিয় বিজ্ঞানৰ বহুল প্ৰচাৰ নোহোৱা কাৰণেই হওঁক নতুবা বিজ্ঞান বিষয়টোৰ ওপৰত ভয় ভাব থকাৰ বাবেই হওক আমাৰ মাজৰ বহুতো পঢ়ুৱৈয়ে বিজ্ঞানৰ কিতাপ বুলিলেই পঢ়িব নিবিচাৰে। সেয়েহে বিজ্ঞান সাহিত্য অৰ্থাৎ জনপ্ৰিয় বিজ্ঞানৰ পুথিৰ বিক্ৰী বজাৰত কম হোৱা হেতু প্ৰকাশকসকলে প্ৰতিষ্ঠিত লেখকসকলৰ বাদে নতুন চাম লেখকৰ পুথি প্ৰকাশ কৰিব নিবিচাৰে। লেখকসকলে নিজৰ গাঁঠিৰ ধন ভাঙি প্ৰকাশ কৰিলেও নিজৰ কষ্টোপাৰ্জিত টকাকইটা পিছত ঘূৰি নহাৰ উদাহৰণো একেবাৰে নথকা নহয়। এনে ধৰণৰ বহুতো কাৰণত আমাৰ জনপ্ৰিয় বিজ্ঞানৰ লেখকৰ সংখ্যা অতি কম। তথাপি আমাৰ অসমীয়া ভাষাত বিজ্ঞান সাহিত্যৰ গতি একেবাৰে স্থবিৰ হোৱা নাই। ধীৰ গতিৰে হ'লেও গভীৰ বোঁৱতী নদীৰ দৰেই প্ৰৱাহিত হৈ আছে।

**বিজ্ঞান সাহিত্যৰ আৰম্ভণী ঃ**

বিজ্ঞান সাহিত্যৰ প্ৰথমে সৃষ্টি হৈছিল কথিত ৰূপত। পুৰণি কালৰ পৰাই মানৱ সমাজত প্ৰচলিত বহুতো নীতি নিয়ম আৰু ফঁকৰা যোজনাত বিজ্ঞান সোমাই আছে। ৰন্ধা-বঢ়া, খোৱা-বোৱা, কৃষি, উদ্যান পালন, মৎস্য পালন, পশুপালন, বিয়াবাৰু আদিত প্ৰচলিত নীতি-নিয়ম আৰু ফকৰা যোজনা আদিত বহুতো বৈজ্ঞানিক ভিত্তি আছে। আঁতৰলৈ যাবই নালাগে আমাৰ অসমীয়া সমাজত এনে বহুত নীতি-নিয়ম আৰু ফকৰা যোজনা আছে যিবোৰৰ বহুতো বৈজ্ঞানিক ভিত্তি আছে। উদাহৰণ স্বৰূপে আমাক কৃষি কৰ্মত প্ৰচলিত কিছুমান নীতি-নিয়ম যেনে- পিছবেলা হাল বাব নাপায়, গাই গৰুৰে হাল বাব নাপায়, মহিলাই হাল বাব নাপায়, ভাৰ কঢ়িয়াব নাপায়, ৰাতি গছৰ ফলমূল চিঙিব নাপায়, ৰাতি তিতা খাব নালাগে, খোৱাৰ আগতে ভৰি, হাত, মুখ ধুব লাগে, শৌচ কৰি গা ধুব লাগে, মূগা চোমনিত গা নোধোৱাকৈ সোমাব নাপায় ইত্যাদি নীতি বচনবোৰৰ বৈজ্ঞানিক ভিত্তি আছে। তেনেদৰে খেতি-বাতিৰ ক্ষেত্ৰত মুখে মুখে প্ৰচলিত কতো ডাকৰ বচনৰো বৈজ্ঞানিক ভিত্তি আছে। তাৰে কেইফাঁকিমান তলত উল্লেখ কৰা হ'ল—





ক) আহু সিঁচিবা খোজে বুৰি
শালি ৰুবা বেগেত থুৰি।

খ) ঘন ঘনকৈ দিবা আলি
তেতিয়া যদি নহয় শালি
ডাকক তুমি পাৰিবা গালি।

গ) ছয় পো, ছয় নাতি তেহে কৰিবা কুঁহিয়াৰ খেতি।

তেনেদৰে গৃহ নিৰ্মাণৰ ক্ষেত্ৰত

ক) শাল শিঙৰি কহিৰৰ এফাল
ইকৰাই বোলে পানী নাপালে
মই বা যাম ক'ত কাল।

ব্যৱসায় বাণিজ্যৰ ক্ষেত্ৰত

তিনিশ ষাঠি জোপা ৰুবা কল
মাহেকে পষেকে চিকুনাবা তল
লংকাৰ বণিজ গৰতে পাবা
পাত পটুৱা লাভতে খাবা।

তেনেদৰে চিকিৎসাৰ ক্ষেত্ৰত

ক) কাণত কছু নাভিত তেল
তাৰ ঘৰত নাই বেজৰ খেল।

খোৱা বোৱাৰ ক্ষেত্ৰত

ক) পঁয়তা পালমৰা কৰকৰা লৰমৰা
তপত দিনটোলৈ গাটো শকত।

খ) বাচি খাবা জাগি শুবা
তাৰ পৰিনাম পাচে পাবা।

এই মুখে মুখে প্ৰচলিত ফঁকৰা যোজনাবোৰক যিবোৰক ডাকৰ বচন বুলি অসমীয়া সমাজত কোৱা হয় এইবোৰ প্ৰকৃততে অভিজ্ঞতাৰ ভিত্তিত কোনো অজ্ঞাত লোকে ৰচা বিজ্ঞান ভিত্তিক বাণীহে। আমাৰ অসমত বিজ্ঞান সাহিত্য লিখিত ৰূপত আহোম যুগত আৰম্ভ হোৱাৰ উমান পোৱা যায়। ঘোঁৰাৰ নিদান আৰু হস্তী বিদ্যাৰ্ণৱ ইয়াৰ জ্বলন্ত প্ৰমাণ। এই দুখন পুথিত ঘোঁৰা আৰু হাতীৰ বিভিন্ন ৰোগ নিৰাময়ৰ উপায়সমূহ সন্নিৱিষ্ট কৰা হৈছে। অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম বিষয়ক বাণী সম্ভৱতা বৈজ্ঞানিক ভিত্তি যথেষ্ঠ আছে। মহাপুৰুষ জনাই নাম প্ৰসংগ কৰোতে হাত চাপৰি বজোৱাৰ লগত শাৰীৰিক শ্ৰমৰ প্ৰয়োজনীয়তাৰ কথা জড়িত হৈ আছে, নাম প্ৰসংগৰ পিছত বিলোৱা মাহপ্ৰসাদ, ফলমূল আদি অতি পুষ্টিকৰ খাদ্য যিবোৰ আমাৰ খাদ্যৰ বাবে অতি উপকাৰী। অসমত বিজ্ঞান সাহিত্যৰ বিশেষ ভাবে প্ৰচাৰ অৰুণোদয় যুগত হৈছিল। অৰুণোদয়ত ভূগোল সম্বন্ধীয় বা-বাতৰি তথা আলোচনাই বিশেষভাৱে স্থান লাভ কৰিছিল। ভূমিকম্প, আগ্নেয়গিৰি আদি বিষয়ক বা-বাতৰি তথা আলোচনাই জনসাধাৰণক আকৃষ্ট কৰিছিল। তদুপৰি বিভিন্ন ধৰণৰ ভ্ৰমণ কাহিনী যেনে কলম্বাচৰ আমেৰিকা আৱিস্কাৰৰ কাহিনী, ভাস্কো ডা দামাৰ ভাৰত যাত্ৰা, জীৱজন্তুৰ বিৱৰণ, কু-সংস্কাৰ দুৰীকৰণ, বংশগতিৰ প্ৰভাৱ আদি বিষয়ো অৰুণোদয়ৰ বিজ্ঞান সাহিত্যৰ প্ৰচাৰৰ ক্ষেত্ৰ আছিল।

অৰুণোদয়ৰ পিছত মৌ (১৮৮৬-৮৭), আসাম বান্ধৱ (১৮৮৫ - ), জোনাকী (১৮৮৯-১৮৯৮), বিজুলী (১৮৯০-১৮৯৩) আদি বিজ্ঞান সাহিত্যৰ প্ৰচাৰ হৈছিল। এই কেইখন আলোচনীত বিজ্ঞান সাহিত্য চৰ্চাৰ প্ৰচাৰৰ ক্ষেত্ৰসমূহ আছিল স্বাস্থ্য, নৃতত্ব বিজ্ঞান, প্ৰাকৃতিক বিজ্ঞান আদি। কু-সংস্কাৰ, অন্ধবিশ্বাস আদিক সমাজৰ পৰা আঁতৰ কৰাটো এই আলোচনীকেইখনে বিশেষ অৰিহণা যোগাইছিল।

কুৰি শতিকাৰ প্ৰথম ভাগত বাঁহী, আৱাহন, জয়ন্তী, সুৰভি আদি আলোচনীয়ে বিজ্ঞান সাহিত্য চৰ্চাৰ এক নতুন ধাৰা কঢ়িয়াই আনে। এই আলোচনীকেইখনত বিজ্ঞান সাহিত্য প্ৰচাৰৰ ক্ষেত্ৰসমূহ আছিল কৃষিকৰ্ম, শিল্প উদ্যোগ আদিৰ জনপ্ৰিয়কৰণ, বানিজ্যিক ভিত্তিত কৃষিকৰ্ম কৰা, গৰু, ম'হ পালনৰ উন্নত পদ্ধতি, স্বাস্থ্য, চন্দ্ৰলোকলৈ গমন কৰাৰ কল্প কাহিনী জ্যোতি বিজ্ঞান, জ্বালামূখী, ব্যায়াম, গছ -লতা আদিৰ উৎপত্তি আদি। অসমীয়া সাহিত্যত এনেদৰে বিজ্ঞান সাহিত্য আগবাঢ়ি আহি বৰ্তমান অৱস্থা পাইছেহি। বৰ্তমান প্ৰত্যেকখন আলোচনী, বাতৰি কাকত আদিত বিজ্ঞানৰ নিয়মীয়া শিতান একোটা থাকেই কোনো কোনো আলোচনীয়ে কেৱল স্বাস্থ্য, পৰিবেশ, বন্ধন প্ৰকাশণৰ নীতি নিয়মৰ ওপৰতো একো একোটা শিতান ৰাখিছে, কেৱল স্বাস্থ্য আৰু চিকিৎসা, ব্যায়াম আদিৰ ওৰৰতো আলোচনী প্ৰকাশ পাইছে। ই শুভলক্ষণ। সীমিত হ'লেও স্বাস্থ্য, বিজ্ঞান জেউতি আদি দুই এখন কেৱল বিজ্ঞান বিষয়ক আলোচনীয়ো অসমীয়া ভাষাত প্ৰকাশ পাইছে। অসমীয়া বিজ্ঞান সাহিত্যৰ ক্ষেত্ৰসমূহ বিভিন্ন দিশলৈ সম্প্ৰসাৰিত হৈছে। বিজ্ঞান সাহিত্যই বৰ্তমান পদাৰ্থ বিজ্ঞান, পৰিসংখ্যা বিজ্ঞান, গণিত শাস্ত্ৰ, ৰসায়ন বিজ্ঞান, লোক ঔষধ বিজ্ঞান, বনজ নৃতত্ত্ব বিজ্ঞান, নৃতত্ত্ব বিজ্ঞান, গাৰ্হস্থ্য

পঁয়তা পালমৰা কৰকৰা লৰমৰা, তপত দিনটোলৈ গাটো শকত।
বাচি খাবা জাগি শুবা, তাৰ পৰিণাম পাচে পাবা।

পুহত কল মাঘত জল, তাকে খালেই গাত হয় বল।
ভাত খাই উঠি এটি শিলিখা, সি মাৰে যমক টিলিকা।

বিজ্ঞান, জীৱ বিজ্ঞান, ভেষজ বিজ্ঞান, স্বাস্থ্য আৰু চিকিৎসা বিজ্ঞান আদি বহুতো বিষয় সামৰি লৈছে। তথাপি বায়ইনফৰমেটিকছ, জীৱ ৰসায়ন, জীৱ পদাৰ্থ বিজ্ঞান (Bio Physics), কম্পিউটাৰ বিজ্ঞান আদি বিজ্ঞান ন'ন' বিষয়সমূহ অসমীয়া বিজ্ঞান সাহিত্যই বিশেষ ভাৱে সামৰিল'ব পৰা নাই বুলি ক'লেও বঢ়াই কোৱা নহয়। এই বিষয়সমূহক অসমীয়া বিজ্ঞান সাহিত্যৰ গণ্ডীৰ ভিতৰলৈ আনিবলৈ এই বিষয়সমূহৰ বিশেষজ্ঞসকলৰ মাজৰ পৰা বিজ্ঞান সাহিত্য প্ৰচাৰৰ দিশত কষ্ট আৰু ত্যাগ স্বীকাৰ কৰা লোক ওলাব লাগিব।

**শিশু বিজ্ঞান সাহিত্যৰ প্ৰচাৰৰ ক্ষেত্ৰসমূহ ঃ**

শিশু বিজ্ঞান সাহিত্যত অসমীয়া বিজ্ঞান সাহিত্য চালুকীয়া অৱস্থাতেই আছে বুলি ক'লেও বঢ়াই কোৱা নহয়। শিশু আৰু চেমনীয়াসকলক সহজ-সৰল ভাষাত লিখা মহান বিজ্ঞানীসকলৰ জীৱনীসমূহে যথেষ্ট আকৃষ্ট কৰে। এইখিনিতে আমি ডিব্ৰুগড়ৰ ডিব্ৰুগড় হনুমান বক্স কানৈ মহাবিদ্যালয় প্ৰাণী বিজ্ঞান বিভাগৰ অৱসৰ প্ৰাপ্ত বিভাগীয় প্ৰধান শ্ৰীযুত ডিম্বেশ্বৰ চলিহাদেৱে লিখা বিজ্ঞানৰ সাধনা নামৰ পুথিখনৰ কথা উল্লেখ কৰিব পাৰো। পুথিখনত লেখকে কপাৰনিকাচ, লিনিয়াচ, মাইকেল ফেৰাডে, বীৰুল চাহানি, হোমি জাহাংগিৰ সবাকে ধৰি এশ চাৰিজন বিজ্ঞানীৰ জীৱনী চমুকৈ অথচ শিশু উপযোগীকৈ সজাই তুলিছে। ডাক্টৰ গায়ত্ৰী গগৈ এজাক সপোন এজাক শিশু নামৰ অতি শিশু উপযোগী গ্ৰন্থখনত ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি, বিশিষ্ট বিজ্ঞানী ড° এ. পি. জে আব্দুল কালমদেৱ জীৱনৰ ভিত্তিত যুগুতাই উলিওৱা পুথিখনে শিশু তথা চেমনীয়াসকলক বাৰুকৈয়ে আকৰ্ষণ কৰা দেখা গৈছে।

জীৱনীৰ উপৰিও প্ৰাকৃতিক সম্পদৰাজি যেনে নদ-নদী, সাগৰীয় জীৱ, ফুল আৰু ফুলনি, বনচাই, বনৰীয়া জীৱজন্তু যেনে- পখিলা, চৰাই, বাঘ, সিংহ, সৰীসৃপ, ভালুক, বান্দৰ, বিভিন্ন বস্তুৰ আৱিস্কাৰৰ কাহিনী আদিয়েও শিশুসকলক আকৃষ্ট কৰে আৰু এইবোৰ শিশু সাহিত্য প্ৰচাৰৰ উপযুক্ত ক্ষেত্ৰ। এই ক্ষেত্ৰত বৰ্ণনা অতি সহজ সৰল, প্ৰাঞ্জল আৰু সাৱলীল হোৱা প্ৰয়োজন। অসমীয়া ভাষাত অসমৰ বিজ্ঞানীসকলক লৈ ৰচিত এখন শিশু উপযোগী পুথিৰ অতি প্ৰয়োজন।

**বিজ্ঞান সাহিত্যৰ ক্ষেত্ৰ হিচাপে কৃষি আৰু কৃষি ভিত্তিক উদ্যোগ ঃ**

অসম কৃষি প্ৰধান ৰাজ্য। তথাপি অসমবাসী খাদ্য উৎপাদনৰ ক্ষেত্ৰত স্বনিৰ্ভৰশীল নহয়। কোনো কোনো খাদ্য শস্য উৎপাদনৰ বাবে প্ৰতিকূল জলবায়ুও ইয়াৰ বাবে জগৰীয়া। তথাপি বহুতো ক্ষেত্ৰত আমাৰ কৃষকসমাজত উপযুক্ত জ্ঞানৰ অভাৱেও খাদ্য শস্য, মীন পালন, দুগ্ধ উৎপাদন আদিত হেঙাৰ হিচাপে কাম কৰিছে। সেয়েহে বিজ্ঞান সাহিত্য অৰ্থাৎ জনপ্ৰিয় বিজ্ঞানৰ প্ৰচাৰৰ দ্বাৰা কৃষকসমাজক এই ক্ষেত্ৰত শিক্ষিত কৰি তোলাটো অতি প্ৰয়োজনীয়। পৰিবেশ অনকুল সাৰ যেনে- পামসাৰ, পাচন সাৰ, জীৱসাৰ সেউজসাৰ কেচুসাৰ আদিৰ প্ৰস্তুত প্ৰণালী আৰু প্ৰয়োগ প্ৰণালী, পৰিবেশ অনুকুল পদ্ধতিৰে কীট পতঙ্গ আৰু অপতৃণ নিয়ন্ত্ৰণ, উদ্যান পালনৰ লগত জড়িত কলম ধৰা, যোৰা কলম ধৰা, উন্নত পদ্ধতিৰে হাঁহ পালন, কুকুৰা পালন, মীন পালন, গাহৰি পালন আদি বিজ্ঞান সাহিত্য চৰ্চাৰ অতি প্ৰয়োজনীয় ক্ষেত্ৰ। এনে দিশত আমাৰ বিজ্ঞান সাহিত্যৰ প্ৰচাৰ হৈছে যদিও চালুকীয়া অৱস্থাত আছে। এইবোৰ ক্ষেত্ৰত বিজ্ঞান সাহিত্যৰ বহুল প্ৰচাৰে আমাৰ কৃষক সমাজক লাভবান কৰিব। কৃষকসকল লাভবান হোৱাৰ লগে লগে আমাৰ অৰ্থনৈতিক অৱস্থা স্বচ্ছল হ'ব। কৃষি ভিত্তিক বিভিন্ন উদ্যোগ গঢ়ি উঠিব। কৃষি ভিত্তিক উদ্যোগসমূহৰ স্থাপন আৰু অগ্ৰগতিৰ পথত আগুৱাই নিয়াৰ ক্ষেত্ৰত আমাৰ বিজ্ঞান সাহিত্যই বিশেষ পদক্ষেপ গ্ৰহণ কৰিব পাৰে।

**পৰিবেশ সুৰক্ষাৰ ক্ষেত্ৰত বিজ্ঞান সাহিত্যৰ ভূমিকা ঃ**

আমাৰ পৰিবেশ দিনক দিনে অৱনমিত হ'ব ধৰিছে। পৰিবেশ সুৰক্ষাৰ ক্ষেত্ৰত বিজ্ঞান সাহিত্যৰ ভূমিকা অতি বেছি। আমাৰ অসমীয়া ভাষাত পৰিবেশ সম্বন্ধীয় বিভিন্ন প্ৰবন্ধ-পাতি, গীত, পুথি আদিৰ প্ৰকাশে অসমৰ ৰাইজক এই দিশত সচেতন কৰাত সহায়ৰ হাত আগবঢ়াইছে। এই ক্ষেত্ৰত বাটৰ নাটে বিশেষ ভূমিকা ল'ব পাৰে। নাটকত তাল, খোল, ঢোল, হাৰমনিয়াম আদি বিভিন্ন বাদ্যযন্ত্ৰৰ সংযোজনে পৰিবেশ সুৰক্ষাৰ প্ৰতি ৰাইজক আৰু অধিক আকৰ্ষণ কৰিব বুলি আশা কৰিব পাৰি। পৰিবেশৰ বিভিন্ন সস্যাসমূহ যেনে কৃষি প্ৰদূষণ, বায়ু প্ৰদূষণ, জল প্ৰদূষণ, শব্দ প্ৰদূষণ, প্ৰাকৃতিক সম্পদৰ অৱলুপ্তি, ভূমি স্খলন, জীৱ প্ৰজাতিৰ





অৱলুপ্তি, পলিথিন প্ৰদূষণ, অজন স্তৰৰ অৱক্ষয়, অল্পবৃষ্টি, ভূমণ্ডলৰ উষ্ণতা বৃদ্ধি আদিৰ ক্ষেত্ৰত ৰাইজক সজাগ কৰাত বিজ্ঞান সাহিত্যই বিশেষ ভূমিকা পালন কৰিব পাৰে। এটা কথা মন কৰিলগীয়া যে পৰিবেশৰ সমস্যাসমূহৰ ক্ষেত্ৰত আমাৰ জনসাধাৰণ এতিয়াও খুব বেছি সচেতন বুলি ক'ব নোৱাৰি। গাতিকে আগেয়ে উল্লেখ কৰি অহা বাটৰ নাটকৰ যোগেদি জনসাধাৰণক আৰু সচেতন কৰিব পাৰি। বাটৰ নাটকৰ উপৰিও, গল্প, উপন্যাস, কবিতা, গীত, কল্প বিজ্ঞান, কাৰ্টুন আদিয়েও পৰিবেশ সুৰক্ষাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাব পাৰে। এই ক্ষেত্ৰত আমাৰ সমাজক প্ৰকৃত পথ দেখুৱাই নিবলৈ লাগিব কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিব পৰা এচাম বিজ্ঞান সাহিত্যৰ লেখক।

**বিজ্ঞান সাহিত্য আৰু স্বাস্থ্য ঃ**

স্বাস্থ্যৰ বিষয়লৈ আহিলেই দুষাৰ লোকবচনলৈ মনত পৰে এযাৰ হৈছে দেহা থাকিলেহে বেহা অৰ্থাৎ সু-স্বাস্থ্যবান নহ'লে আমি জীৱনত কৰিবলগীয়া কাম একোৱেই কৰিব নোৱাৰো। আনযাৰ লোকবচন হৈছে স্বাস্থ্যই পৰম ধন অৰ্থাৎ স্বাস্থ্যই আমাৰ আঁচল সম্পত্তি। আমাৰ বিজ্ঞান সাহিত্যই মৌখিক ৰূপত থকা অৱস্থাৰ পৰাই স্বাস্থ্য সম্পৰ্কীয় বহুতো বাণী প্ৰচাৰ কৰি আহিছে। অসমীয়া সমাজত প্ৰচলিত এনে বহু ডাকৰ বচন আৰু ফকৰা যোজনা আছে। তাৰে দুটা তলত উল্লেখ কৰা হ'ল ঃ

(ক) পুহত কল মাঘত জল
তাকে খালেই গাত হয় বল।

(খ) ভাত খাই উঠি এটি শিলিখা
সি মাৰে যমক টিলিকা।

হিন্দু সকলৰ ধৰ্ম গ্ৰন্থ ৰামায়ণ, মহাভাৰত, বেদ আদিতো বনৌষধিৰ কথা উল্লেখ আছে। বিজ্ঞান সাহিত্যই কবিতাৰ জৰিয়তে বনৌষধিৰ মূল্য সমাজত প্ৰচাৰ কৰিব পাৰে। ড° গুণাভিৰাম খনিকৰদেৱৰ কাঁহ নামৰ পদ্যটোৰ ইয়াত উল্লেখ কৰা হ'ল ঃ

কাহ
আদা তুলসী মৌৰে সৈতে খাবা
জ্বৰ কাহ, পানীলগাত অমৃত যেন পাবা।
বাহকৰ ৰস উলিয়াওঁতে হয় কষ্ট
মৌৰ সৈতে খালে কাঁহ হয় নষ্ট।
কাহি কাহি যেতিয়া লেবেজান হ'বা
অচিৰে তুমি জাকুল আদা
পিপলি আৰু মৌ খোৱা
প্ৰতি দিনে তিনি পালিকৈ
দহ দিন খাবা
হুপিং কাহো আনকি
ভাল হোৱা পাবা।

স্বাস্থ্য আৰু চিকিৎসা এই দুয়ো দিশত বিজ্ঞান সাহিত্যৰ অগ্ৰগতিয়ে সমাজৰ সকলো শ্ৰেণী লোকৰ মহৎ উপকাৰ সাধে। বৰ্তমান প্ৰত্যেকখন আলোচনী আৰু বাতৰি কাকতে এই দিশত গুৰুত্ব দিয়া দেখা গৈছে। কেৱল স্বাস্থ্য বিষয়ক আলোচনীত প্ৰকাশ পাইছে। ডাক্টৰ বিজিত কুমাৰ দুৱৰাৰ দ্বাৰা সম্পাদিত আমাৰ স্বাস্থ্য, ড° গুণাৰাম খনিকৰৰ মানৱ শৰীৰৰ অংগ প্ৰতংগ আৰু বনৌষধিৰে ৰোগ নিৰাময়, সত্যকাম নাথৰ ৰোগ আৰোগ্যত বনৌষধি আৰু ইয়াৰ দ্ৰব্যগুণ যোগেশ চন্দ্ৰ শইকীয়াৰ কবৈদ্য আদি অনেক পুথিৰ উদাহৰণ দিব পাৰি। হোমিঅপেথিক আয়ুৰ্বেদিক এল'পেথিক আদি বিভিন্ন চিকিৎসা প্ৰণালী দৰবৰ পাৰ্শ্বক্ৰিয়া আদি বিষয় বিজ্ঞান সাহিত্যৰ উপযুক্ত প্ৰচাৰ ক্ষেত্ৰ।

**অন্ধবিশ্বাস আৰু কুসংস্কাৰ দুৰীকৰণত বিজ্ঞান সাহিত্য ঃ**

বিজ্ঞান সাহিত্যৰ এক অতি প্ৰয়োজনীয় প্ৰচাৰ ক্ষেত্ৰ অন্ধবিশ্বাস আৰু কু-সংস্কাৰ এই দুটা মহাব্যধিক সমাজৰ পৰা আঁতৰ কৰা। আমাৰ সমাজত যদিও শিক্ষিত লোকৰ সংখ্যা বৃদ্ধি পাইছে তথাপিও অন্ধবিশ্বাস আৰু কু-সংস্কাৰসমূহ সমাজৰ পৰা আঁতৰ হোৱা নাই। বিজ্ঞান সাহিত্যই গল্প, উপন্যাস, বাটৰ নাট, কাৰ্টুন আদিৰ জৰিয়তে এইবোৰ সমাজৰ পৰা আঁতৰ কৰাত বিশেষ পদক্ষেপ ল'ব পাৰে। কিন্তু দুখৰ বিষয় আমাৰ বিজ্ঞান সাহিত্য এই ক্ষেত্ৰত বৰ বেছি আগবঢ়া নাই। আমাৰ সমাজত প্ৰচলিত বহুতো কুসংস্কাৰ যেনে নিম্ন বৰ্ণৰ লোকৰ ঘৰত খোৱা বোৱা কৰিব নাপায়, নিম্ন বৰ্ণৰ ছোৱালী বিয়া কৰালে পাপ হয়, লাউ যিমানে ডাঙৰ মহওঁক পাতৰ তলত আৰু ভূত, প্ৰেত, ডাইনী আদিলৈ থকা অন্ধবিশ্বাস, ফেঁচাই নিউ নিউ কৰিলে মানুহ মৰে বুলি থকা অন্ধবিশ্বাস, বাৰীত সিজু, বকুল, ঔটেঙা আদি গছ থাকিব নাপায় বুলি থকা অন্ধবিশ্বাস, কুকুৰা, গাহৰি আদি পুহিব নাপায় বুলি থকা অন্ধবিশ্বাস, মাছ বেচিব নাপায় বুলি থকা অন্ধবিশ্বাস বিজ্ঞান সাহিত্যৰ জৰিয়তে সমাজৰ পৰা

'কটাৰি ধৰাবা শিলে, তিৰোতা চলাবা কিলে।' 'কটাৰি ধৰাবা শিলে, তিৰোতা চলাবা কিলে।'

## যতেকে সুন্দৰী নাৰী, ততকে অনৰ্থকাৰী।

নাইকিয়া কৰিবলৈ যত্ন কৰিব লাগে।

আমাৰ সমাজত প্ৰচলিত কেতবোৰ ডাকৰ বচনে আমাৰ মাজত থকা কোনো কোনো জনগোষ্ঠী জাতিক নতুনবা ব্যক্তিক কেতিয়াবা অযথাকৈ হেয় প্ৰতিপন্ন কৰি লোক চক্ষুৰ হাঁহিয়াতৰ পাত্ৰ কৰি আহিছে। এনেবোৰ ডাকৰ বচন বাস্তৱ ক্ষেত্ৰত প্ৰায়েই প্ৰযোজ্য হোৱা দেখা নাযায়। তাৰে দুফাঁকি তলত উল্লেখ কৰা হ'ল ঃ

'একে জোপা গছৰে পাণ
সি কি হ'ব আন।'

অৰ্থাৎ ককাই-ভাই, বাই-ভনীৰ ভিতৰত কোনোবা এজন নতুবা এজনী বেয়া হ'লেই সকলোবোৰ বেয়া হয় বুলি কৈছে কাৰণ সিহঁত একে মাক-বাপেকৰ সন্তান। কিন্তু বাস্তৱ ক্ষেত্ৰত এই কথাফাঁকি কেতিয়াবা প্ৰযোজ্য নহয়। কেতিয়াবা প্ৰথম ঘৰত মাক-বাপেককে ধৰি আটাইবোৰ বাই-ভনী, ককাই-ভাই অসৎ হ'লেও কেৱল এজন বা দুজন সৎ হোৱা দেখা যায়। তেনেদৰে—

বামুণ গণক কোৱা
এই তিনি জাতি
লোকৰ ওপৰত খোৱা।

বাস্তৱ ক্ষেত্ৰত এই কথা ফাঁকিৰ সত্যতা একেবাৰে নাই বুলিব পাৰি। আকৌ—

'কটাৰি ধৰাবা শিলে
তিৰোতা চলাবা কিলে।

কটাৰি শিলত ধাৰ দিলেই চোকা হয় ই সত্য যদিও তিৰোতা বুলিলেই কঠোৰ ভাবে শাসন কৰাটো অনুচিত। ওপৰৰ কথা ফাঁকিৰ মতে চলিলে ঘৰখনত অশান্তি বৃদ্ধিহে পাব। তেনেদৰে—

যতেকে সুন্দৰী নাৰী
ততকে অনৰ্থকাৰী।

বাস্তৱ ক্ষেত্ৰত এই কথাফাঁকিৰ সত্যতাও নাই।

বিজ্ঞান সাহিত্যত এইবোৰ ডাকৰ বচনৰ যে প্ৰকৃততে বাস্তৱ ভিত্তি নাই সেই কথা সমাজত প্ৰতিষ্ঠা কৰিবৰ বাবে যত্নপৰ হ'ব লাগে।

**বিজ্ঞান সাহিত্য আৰু ৰন্ধন প্ৰকৰণ ঃ**

বিজ্ঞান সাহিত্য মৌখিক ৰূপত থকা সময়ৰ পৰাই ৰন্ধন প্ৰকৰণৰ ওপৰত বিশেষ ভাবে প্ৰভাৱ পেলাই আহিছে। যেনে-

মাছ ধুৱা খাবা পানী
মাংস ধুৱা মনে জানি।

অৰ্থাৎ মাংস অলপ ধুলেই হয় বেছিকৈ ধুলে বেয়া কিন্তু মাছ খুব ভালকৈ ধুব লাগে। যাতে একেবাৰে শেহত মাছ ধোৱা পানীখিনি খোৱাৰ পযোগী হয় অৰ্থাৎ পৰিষ্কাৰ হয়। তেনেদৰে-

'যেবেসে নাহি মছলা ভাল
তেবেসে দিবা অনেক জাল'

অৰ্থাৎ ভাজি, আঞ্জা আদিত দিবলৈ মছলা নাথাকে তেন্তে বেছিকৈ জাল অৰ্থাৎ জুই দিব লাগে। বেছিকৈ সিজালেই খাবলৈ ভাল হয়।

ৰন্ধা-বঢ়া, খোৱা-বোৱা সম্পৰ্কে বহুতো লোক বিশ্বাস আছে। সেইবোৰ চালি জাৰি চাই প্ৰয়োজনীয়বোৰ গ্ৰহণ কৰা আৰু অপ্ৰয়োজনীয়বোৰ বাদ দিয়াৰ ক্ষেত্ৰত বিজ্ঞান সাহিত্যই বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। অসমীয়া সমাজত প্ৰচলিত এনে ধৰণৰ কেইটামান লোকবিশ্বাস হ'ল ঃ ৰাতি শাক খাব নাপায়, আউসী, একাদশী, পূৰ্ণিমা তিথিত মাছ, মাংস খাব নাপায়। দুপৰীয়া হোৱাৰ আগতে দিনৰ ভাত সাজ খাব লাগে, ৰাতি বেছি পলমকৈ আহাৰ খাব নালাগে, বাহি গাৰে অৰ্থাৎ গা-পা নোধোৱাকৈ ভাত ৰান্ধিব আৰু খাব নাপায় ইত্যাদি। এনে ধৰণৰ লোক বিশ্বাস বৈজ্ঞানিক ভিত্তি আছে নাই এইবোৰ চালি জাৰি চোৱাৰ পিছত ইহঁতৰ গ্ৰহণযোগ্যতা সম্পৰ্কে সমাজত প্ৰচাৰ কৰাটো বিজ্ঞান সাহিত্যৰ ভূমিকা যেনে ধৰণৰ হ'ব লাগিছিল তেনেধৰণৰ হোৱা নাই।

পৃথিৱীৰ বিভিন্ন জনগোষ্ঠীসমূহৰ নিজা নিজা ৰন্ধন প্ৰণালী, বিভিন্ন প্ৰকাৰৰ খাদ্য প্ৰস্তুত প্ৰণালী, সুৰা প্ৰস্তুত কৌশল বিজ্ঞান সাহিত্য প্ৰচাৰৰ এক বিশেষ ক্ষেত্ৰ হিচাপে বিবেচিত হ'ব পাৰে। এইবোৰ দিশত বিজ্ঞান সাহিত্য প্ৰসাৰৰ সুবিধাও অতি বেছি। আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় ৰন্ধন প্ৰণালীও বিজ্ঞান সাহিত্য প্ৰচাৰ আৰু প্ৰসাৰৰ এক আকৰ্ষণীয় ক্ষেত্ৰ। পৃথিৱীৰ বিভিন্ন জনগোষ্ঠীসমূহ ব্যৱহাৰ কৰি অহা বনৰীয়া ফলমূল, শাক-পাচলি, মছলা উৎপাদন কৰা উদ্ভিদসমূহ, মুখশুদ্ধি হিচাপে ব্যৱহাৰ কৰা বিভিন্ন উদ্ভিদসমূহক লৈ বিজ্ঞান সাহিত্যৰ অগ্ৰগতি হোৱাৰ সম্ভাৱনা প্ৰবল। অসমীয়া ভাষাত প্ৰকাশ হোৱা সাদিন, নন্দিনী, সখী, প্ৰান্তিক, বিজ্ঞান জেউতি আদি বাতৰি কাকত আৰু আলোচনীসমূহে এই দিশত বিভিন্ন জনৰ প্ৰৱন্ধপাতি প্ৰকাশ কৰি আহিছে। এইখিনিতে শ্ৰীযুতা বিভা চৌধাৰীৰ আধুনিক





ৰন্ধন প্ৰণালী নামৰ পুথিখনৰ কথা উল্লেখ কৰিব পাৰো। পুথিখনত লেখিকাই চিত্ৰ সহকাৰে বহুতো বিষয় দাঙি ধৰিছে।

**বিজ্ঞান সাহিত্যৰ প্ৰচাৰ ক্ষেত্ৰ হিচাপে কল্পবিজ্ঞান ঃ**

কল্পবিজ্ঞান সাহিত্যৰ আন এক বিশেষ আকৰ্ষণীয় আৰু গুৰুত্বপূৰ্ণ প্ৰচাৰ ক্ষেত্ৰ। যাৰ দ্বাৰা ভৱিষ্যতে আবিস্কাৰ হ'ব পৰা বিভিন্ন যন্ত্ৰপাতি নতুন জীৱ সৃষ্টিৰ ফলত উদ্ভৱ হ'ব পৰা সমস্যা, মঙ্গল গ্ৰহলৈ মানুহৰ যাত্ৰা, সৌৰজগতৰ বাহিৰত থকা আন গ্ৰহৰ জীৱৰ সৈতে কথা-বতৰা, মৃত বিজ্ঞানীৰ সৈতে সাক্ষাৎকাৰ আদি বিভিন্ন বিষয় কল্পবিজ্ঞানৰ ভিতৰুৱা হ'ব পাৰে। ড° লক্ষীনন্দন বৰা, ড° দীনেশ গোস্বামী, মনোৰঞ্জন হাজৰিকা আদি ভালে কেইজন লেখকে এই ক্ষেত্ৰত অৰিহণা যোগায় আহিছে। এই ক্ষেত্ৰত বিজ্ঞান সাহিত্যৰ প্ৰসাৰৰ সুবিধাও আছে।

**বিজ্ঞান সাহিত্যৰ প্ৰচাৰৰ ক্ষেত্ৰ হিচাপে গণিত শাস্ত্ৰ ঃ**

আমাৰ মাজৰ বহুতেই অংক, জ্যামিতি বুলিলেই ভয় খায়। সেয়েহে কয় অংক কৰিবলৈ জংক পংক, জ্যামিতি কৰিবলৈ টান, বুৰঞ্জীত মাত্ৰ চন তাৰিখ কেইটা মনত ৰখাহে টান। এই গণিত শাস্তকো বিজ্ঞান সাহিত্যৰ আওঁতালৈ আনি পঢ়ুলে সমাজক গণিতৰ বহুত জটিল তত্ত্ব বুজাত সহায় কৰিব পাৰি। বৈষ্ণৱোত্তৰ যুগতেই বকুল কায়স্থই গণিতৰ পুথি লীলাৱতী পদ্যত ভাঙে। শিশুসকলো পদ্যৰ দ্বাৰা নেওঁতাৰ প্ৰতি সহজে আকৃষ্ট কৰিব পাৰি। এইখিনিতে শ্ৰীযুতা ক্ষীৰদা দেৱীৰ চাৰিশাৰী এনে কবিতা উল্লেখ কৰাৰ প্ৰয়াস কৰিলোঁ ঃ

'একৰ পিছত আহিল দুই
বীনা উঠিল পুৱা শুই
দুইৰ পিছত আহিল তিনি
বীণাই বহী আনিলে কিনি।'

বিজ্ঞান জেউতিৰ পাততো গণিত বিষয়ৰ বিজ্ঞান সাহিত্য প্ৰকাশ হৈ আহিছে। এই ক্ষেত্ৰত আমিও নয়নমণি ডেকাৰ প্ৰফেচৰ ভলভলীয়াৰ সংখ্যাৰ দোকান, ঈশ্বৰ ভাগৱতীৰ আদৰ্শ সংখ্যা আদি প্ৰবন্ধৰ কথা উল্লেখ কৰিব পাৰো এনে প্ৰবন্ধপাতিৰ উদাহৰণ আৰু আছে যদিও সীমিত। সেয়েহে এই দিশত বিজ্ঞান সাহিত্যৰ প্ৰসাৰৰ প্ৰয়োজনীয়তাক নুই কৰিব নোৱাৰি।

**বিজ্ঞান সাহিত্য হিচাপে বিজ্ঞান সম্বন্ধীয় বা-বাতৰি ঃ**

বিজ্ঞান সম্বন্ধীয় বিভিন্ন বা-বাতৰি যেনে বৈজ্ঞানিক আবিস্কাৰৰ বা-বাতৰি, বিজ্ঞান সম্বন্ধীয় সভা সমিতিত পোৱা বিজ্ঞানীসকলে পোৱা বিভিন্ন পুৰস্কাৰৰ বা-বাতৰি, ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞান সম্পৰ্কীয় কুইজ, প্ৰদৰ্শনী আদিত পোৱা পুৰস্কাৰৰ বা-বাতৰি খুব আকৰ্ষণীয়কৈ প্ৰকাশ কৰাটোও বিজ্ঞান সাহিত্যৰ প্ৰচাৰৰ ক্ষেত্ৰ বুলি বিবেচিত হ'ব পাৰে।

**বিজ্ঞান সাহিত্যৰ প্ৰচাৰ ক্ষেত্ৰ হিচাপে পৰীক্ষাগাৰৰ পৰীক্ষা ঃ**

বিজ্ঞান সহজ-সৰল পৰীক্ষাবোৰ সাধাৰণ পঢ়ুৱৈ সমাজক বুজাবৰ বাবে সহজ-সৰল আৰু প্ৰাঞ্জল ভাষাত লিখি উলিয়ালে এইবোৰো বিজ্ঞান সাহিত্যৰ অংগ হ'ব পাৰে। জীৱ-বিজ্ঞান, ৰাসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞান, নৃতত্ব বিজ্ঞান, ভূগোল শাস্ত্ৰ আদিৰ সহজ-সৰল পৰীক্ষাবোৰ সাধাৰণ পাঠকৰ মনোগ্ৰাহীকৈ সাহিত্য হিচাপে উপস্থাপন কৰিব পাৰি। বিভিন্ন বিষয়সমূহ যেনে উদ্ভিদ জীৱ হয়নে নহয়, উদ্ভিদৰ যৌন প্ৰজনন আছেনে নাই, গুটিৰ গজালি ওলাবৰ বাবে কেনে পৰিবেশ লাগে, কোনো এটা দ্ৰব্যৰ অম্লতা কিমান আদি পৰীক্ষাবোৰ ৰসাল ভাষাত উপস্থাপন কৰিলে বিজ্ঞান সাহিত্যৰ ৰূপ ল'ব পাৰে। এনে ধৰণৰ দুখন পুথি হ'ল ক্ষীৰধৰ বৰুৱাৰ ৰসায়নৰ ৰসাল পৰীক্ষা আৰু ড° অৰ্পণা বুজৰবৰুৱা আৰু বিভা গোস্বামীৰ সহজ সৰল পৰীক্ষা।

**সামৰণি ঃ**

বৰ্তমান ভূগোল আৰু নৃতত্ব বিজ্ঞান বিষয় দুটা জনপ্ৰিয় বিজ্ঞানৰ জৰিয়তে বহুল ভাবে প্ৰচাৰ কৰাৰ বিশেষ প্ৰয়োজন হৈ পৰিছে। বৰ্তমান বিজ্ঞানৰ ন ন কেইবাটাও বিষয় উৎপত্তি হোৱাত আমাৰ নতুন প্ৰজন্মৰ বহুতে এই বিষয় দুটা বিদ্যালয়, মহাবিদ্যালয়ত পঢ়াৰ সুযোগ হেৰুৱাব লগাত পৰিছে। এই বিষয় দুটাৰ গুৰুত্ব অতি বেছি। সেয়েহে এই বিষয় দুটা জনপ্ৰিয় বিজ্ঞানৰ জৰিয়তে বহুল প্ৰচাৰৰ প্ৰয়োজন অতি বেছি। আমাৰ অসমীয়া ভাষাত বিজ্ঞান সাহিত্যৰ প্ৰচাৰ একেবাৰে নিচলা অৱস্থাত নাই যদিও অয়াৰ প্ৰসাৰৰ প্ৰয়োজন অতি বেছি। বহুতো নতুন নতুন বিষয় যেনে পৰিবেশ অৰ্থনীতি বিজ্ঞান, কম্পিউটাৰ বিজ্ঞান, বায়-ইনফৰমেটিক্‌চ্‌, জীৱ ৰসায়ন আদি বিষয়ত আমাৰ বিজ্ঞান সাহিত্যৰ অগ্ৰগতি অতি সীমিত বুলি এই প্ৰবন্ধৰ পাতনিতেই উল্লেখ কৰি অহা হৈছে। বিজ্ঞান সাহিত্যৰ প্ৰচাৰৰ বাবে বিজ্ঞানৰ ছাত্ৰ, শিক্ষক, গৱেষক, বিজ্ঞানী আদিয়ে অংশগ্ৰহণ কৰি আমাৰ সমাজৰ মহৎ উপকাৰ সাধন কৰিব পাৰে।

*পুনশ্চ ঃ প্ৰৱন্ধৰ পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি ভালেসংখ্যক বিজ্ঞান সাহিত্যিকৰ প্ৰসংগ উল্লেখ কৰিব নোৱাৰাৰ বাবে দুঃখিত।*

# N-LIST : INITIATIVES FOR E-RESOURCES IN COLLEGE LIBRARIES

**Ms. Dipika Das**
*Librarian*

## Introduction :

The revolution of information and communication technology has changed the scenario of college library. ICT gives rise to the evolution of several new jargons like paperless society, electronic resources, portal/ gateway and global digital library. In the day context college libraries are not only providing printed resources to their library user but also electronic as well as other Internet resources like e-books and databases for fulfilling the day to day academic and research requirements of the library users.

## Definition:

E- Resources : "E-resources" refer to those materials that require computer access. Any electronic product that delivers a collection of data be it in text referring it to full text databases, electronic journals, image collections, other multimedia products. They may be delivered on CD-ROM, Pen drive, via internet and so on are termed as e-resources. E-resources, web resources, digital resources, online resources, internet resources etc. are synonymous terms.

## Advantages of E-resources :

High compact storage

- Ease of reproduction, multiplication and manipulation and transmutation.
- Contents can be very easily detached from its media or container.
- Ease of migration of contents from one medium to another.
- Ease of transmission, communication and storage.
- Hypertext and multimedia
- Seamless integration of print and electronic resources.
- Sophisticated and multi pronged searches through keywords, free text, Boolean operators, class numbers and natural languages processing.

## Types of E-resources :

- E-books
- E-journal
- Database
- OPAC
- Open Access Resources
- Web resources
- CDs and DVDs

## E-resources available through www (World wide Web) :

Internet service is an essential service of a library in digital era. It is a global system of interconnected computer networks. In Assam, most of the college libraries to-day have been provided with internet facility. The academic community is utilizing the internet facility to take help for seminar, home





assignment, preparing research paper etc. Large no of e-resource are now available online free of cost.

Open access initiatives (OAI) are marked by the online journal available freely through open access. In India, a number of publishers both at public and private sector are engaged themselves for making available of their publications in open mode. The situation is encouraging because of various reasons including rapid growth of internet use in India.

## List of web sites that provide free access to various e-resources :

-http://casin.ncsi.iisc.ernet.in
-http://drtc.isibang.ac.in/DRTC/index.html
-OpenMed@NIChttp://openmed.nic.in
- http://dspace.inflibnet.ac.in
-http://www.vidyanidhi.org.in
-http://www.ias.ac.in/pubs/journals
- http://www.insa.ac.in
-http://medind.nic.in/
-http://www.medknow.com/journals.asp
- http://www.indianjournals.com
-http://www.krepublishers.com/KRE-New-J

## N-List initiatives for e-resources in college libraries :

N-LIST(National Library and Information Services Infrastructure for Scholarly Content) initiatives from Ministry of Human Resource Development:

Through N-List Programme it has been trying to provide access to scholarly e content to the college in India. When it is found that no any library consortia serve the college libraries in India, the consortia come into existence with the cross subscription of selected e-resources of UGC-INFONET and INDEST-AICTE consortia.

- It is a library consortium for all the colleges in India.
- It is absolutely free to all the 2F/12B college of NE India.
- It provides easy access to thousands of scholarly e-resources.

### BOOKS SUBSCRIBED FOR COLLEGES

| Sl. No. | E-resource | No of Book Titles in the Collection |
|---|---|---|
| 1 | E-brary | 45,000 |
| 2 | Oxford Scholarship Online | 902 |
| 3 | NetLibrary | 986 |
| 4 | McGraw Hill | 1,308 |
| | | **Total** **48,196** |

**N-LIST Provides following books and journals :**

**JOURNALS SUBSCRIBED FOR COLLEGES**

| Sl No. | Name of Publisher | No. of Journals |
|---|---|---|
| 1 | American Inst. Physics / American Physical Society | 28 |
| 2 | Annual Reviews | 33 |
| 3 | Cambridge University Press | 224 |
| 4 | Economic and Political Weekly | 1 |
| 5 | Indian Journals | 150 |
| 6 | Institute of Physics (IoP) | 46 |
| 7 | MathSciNet (Database of Reviews in Mathematics) | 1 |
| 8 | Oxford University Press | 206 |
| 9 | Royal Society of Chemistry | 29 |
| 10 | H.W. Wilson | 1420 |
| | **Total** | **2138** |

**RESOURCES FOR COLLEGES**

| Resources | Numbers | Remarks |
|---|---|---|
| Electronic Journals | 2138 | From 10 publishers / aggregators |
| Electronic Books | 45,000+ | On annual subscription basis |
| Electronic Books | 3196 | On one-time payment & perpetual access basis |
| Total No. of Electronic Books | 51696+ | Including 3,500 books available in open access through Project Gutenberg |

**What do Colleges do to Access e-resources?**

What do college require?

- Internet-enabled PCs for faculty and students
- Local Area Network connected to Internet
- Access to Internet
- Internet-enabled PCs and access to Internet (not necessarily?)
- Register with INFLIBNET for N-LIST Programme (fill-in Questionnaire-online/offline)





- Provide their list of faculty and students with requisite attributes to INFLIBNET
- Obtain passwords for access to e-resources
- Assign a Contact Person for inter-acting with INFLIBNET
- Pay a token Membership Fee to INFLIBNET

**Registered Colleges in India :**

- Total No. of Registered Colleges 1,252
- 12 B / 2 F Colleges 754
- 2 F Colleges 26
- Colleges expected to join by the end of this year 2,000
- Database of Authorized users 30,000

**CONCLUSION :**

The goal of any library is to provide sufficient resources to its users and in todays context e-resources serves well in the process of teaching, learning and research activities. The scenario of e- resources available in college libraries of Assam is not so bright . The INFLIBNET has provided free e-resources through N-List Programme. Only 75 (seventy five) colleges out of 175 (one hundred seventy five) colleges of Dibrugarh district have introduced N-List programme. The librarians would take initiative to take such facilities of e-resource in their libraries. The users satisfaction is recognized as another goal of a library in digital environment. The college libraries of Assam should develop a separate policy for collection development in electronic format. □

(১) মৃত্যুৰ পিছত শৰীৰ মাটিৰ লগত মিহলি হোৱাৰ লগে লগে যদি তোমাক পাহৰিব নালাগে তেন্তে পঢ়িবৰ উপযোগী হোৱাকৈ কিছুলেখা বা এনেকুৱা কাম কৰা যিবোৰৰ বিষয়ে আনে লিখিবলগীয়া হয়।

(২) যি কথা ক'লে তোমাৰ বা আনৰ একো উপকাৰ নহয়, তেনে কথা নক'বা। তুচ্ছ অৰ্থহীন কথা পাতি সময় নষ্ট নকৰিবা।

—বেঞ্জামিন ফ্ৰেঙ্কলিন

সংগ্ৰাহক ঃ শ্ৰীমতী ভদ্ৰাৱতী পাত্ৰ

*স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)*

(১) মই বিদ্ৰোহ বিচাৰো, ধ্বংসৰ বাবে নহয়, সৃষ্টিৰ বাবেহে মই বিদ্ৰোহ বিচাৰো। ন-পুৰণি সংঘাতৰ পটভূমিতহে বিদ্ৰোহৰ বীজ নিহিত আছে। সেই কাৰণে আমাৰ সমাজৰ প্ৰতিটো স্তৰতে বিদ্ৰোহৰ প্ৰয়োজন। --- জৱাহৰলাল নেহৰু

(২) প্ৰশংসাই কেতিয়াও মোক উচ্চ স্তৰলৈ নিব নোৱাৰে। মই যি আছো সদায় সেয়ে হৈ থাকিম। — মহাত্মা গান্ধী

(৩) সুখৰ এটাই ফৰ্মূলা — প্ৰেম কৰা, কিম্বা কৰিবলৈ শিকা। — জৰ্জ ছেণ্ড

সংগ্ৰাহক ঃ বিপ্লৱী গগৈ

*স্নাতক দ্বিতীয় বাৰ্ষিক (কলা শাখা)*

# FOUNDATION OF PERSONALITY DEVELOPMENT

**Miss Jolly Chutia**
*Assistant Professor*
*Department of Sociology*

The young are the inheritors of tomorrow. Every effort should be made to remind them of their heritage and provide them such foundation, guidance and inspiration as may be needed to prepare them to face the future with enthusiasm and confidence.

A verse in Sanskrit states that only a fourth part of knowledge does one gather from teachers. A quarter the student acquires by self-effort. Another quarter he learns from his co-students. And the final quarter accrues his course of time making him fully knowledgeable.

The armour and weapons in life's battle are knowledge of various aspects of living. That is not to say that students learn little from educational institutions. There is no doubt that the knowledge acquired in the classroom is of considerable value. In older days, in what was known as gurukula style of education, rishis (sages) who were gurus (teachers) used to take closely as they were staying in his household as members of a family. He used to teach them many things directly or indirectly and also correct them when ever necessary. Things are different today. The number of students is an average class is quite large and teachers generally teach different subjects. The teacher pupil interaction has become marginal. Except through the medium of periodical tests, no assessment of the students' progress is possible. The test or exams are mostly academic. Parental supervision of children has slackened too because parents both in may case, are busy with their careers and other pre occupations, leaving them no time to adequately care for their children's growth and development.

The out come is an enormous increase in the students' need for self-effort. Due to the complexity of present day living, not only academic, but also many other matters call for attention, acquaintance and even expertise in some field. Thus the need to equip oneself with all round knowledge has increased considerably. Though students' absorb knowledge to which they are exposed there is risk of distraction. Student participation in extra curricular activities has also hit an all time high. This situation call for discretion, discrimination and balancing of serious and lighter aspects of life.

In modern times, seminars, workshops, study circles and other similar activities are arranged by different organizations. Public lectures at cultural centres, as also religious discourses are conducted to communicate new and practical knowledge. Participation in these adds and enhances our perception and broadens our horizons. Knowledge is power. No knowledge ever goes to waste. It comes to our aid in unexpected ways and can yield handsome dividends knowledge is compared to light and ignorance to darkness. Knowledge illumines many a dark corner in our lives and refines and regenerates society, removing aberrations like superstitions, bigotry and other manifestations of narrow-mindedness. This enlightenment is called liberal education as distinguished from academic or professional education. In short knowledge has to be gathered from different services, taking care that one is not distracted or attention divided or misdirected.

School or college education does not automatically form, improve or develop a students personality. It may not be an exaggeration if one is to mention that the present day education is sadly lacking in this respect. Therefore, young people have to consciously exert and take concrete steps to acquire a balanced growth of personality along with academic education. In other, words special concerted and sustained effort is necessary. And a well developed personality is not achieved at one go. It is a gradual process 'Rome was not built in a day'. Personality is the individuals totality of characteristics like intelligence, looks, character or lack of any of them, which distinguishes him or her from others. Personality comes into play in each and every activity, thought and behaviour of an individual.

People generally get into a rut. They do what everyone else does because it is easy and requires no imagination. They also feel a sense of security in maintaining status quo. They seldom realize that it is the law of nature that activity and change are life and stagnation is death. But the world takes note of only people why are different because they break new path and act differently. As a result, they achieve success which they would not have even dreamt of. The world's great discoveries, invention, works of art are all the resent of some people thinking and acting differently from the general run of human activity. For example-Mahatma Gandhi is the example of a person who broke new ground in the realm of politics. We owe our independence to the imaginative innovation of Gandhiji of a totally new form of fighting imperialism non-violent non-cooperation.

Therefore, in making all our effort to grow and develop one's full potential, young people are not only marching towards individual welfare, but also discharging their responsibility and indebtedness to their forebears. At the same times, it also forms one's contributions to the welfare of posterity. □

*An hour's planned work is more rewarding than a full day's unplanned work.*

*Heart speaks unto heart, better than any language of the mouth.*

*---Swami Vevekananda*

# RELIGIOUS IMPLEMENTS OF THE KHAMYANGS

**Dr. Promanita Bora**
*HOD, Dept. of Anthropology*

Khamyangs are the schedule tribes of Assam. Though they are lesser known, Khamyangs are recognised as one of the important tribes of Assam. In comparison to the other tribes their population is less. They are considered as a section of the TAIS. It was in the eighteenth century when they entered Assam along with the other groups of the Tais. According to Grierson, Khamyangs are the section of 'Mora', who formerly resided on the Patkai range. Frequent references are of the tribes are seen in the Ahom chronicles, occasional reference has also been made that this group settled for long time near Nongyank lake which is situated on the present Indo-Burmese border. It is believed that the name of the tribe Khamyang is derived from the name of the lake Nongyang.

Racially they are Mongoloids and linguistically Tibeto Chinese of Chino-Siamese group. They had their own language Pati and Tai. But after the contact with the people of Assam, gradually they adopted Assamese as their mother tongue. By religion the Khamyangs are Buddhist. They are the devout followers of the principles of Lord Buddha. The main principle of their religion is ahinsha parama dharma means Nonviolence. The Budda and the VANTE play an important role in their socio-religious life. They use varieties of implements for their religious functions. Some of them are described below--

**(a) Sibik :** Sibik means Alarm-vessels. It is made of iron and La and black in colour. Generally, the vikkhus used these vessels Khowsam (rice) brought by the disciples are put and mixed at the sifik for offering. Three distinct and diabolical horizontal lines are there which are the symbol of Buddha, Dharma and Sangha.

**(b) Paan :** It is some what like a sarai, made of bronze and is used for keeping flowers, candles etc. while performing religious functions.

**(c) Tankhan :** It is a piece of fabric woven bythe Khamyang women for offering to the deities. Three numbers of thin and plain bamboo sticks are breathwise provided at a gap of about 4 c.m. to 5 c.m. at the time of weaving. These three lines represent Buddha, Dharma and Sangha which are considered as the doctrine of Buddhism. It is believed by the Khamyans that hopes and aspirations are fulfilled if such a piece of hand woven fabric is offered to the vihar.

**(d) Tong-moi :** Vikkhus of vihar while going out take a stick in their hand, which is known as Tong-moi. It is like a trishul (three point stick) and made of iron rod.

**(e) Bichani (Fan) :** It is a wooden fan placed in front of the vikkhus while is busy reciting religious mantras to protect the probability of spit bubbles. It is kept up-right on a wooden frame.

**(f) Kung-pan :** It is a water prayer made of thin bamboo ends having holes. It is so designed that it is in four steps and looks like a flower tube sland. The whole arrangement is inter connected by small bamboo pieces where on some nozzles are provided. It is then connected with a boat by means of bamboo pipes and when the boat is filled with water the arrangement starts moving thereby spraying water in a circular way all around. The Khamyang believe that when such water is sprayed on body it drives away the evil things from one's mind. But the main purpose is to spray water for bathing the idol of Buddha in the beginning of Bohag during the time of Chang-ken festival.

**(g) Kong-hai :** It is a big drum which gives big sound when played. It is made of wood shell and animal skin and is generally used in religious procession and such other functions. It is played in harmony with the rhythm of devotional song gatha.

**(h) Tallor Bhartoal :** It is made of felt-metal and is played along with the sound of the Kang-hai. Taal is always in a pair. One placed upon another at an interval in order to produce its sound.

**(i) Yaa-mong :** It is very big sized taal (symbol) and is made out of mixture of eight metals (Astadhatu) viz., Bronze, brass, copper, iron, tin, lead and little quantity of gold and silver. Ringing of this Taal is regarded by the Khamyangs as call for alertness. It's sound also indicate as a call or intimation to the public for assembling in religious or other social occasions. Playing it in different tune indicates different meaning which is easily understood by all concerned. □





(১) এটা যুগৰ পৰা আন এটা যুগলৈ এটা পুৰুষৰ পৰা আন এটা পুৰুষলৈ পৰম্পৰা কঢ়িয়াই নিবলৈ আটাইতকৈ গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হ'ল বিদ্যালয়সমূহ আৰু ইয়াৰ বাহক হ'ল শিক্ষকসকল।
— আইনষ্টাইন

(২) এজন শিক্ষক হ'ব লাগে শাৰীৰিকভাৱে উপযুক্ত মানসিকভাৱে সজাগ, আবেগিকভাৱে ধীৰ-স্থিৰ আৰু আধ্যাত্মিকভাৱে ঈশ্বৰৰ প্ৰতি থকা ভয় ভক্তি থকা লোক।
— এৰিষ্টটল

(৩) শিক্ষকসকলৰ ব্যক্তিত্বৰ পৰশত নিৰস পাঠ্যক্ৰমে ৰসাল আৰু সঞ্জীৱিত হৈ পৰে।
— ত্ৰৈলোক্য নাথ গোস্বামী

(৪) শিক্ষকসকল জীৱন দাতা, পিতৃ-মাতৃতকৈয়ো বেচি শ্ৰদ্ধাৰ পাত্ৰ। কাৰণ পিতৃ-মাতৃয়ে সন্তানক জন্মহে দিয়ে। জীৱন যাত্ৰাৰ প্ৰণালী শিক্ষকেই নিৰূপন কৰে।
—এৰিষ্টটল

(৫) আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰা। নিজে শুদ্ধ আৰু পবিত্ৰ হ'লেহে আনৰ বিষয়ে মতামত আগবঢ়াব পাৰি।
— চক্ৰেটিছ

(৬) মনৰ ভাব ব্যক্ত কৰিবলৈ মানুহক ভাষা লাগে। — অমৃতভূষণ অধিকাৰী

(৭) ত্যাগ আৰু মনৰ বল হ'লে অসাধ্যকো সাধন কৰিব পাৰি। — ড° ময়িজুল ইছলাম বৰা

(৮) ভুল আঁতৰাই সত্য প্ৰতিষ্ঠা কৰাই শিক্ষাৰ লক্ষ্য — চক্ৰেটিছ

সংগ্ৰাহক ঃ গুণিন বৰগোহাঁই
উঃ মাঃ প্ৰথম বৰ্ষ

# CAREER PLANNING AND CHOICE OF COURSES AFTER 10+2

**Dr. Mahesh Kr. Jain**
*Associate Professor*
*Department of Commerce*

Career planning is one of the most crucial factors in our life, which needs no emphasis. It is important at least for two reasons. First, whether we opt for a career in jobs or prefer to be on our own, we must appreciate that there is fierce competition for getting a space in the world of work. Remember the old adage, "Survival of the Fittest". Second, in view of new developments primarily triggered off by the information technology (IT) and globalisation of the economy, there are now more options than ever before. We will have to look for these options. Remember also that those are days of specialization.

Having been a part of North-East society, many Gorkhas joined politics and many of them participated in the freedom struggle. Later many Gorkhas became members of the state assemblies too. Many good writers were born, fine poets composed their poems and many social leaders were produced by the North-East. To name a few Chabilal Upadhayaya who had chaired the historic session of the then Assam Association in 1921 that gave birth to Assam Pradesh Congress Committee (APCC), Dalbeer Singh Lohar, Bhakta Bahadur Pradhan and Prasad Singh Subba were prominent freedom fighter of Assam.

**GORKHAS IN OTHER PARTS IN INDIA :**

Gorhas have been residents in other part of India for long periods. The fact that there is a Gorkha Welfare Association in Bangaluru, Karnataka that was established in 1936 proves that Gorkhas were settled in south and west India much before independence. Mumbai is home to a large number of Gorkhas. Even a city like Nagpur has a notable number of Gorkhas, who for decades have been running the successful Gorkha co-operative society. The presence of Gorkhas in Jammu and Kashmir is established by the existence of the Gorkha Nagar locality there. Punjab has a thriving Gorkha community, a throw back to the times when Sikh leader Ranjit Singh recruited them in large number in his army. The 1898 official gazetteer of Sikkim records that there was substantial population of the Gorkhas in Sikkim.

It is estimated that there are 10 million (1 crore) Gorkhas in India who are the citizens of the country . They speak Nepali as their mother language. Nepali was recognized as a national language in 1992, while the sahitya akademi recognised Nepali as an advanced literary language of India as far back as 1974. Gorkhas have done the country proud as bureaucrats, litteratures, sportsman, film director, polticians and social worker. And who can discount the vital role they in protecting the countrie's territory as the most valourous of Indians armed forces personnels. At they are looked upon often by the people and termed as foreigners. So the Gorkhas have risen up with a demand for political identity. □





# অসমীয়া সংস্কৃতিত সাজপাৰৰ গুৰুত্ব

লাকী বৰা
*স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ*

সভ্যতা সংস্কৃতিৰ অন্যতম পথ নিৰ্দেশক সাজপাৰ। কোনো এটা জাতিৰ সাজপাৰ আৰু তাৰ উপকৰণৰ ওপৰত ভৌগোলিক প্ৰভাৱ আৰু ব্যৱহাৰিক প্ৰয়োজন নুই কৰিব নোৱাৰি। সাজ-পোচাকৰ জৰিয়তে বৰ্ণ, শ্ৰেণী, বিবাহিত নে অবিবাহিত, বয়স আৰু লিঙ্গৰ আভাস পাব পাৰি। পুৰোহিত, ব্ৰাহ্মণ, মহন্ত সত্ৰাধিকাৰ, বৈৰাগী, সৈন্যাসীৰ লগত সাধাৰণ সাজপাৰৰ সুদৃশ্য পাৰ্থক্য বিৰাজমান। বিধবা-সধবা অথবা বিবাহিত আৰু অবিবাহিত ছোৱালীৰ সাজপাৰ একে নহয়। সাজ-পাৰ কেৱল শ্ৰেণী বিভাজনৰে ইংগিত নিদিয়ে, ই ব্যক্তিত্বৰ ওপৰতো এক বিশিষ্ট মৰ্যাদা প্ৰদান কৰে এই সাজপাৰেই এটা জাতিৰ আৰ্থিক অৱস্থা, সৌন্দৰ্যপ্ৰিয়তা, শিল্পীমন আৰু সুকুমাৰ প্ৰতিভাৰ প্ৰকাশ কৰে। লগতে কোনো ব্যক্তিৰ সাজপাৰে ব্যক্তিজনৰ স্বভাৱ চৰিত্ৰ অথবা ব্যক্তিত্ব পৰিচায়ক আৰু সেইদৰে জাতীয় সাজপাৰ জাতি সংস্কৃতিৰ পৰিচায়ক।

**নানা জাতি-উপজাতিৰ মাজত সাজ-পাৰত যিখিনি বিভিন্নতা সেইখিনি বহল অসমীয়া সংস্কৃতিৰ নানা ৰঙীণ ফুলৰ চানেকিৰ নিচিনা। প্ৰথমে মোগলৰ আক্ৰমণ আৰু তাৰ পিছত বৃটিছৰ আগমনত অসমৰ বিভিন্ন জাতি-উপজাতিৰ সাজ-পাৰত নানা পৰিবৰ্তন হৈছে। অসমীয়া সমাজত পৰম্পৰাগত পোছাক হৈছে— সাধাৰণ মানুহে শালে কটা চুৰীয়া, চাদৰ, চেলেং, চাপকন, পাগুৰি, ৰঙা শেলৰ মৰা নেজীয়া গামোচা মূৰত মৰাৰ বৰ্ণনা আছে। গাঁৱৰ ডেকাসকলৰ মাজত মূৰত গামোচা মৰা প্ৰথা আজিও আছে। কালৰ সোঁতত কোট-পটলুং, পায়জামা, লুঙী, হাফ্‌পেণ্ট আৰু বাৰ্মুদাৰ দৰে হলৌ পেণ্ট আদিবোৰ অসমীয়া পুৰুষৰ প্ৰধান পোচাক হৈ পৰিল্‌।**

(২)

অসমৰ প্ৰাচীন কালৰ পৰা সাজ-পাৰৰ প্ৰচলন হৈ থকা প্ৰমান আৰু আভাস সেই অঞ্চলৰ প্ৰাচীন মূৰ্তিবোৰৰ পৰা পাব পাৰি। শ্ৰীহৰ্ষ চৰিত্ৰ আৰু কালিকা পুৰাণৰ পৰাও প্ৰাচীন অসমৰ সাজ-পাৰৰ বিষয়ে কিছু কথা জানিব পাৰি। তদুপৰি অসমৰ সচিত্ৰ পুথিবিলাকেও অসমৰ সাজপাৰৰ আভাস দিয়ে। ধাৰ্মিক আৰু সামাজিক জীৱনটো সাজপাৰৰ এক ওতপ্ৰোতঃ সম্বন্ধ আছে। পূজা-পাৰ্বণত পূজাৰী, সেৱক উভয়েই নৱবস্ত্ৰ অথবা ধৌত বস্ত্ৰ পৰিধান কৰিব লাগে। কোনো কোনো ধৰ্মীয় বা সামাজিক অনুষ্ঠান বিশেষ ৰং (প্ৰধান ভাৱে শুদ্ধ বগা) কাপোৰৰ প্ৰয়োগ, মন্ত্ৰসাধনা বা পূজা পাৰ্বণত ৰঙা কাপোৰ ব্যৱহাৰ, বিবাহ বা অন্যান্য মাংগলিক অনুষ্ঠানত নতুন কাপোৰ বা ধুই থোৱা কাপোৰ পিন্ধিব লাগে। পুৰণি বস্ত্ৰ আঁতৰাই নতুন বস্ত্ৰেৰে মৃতকৰ দেহ ঢকাৰ বিধি শাস্ত্ৰই দি গৈছে। গুৰু গোসাঁই নাইবা নামঘৰত সেৱা জনালে কান্ধত চাদৰ বা গামোচা গল বস্ত্ৰৰূপে ল'ব লাগে। নৱ-বস্ত্ৰ আগবঢ়াই দৰা-কন্যাই মানীজনক সেৱা জনোৱা অসমীয়া বিবাহৰ প্ৰাসঙ্গিক অনুষ্ঠান, সামাজিক অনুষ্ঠানত জাতীয় সাজ-পৰিধান কৰা উৎসৱ অনুষ্ঠানত আপোনজনক নতুন কাপোৰ বা গামোচা উপহাৰ দিয়া আদি মূল্যবোধ এতিয়াও অসমীয়া সমাজত সক্ৰিয় হৈ আছে।

(৩)

পুৰণি অসমীয়া সাজ-পাৰৰ বিষয়ে এতিয়ালৈকে আমি নিচেই কম বিৱৰণহে পাইছো। অলপ দিনৰ আগলৈকে অসমীয়া মানুহে ব্যৱহাৰ কৰা বৰণৰ সম্পৰ্কেও বিহু-গীতৰ পৰা এটি সম্পূৰ্ণ চিত্ৰ আঁকিব পাৰি। কালক্ৰমত শিষ্টাচাৰ, ৰুচি, সামাজিক বৈশিষ্ট্য প্ৰকাশৰ প্ৰয়োজনত সাজ-পাৰে অসমত নানা জাতি-উপজাতিৰ মাজত বিচিত্ৰক্ৰম ল'বলৈ ধৰে। নানা জাতি-উপজাতিৰ মাজত সাজ-পাৰত যিখিনি বিভিন্নতা সেইখিনি বহল

অসমীয়া সাজপাৰ সাধাৰণতে তৈয়াৰ কৰা হৈছিল কপাহৰ পৰা প্ৰস্তুত কৰা সূতা, এৰী, পাট আৰু বৰমূগাৰ — এই তিনিজাত মুগাৰ বাহৰ পৰা বিশেষ পদ্ধতিৰে প্ৰস্তুত কৰি লোৱা সূতাৰ পৰা। কিন্তু বৰ্তমানে বিজ্ঞানৰ বিভিন্ন আৱিস্কাৰৰ ফলত বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰা আৰু মেচিনত প্ৰস্তুত কৰা, সূতাৰে তৈয়াৰ কৰা কাপোৰ অসমীয়া মানুহে ব্যৱহাৰ কৰিবলৈ ল'লে।

অসমীয়া সংস্কৃতিৰ নানা ৰঙীণ ফুলৰ চানেকিৰ নিচিনা। প্ৰথমে মোগলৰ আক্ৰমণ আৰু তাৰ পিছত বৃটিছৰ আগমনত অসমৰ বিভিন্ন জাতি-উপজাতিৰ সাজ-পাৰত নানা পৰিবৰ্তন হৈছে। অসমীয়া সমাজত পৰম্পৰাগত পোছাক হৈছে— সাধাৰণ মানুহে শালে কটা চুৰীয়া, চাদৰ, চেলেং, চাপকন, পাগুৰি, ৰঙা শেলৰ মৰা নেজীয়া গামোচা মূৰত মৰাৰ বৰ্ণনা আছে। গাঁৱৰ ডেকাসকলৰ মাজত মূৰত গামোচা মৰা প্ৰথা আজিও আছে। কালৰ সোঁতত কোট-পটলুং, পায়জামা, লুঙী, হাফ্‌পেণ্ট আৰু বাৰ্মুদাৰ দৰে হলৌ পেণ্ট আদিবোৰ অসমীয়া পুৰুষৰ প্ৰধান পোচাক হৈ পৰিল। এই কথাই সমাজৰ স্বচ্ছল অৱস্থা সোঁৱৰায়। ৰিহা-মেখেলা, চেলেং চাদৰ, গুণা কটা খনীয়া, দখনা অসমবাসী মহিলাৰ প্ৰধান পৰিধান। ভাৰতৰ অন্যান্য ৰাজ্য বিশেষকৈ পূৰ্ব আৰু উত্তৰ ভাৰতৰ জন প্ৰব্ৰজন অসমলৈ অহাৰ ফলত শাড়ী, চেলোৱাৰ, চুৰিদাৰ অসমীয়া নাৰীয়ে পৰিধান কৰিবলৈ ধৰিলে।

(৪)

প্ৰচীন সাহিত্যৰ পৰা তিৰোতাই একবস্ত্ৰ শাৰীত পিন্ধিছিল বুলি অনুমান কৰিবৰ থল আছে। প্ৰাক্-বৈষ্ণৱ আৰু বৈষ্ণৱ যুগৰ সাহিত্যৰ নানা ঠাইত শাৰীৰ উল্লেখ আছে (পিন্ধি শাড়ী খোণ্টা জালি)। উজনি-নামনি দুয়ো অঞ্চলৰ বিয়ানামত কন্যাৰ সাজ-পাৰ প্ৰসঙ্গত শাৰীৰ উল্লেখ পোৱা যায়—

"ৰাধাই পিন্ধা শাৰীখনত দশাৱতাৰ লেখা। কিন্তু পৰৱৰ্তী কালত ৰিহা মেখেলাচাদৰ মূল সাজপাৰ হৈ পৰে। অসমৰ জনজাতীয় নাৰীসকলে নিসীয়া মেখেলা বুকুত মেথনি মাৰি আঠু ওপৰলৈকে পিন্ধিছিল। পাছলৈ সী-লোৱা মেখেলা পিন্ধাৰ প্ৰচলন হ'ল। ৰিহা মেখেলা পিন্ধোতে উচ্চ শ্ৰেণী তিৰোতাই ভৰি সৰু গাঁঠিলৈকে পিন্ধি সমুখৰ ফালে পুৰুষ ধূতিৰদৰে কেইটামান ভাঁজ দি পিন্ধিবলৈ ল'লে। ৰিহাখন প্ৰথম অৱস্থাত বুকুত মেথনি মাৰি পিন্ধা হৈছিল যদিও এটা আগ কঁকালত থাগ দি সোঁফালেদি আনি বাওঁকান্ধৰ ওপৰেদি নি আকৌ পাছফালে কঁকালত খুচি ল'বলৈ ল'লে। আৰু চাদৰখন একে ধৰণে নি চুলি ওপৰত ওৰণি লেখ সোঁফালে আগলৈ আনি থোৱাকৈ পিন্ধিবলৈ ল'লে।

উন্নত অৱস্থা এটা অনুকৰণ কৰাটো সামাজিক ৰুচিবোধৰ লক্ষণ। সেইবাবে সমাজৰ অভিজাত ছোৱালীয়ে পৰিধান কৰা নাৰীৰ এই সাজটোৱে নাৰী সমাজৰ মন আকৰ্ষণ কৰিবলৈ ল'লে। ফলত এই সাজটো হৈ পৰিল অসমীয়া নাৰীৰ প্ৰধান সাজ। সভ্যতাৰ বিকাশ, সাংস্কৃতিক পৰিৱৰ্তন, জ্ঞান-বিজ্ঞানৰ নৃত্যৰ নতুনত্বৰ বাবে অসমীয়া সাজ-পাৰ প্ৰকৃতি যথেষ্ট ফলনীয় হৈছে। আহোম স্বৰ্গদেউসকলৰ দিনতে অসমীয়া সাজপাৰ যথেষ্ট পৰিবৰ্তন হয়। অসমৰ বৃটিছ অধীনলৈ যোৱা পাছত ভাৰতৰ অন্যান্য ৰাজ্যলৈ যোৱা পাছত সাজপাৰ বৰ্হিভাৰতীয় সাজপাৰ অসমীয়া নাৰীয়ে পৰিধান কৰিবলৈ ল'লে। অসমীয়া সাজপাৰ সাধাৰণতে তৈয়াৰ কৰা হৈছিল কপাহৰ পৰা প্ৰস্তুত কৰা সূতা, এৰী, পাট আৰু বৰমূগাৰ —এই তিনিজাত মুগাৰ বাহৰ পৰা বিশেষ পদ্ধতিৰে প্ৰস্তুত কৰি লোৱা সূতাৰ পৰা। কিন্তু বৰ্তমানে বিজ্ঞানৰ বিভিন্ন আৱিস্কাৰৰ ফলত বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰা আৰু মেচিনত প্ৰস্তুত কৰা, সূতাৰে তৈয়াৰ কৰা কাপোৰ অসমীয়া মানুহে ব্যৱহাৰ কৰিবলৈ ল'লে। হ'লেও নাৰী সমাজৰ জাতীয় সংস্কৃতি সংগ্ৰহণ কৰা স্বাভাৱিকতে ৰক্ষণশীল মনোভাৱৰ বাবে এতিয়াও অসমীয়া নাৰীৰ সাজপাৰৰ মৌলিকতা বা ঐতিহ্যৰ সম্পূৰ্ণ ক্ষুণ্ণ হোৱা নাই। ইউৰোপৰ ধ্যান-ধাৰণাই অসমীয়া সাজপাৰৰ বহুখিনি পৰিবৰ্তন ঘটাইছে যদিও সাজপাৰ বা বস্ত্ৰৰ প্ৰতি থকা অসমীয়া মানুহৰ সামাজিক ধ্যান-ধাৰণা মুঠেও খৰ্ব হোৱা নাই।

(৫)

অসমৰ পুৰুষ সমাজে অতীজৰ পৰা ধূতি পিন্ধি আহিছে আৰু এনে ধূতি নাড়ী তলত পিন্ধিছিল আৰু আঠুৰ ওপৰলৈ বিস্তাৰিত আছিল। দশম শতিকাৰ "দেওপানী বিষ্ণু" মূৰ্তিৰ ধূতি এই বিশেষত্ব বিদ্যমান। সামাজিক মৰ্যাদাৰ অনুসৰি পুৰুষ সাজপাৰৰ পাৰ্থক্য আছিল। সাধাৰণতে মানুহ অৰ্থাৎ সামাজিক





মৰ্যাদা ফালৰ পৰা নিম্নস্তৰ পুৰুষে কেৱল ধূতি পৰিধান কৰিছিল আৰু মৰ্যাদা সম্পন্ন পুৰুষে ধূতি উপৰিও গাত এটা খৰাঁ চোলা বা চাদৰ মেৰিয়াই লৈছিল। দুই বস্ত্ৰ পৰিধান কৰা পুৰুষে ধূতিখন ভৰি সৰু গাঠিৰ পৰ্যন্ত বোৱাই পিন্ধিছিল আৰু কেৱল ধূতি পিন্ধা মানুহে আঠুলৈকে পিন্ধিছিল। কেৱল ধূতি পিন্ধা পুৰুষে সাধাৰণতে একাঁচলে পুন মাৰে আৰু আন কাঁচৰেৰে ককাঁলত টানকৈ মেৰাই কমৰত বান্ধে। কিন্তু দুই বস্ত্ৰ পৰিধান কৰা সকলে ধূতি একাঁচলেৰে পোন মাৰে আৰু আনটো কাঁচলেৰে থোৰৰ মাৰে সেইদৰে উত্তৰিয় লওঁতে কেতিয়াবা ডিঙিত এমেৰ দি এটা আগ আৰু আনটো আগ পিছফালে পেলায় থয়। কেতিয়াবা আকৌ চাদৰখন গাত মেলি কেৱল সোঁ আচলটো বাওঁ কান্ধত চিটামাৰি পেলায় থয়।

আহোম স্বৰ্গদেউসকলৰ দিনৰ পৰা অসমীয়া সাজপাৰলৈ পৰিবৰ্তন আহে। দেশী-বিদেশী সাজপাৰ সংমিশ্ৰণ ঘটে। মুছলমানসকলৰ পৰা পোৱা উপহাৰ ঃ পাগ, জামা, কিংখাপ, মেজাংকৰি আৰু কাৰচিপি বনকৰা কাপোৰ আদি লাহে লাহে অসমীয়া সাজপাৰৰ ভিতৰত সোমাবলৈ ধৰে। বৃটিছসকল অহাৰ পাছত অসমীয়া সাজপাৰত আমোল পৰিবৰ্তন আহে– কোট, চাৰ্ট-পেণ্ট আদি আজি অসমীয়া, সৰহসংখ্যক পুৰুষে ব্যৱহাৰ কৰে। সামাজিক অনুষ্ঠানতহে পৰম্পৰাগত সাজপাৰ পৰিধান হয়।

. . . নাৰী সমাজৰ জাতীয় সংস্কৃতি সংগ্ৰহণ কৰা। স্বাভাৱিকতে ৰক্ষণশীল মনোভাৱৰ বাবে এতিয়াও অসমীয়া নাৰীৰ সাজপাৰৰ মৌলিকতা বা ঐতিহ্যৰ সম্পূৰ্ণ ক্ষুণ্ণ হোৱা নাই। ইউৰোপৰ ধ্যান-ধাৰণাই অসমীয়া সাজপাৰৰ বহুখিনি পৰিৱৰ্তন ঘটাইছে যদিও সাজপাৰ বা বস্ত্ৰৰ প্ৰতি থকা অসমীয়া মানুহৰ সামাজিক ধ্যান-ধাৰণা মুঠেও খৰ্ব হোৱা নাই।

(৬)

অসমীয়া পুৰুষ মহলিাই যি জাতীয় সাজপোছাক যি সম্ভৱত আহোম যুগত নিৰ্ধাৰিত হয়। অসমৰ তাঁত শিল্পৰ উন্নতিত আহোমৰ দান সৰ্বোচ্চ।

অসমীয়া শিপিনীয়ে বোৱা ৰণুনা কাপোৰৰ বিষয়ে বহু কিম্বদন্তী প্ৰচলিত আছে। এই কাপোৰ পিন্ধি ৰণলৈ গ'লে ৰণজয় নিশ্চিত। "মাজ নিশা ৰাতি কপাহ নেওঠি, খাঁজি কাটি, ৰাতি নৌপুৱাওঁতেই বৈ উলিয়াব লাগে, তাকে আহোম মতে লব, তাক কবচ কাপোৰ বোলে।" (অসম বুৰঞ্জী)

কিংখাপ, মেজাংকৰি, পাট আৰু মুগা শিল্পৰ ব্যাপক প্ৰচলন আহোম স্বৰ্গদেও আৰু ডা-ডাঙৰীয়াসকলৰ পৃষ্ঠপোষকতাতে সম্ভৱ হৈছিল।

ভাৰতবৰ্ষৰ ভিতৰত অসমীয়া তিৰোতাইহে ৰিহা, মেখেলা, চাদৰ একেলগে এই তিনি বস্ত্ৰ পৰিধান কৰে।

মুনিসকলে কঁকালৰ তলত পিন্ধা পৰিধান নাম হ'ল— চুৰিয়া, ধূতি, ভুনি, তিয়নি, গামোচা, পানী গামোচা ইত্যাদি।

আহোম স্বৰ্গদেউ সকলে মোগলাই বহুমূলীয়া সোনৰ ফুলবছা আদি নানা প্ৰকাৰৰ পাগ মূৰত বান্ধিছিল। এই পাগ আৰু পাগ বন্ধাৰ বিবিধ ৰীতিৰ চিত্ৰ পুৰণি পুথিত আছে। বিষয়াসকলৰ বাহিৰে সৈনিকেও মূৰত কাপোৰ বান্ধিছিল।

সন্ন্যাসীসকলে কৌপীন পিন্ধিছিল। আহোম যুগৰ পৰা অসমীয়া সাজপাৰত বিদেশী প্ৰভাৱ বিশেষভাৱে পৰিলক্ষিত, যেনে—চোলা, এঙ্গা চোলা, জামা, চৌগা, চাপকন, ঘাগ্ৰা ইত্যাদি। এইবোৰ ঘাইকৈ আহোম আৰু মোগল দিনৰ পৰা চলি অহা সাজপাৰ।

বৃটিছৰ আমোলত ইউৰোপীয় পোছাকৰ প্ৰচলন হ'ল। লগে লগে ইউৰোপীয়, মোগল, ভাৰতীয় এই তিনিও শ্ৰেণীৰ সাজপাৰৰ অদ্ভূত সংমিশ্ৰণো ঘটিল। যোৱা দ্বিতীয় মহাসমৰত অসমলৈ অহা আমেৰিকাৰ সৈনিকসকলে অভিনয় পোছাক আৰু লগতে তাক পিন্ধাৰ নতুন ৰীতিত এৰি থৈ গ'ল।

অসমীয়া সাজপাৰৰ সামাজিক আৰু সাংস্কৃতিক. বহুতো বৈশিষ্ট্য আছে। যাৰ সাজপাৰৰ বাবে অসমীয়া নাৰী সহজে চিহ্নিত কৰিব পাৰি। যিটো ভাৰতৰ কিছুমান ৰাজ্য ক্ষেত্ৰত একেবাৰে নাখাটে।

---

প্ৰসঙ্গ পুথি ঃ

অসমৰ সংসস্কৃতি— লীলা গগৈ □

# যুৱ উশৃংখলতা আৰু ইয়াৰ প্ৰতিৰোধ

বিপ্লৱী গগৈ
*স্নাতক দ্বিতীয় বৰ্ষ, কলা শাখা*

সাম্প্ৰতিক সময়ছোৱাত সমাজত দেখিবলৈ পোৱা এটা জলন্ত সমস্যা হৈছে যুৱ উশৃংখলতা। জনসংযোগ মাধ্যমসমূহৰ জৰিয়তে প্ৰতিদিনেই চকুত পৰে দেশ বিদেশত সংঘটিত যুৱ উশৃংখাসমূহ। যুৱক-যুৱতীসকলৰ মাৰপিট, হত্যা, লুণ্ঠন আদি কাৰ্যসমূহৰ জৰিয়তেই উশৃংখলতা প্ৰকাশ পায়। যুৱক-যুৱতীসকলৰ এনেধৰণৰ কাৰ্যকলাপে সমাজত এক অস্থিৰ বাতাবৰণ গঢ়ি তুলিছে। তদুপৰি যুৱক-যুৱতীসকলৰ অপৰিপক্ক মানসিকতাৰ ফলস্বৰূপে সংঘটিত এনে বিক্ষিপ্ত ঘটনাৰাজিয়ে সমাজৰ সুস্থ পৰম্পৰা তথা সংহতি বিনষ্ট কৰাত অৰিহণা যোগায়। সমাজত প্ৰচলিত প্ৰতিমানৰ বিপৰীতে প্ৰত্যাহ্বান হিচাপে থিয় দিয়া যুৱ উশৃংখলতাৰ বাবেই সমাজ ব্যৱস্থাত বিভ্ৰান্তিৰ সৃষ্টি হয়। যিহেতু এখন দেশৰ উত্তৰণৰ মূল চালিকাশক্তিয়েই হৈছে যুৱশক্তি। কিন্তু এই যুৱশক্তিয়েই যেতিয়া সামাজিক নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সামঞ্জস্যহীন কৰি তুলিব খোজে তেতিয়াই সমাজ বা দেশৰ স্থিৰ ভাৰসাম্য ৰক্ষা নোহোৱা হয়। যুৱশক্তিয়ে যেতিয়া পথভ্ৰষ্টমূলক কাৰ্য সংঘটিত কৰি সমাজত অস্থিৰ পৰিৱেশৰ সৃষ্টি কৰে তেতিয়া ইয়াৰ প্ৰভাৱে সমাজৰ জীৱন যাপনৰ মানদণ্ডৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰে।

যুৱ উশৃংখলতা বুলিলে সাধাৰণতে শৈশৱ পাৰ হৈ কৈশোৰত ভৰি থোৱা (১৪-১৫ বছৰ বয়সৰ পৰা ১৮-১৯ বছৰ বয়স পৰ্যন্তৰ ল'ৰা-ছোৱালীক যুৱক-যুৱতী বুলি ধৰা হয়); এই বয়সৰ যুৱক-যুৱতীসকলৰ উমৈহতীয়া হতাশাগ্ৰস্ত অৱস্থাৰ বহিঃপ্ৰকাশকেই বুজা যায়। যুৱ উশৃংখলতা হৈছে সমাজৰ প্ৰচলিত ধাৰাত ব্যাঘাত জন্মাই সৃষ্টি কৰা এক আহুকলীয়া পৰিস্থিতি। প্ৰখ্যাত সমাজতত্ত্ববিদ C. N. Sankarয়ে যুৱ উশৃংখলতাৰ সংজ্ঞা দি কৈছে যে, “Youth unrest, which is often described as, “student revilt”, “stutent power”, and student actixism - has become today established fact, reality.”

> যুৱ উশৃংখলতা বুলিলে সাধাৰণতে শৈশৱ পাৰ হৈ কৈশোৰত ভৰি থোৱা (১৪-১৫ বছৰ বয়সৰ পৰা ১৮-১৯ বছৰ বয়স পৰ্যন্তৰ ল'ৰা-ছোৱালীক যুৱক-যুৱতী বুলি ধৰা হয়); এই বয়সৰ যুৱক-যুৱতীসকলৰ উমৈহতীয়া হতাশাগ্ৰস্ত অৱস্থাৰ বহিঃপ্ৰকাশকেই বুজা যায়। যুৱ উশৃংখলতা হৈছে সমাজৰ প্ৰচলিত ধাৰাত ব্যাঘাত জন্মাই সৃষ্টি কৰা এক আহুকলীয়া পৰিস্থিতি।

সমাজ পৰিৱৰ্তনৰ লগে লগে মানুহৰ জীৱন-যাপনৰ প্ৰণালী, চিন্তাধাৰা, ৰুচি অভিৰুচিৰো পৰিৱৰ্তন ঘটা দেখা গৈছে। এইক্ষেত্ৰত দুটা প্ৰজন্মৰ মাজত সৃষ্টি হোৱা সংঘাতকো আওকাণ কৰিব নোৱাৰি। বৰ্তমান সময়ত চকুত পৰা নৱপ্ৰজন্মৰ চিন্তাজগতৰ বিভ্ৰান্তি আৰু বিচ্যুতিৰ ফলতো যুৱ উশৃংখলতাই গা কৰি উঠা দেখা গৈছে।

**যুৱ উশৃংখলতাৰ বৈশিষ্ট্য ঃ**

যুৱ উশৃংখলা হ'ল এক বিৰক্তিকৰ পৰিস্থিতি, অৰ্থাৎ উশৃংখলা হৈছে সমাজৰ যুৱক-যুৱতীসকলৰ নৈৰাশ্য প্ৰকাশ। যুৱ উশৃংখলতাসমূহৰ কিছুমান বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। এই বৈশিষ্ট্যসমূহ গৈছে--

১। সমূহীয়া অসন্তুষ্টি
২। নিস্ক্ৰিয়াত্মক
৩। ৰাজহুৱা সম্পৰ্ক
৪। প্ৰচলিত প্ৰতিমানসমূহৰ পৰিৱৰ্তনৰ আৱশ্যকতা

যুৱ উশৃংখলতা আৰু যুৱ আন্দোলনৰ সম্পৰ্ক অতি নিবিড়। সামাজিক প্ৰতিমানৰ প্ৰতি থকা নৈৰাশ্যৰ ফলশ্ৰুতিতেই যুৱ আন্দোলন গা কৰি উঠে; যুৱশক্তিয়ে যুৱ উশৃংখলতা প্ৰকাশ কৰিবৰ বাবে আন্দোলনক কেৱল মাধ্যম হিচাপে ব্যৱহাৰ কৰে। যুৱ আন্দোলনসমূহৰো কিছু মান বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। এই বৈশিষ্ট্যসমূহ হৈছে এনেধৰণৰ—

১। অন্যায় অনুভূতিৰ ওপৰত ভিত্তি কৰি গ্ৰহণ কৰা কাৰ্যপন্থা।
২। যুৱকসকলৰ মাজত এটা সাধাৰণীকৃত বিশ্বাসৰ উদ্ভৱ আৰু বিকাশয যিটোৱে অসন্তুষ্টি, নৈৰাশা আৰু বঞ্চনাৰ উৎস চিনাক্তকৰণ কৰে।
৩। উদ্দীপকলৈ সমূহীয়া প্ৰতিক্ৰিয়া।
৪। নেতৃত্বৰ উন্মেষণ আৰু কামৰ কাৰণে প্ৰস্তুতিকৰণ।





**যুৱ উশৃংখলতাৰ কাৰণসমূহ ঃ**

যুৱ উশৃংখলতা আৰু যুৱ আন্দোলনবোৰ গা কৰি উঠাৰ মূলতে কিছুমান কাৰণ নিহিত হৈ থকা দেখা গৈছে। সমাজতত্ত্ববিদ যোচেফ দিবনাই ১৯৬৭ চনত উত্তৰ প্ৰদেশৰ এখন বিশ্ববিদ্যালয় আন্দোলনৰ বিষয়ে অধ্যয়ন কৰি যুৱ উশৃংখলতা আৰু যুৱ আন্দোলনসমূহৰ কাৰণ বিশ্লেষণ কৰিছে এনেদৰে—

১। অৰ্থনৈতিক কাৰণ ঃ যুৱ উশৃংখলতা সৃষ্টি হোৱাৰ অন্যতম এটা প্ৰধান কাৰণ হৈছে অৰ্থনৈতিক কাৰণ। বৰ্তমান যুৱক-যুৱতীসকলৰ মাজত শিক্ষা ব্যৱস্থা আৰু অৰ্থনৈতিক প্ৰয়োজনীয়তাৰ মাজত বিশাল ব্যৱধান গঢ় দিয়াৰ বাবে ই ধাৰমান হৈ পৰিছে। তেওঁলোকে প্ৰচলিত শিক্ষাক বৃত্তিমুখী বুলি গণ্য নকৰি ইয়াৰ পৰিৱৰ্তনৰ বাবে প্ৰতিবাদ প্ৰয়াসী হৈ পৰিছে।

২। নিবনুৱা সমস্যা ঃ নিবনুৱা সমস্যাও হৈছে যুৱ উশৃংখলতা আৰু যুৱ আন্দোলনসমূহ গঢ়ি উঠাৰ আন এক মূল কাৰণ। সাম্প্ৰতিক কালছোৱাত প্ৰতিবছৰেই শিক্ষিত নিবনুৱা সংখ্যা বৃদ্ধি পাব লাগিছে। নিবনুৱা যুৱক-যুৱতীসকলে নিৰাশা, মানসিক তথা শাৰীৰিক দুৰ্বলতাৰ ফলত ভাৰসাম্য হেৰুৱাই পেলায়। তেওঁলোকৰ কৰিব পৰা সামৰ্থ্যৰো বিলুপ্ত ঘটে। এনেধৰণে হতাশাগ্ৰস্ত হৈ যুৱক-যুৱতীসকলে বিভিন্ন ধৰণৰ অসামাজিক কাৰ্যত লিপ্ত হৈ পৰে। তেওঁলোকে প্ৰচলিত প্ৰতিমানৰ বিৰুদ্ধে অসন্তুষ্টি প্ৰকাশ কৰি আন্দোলনৰ পথ গ্ৰহণ কৰে।

৩। ৰাজনৈতিক কাৰণ ঃ যুৱক-যুৱতীসকলক শিক্ষানুষ্ঠানৰ ভিতৰত ৰাজনৈতিক হস্তক্ষেপ আৰু ৰাজনৈতিক নেতাৰ দ্বাৰা ব্যক্তিগত লাভালাভৰ স্বাৰ্থত ব্যৱহাৰ কৰাৰফলতো যুৱ উশৃংখলতাই গা কৰি উঠিছে। যিহেতু এনে হস্তক্ষেপৰ ফলত যুৱকসকল বিপথে পৰিচালিত হ'ব পাৰে।

৪। আসোঁৱাহপূৰ্ণ শিক্ষাব্যৱস্থা ঃ সম্প্ৰতি প্ৰচলিত শিক্ষাব্যৱস্থা সম্পূৰ্ণৰূপে আসোঁৱাহ মুক্ত নহয়। গতিকে এনে আসোঁৱাহপূৰ্ণ শিক্ষা ব্যৱস্থাক যুৱ ছাত্ৰ-ছাত্ৰীসকলে সন্মান কৰিবলৈ এৰি দিছে। যিহেতু বৰ্তমানৰ শিক্ষাব্যৱস্থা বৃত্তিমূলক তথা পৰিৱৰ্তনীয় অৰ্থনৈতিক ব্যৱস্থাৰ সৈতে খাপ নোখোৱাবিধৰ সেয়েহে অৰ্থনৈতিক-ভাৱে স্বাৱলম্বী হোৱাৰ লগতে নৈতিক সংস্কাৰৰ ক্ষেত্ৰতো ইয়াক বৰ সহায়ক বুলি ক'ব পৰা নাযায়। সেয়ে গতানুগতিক এনে শিক্ষা ব্যৱস্থাৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা দেখা যায়।

৫। সামাজিক আৰু মনস্তাত্বিক কাৰণ ঃ যুৱ উশৃংখলতা আৰু যুৱ-আন্দোলনসমূহৰ মূলতে কিছুমান সামাজিক আৰু মনস্তাতিক কাৰণেও ক্ৰিয়া কৰা দেখা যায়। এই কাৰণসমূহৰ ভিতৰত আসোঁৱাহপূৰ্ণ শিক্ষা ব্যৱস্থা, কৃতকাৰ্যতা আৰু আকাংক্ষাৰ মাজৰ ব্যৱধান, শিক্ষাদানৰ প্ৰতি শিক্ষকৰ একাগ্ৰতাৰ অভাৱ, স্থিত্যৱস্থা বাহাল ৰখা নীতি, শিক্ষানুষ্ঠান আৰু শিক্ষাৰ সৈতে জড়িত থকা বিভাগসমূহত দুৰ্নীতি আৰু আযোগ্যতা ইত্যাদি সকলো অন্তৰ্ভুক্ত হয়।

৬। মূল্যৰ পৃথকীকৰণ আৰু মূল্যবোধৰ সংঘাত ঃ সাম্প্ৰতিক সময়ত যুৱ উশৃংখলতা হোৱাৰ অন্যতম এটা প্ৰধান কাৰণ হিচাপে বিচেবনা কৰিব পৰা এটা কাৰণ হ'ল মূল্যৰ পৃথকীকৰণ আৰু মূল্যবোধৰ সংঘাত। পুৰণিকালৰে পৰা আমাৰ সমাজত চলি অহা কিছুমান জনবিশ্বাস, আদৰ্শ, ৰীতি-নীতিক আজিৰ যুৱ-প্ৰজন্মই অযুক্তিকৰ হিচাপে বিবেচনা কৰি যুক্তিসংগত দৃষ্টিভংগীকহে প্ৰশ্ৰয় দিবলৈ বিচাৰে। গতিকে তেওঁলোকে পুৰণি মূল্যবোধৰ প্ৰতিবাদ কৰা দেখা যায়। এনে পৰিপ্ৰেক্ষিতত নতুন প্ৰজন্ম আৰু পুৰণি প্ৰজন্মৰ মাজত মূল্যবোধৰ সংঘাত সৃষ্টি হয়। যিহেতু নৱপ্ৰজন্মই

> যুৱ-উশৃংখলতা আৰু যুৱ-আন্দোলন সমূহৰ মূলতে কিছুমান সামাজিক আৰু মনস্তাতিক কাৰণেও ক্ৰিয়া কৰা দেখা যায়। এই কাৰণসমূহৰ ভিতৰত আসোঁৱাহপূৰ্ণ শিক্ষা ব্যৱস্থা, কৃতকাৰ্যতা আৰু আকাংক্ষাৰ মাজৰ ব্যৱধান, শিক্ষাদানৰ প্ৰতি শিক্ষকৰ একাগ্ৰতাৰ অভাৱ, স্থিত্যৱস্থা বাহাল ৰখা নীতি, শিক্ষানুষ্ঠান আৰু শিক্ষাৰ সৈতে জড়িত থকা বিভাগসমূহত দুৰ্নীতি আৰু আযোগ্যতা ইত্যাদি সকলো অন্তৰ্ভুক্ত হয়।

পৰম্পৰাগত সকলো ৰীতি-নীতিকে মানি চলিব নোখোজে, গতিকে এনে ৰীতি-নীতিসমূহৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনাই তেওঁলোকে নিজকে পৰিপক্ক, দায়িত্বশীল আৰু সচেতন প্ৰকাশ কৰিব বিচাৰে।

সময়ৰ পৰিবৰ্তনৰ লগে লগে মূল্যৰ পৃথকীকৰণৰ প্ৰভাৱে সংঘাতৰ সৃষ্টি কৰে। সেয়েহে যুৱ-যুৱতীসকলে প্ৰচলিত সমাজ ব্যৱস্থাৰ মূল্যবোধক উলংঘা কৰি উশৃংখল জীৱনৰ পোষকতা কৰে।

৭। অশ্লীল সাহিত্য আৰু কথাছবিৰ প্ৰভাৱ ঃ সাহিত্য হৈছে এখন সমাজৰ দাপোনস্বৰূপ। সাহিত্যই পাঠকৰ কেৱল আত্মতৃপ্তিৰ উৎসই নহয়। ই হৈছে সমাজৰ সংহতি ৰক্ষাৰ এক উৎকৃষ্ট পন্থা। সাহিত্যৰ দৰেই কথাছবিয়েও সমাজলৈ নতুন আশা আৰু প্ৰত্যয়ৰ বাৰ্তা কঢ়িয়াই আনিবলৈ প্ৰয়াস কৰাৰ লগতে ঐক্য, সংহতি ৰক্ষা কৰে। কিন্তু, সাম্প্ৰতিক সময়ত দেখা গৈছে যে আজিৰ সাহিত্য আৰু কথাছবিৰ গুণগত মানদণ্ড অশ্লীলতাৰ পয়োভৰত হেৰাই গৈছে। অশ্লীল সাহিত্য আৰু কথাছবিয়ে আজিৰ যুৱ-প্ৰজন্মৰ নৈতিক স্খলন ঘটাইছে। অশ্লীল সাহিত্য আৰু কথাছবিয়ে যুৱক-যুৱতীসকলক উশৃংখল হোৱাত অৰিহণা যোগাইছে।

> সমাজৰ প্ৰতিজন যুৱক-যুৱতীয়েই যাতে সুশিক্ষাৰে শিক্ষিত হৈ সমাজৰ অনিষ্টকাৰী তথা ধ্বংসাত্মক কাৰ্যকলাপৰ পৰা আঁতৰত থাকি দেশ- জাতিৰ উত্তৰণৰ হকে কাম কৰি যাব পাৰে . . . এখন দেশৰ মানৱ সম্পদেই হৈছে দেশখনৰ মূল সম্পদ। গতিকে এই মানৱ সম্পদক মানৱ মূলধনলৈ ৰূপান্তৰিত কৰি দেশৰ উন্নয়নৰ স্বাৰ্থ অধিক প্ৰগতিশীল কৰি তোলা উচিত।

যুৱ উশৃংখলতা সৃষ্টি হোৱাৰ মূল কাৰণ হিচাপে এইসমূহ কাৰণকে অভিহিত কৰিব পাৰি যদিও, অন্যান্য কিছুমান সমাজতত্ববিদে আন আন কাৰক কিছুমানো আঙুলিয়াই দেখুৱাইছে। যি কি নহওক, যুৱ উশৃংখলতা সৃষ্টি হোৱাৰ মুখ্য কাৰণসমূহ মূলতঃ এয়াই।

**যুৱ উশৃংখলতা প্ৰতিৰোধ কৰাৰ বাবে ল'বলগা ব্যৱস্থাসমূহ ঃ**

যুৱ উশৃংখলতা সমাজৰ এক অন্যতম প্ৰধান সমস্যা। যুৱ উশৃংখলতাৰ ফলত সমাজ তথা দেশৰ ঐক্য, সংহতি, তথা উত্তৰণৰ ক্ষেত্ৰত বাধাগ্ৰস্ত হোৱাৰ লগতে ভাৰসাম্যতাও বিনষ্ট হয়। গতিকে যুৱ উশৃংখলতা ৰোধ কৰিবলৈ কিছুমান ব্যৱস্থা গ্ৰহণ কৰা উচিত। যুৱ উশৃংখলতা ৰোধ কৰিবলৈ এইসমূহ কাৰণৰ ওপৰত বিশেষভাৱে চকু দিয়া উচিত।

১। শিক্ষা ব্যৱস্থা ঃ বৰ্তমানৰ শিক্ষা ব্যৱস্থাত বিশেষ পৰিৱৰ্তন আনি ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক স্বাৱলম্বনৰ পথ দেখুওৱা উচিত। বৰ্তমান শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তে এনে শিক্ষা ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা উচিত, যি শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ ৰুচি অভিৰুচিৰ লগতে নৈতিক শিক্ষাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰে। তদুপৰি উপযুক্ত পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিয়ে ছাত্ৰ-ছাত্ৰীক যাতে স্ব-নিৰ্ভৰশীলতাৰ পথ প্ৰদৰ্শনত সহায়ক হয় তাৰ প্ৰতিও দৃষ্টি দিয়া উচিত।

২। নিযুক্তি সুবিধা ঃ বৰ্তমান সমাজত যুৱ উশৃংখলতা সৃষ্টি হোৱাৰ এক প্ৰধান কাৰণ হৈছে নিবনুৱা সংস্যা। গতিকে, বৰ্ধিত নিবনুৱা সমস্যালৈ লক্ষ্য ৰাখি চৰকাৰী অথবা বেচৰকাৰী পৃষ্ঠপোষকতাত কৰ্মসংস্থাপনৰ দিশৰ প্ৰতি বিশেষভাৱে চকু দিয়াৰ প্ৰয়োজন আহি পৰিছে।

৩। বিনোদনধৰ্মী কাৰ্য ব্যৱস্থাৰ সুবিধা ঃ ছাত্ৰ-ছাত্ৰীসকলেই হৈছে এখন দেশৰ মানৱ সম্পদ সৃষ্টি কৰাৰ প্ৰধান উৎস। গতিকে এনে উৎসসমূহক কাৰ্যক্ষম কৰি তোলাৰ বাবে সু-ব্যৱস্থা কৰি দিয়াৰ ক্ষেত্ৰত বিশেষভাৱে লক্ষ্য ৰখা উচিত। শিক্ষাৰ লগতে অন্যান্য আনুষঙ্গিক দিশসমূহতো জাতে সমানেই পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হয় তাৰ প্ৰতিও চৰকাৰে দৃষ্টি দিয়াৰ প্ৰয়োজন।

৪। অৰ্থনৈতিক সুবিধা ঃ অৰ্থনৈতিকভাৱে পিছপৰা ছাত্ৰ-ছাত্ৰীসকলক সা-সুবিধা প্ৰদান কৰি সমানে আগুৱাই যোৱাৰ সুবিধা প্ৰদান কৰা উচিত। অৰ্থনৈতিক সা-সুবিধাৰ পৰা বঞ্চিত কোনো ছাত্ৰ-ছাত্ৰীয়ে যাতে শিক্ষা আধৰুৱা কৰিব লগা নহয় তাৰ প্ৰতি সজাগ দৃষ্টি দিয়া উচিত। প্ৰয়োজন সাপেক্ষ বিনামূলীয়া সেৱা আগবঢ়োৱা উচিত।

যুৱ উশৃংখলতা বিশ্বব্যাপী দেখা দিয়া এক সমস্যা। সমাজৰ প্ৰতিজন যুৱক-যুৱতীয়েই যাতে সুশিক্ষাৰে শিক্ষিত হৈ সমাজৰ অনিষ্টকাৰী তথা ধ্বংসাত্মক কাৰ্যকলাপৰ পৰা আঁতৰত থাকি দেশ- জাতিৰ উত্তৰণৰ হকে কাম কৰি যাব পাৰে, সেইদিশৰ প্ৰতি সকলোৰে সচেতন দৃষ্টি ৰখা প্ৰয়োজন আহি পৰিছে। এখন দেশৰ মানৱ সম্পদেই হৈছে দেশখনৰ মূল সম্পদ। গতিকে এই মানৱ সম্পদক মানৱ মূলধনলৈ ৰূপান্তৰিত কৰি দেশৰ উন্নয়নৰ স্বাৰ্থ অধিক প্ৰগতিশীল কৰি তোলা উচিত। গতিকে আহক, আমি সকলোৰে মিলি যুৱ উশৃংখলতা ৰোধ কৰি প্ৰগতিৰ পথেৰে আগবাঢ়োঁ। □





# আলি আঃয়ে লৃগাং

সোণমণি দাং
*স্নাতক দ্বিতীয় বৰ্ষ, কলা শাখা*

পৃথিৱীৰ প্ৰত্যেক জনগোষ্ঠীৰে নিজস্ব কৃষ্টি-সংস্কৃতি আছে। অসমত বসবাস কৰা অন্যান্য জনগোষ্ঠীৰ নিজা কৃষ্টি-সংস্কৃতি থকাৰদৰে মিচিং জনগোষ্ঠীৰো নিজস্ব কৃষি সংস্কৃতি আছে। সংস্কৃতি বুলিলে সাধাৰণতে এটা জাতিৰ সামাজিক ৰীতি-নীতি, ধৰ্মীয় পৰম্পৰা, গীত-মাত, সাজপাৰ, কৃষি পদ্ধতি, বিহু, পূজা-পাৰ্বন আদিকে বুজায়।

কুঁৱলিৰ মায়াময় আস্বাদনে পৃথিৱীক এৰা সময়তে পৃথিৱীৰ বুকুলৈ নামি আহে উতলা ফাগুণ। পৃথিৱীৰ বুকুত ফাকুগুৰি সিঁচি ফাগুণে যেন ৰঙৰ পোহাৰ মেলে। বন-বিৰিখেও দুখ-বেদনা একাষৰীয়া কৰি নতুনক আদৰাৰ প্ৰস্তুতি চলায়। শীত আৰু বসন্তৰ সন্ধিক্ষণতে ফাগুণৰ আগমন ঘটে। এনে মায়াময় সন্ধিক্ষণতে কৃষিজীৱি মিচিংসকলে পালন কৰে নতুন আশাৰ বহুত সপোন বুকুত বান্ধি “আলি আঃয়ে লৃগাং” উৎসৱ।

> “দঃঞিও ন তাদ্‌লাংকা, পঃল ন তাদ্‌লাংকা
> কাৰ্চিং কাৰ্দাং নলো তাদ্‌লাংকা
> তাঃত যাঃয় নলো তাদ্‌লাংকা
> চিলঃ আলি আঃয়ে লঙৌচ
> নলোম আপ্পঙৌক
> পুৰাৰ আপিন পঃৰ আপিন বিগদ্‌দোং
> চৗ আচি আনচৗ চৗমপৗ আলছমতেই।”

প্ৰধানতঃ মিচিংসকল নৈপৰীয়া কৃষিজীৱি জনজাতি কৃষি কাৰ্যই যাৰ প্ৰাণস্বৰূপ। তেওঁলোকে শস্যৰ পথাৰত সপোন ৰচে। সেয়ে প্ৰকৃতিয়ে সাজোন-কাচোন কৰি ন-সাজ পিন্ধাৰ এই শুভ লগনত উপৰেদেৱতা (পূৰ্বপুৰুষ)ৰ আশিষ বিচাৰি জাক-জমকতাৰে মিচিংসকলৰ কৃষ্টি-সংস্কৃতিৰ বাহক তথা জাতীয় উৎসৱ “আলি আঃয়ে লৃগাং” পালন কৰে।

সংস্কৃতিত কোনো এটা জাতিৰ জাতীয় সত্বাবোৰৰ প্ৰতিফলন ঘটে। সেয়ে সংস্কৃতিক জাতিৰ দাপোণ বুলি অভিহিত কৰে। মিচিংসকল যে কৃষিজীৱী জনজাতি এই কথা “আলি আঃয়ে লৃগাং” নামটোৰেই বহন কৰে। আলি আঃয়ে লৃগাঙৰ অসমীয়া ভাৱাৰ্থ এনেদৰে দিব পাৰি ‘আলি’ মানে উদ্ভিদৰ মাটিৰ তলৰ অংশত অৰ্থাৎ উদ্ভিদৰ মূল অংশত উৎপাদন হোৱা আলু, ‘আঃয়ে’ মানে উদ্ভিদৰ গা-গছ অংশত হোৱা ফল আৰু ‘লৃগাং’ মানে সিচঁনপৰ্ব। অৰ্থাৎ আলি আঃয়ে লৃগাং মানে উদ্ভিদৰ মূল আৰু গা-গছ অংশত উৎপাদন হোৱা আলু-ফলৰ ৰূপন-সিঁচন পৰ্বৰ আৰম্ভ কৰা উৎসৱ। “আলি আঃয়ে লৃগাং” ফাগুন মাহৰ প্ৰথম বুধবাৰে পালন কৰে। এই উৎসৱৰ জৰিয়তে মিচিংসকলে শস্যৰ ৰূপন সিঁচন কাৰ্যৰ শুভাৰম্ভ কৰে। অৱশ্যে অতীজত অসমৰ চুকে কোনে বসবাস কৰা মিচিংসকলে ঠাই বিশেষে নিজ নিজ সুবিধাৰ্থে ফাগুন মাহৰ যিকোনো এটা বুধবাৰত এই বিহু পালন কৰিছিল বুলি শুনা যায়। কিন্তু বৰ্তমান এই বিহু জাতীয় ঐক্য খাতিৰতেই হওক কিম্বা অন্য কিবা কাৰণতেই হওক আজিৰ পৰা প্ৰায় পাঁচ-ছয় দশক জুৰি ফাগুণ মাহৰ প্ৰথম বুধবাৰটোত উদ্‌যাপন কৰি আহিছে।

বহুক্ষেত্ৰত কেতিয়াবা কেতিয়াবা অ-মিচিং (অ-মিচিং বুলি মিচিং জনগোষ্ঠীৰ বাহিৰে সকলো জাতিৰ মানুহক কোৱা হৈছে) সকলৰ মাজত এটা প্ৰশ্নৰ অৱতাৰণা কৰা প্ৰায় শুনা যায় যে মিচিংসকলে ‘আলি আঃয়ে লৃগাং উৎসৱ ফাগুন মাহৰ অন্য বাৰত উদ্‌যাপন নকৰি বুধবাৰে প্ৰথম দিনটোত কিয় পালন কৰে? ইয়াৰ মূলতে মিচিংসকলৰ পৰম্পৰাগত বিশ্বাস অনুসৰি বুধবাৰটোক পবিত্ৰ আৰু লখিমীবাৰ হিচাপে জ্ঞান কৰি আহিছে। বাৰটোৰ নামেই “লৃগাং লঙ” অৰ্থাৎ লৃগাং দিন। মিচিংৰ সকলোবোৰ মাঙ্গলিক কামেই সেইদিনা শুভাৰম্ভ হয়।

মিচিংসকলে আলি আঃয়ে লৃগাং পালন কৰিবৰ কাৰণে কৰা প্ৰস্তুতি মন কৰিবলগীয়া। এই উৎসৱ পালন কৰিবৰ কাৰণে মিচিং সমাজত বালক-বৃদ্ধ, মুনিহ-তিৰোতা সকলোৰে মনত থৌকি-বাথৌ লাগে। তিনি-চাৰি সপ্তাহ আগৰে পৰা গৃহিনীহঁতে পঃৰ আপং (ছাইমদ) নগিন আপং (বগা মদ) পুৰাৱ আপিন (তৰাপাত বা কৌপাতত বৰা চাউল বান্ধি সিদ্ধি কৰি খোৱা এক বিশেষ ভাত) ঙচান, দিনচান আদি যাৱতীয় বস্তুবোৰ সময়ত উলিয়াব পৰাকৈ অনেক দুখ-ভাগৰকো নেওচি যোগাৰ কৰে, যাতে লৃগাং বিহু দিনাখন কোৱা অসুবিধাৰ সন্মুখীন নোহোৱাকৈ অতিথি আপ্যায়ন কৰিব পাৰে।

লৃগাং বিহুৰ বাবে যাঃমে (ডেকা), মৃম্বৰ (গাভৰু) সকলৰ

**মিচিংসকলৰ পৰম্পৰাগত বিশ্বাস অনুসৰি বুধবাৰটোক পবিত্ৰ আৰু লখিমীবাৰ হিচাপে জ্ঞান কৰি আহিছে। বাৰটোৰ নামেই "লৃগাং লঙ" অৰ্থাৎ লৃগাং দিন। মিচিংৰ সকলোবোৰ মাঙ্গলিক কামেই সেইদিনা শুভাৰম্ভ হয়।**

প্ৰস্তুতি মন কৰিবলগীয়া। আনতকৈ নিজকে ধুনীয়াকৈ সজাবৰ কাৰণে মৃন্বৰসকলে যৎপৰোনাস্তি চেষ্টা কৰে। সেয়ে লৃগাং বিহুত পিন্ধিব পৰাকৈ মচাং এগে ৰিঃবি গাচেং গেৰঃ দুমাৰ (ভমকাফুলীয়া মেখেলা, ৰংচঙীয়া চাদৰ ৰংচঙীয়া মেথনি, গামোচা) আপোনজনক উপহাৰ দিবৰ কাৰণে মিবু লাকুল গণৰ উগন, যামৰ (দেওধাই চোলা, কপাহী চুৰীয়া, কঁকাল আৰু মুৰত লোৱা টঙালী) সমূহত কল্পনাৰ ৰহন সানি, সপোনৰ কাৰেং সাজি লৃগাংৰ আগে আগে বৈ উলিয়াবলৈ চেষ্টা কৰে। লৃগাং উৎসৱৰ মুখ্য) আকৰ্ষণ হ'ল গুমৰাগ্ চংমান নামৰ এক লোক নৃত্য। এই নাচত গাঁৱৰ ডেকা-গাভৰু জীয়ৰী বোৱাৰী, বুঢ়া-বুঢ়ীসকলোৱে ভাগ ল'ব পাৰে। গুমৰাগ্ চঃমানত মিচিংসকলৰ দৈনন্দিন জীৱনৰ সামাজিক চিত্ৰখন দেখিবলৈ পোৱা যায়। যেনে ঃ চিকাৰ কৰা, মাছ ধৰা, কৃষি কাৰ্য, নাওবোৱা, তাঁতবোৱা বিভিন্ন মূদ্ৰা। ইয়াত ডেকা-গাভৰুৱে শাৰী-শাৰীকৈ বৃত্তাকাৰে নাচে। ঢোলৰ চেঁৱে চেঁৱে মৃদু গতিত সৰ্বাঙ্গ শৰীৰ হালি-জালি নৃত্য কৰে যেন লহপহকৈ বাঢ়ি অহা ধাননী পথাৰ ডৰাহে হালি-জালি নাচি আছে। যৌৱনপ্ৰাপ্ত মিচিং ডেকা-গাভৰুহঁতে এই চেগতে হৃদয়ৰ নিভৃতম্ কোনত জাগি উঠা প্ৰেম ঐনিঃতমৰ জৰিয়তে বিনিময় কৰে—

"আপিন দকিন মাঃদঃদ
আপিন মালা কাৰমাঙাই
অইনম কাংকিন চুমাঃদ
এম্মৌ মালা কাৰমাঙাই।"

(অৰ্থাৎ ভাত খাব নজনাৰ আগতে ভাত বিচাৰি কন্দা নাছিলোঁ তোমাৰ লগত চিনাকী নোহোৱাৰ আগতে তোমাৰ সঙ্গ বিচাৰি কন্দা নাছিলো।)

গাইগুটীয়াকৈ পতাৰ উপৰিও আজিকালি সাৰ্বজনীন ভাৱেও আলি আঃয়ে লৃগাং উদ্‌যাপন কৰা দেখা যায়। কিছু কিছু ঠাইত এই বিহু পাঁচদিনীয়া তিনিদিনীয়া আৰু এদিনীয়াকৈ পালন কৰে। যিহেতু বৰ্তমান অৰ্থনৈতিক যুগ, গতিকে ঠাই বিশেষে অৰ্থনৈতিকভাৱে স্বচ্ছল ঠাইবোৰত পাঁচদিনীয়া আৰু তিনিদিনীয়াকৈ আৰু অৰ্থনৈতিকভাৱে দুৰ্বল অঞ্চলত এদিনীয়াকৈ পালন কৰে। সমূহীয়াকে পতা লৃগাং উৎসৱত গাঁৱৰ কোনোবা এজন গন্যমান্য ব্যক্তিক ঢোল-তাল বজাই নাচ গানেৰে মূল মঞ্চলৈ আদৰি অনা হয়। ইয়াক মিচিং সমাজত মিগম্ যামনাম বুলি কোৱা হয়। উৎসৱ থলীলৈ মিগম্‌জনক আদৰি অনাৰ পিছত আগতীয়াকৈ চহ কৰি থোৱা সৰু এডোখৰ মাটিত তেখেতে আহুধান সিঁচা কাৰ্যৰ শুভাৰম্ভ কৰে। তাৰোপৰি কাঠ আলু, মহা আলু, আদা, নহৰু আদি ৰোপন কৰি (সিঁচন আৰু ৰূপন কাৰ্যক দিঃলুঃ আলোং লৃগাং বুলি কোৱা হয়) তাৰ চাৰিওফালে পিঃৰ (মেগেলা) পুতি দঃগ্ৰিও-পঃল আৰু তেওঁলোকৰ উপৰিপুৰুষক সন্তুষ্টি কৰি পঃৰ আপং যাচি মঙ্গলময় জীৱন কামনা কৰি শস্যৰ পথাৰ ফল-ফুলেৰে নদন-বদন কৰিবৰ কাৰণে প্ৰাৰ্থনা জনায় এনেদৰে—

"দঃগ্ৰিও ন তাদ্‌লাংকা, পঃল ন তাদ্‌লাংকা
কাৰ্চিং কাৰ্দাং নলো তাদ্‌লাংকা
তাঃত যাঃয় নলো তাদ্‌লাংকা
চিলঃ আলি আঃয়ে লঙৌচ
নলোম আপ্পৃঙৌক
পুৰাৱ আপিন পঃৰ আপিন বিগদ্‌দোং
চী আচি আনচী চীমপী আলছমতেই।"

(আজি লৃগাং বিহুৰ দিনাখন সূৰ্য, চন্দ্ৰ উপৰিপুৰুষ সকলোকে প্ৰণাম জনাইছোঁ যে, শস্যৰ পথাৰ ফল জাতিস্কাৰ কৰি উৎপাদন বৃদ্ধিত সহায় কৰা। পঃৰ আপং, পুৰাং আপিন অৰ্পন কৰিছোঁ যাতে গোটেই বছৰটো সুখ-শান্তি আৰু আমাৰ মনবোৰ যেন শীতল পানীৰ দৰে শীতল হৈ থাকে।)

লৃগাং বিহু প্ৰকৃতিৰ বুকু ৰং-ৰূপেৰে ভৰপূৰ হোৱা সময়তে পালন কৰে। যিফালেই চকু যায় সেই ফালেই প্ৰকৃতিৰ চৌপাশ ৰং-ৰূপেৰে জাতিস্কাৰ হৈ পৰে। আচলতে যিজনে এই বিহু মঞ্চত উপস্থিত থাকি উপভোগ কৰিছে। তেওঁহে অনুভৱ কৰিব পাৰে লৃগাং বিহুৰ মাদকতা কিমান। এই বিহুৱে জাতি-ভেদ বিচাৰ নকৰি, সম্প্ৰীতিৰ সমাজ গঢ়াত, অনৈক্যৰ মাজত ঐক্যভাৱে গঢ়াত সহায় কৰে। আহক আমি হাতত হাত ধৰি প্ৰতিজন মানুহৰ মাজত ভাতৃত্বৰ ভাব জগাই এখন ভেদাভেদহীন মানৱতাৰ পৃথিৱী গঢ়োঁ।

বিঃ দ্ৰঃ আচিন আগম - মনৰ কথা

লৃগাং বিহু - মিচিং জনজাতিৰ জাতীয় উৎসৱ আলি আঃয়ে লৃগাং চমুকৈ লৃগাং বিহু।





# সোণোৱাল কছাৰীসকলৰ সংস্কৃতি

শ্ৰীমতী ভৈৰৱী সোণোৱাল
*স্নাতক দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা*

সংস্কৃতিৰ অৰ্থ আৰু ইয়াৰ বুৎপত্তিগত শুদ্ধ ব্যাখ্যা দিয়া বৰ টান। ইয়াৰ অভিধানিক অৰ্থ হ'ল কৃষ্টি বিদ্যা বুদ্ধি, শিল্প কলা আদিৰ বিকাশ। সোণোৱাল কছাৰীসকল অতীজৰে পৰা স্বকীয় কলা-সংস্কৃতিৰে সমৃদ্ধ এটা অতি সংস্কৃতি সম্পন্ন জাতি। অৰ্থনৈতিক জীৱন ধাৰণ প্ৰণালীত প্ৰত্যেক জনগোষ্ঠীয়ে সুকীয়া কিছুমান উমৈহতীয়া সংস্কৃতি পৰিলক্ষিত হয়। এই ক্ষেত্ৰত সোণোৱাল কছাৰীসকলো ব্যতিক্ৰম নহয়। সোণোৱাল কছাৰীসকলৰ সমাজ জীৱনত প্ৰচলিত ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, কৃষ্টি-সংস্কৃতি আদিৰ এটি সম্যক আলোচনা দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ল।

**খেল, বংশ আৰু পৰিয়ালৰ লেখ ঃ**

সোণোৱাল কছাৰীসকল বংশ পৰম্পৰা ক্ষেত্ৰত অতি শৃংখলিত এটি সু-সংস্কৃতি সম্পন্ন জাতি। ইয়াৰ গাঁথনি সাঁতটা খেলৰ সমষ্টি। এই সাতখন খেল হ'ল— (১) বালিখিতাৰী (২) চিৰিপৰীয়া (৩) অমৰাবমীয়া (৪) ধুলিয়াল (৫) উজনিকুচীয়া (৬) নামনি কুচীয়া আৰু (৭) টিপমীয়া। এই খেলসমূহৰ পৰাই আকৌ ১৪ টা বংশত এই গোষ্ঠীৰ লোকসকল বিভক্ত। এই চৈধ্যটা বংশ - (১) হুগ্ৰাল (২) মুক্তাল (৩) মদন (৪) মানিকিয়াল (৫) এষমাল (৬) ফৰমাল (৭) বৰহাজোৱাল (৮) সৰু হাজোৱাল (৯) কুমৰাল (১০) ঢেকিয়াল (১১) ডিঙিয়াল (১২) লাঠিয়াল (১৩) দংৰাল আৰু (১৪) চেতিয়াল। তদুপৰি সুকীয়া সুকীয়া কেইবাটাকৈ পৰিয়াল লগ হৈ এই বংশসমূহ গঠন হৈছে। যেনেকৈ- কলাৰী, কপৌহৰী, হাতীহিলাৰী, তুৰুকী, বাউলাৰী, তিতাৰী, গাঁছিৰী, দৈমাৰী, খাৰঘিয়াৰী, বৰগিয়াৰী, কেকুৱাৰী, তামোলিৰী আদি পৰিয়াল লগহৈ ডিঙিয়াল বংশ গঠন কৰিছে।

**সমাজ পদ্ধতি ঃ**

অতীজৰে পৰা সোণোৱাল কছাৰীসকলে ঐক্য-সম্প্ৰীতিৰ মাজেদি সমাজৰ বিভিন্ন বিধি বিধানৰ যোগেদি জীৱন-যাপন কৰি আহিছে। নামঘৰ প্ৰত্যেকখন সমাজৰে ধৰ্ম তথা ঐক্য সংহতিৰো মূলভেটি। গাওঁ তথা সমাজখন পৰিচালনা কৰিবৰ কাৰণে গাওঁবুঢ়া, বাৰীক, পাঠেক, আশীৰ্বদীয়া, বুঢ়া গীত ঘাই, মেধি, তামুলী, ৰান্ধনি, বায়ন আদি বিষয়বাবসমূহ থাকে। গাওঁবুঢ়া গাঁৱৰ শান্তি শৃংখলাৰ প্ৰধান বিষয়ববীয়া। বাৰীকে নামঘৰ পৰিচালনা, উৎসৱ-পাৰ্বণ তিথি আদি পালন, গাঁৱৰ সামাজিক কাম-কাজ আদি পৰিচালনা কৰিব লাগে। সকাম-নিকাম সবাহ আদি মাঙ্গলিক কামত পাঠেকে শাস্ত্ৰ পাঠ আদি পৰিচালনা কৰে। ঘৰুৱা বা ৰাজহুৱা কামত আশীৰ্বদীয়া বুঢ়াই আশীৰ্বাদ দিয়া, হুঁচৰিত গীত ঘাইয়ে ৰাগ, পদ দিয়া, মেধিয়ে মৃতকৰ অৰ্থে পূজা-পাৰ্বন, সকাম নিকাম পৰিচালনা কৰা, তামুলীয়ে তামোল পান কটা, ৰান্ধনিয়ে ৰন্ধা-বঢ়া কৰা আৰু বায়নে গায়ন-বায়ন ৰাগ পদ দিয়া আদি প্ৰত্যেকটো সামাজিক কাম প্ৰত্যেকজন বিষয়ববীয়াই অতি নিয়াৰিকৈ পালন কৰে। নামঘৰত গাঁৱৰ মেল মোকৰ্দমা আদিৰো বিচাৰ কৰা হয়। দোষীক উপযুক্ত শাস্তি দিয়া হয়। গুৰু অপৰাধত দোষীক এঘৰীয়া কৰা বা খুটিমৰা প্ৰথাও সোণোৱাল সমাজত প্ৰচলিত।

**ধৰ্ম ঃ**

সোণোৱাল কছাৰী সমল মূলতঃ শাক্ত ধৰ্মী। কৈৱাত ধৰ্মমতে তেওঁলোকৰ প্ৰধান উপাস্য দেৱতা শিৱ। মূলতঃ শাক্ত ধৰ্ম হোৱাৰ কাৰণে তেওঁলোকৰ প্ৰধান উপাস্য দেৱতা বাইথ বা খিৰিং ৰজা অথবা শিৱ। তদুপৰি তেওঁলোকে কেঁচাই খাইতী, বুঢ়া-বুঢ়ী আৰু তামেশ্বৰী দেৱীক পূজা কৰে। তেওঁলোকৰ মাজত সেই দেৱ-দেৱীৰ নামত শালো আছে। অৱশ্যে তেওঁলোক মূলতঃ শাক্ত ধৰ্মী হ'লেও সোতৰশ শতিকাৰ প্ৰথম দশকত তেওঁলোকৰ এচামলোকে আউনীআটীয় সত্ৰৰ কেশৱদেস মহন্তৰ ওচৰত শৰণ লয়। তেতিয়াৰ পৰাই সোণোৱাল কছাৰী সকলৰ মাজত দ্বৈত

সোণোৱাল কছাৰী সমল মূলত ঃ শাক্ত ধৰ্মী। কৈৱাত ধৰ্মমতে তেওঁলোকৰ প্ৰধান উপাস্য দেৱতা শিৱ। মূলতঃ শাক্ত ধৰ্ম হোৱাৰ কাৰণে তেওঁলোকৰ প্ৰধান উপাস্য দেৱতা বাইথ বা খিৰিং ৰজা অথবা শিৱ। তদুপৰি তেওঁলোকে কেঁচাই খাইতী, বুঢ়া-বুঢ়ী আৰু তামেশ্বৰী দেৱীক পূজা কৰে।

ধৰ্মীয় ব্যৱস্থা চলি আহিছে। কাৰণ আউনীআটীয় শিষ্যত্ব গ্ৰহণ কৰা সকলে শ্ৰীমন্ত শংকৰদেৱৰ এক শৰণ নৱবৈষ্ণৱ ধৰ্মত নিজকে আত্মনিয়োগ কৰিছে আৰু যিসকলে শিষ্যত্ব গ্ৰহ কৰা নাই তেওঁলোকে প্ৰাচীন পূজা পদ্ধতি বলি বিধান ইত্যাদি পূৰ্বৰ পৰম্পৰাৰ মাজেদি জাতীয় ঐতিহ্য ৰক্ষা কৰিছে। গতিকে ক'ব পাৰি সোণোৱাল কছাৰীসকলৰ মাজত এক বৰ্ণাঢ্য জাতীয় চৰিত্ৰই ৰূপ লৈ উঠিছে।

**লোক উৎসৱ, গীতমাত, পূজা-পাতল আদি ঃ**

এটা সুসভ্য জাতি গঢ় লৈ উঠে নিজস্ব ভাষা, কলা সংস্কৃতি তথা অতীত সমলকলৈ সোণোৱাল কছাৰীসকলৰ এনে সমল আটাইখিনিয়েই বিদ্যমান। সোণোৱাল কছাৰীসকলৰ স্বকীয় এনে লোক সংস্কৃতি সমুহৰ সম্যক পৰিচয় দাঙি ধৰা হ'ল।

**বাইথ' পূজা ঃ**

সোণোৱাল কছাৰীসকলৰ লোক উৎসৱ বাইথ' পূজা। এই পূজা লোক উৎসৱ হিচাপে চ'ত মাহৰ দ্বিতীয় সপ্তাহত পালন কৰা হয়। চ'তৰ দ্বিতীয় সপ্তাহৰ কোনোবা এটা দেওবাৰে ৰাতি দেও নমোৱা হয়। সোমবাৰে বলি বিধান, পূজা-পাৰ্বন আদি আনুষ্ঠানিক কামখিনি কৰা হয় আৰু মঙ্গলবাৰে পুৰা হায়দাং গীত পৰিৱেশন কৰি মন্দিৰত পূজা শেষ কৰা হয়। উজনি অসমৰ ডাঙৰী অঞ্চলৰ বৰ পথাৰ গাঁৱত অৱস্থিত বাইথ' মন্দিৰত এক বৰ্ণাঢ্য পৰিৱেশত এই উৎসৱ পালন কৰা হয়।

**হয়দাং গীত ঃ**

সোণোৱালসকলৰ নিজস্ব লোক সম্পদ হয়দাং গীত অতি পুৰণি আৰু প্ৰথম গীত। এই গীতৰ ৰচনাৰ বিষয়ে সবিশেষ জনা নাযায়। মূলতঃ এই গীত ধৰ্মীয় আনুষ্ঠানিক গীত বা দেৱস্তুতি মূলক গীত বুলি ক'ব পাৰি। হয়দাং গীতৰ সৃষ্টিৰ গুৰুত্বও কৃষি উৎসৱৰ লগত জড়িত। গতিকে হয়দাং গীতৰ শাব্দিক ৰূপ এনেধৰণৰ ল'ব পাৰি হা-মাটি বা পৃথিৱী, দাং-সৃষ্টি দে-গীত। অৰ্থাৎ পৃথিৱী বা বিশ্ব সৃষ্টিৰ স্তুতিমূলক গীত।

**হয়দাং নৃত্য ঃ**

হয়দাং গীতৰ অংশ বিশেষ হ'ল— হয়দাং নৃত্য। উৎসৱ মুখৰ পৰিবেশত যেতিয়া হয়দাং গীত গোৱা হয় তেতিয়া গীতৰ ছেৱে ছেৱে বাঁহীৰ সুৰে সুৰে খুটিতাল আৰু বাঁহৰ টকাৰ তালে তালে টঙালি আদিৰে সাজ সজ্জা পৰিধান কৰি হাতত মৰা চৰাইৰ পাখিলৈ এগৰাকী নৰ্তকীয়ে চালিধৰি নাচে। এয়ে হয়দাং নৃত্য। ই মূলতঃ প্ৰজননৰ প্ৰতীক বুলি ক'ব পাৰি।

**হুঁচৰি গীত ঃ**

হুঁচৰি গীতক আনন্দৰ গীত বুলি ক'ব পাৰি। আনন্দত উত্তেজিত হৈ চিঞৰি চিঞৰি কুশল কামনা কৰা। ব'হাগৰ বিহুত সোনোলাস সকলেও হুঁচৰি গায়। কিন্তু তেওঁলোকৰ হুঁচৰি গোৱাৰ বৈশিষ্ট্যটো মন কৰিবলগীয়া। তেওঁলোকৰ হুঁচৰি গাওঁতে তিনিটা বাঁহৰ খুটিৰ ওপৰত প্ৰতিষ্ঠিত এডাল তেৰটা গাঁঠি আৰু





তেৰ পাব যুক্ত দীঘল ভলুকা বাঁহ লয়। এই বাঁহডাল সতীৰ ৰাজহাড়ৰ প্ৰতীক। ইয়াকে হুঁচৰিত টকা বোলা হয়। টকাৰ মূলতত্ব (১) কৌমদকী- বিষ্ণুৰ গদা, (২) সাৰঙ্গ ধনু- শ্ৰীকৃষ্ণৰ ধনু আৰু (১) বাঁহী। বাঁহৰ তিনিটা খুটা হ'ল- খিৰিং ৰজা, গজাই আৰু মনাই। সোণোৱালসকলৰ আদি গুৰু বাথৌ বা শিৱ, গজাই-মনাই ক্ৰমে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ। অৰ্থাৎ স্ৰষ্টা, পালন্ত আৰু নিয়ন্তা। বাঁহডালক সভ্যতাৰ প্ৰতীক হিচাপে ল'ব পাৰি।

**বহুৱা নাচ ঃ**

সোণোৱালসকলৰ মাজত বহুৱা নাচ বুলি এবিধ নাচৰ প্ৰচলন আছে। ডিব্ৰুগড় জিলাৰ জামিৰা অঞ্চলৰ ধমল গাঁৱত ব'হাগ মাহৰ বিহুৰ শেষৰ যিকোনো এটা দিনত এই উৎসৱ পালন কৰা হয়।

বহুৱা নাচৰ বিশেষ বৈশিষ্ট্য হ'ল এই নাচত অংশগ্ৰহণ কৰিবলৈ এটি বহুৱা, এজনী বহুৱনী আৰু কেইজনীমান নাচনী লাগে। বহুৱা আৰু বহুৱনীক ভামকলৰ চিৰিলা চিৰিলি পাতেৰে মৰাপাটৰ জৰীৰে গাঁথি গোটেই শৰীৰটো সুন্দৰভাৱে আবৃত কৰা হয়। এইদৰে তেওঁলোকক সজাওঁতে প্ৰায় যাঠিৰ পৰা আশীখন মান কলপাত লাগে। বহুৱা বহুৱানীয়ে মুখা পিন্ধি লয়। মুখা সাধাৰণতে কণীৰ সদৃশ শুকান বগা লাউত চেলাউৰি, মুখ, দাঁত আদি অঁকা আৰু চকুৰ সন্মুখত দুটা ফুটা থাকে। ইয়াৰ উপৰিও বহুৱাটোৰ মূৰত ছাগলী শিঙৰ দৰে দুটা শিং থাকে আৰু বহুৱা বহুৱানী দুয়োৰে পাচফালে চুলিবোৰ ক'লা কাপোৰেৰে বান্ধি ঢাকি ৰখা হয়। অন্যান্য যিবিলাকে নাচনী তেওঁলোকে গোটেই শৰীৰত ছাঁই সানি লয় আৰু মুখমণ্ডল আঁক-বাঁক কৰি লয়। তেওঁলোকে কঁকালত, আঁঠুত আৰু বাহুত চিৰিলা চিৰিলিকৈ ফলা কলপাত পিন্ধি লয়। ইয়াৰ উপৰিও তেওঁলোকে ডিঙিত হাঁড়ৰ টুকুৰাৰে মালা সাজি পিন্ধি লয়। অস্ত্ৰ হিচাপে তেওঁলোকে হাতত কাঠৰ নগা দা, জাঁঠি, বাঁহৰ লাঠি আদি লয়। এই নাচনীবোৰ ভূত প্ৰেতৰ প্ৰতীক। উল্লেখযোগ্য যে এই নাচত বহুৱা-বহুৱানীৰ ভাও লোৱা ভাওৰীয়া দুজন অবিবাহিত হ'ব লাগে। তাৰ পিছত আবেলি প্ৰায় তিনিমান বজাত হাবিৰ মাজৰ পৰা ঢোল, তাল, মৃদং আদিৰ শব্দেৰে মুখৰিত কৰি বহুৱা বহুৱানীয়ে নিৰ্দিষ্ট কৰি থোৱা ঠাই ডোখৰত প্ৰৱেশ কৰি সমবেত ৰাইজক প্ৰণিপাত জনাই তাত এটা পাক মাৰে। ইয়াৰ পিছত আনন্দ স্ফুৰ্তিৰ মাজেদি ভূত-প্ৰেতবোৰে বহুৱা বহুৱানীক খেদি ফুৰে। উল্লেখ্য মৃদঙৰ ছেৱতহে বহুৱা বহুৱানীয়ে নাচে। ঢোল তাল আদিৰ ছেৱত অন্যান্য ভূত-প্ৰেত ৰূপী নাচনীবোৰহে নাচে। এইদৰে নিৰ্দিষ্ট ঠাই খনত এঘণ্টামান নচাৰ পাছত তেওঁলোকে ওচৰতে থকা উই হাফলুত সাত পাক মাৰি পাছত লৰুৱা জানত গা ধুবলৈ যায়। গা ধোওঁতে পানীত ডুব মাৰি তাতে শৰীৰত আবৃত কলপাতবোৰ চিঙি থৈ আহে। এইদৰে বহুৱা নাচৰ কাৰ্যসূচী শেষ হয়।

**হুগ্ৰা নৃত্য ঃ**

হগ্ৰা মানে গাহৰি। বাইথ' পূজাত গাহৰি বলি দিয়া হয়। পূজাৰ কাৰণে চিকাৰীয়ে অৰণ্যৰ পৰা চিকাৰ কৰি গাহৰি বিচাৰি আনি বাইথ' শালত বলি দিয়ে আৰু

বাইথ' পূজা লোক উৎসৱ হিচাপে চ'ত মাহৰ দ্বিতীয় সপ্তাহত পালন কৰা হয়। চ'তৰ দ্বিতীয় সপ্তাহৰ কোনোবা এটা দেওবাৰে ৰাতি দেও নমোৱা হয়। সোমবাৰে বলি বিধান, পূজা-পাৰ্বন আদি আনুষ্ঠানিক কামখিনি কৰা হয় আৰু মঙ্গলবাৰে পুৰা হায়দাং গীত পৰিবেশন কৰি মন্দিৰত পূজা শেষ কৰা হয়।

তাৰ মাংস প্ৰসাদ হিচাপে বিতৰণ কৰে। বাইথ' পূজা সমাপ্ত কৰাৰ পিছত হুঁচৰি গাই সেই দিনাই আনুষ্ঠানিকভাৱে বিহু নমোৱা হয় আৰু ইয়াৰ পিছতেই চিকাৰীয়ে অৰণ্যত কেনেকৈ চিকাৰ কৰি গাহৰি ধৰিলে তাকে নৃত্য কৰি দেখুওৱা হয়। এয়ে হুগ্ৰা নৃত্য। ইয়াৰ উপৰিও সোণোৱাল সমাজত লেচাৰী নৃত্য, সৰগদেউ পূজা, বাঘদেউ পূজা, বুঢ়া পোহা, পিৰ দিয়া, মৰাক দিয়া, লখিমী সবাহ, গজাই মনাই পূজা আদি লোক সংস্কৃতিসমূহ এতিয়াও প্ৰাণৱন্ত হৈ আছে। এই অমূল্য সম্পদসমূহ অসমীয়া লোক-সংস্কৃতিতো প্ৰভূত বৰঙণি যোগাইছে।

*(বিঃ দ্ৰঃ সোণোৱাল কছাৰীৰ সমাজ আৰু সংস্কৃতি নামৰ গ্ৰন্থৰ আলম লৈ।)*

কোনো জাতিৰ লোকবিশ্বাসবোৰ প্ৰথমে অন্ধবিশ্বাসৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছিল বুলি ধাৰণা কৰা হয়, যদিও এই লোকবিশ্বাসবোৰৰ মাজেদিয়েই জাতি এটাৰ সেই সময়ৰ প্ৰতিচ্ছবি এখন সুন্দৰ ৰূপত ফুটি উঠে। অন্যকথাত এই লোকবিশ্বাসবোৰেই এটা জাতিৰ, এটা সভ্যতাৰ বুৰঞ্জীস্বৰূপ হৈ পৰে।

অতি প্ৰাচীন কালৰেপৰাই অসমীয়া সভ্যতাৰ স'তে বিভিন্ন ধৰ্মবিশ্বাস, ভূত-প্ৰেত, যখ-যখিনী, পিশাচ, বুঢ়া ডাঙৰীয়া, প্ৰেতাত্মা আদিৰ ওপৰত গভীৰ বিশ্বাস আছে। ইয়াৰ উপৰিও লোক বিশ্বাসৰ অন্য কিছুমান থল হৈছে গছ-গছনি, নদ-নদী, জীৱ-জন্তু, শিল, পাহাৰ-পৰ্বত, অন্যান্য কিছুমান জড় পদাৰ্থ আদি।

অসমীয়া সমাজত অশৰীৰী দেৱ-দেৱীৰ বিশ্বাসত বিভিন্ন পূজা-উপাসনা কৰা হয়। উদাহৰণ স্বৰূপে কিছুমান সমাজত এক বিশেষ লোকবিশ্বাস হ'ল যোৰ পাতি থকা ফেঁটীসাপ। ধান, পানী, ধন-সম্পত্তি আদি থোৱা ঠাইত ফেঁটীসাপে ৰখীয়া হৈ থাকে। বিশ্বাস আছে যে যোৰীয়া ফেঁটী সাপ থাকিলে ধান ভড়ালে উন্নতি হয়। আনহাতে যোৰপতা সাপৰ গাত নতুন কাপোৰ এখন পেলাই দি সেই কাপোৰখন ল'লে প্ৰণয় বা কাজিয়া আদি কোনো মোকৰ্দমাত জয়লাভ হয় বুলি বিশ্বাস কৰে।

চৰাই, পখিলা মৌ মাখিৰ লগতো কিছুমান লোক-বিশ্বাস জড়িত হৈ আছে। ফেচাই 'নিউ-নিউ' কৰা কাউৰীয়ে ঘৰৰ চালত কন্দা অমংগলৰ চিন। আনহাতে যোৰীয়া শালিকা দেখা, গালত পখিলা পৰা আদি শুভ সংবাদৰ লক্ষণ।

গছ-গছনিৰ পূজাও লোক বিশ্বাসত জড়িত হৈ আছে। প্ৰাচীন যুগত গছক স্বয়ং ঈশ্বৰৰ ৰূপত কল্পনা কৰা হৈছিল। সময়ৰ পৰিৱৰ্তনত গছ-গছনিত ভূত-প্ৰেতে আশ্ৰয় লয় বুলিও বিশ্বাস কৰা হয়। হিন্দুসকলে পূজাত নিম, তুলসী, বেল, কদম, আঁহত,

# অসমীয়া সমাজৰ লোকবিশ্বাস

**নিৰ্মল গগৈ**
*স্নাতক দ্বিতীয় বৰ্ষ, কলা শাখা*

দেখা যায় যে মৰাশ খৰি দি ঘৰলৈ আহি বাহিৰে বাহিৰে গা ধুই চোতালত জুই ধৰি সেই জুইত ভৰি দুখন সেকি শিলৰ ওপৰত থোৱা নিয়ম। এনেদৰে শিলত ভৰি থলে মৰাশৰ লগত থকা অশৌচ আঁতৰ হয় বুলি বিশ্বাস।

একেদৰে সন্তান জন্ম হোৱা পাছত বাজ ওলোৱা অনুষ্ঠানত পটাগুটি যুঁজোৱা হয়। লোক বিশ্বাস আছে যে এনে কৰিলে সন্তান অধিক কাৰ্যক্ষম হয়। আকৌ আঘোনমহীয়া ন-ধানৰ পতান অলপ লৈ নধানৰ তিনিমুঠি খেৰেৰে সৈতে এটা শিলগুটি দি পদুলিমুখত পতানীদেৱীক পূজা কৰা হয়। এনে কৰিলে পাছৰ বছৰত শস্যৰ পতানৰ পৰিমাণ কম হয় বুলি বিশ্বাস আছে।

অসমীয়া সমাজৰ জীৱ-জন্তু সম্পৰ্কীয় লোক বিশ্বাসলৈ মন কৰিলে দেখা যায় বহু সময়ত গৰুক প্ৰাধান্য দিয়া হয়। ব'হাগ বিহুৰ প্ৰথম দিনাই হৈছে গৰু বিহু। সেইদিনা গৰুক গা ধুৱাই ন-পঘাৰে বান্ধি পিঠা খাবলৈ দিয়া হয়। আনহাতে গৰুৰ গোবৰ মূত ভূত-পিশাচক খেদাৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হয়। মেকুৰীৰ ক্ষেত্ৰত ক'লা মেকুৰীৰ ভূত-প্ৰেতৰ লগত সম্পৰ্ক আছে বুলি বিশ্বাস আছে। মেকুৰীৰ মেও-মেও শব্দ অমংগলৰ চিন বুলি ভবা হয়। কিছুমান পূজা-পাৰ্বণত মেকুৰী বলিও দিয়া হয়।

বৃহদাকাৰৰ জন্তু হাতীক মঙ্গলৰ চিন বুলি বিশ্বাস কৰে। সাপৰ দেৱতাৰ নামতো নাগ পূজা পতা হয়। সাপক লৈ থকা অন্য

বৰগছ, শিলিখা আদি গছ ব্যৱহাৰ কৰিলে আৰু বৰ্তমানেও এই প্ৰথা প্ৰচলন হৈ আছে।

আমাৰ সমাজত পূজা-পাতল কৰোতে সেন্দুৰ, কণী, বেজী, ফুল আদি বহুলভাৱে ব্যৱহাৰ কৰা হয়। বিভিন্ন বেমাৰৰ প্ৰতিকাৰ স্বৰূপে বেজ, বেজালি, কবিৰাজ, ওজা আদিবোৰে বিশেষকৈ তেওঁলোকৰ কাৰ্যত এনেবোৰ সামগ্ৰী ব্যৱহাৰ কৰে। আকৌ ছাগলীয়ে পোৱালি জগালে নতুন পোৱালীৰ ডিঙিত ফটা কাপোৰৰ এডাল জৰী বন্ধা হয়। এনে কৰিলে পোৱালীটো 'পেতৰ-খেতৰণী'ৰ পৰা ৰক্ষা পায় বুলি ভবা হয়। একেদৰে মানুহৰো গাত বিভিন্ন তাবিজ, ৰক্ষা কবচ আদি পিন্ধোৱা হয়।

মানুহৰ গাৰ অংগ প্ৰত্যংগক লৈও লোক বিশ্বাস চলি আহিছে। গাৰ মাংস আপোনা-আপোনি কঁপাটো অমংগলৰ চিন যদিও বাওঁ ফালৰ চকু লৰিলে প্ৰিয়জনক দেখাৰ আগজাননি বুলি লোক বিশ্বাসত ধৰা হয়।

এনেধৰণৰ লোকবিশ্বাসবোৰ যদিও প্ৰাচীন কালৰ পৰা আমাৰ সমাজত চলি আহিছে কিন্তু প্ৰকৃততে এইবোৰৰ বাস্তৱিক বা বৈজ্ঞানিক সত্যতা আছেনে নাই আজিও স্পষ্ট ৰূপত জনা হোৱা নাই। তথাপি ওনে বিশ্বাসবোৰেই সামাজিক বান্ধোন কটকটীয়া কৰে আৰু সাংস্কৃতিক বুনিয়াদ এটা গঢ়ি তোলাত সহায় কৰে। ❑





# হুগ্ৰা নৃত্যৰ চমু আভাস

**ধৰিস্মিতা সোণোৱাল**
*স্নাতক প্ৰথম বৰ্ষ, কলা শাখা*

প্ৰকৃততে সোণোৱাল কছাৰীসকলৰ সাংস্কৃতিক জীৱন সৌন্দৰ্য বুলি অভিহিত কৰিব পাৰি। কিয়নো সেই জনগোষ্ঠীৰ জীৱন ধাৰণ প্ৰণালী ৰঙীণ আৰু সৌন্দৰ্যৰে মহীয়ান।

আনহাতে কছাৰীসকল কেতিয়াৰ পৰা সোণোৱাল নামেৰে পৰিচিল হ'ল তাৰ আকৌ দুটা মতবাদ আছে। তাৰে প্ৰথমটো হ'ল— কছাৰীসকল হেনো সোৱণশিৰি নদীত সোণ কমাই ৰজাঘৰীয়া সোণৰ যোগান ধৰিছিল। সেইবাবে তেওঁলোক সোণোৱোল নামে পৰিচিত হ'ল।

দ্বিতীয়টো হ'ল এনেধৰণৰ, শদিয়াত অৱস্থিত টেঙাপানী নদীৰ পাৰত বাহৰ পতা কেশদেউ গুৰুৰ ওপৰত কছাৰীসকলে কাক বাঁহৰ চুঙাত সোণ পৰীক্ষা কৰি বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল। সেইবাবে তেওঁএলোক সোণোৱাল নামে পৰিচিত হ'ল।

**সোণোৱালসকলৰ লোকনৃত্য ঃ**

সোণোৱালসকলৰ লোকনৃত্য বিশেষকৈ দুটা ভাগত বিভক্ত। যেনে ঃ হুগ্ৰা নৃত্য আৰু বহুৱা নৃত্য। সোণোৱাল কছাৰীসকলৰ লোকনৃত্য এবিধ হ'ল— হুগ্ৰা নৃত্য ঃ হুগ্ৰা নৃত্যক সোণোৱাল-সকলৰ এক আদিম জৈৱিক নৃত্য হিচাপে ধৰা হয়। কিয়নো এই নৃত্যৰ লগত সোণোৱালসকলৰ আদিম চিকাৰীজীৱী জীৱনৰ ধ্যান-ধাৰণা জড়িত হৈ আছে। আকৌ কিছুমান লোকৰ মতে হুগ্ৰাৰ শব্দৰ অৰ্থ গাহৰি বুলি বিশ্বাস কৰে। কিয়নো এই নৃত্যগীতত হুগ্ৰাবীৰে গাহৰি বিচাৰি নৃত্য কৰে সেই বাবেই এই নৃত্যৰ নাম হুগ্ৰা নৃত্য হিচাপে পৰিচিত কৰে।

সাধাৰণতে সোণোৱাল কছাৰীসকলে প্ৰকৃতিৰ পৰিৱৰ্তন, জোনৰ অৱস্থিতি আৰু ঘাইকৈ এটা আহু খেতিৰ পৰা খেতিৰ পথাৰত গহৰা গজা আহু ধানলৈ লক্ষ্য ৰাখি চ'ত মাহ অহাৰ অনুমান কৰি লৈছিল আৰু তেতিয়াই তেওঁলোকে হুগ্ৰা নৃত্যৰে বিহু আৰম্ভ কৰিছিল। এক কথাত ক'বলৈ গ'লে কছাৰীসকলৰ দৃঢ় বিশ্বাস যে কছাৰী বীৰে হুগ্ৰাৰ নেতৃত্বত চিকাৰ অভিযান চলায় আৰু সেই কাৰণেই হুগ্ৰাক কছাৰীসকলৰ সকলো খেল আৰু ব্যক্তিৰ ভিতৰত শ্ৰেষ্ঠ হিচাপে ধৰা হয়।

সোণোৱাল কছাৰীসকলৰ হুগ্ৰাসকলৰ হুগ্ৰা নৃত্যত চিকাৰী হুগ্ৰাবীৰে সম্পূৰ্ণ চিকাৰীৰ সাজত সাজি-কাচি ওলায়। পিন্ধনত তেওঁ লেংটি, গাত কোনো ধৰণৰ বস্ত্ৰ পৰিধান নকৰে, গোটেই গা আৰু মুখত বিভিন্ন ধৰণৰ টটেম লয়। হাতত ধনুকাঁড় আৰু আলু খন্দা ঠাৰেং ব্যৱহাৰ কৰে। হুগ্ৰীবীৰে চিকাৰীৰ বেশত চিকাৰ বিচৰাৰ নৃত্য কৰে চিকাৰ অনুসন্ধানত চিকাৰীৰে যিবোৰ সমস্যা আৰু অসুবিধাৰ সন্মুখীন হয় সেইবোৰ নৃত্যৰ মাজেৰে পৰিৱেশন কৰা দেখা যায়। আনকি চিকাৰত গাহৰি বধ কৰি তাক শালত দিয়া আৰু তাৰ মাংস প্ৰসাদ হিচাপে বিতৰণ কৰা এই আটাইবোৰ বিষয় নৃত্যৰ মাজেৰে পৰিৱেশন কৰাও দেখা যায়। জাকৈ-খালৈ যথাক্ৰমে নাৰী আৰু পুৰুষ চৰিত্ৰত পৰিৱেশন কৰে। নাৰী চৰিত্ৰ জাকৈয়ে বুকুত ফটা কাপোৰৰ মেথনি আৰু ক'কালৰ তলৰ অংশত কলপাতৰ ছিৰিলি-ছিৰিলি বস্ত্ৰ পৰিধান কৰে। খালৈয়েও বুকুত ফটা কাপোৰৰ মেথনি আৰু লেংটি মাৰে। দুয়োৰে গাত বিভিন্ন ধৰণৰ টটেম থাকে। তেওঁলোক নৃত্যৰ মাধ্যমেৰে জাকৈৰে মাছ ধৰা, খালৈত ভৰোৱা আদি প্ৰদৰ্শন কৰে। চিকাৰী দলটোৰ অন্যান্য সকলে জাকৈ খালৈক নানান ধেমেলীয়া গীতেৰে নৃত্য কৰোৱায়। এই নৃত্যত বাদ্য হিচাপে বিশেষকৈ সুহুৰি আৰু হাত চাপৰি ব্যৱহাৰ কৰে।

কেৰেপ কেৰেপ কচুকলা বিচাৰি খাওঁ
কেৰেপ কেৰেপ লেধাই শামুক বিচাৰি খাওঁ। ইত্যাদি

হুগ্ৰা নৃত্যত পছটোৱে সম্পূৰ্ণ ৰূপে পছুৰ পোচাক পৰিধান কৰে। চিকাৰী হুগ্ৰাবীৰৰ আগে আগে চাৰি টেঙৰ ওপৰত ভৰ দি ছয়াময়াকৈ দেখা দিয়া, পলায়ন আৰু আত্মৰক্ষাৰ বাবে কৰা প্ৰচেষ্টাৰ নৃত্য কৰে। চমু অৰ্থত ক'ব পাৰি যে সোণোৱাল কছাৰীসকল দল বান্ধি চিকাৰৰ অভিযান চলাই খাদ্য সামগ্ৰী সংগ্ৰহ কৰিছিল আৰু সেই চিকাৰ অভিজ্ঞতাৰ ঘাত-প্ৰতিঘাত, সুবিধা-অসুবিধা বা তেওঁলোকে কেনে অৱস্থাত চিকাৰ ধৰিছিল নাইবা চিকাৰত তেওঁলোকে কেনেদৰে ৰং-ধেমালি কৰিছিল তাক আহি লগৰ লগৰীয়াক অনুকৰণ কৰি দেখুৱাইছিল। সেই অনুকৰণৰ প্ৰাচীন প্ৰক্ৰিয়াটোৰেই হ'ল হুগ্ৰা নৃত্য।

সোণোৱালসকলৰ ভোগ ৰবীয়াসকলৰ মাজত এই হুগ্ৰা নৃত্যৰ প্ৰচলন আছে আৰু প্ৰচলন হৈ থাকিব বুলি আশা কৰা হৈছে। ❑



# চাহ জনগোষ্ঠীৰ মাজত প্ৰচলিত লোকবিশ্বাস আৰু তেওঁলোকৰ লোক-সংস্কৃতিৰ কেইপদমান বাদ্যযন্ত্ৰ

আদিত্য তামুলী
*অসমীয়া বিভাগ, স্নাতক তৃতীয় বৰ্ষ*

অসমখন হৈছে বিভিন্ন জাতি-জনগোষ্ঠীৰ লীলাভূমি। এই লীলাভূমিত বসবাস কৰা এটি জনগোষ্ঠী হৈছে চাহ জনগোষ্ঠী। প্ৰত্যেক জাতি-জনগোষ্ঠীৰে নিজস্ব লোক-পৰম্পৰা, লোকবিশ্বাস, ধৰ্ম, ৰীতি-নীতি, খাদ্যাভাস, আচাৰ ব্যৱহাৰ সাজ-পোছাক, লোক-সংস্কৃতি আদি থাকে। এই চাহ জনগোষ্ঠীৰ মাজতো তেনেধৰণৰ কিছুমান লোক বিশ্বাস পোৱা যায়। যেনে-

'মাটি দেশবে মাজ খাল; বেটি দেখবে মায় ভাল-- অৰ্থাৎ দ মাটিত পানীৰ জেক থাকে আৰু খেতি ভাল হয়, ঠিক তেনেকৈ মাক ভাল হ'লে জীয়েক ভাল হ'বই বুলি ধাৰণা কৰে।

'ভাল কৃষি গেল মাঝে লৈলা বাট, ভাল নাৰী নষ্ট গেল নিতে যায় হাট'- খেতিৰ পথাৰৰ মাজেদি অথবা বাৰীৰ মাজেদি বাট ল'লে সেই খেতি নষ্ট হয়, ঠিক সেইদৰে যি নাৰীয়ে সদায় বজাৰ হাট বেহায় সেই নাৰীৰ ঘৰত মন নবহি নষ্ট হয়।

'বিহা কৰিব একে সুন্দৰী স্মৰণ কৰিব কেৱল হৰি'। এগৰাকী নাৰীকহে বিয়া কৰাব লাগে, যিদৰে পৱিত্ৰ হল একহৰি স্মৰণ কৰি।

'শালপাত দিনে বাচে সেই ঘৰত লক্ষ্মী আছে।'

যাত্ৰাকালত পিছ ফালৰ পৰা মাকে নাম কাঢ়ি মাতিলে মঙ্গলজনক বুলি ভবা হয়। সেয়ে পুতেক-জীয়েকৰ যাত্ৰাকালত মাকে কিছুদূৰ পিছে পিছে আহি মাত লগায়।

'গৰ্ভৱতী তিৰোতাই সপোনত সাপ দেখিলে পুত্ৰ সন্তান লাভ কৰে বুলি বিশ্বাস কৰে।

'ধীৰ পানী পাথৰ কাটে' - অৰ্থাৎ লাহেকৈ বৈ যোৱা পানীয়ে শিলকো ক্ষয় নিয়াব পাৰে।

'ঘৰে নাই ভুজি ভাং তাৰ বেটাৰ নাম দুৰ্গাৰাম।

'মন চা যে চাঙাত কঠৌতি যে গংগা' - অৰ্থাৎ লাহেকৈ মন দি পৱিত্ৰ হয় শুকান কাঠতো গংগা পোৱা যায়।

'পৰকে দেখি কৰি হায়, ঘেউ বহি সেইযায়।

'অঘন পুসে ফুলল গাল; সেঁই বহৰিয়াক অহি হাল।

মুণ্ডাসকলৰ সমাজত ফেঁচা, হুদু, মেকুৰী আদিয়ে অনবৰত মাতি থাকিলে আৰু কুকুৰে ঘৰৰ ভেটী আঁচুৰি থাকিলে অমঙ্গল হয় বুলি বিশ্বাস কৰে। অতিপাত বৰষুণে বিজুলী, গাজনি, ঢেৰেকনি আদিৰ উদ্ভৱ হ'লে মাইকী মানুহে ঘৰৰ দুৱাৰমুখত খুটা এটাত ধৰি আঁউজি থাকিলে হাৱাই হেনো মাইকী মানুহৰ লগত যুঁজ দিব নোৱাৰোঁ বুলি শান্তৰূপ ধাৰণ কৰে ইত্যাদি।

অন্যহাতে চাহ জনগোষ্ঠীৰ লোক-সংস্কৃতিৰ অন্য কেইপদমান সম্পদ হৈছে তেওঁলোকৰ সমাজত প্ৰচলিত বাদ্যযন্ত্ৰ। চাহ মজদুৰৰ জন্ম জীৱনত অপৰিবৰ্তিত কলাৰূপে অহা বাদ্যযন্ত্ৰ সমূহৰ ভিতৰতে বিশেষ লেখত ল'বলগীয়া বাদ্যযন্ত্ৰসমূহ হ'ল এনেধৰণৰ- ঢাঁক, ঢল, মাদল, নাগৰা, চাঙ্গো, চাহ্নাই, মদন ভেঁৰী বা মাদল ভেঁৰ, ঢুল্‌কী, ধুমচা বা ঢম্‌চা, চুঁৱৰ, বাঁশী বা বাঁচৰী, চিঙ্গা, তুমড়ী, শঁক, চ'শ বা শঙ্খ, ঝাঁঝ, চ্চমচ্চলী, কৰতাল, পেঁপা, পেঁপ্‌টি, ঘুংগুৰ, ঝুমকা বা নুপুৰ, কেৰিং, তুদুম (নাগৰা) তিৰিউপে (বাঁহী), ৰন্বইদাং, তানাৰ জাৱ (চমচমীবা খুটিতাল) দুদুম্‌চীৰাই (বীণ), দুগ্‌ৰু (সৰু-নাগৰা), তেঁৰেতেপে (পেপ্‌টি বা পেঁপা আদিয়েই উল্লেখযোগ্য)।





# আমাৰ চকু

প্ৰিয়ংকা পাংগিং
*স্নাতক প্ৰথম বৰ্ষ, বিজ্ঞান শাখা*

চকু এটা অতি গুৰুত্বপূৰ্ণ অংগ, যি আমাক দেখাত সহায় কৰে। চকু, নাক, কাণ, ছাল, জিভা আৰু ছাল, জিভাই আমাক একোটা নিৰ্দিষ্ট অনুভূতি লাভ কৰাত সহায় কৰে। এই কাৰণে এইবোৰ অংগ হৈছে সংবেদী অংগ। চকুৰ প্ৰধান অংশ হ'ল— নেত্ৰগোলক বা অক্ষিগোলক (eyeball)। ই নাসিকাৰ দুয়োফালে অক্ষিকোটৰত অৱস্থিত। অক্ষিগোলক দুটা বাহিৰৰ পৰা কনজাংটিভ তৰপৰ দ্বাৰা আবৃত। অক্ষিগোলকৰ ওপৰৰ আৰু তলৰ ফালে এখনকৈ পতা (eyelid) থাকে। প্ৰতিখন পতাৰ কাষত পল্লৱ ৰোম (eyelash) থাকে। পতা (eyelid) দুখন অবিৰাম সঞ্চালিত হৈ চকুত ধুলি-বালি পৰাত বাধা দিয়ে আৰু চকুক বাহ্যিক আঘাতৰ পৰা ৰক্ষা কৰে।

চকুৰ আৱৰণখন তিনিটা স্তৰৰ দ্বাৰা গঠিত। বাহিৰৰ তৰপটোৰ অংশ দুটা হৈছে কৰ্ণিয়া আৰু স্কেলৰা স্তৰ, মাজৰ তৰপটোৰ অংশ দুটা হৈছে আইৰিচ আৰু ক'ৰইড আৰু ভিতৰৰ তৰপটো ৰেটিনাৰে গঠিত।




চকুৰ চিত্ৰ

**চকুৰ কাৰ্য ঃ**

চকুৰ প্ৰধান কাৰ্য দৰ্শন নিয়ন্ত্ৰণ কৰা। কোনো বস্তুৰ পৰা অহা আলোক ৰশ্মি কনজাংটিভা, কৰ্ণিয়া, একুৱাছ হিউমাৰ হৈ লেন্সৰ ওপৰত পৰে। ইয়াৰ ফলত ৰেটিনাৰ ওপৰত ওলোটা প্ৰতিবিম্বৰ সৃষ্টি হয়। ৰেটিনাৰ স্নায়ুকোষবোৰে আলোক ৰশ্মি শোষণ কৰি নেত্ৰস্নায়ুৰ মাধ্যমত প্ৰমস্তিষ্কৰ দৰ্শনকেন্দ্ৰলৈ প্ৰেৰণ কৰে। দৰ্শনকেন্দ্ৰত ওলোটা প্ৰতিবিম্ব বিশ্লেষিত হয় আৰু তেতিয়া আমি বস্তুটোক চিধাভাৱে দেখা পাওঁ।

**চকুৰ ত্ৰুটি-বিচ্যুতিসমূহ ঃ**

কৰ্ণিয়া আৰু লেন্সৰ মাজেদি পোহৰৰ প্ৰতিসৰণৰ ত্ৰুটিৰ কাৰণে ব্যক্তিৰ দৃষ্টিত বিচ্যুতিৰ সৃষ্টি হয়। এই বিচ্যুতিসমূহ হ'ল—

(১) মায়'পিয়া (Myopia) ঃ

যি দৃষ্টিত দূৰৰ দৃষ্টি ব্যাহত হয়, কিন্তু ওচৰৰ দৃষ্টি ঠিকে থাকে তাক মায়'পিয়া বোলে। দুটা কাৰণত এই বিকাৰ ঘটিব পাৰে।

(ক) চকু গোলকৰ ব্যাস বেছি।

(খ) চকু লেন্সৰ ফ'কাছ দৈৰ্ঘ্য স্বাভাৱিক অৱস্থাত কম।

এই বিকাৰ সংশোন কৰিবলৈ অৱতল (Concave) লেন্স ব্যৱহাৰ কৰিব লাগে।



(২) হাইপাৰ মেট্ৰপিয়া (Hyper metropia)ঃ

যি দৃষ্টিত দূৰৰ দৃষ্টি ঠিকে থাকে কিন্তু ওচৰৰ দৃষ্টি ব্যাহত হয় তাক হাইপাৰ মেট্ৰপিয়া বোলে। দুটা কাৰণত এই বিকাৰ ঘটিব পাৰে। যথা-

(ক) চকু গোলকৰ ব্যাস কম।

(খ) চকু লেন্সৰ ফ'কাছ দৈৰ্ঘ্য বেছি।

উত্তল (Convex) লেন্স ব্যৱহাৰ কৰি ইয়াক সংশোধিত কৰা হয়।

**চকুৰ অন্যান্য ৰোগসমূহ ঃ**

(১) গ্লুক'মা (Glucoma) ঃ

এই ৰোগ অক্ষিগোলক (এক'ৱাছহিউমাৰ)ৰ জলীয় পদাৰ্থৰ বৃদ্ধিৰ ফলত হয়। অক্ষিগোলকৰ এই বৃদ্ধিৰ ফলত দৃষ্টি হোৱা চাপৰ প্ৰভাৱত ৰেটিনাত থকা পোহৰ-বিশ্লেষী কোষবোৰ মৰি যায়। এই ৰোগৰ মানুত মানুহ অন্ধ হয়।

(২) চকুত ছানি পৰা (Cataract) ঃ

কোনো আহাৰ্যবস্তুৰ অভাৱ হ'লে লেন্সৰ অসুস্থতাই দেখা দিয়ে আৰু লেন্স অস্বচ্ছ হৈ উঠে। লেন্সৰ এই অৱস্থাক ছানি পৰা বুলি কোৱা হয়। এটা অস্ত্ৰোপচাৰৰ জৰিয়তে ইয়াক নিৰাময় কৰিব পাৰি।

(৩) কৰ্ণিয়া অভিৰোপণ (Cornea transplantation)ঃ

নানা কাৰণত কৰ্ণিয়াৰ স্বচ্ছতা লোপ পালে মানুহ অন্ধ হৈ যায়। এই ক্ষেত্ৰত কৰ্ণিয়া অভিৰোপণ কৰি দৃষ্টিশক্তি পুনৰ ঘূৰাই পাব পাৰি। কোনো ব্যক্তিৰ মৃত্যুৰলগে লগে তেওঁৰ চকু দুটা উঠাই লৈ সংৰক্ষণ কৰা হয়। কৰ্ণিয়া অভিৰোপণৰ সময়ত গ্ৰহীতাৰ অসুস্থ কৰ্ণিয়া শল্য চিকিৎসাৰ মাধ্যমত অপসাৰণ কৰি তাত দাতাৰ সুস্থ কৰ্ণিয়া প্ৰতিষ্ঠাপন কৰি চিলাই কৰি দিয়া হয়।

**চকুৰ ল'বলগা যতন ঃ**

- পুৱা মুখ ধোঁওতে চকুত পৰিষ্কাৰ ঠাণ্ডা পানী মাৰি চাফা কৰিব লাগে।
- পৰিষ্কাৰ কাপোৰেৰে চকু মুচিব লাগে।
- ওচৰৰ পৰা টি.ভি চোৱাটো চকুৰ বাবে একেবাৰে অপকাৰী। টি.ভি সদায় চকুৰ পৰা দহফুট আঁতৰত ৰখা উচিত। মাজে মাজে চকুহালক জিৰণি দিব লাগে।
- অনবৰতে চিন্তা-ভাৱনা কৰি থকাটো চকুৰ বাবে ক্ষতিকাৰক।
- অতিপাত গৰমৰ দিনত বাহিৰলৈ ওলোৱাৰ সময়ত চশমাৰ ব্যৱহাৰ কৰিব লাগে।
- চকুৰ সাধাৰণ অসুখ হ'লেই চকু বিশেষজ্ঞৰ কাষ চাপিব লাগে। নজনাকৈ কোনো দৰৱ ব্যৱহাৰ কৰিব নালাগে।
- অপৰিষ্কাৰ হাতেৰে কেতিয়াও চকু চুব নালাগে।

এহাল সুস্থ চকু মানুহৰ অমূল্য সম্পদ। সেয়েহে অৱহেলা নকৰি প্ৰতিদিনে যতনেৰে চকুযুৰি সুস্থ আৰু আকৰ্ষণীয় কৰি তোলাৰ আৱশ্যক। ☐



# গল্প

সাধাৰণ মানুহৰ জীৱনৰ সংঘাত আৰু সংগ্ৰাম, ব্যক্তি আৰু সমাজৰ আশা আৰু স্বপ্নভঙ্গ আৰু এক ব্যাপক ৰূপত মানুহৰ পতন, স্খলন আৰু এক নতুন মানৰ সমাজ নিৰ্মাণৰ আকাংক্ষা— এইবোৰৰ চিত্ৰায়ন হ'ল গল্পৰ নতুন সমল।

# অবান্তৰ প্ৰেম গাথা

মৃগাঙ্ক গগৈ
*স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)*



কেঁচা বাটৰ ধূলি উৰুৱাই বাছখন ওখ মঠাউৰিটোৰে আগবাঢ়িল। যেন আকাশত অকলশৰে গতি কৰা তৰাটোৰ দৰে। বাটৰ এফালে পূবলৈ বিয়পি থকা সুবৃহৎ পথাৰখন যাৰ প্ৰতিথোপা ধান যেন একোজনী চঞ্চল গাভৰু। মথাউৰিৰ এফালে কিছু দূৰৈত দিখৌ নৈখন যাৰ ওপৰত এখন কাঠৰ দলং যিখন বহু পুৰণি। যিটোপাৰে দুই এঠাইত ভঙা। আন্ধাৰত দলভেদি খোজকাঢ়ি আহিলে কাৰোবাৰ চেঙেল সৰকি পানীত পৰেগৈ।

দিখৌৰ ইটোপাৰে মদাৰজোপাৰ তলত মই গুম হৈ বহি আছো। লগতে ৰেডিঅ'টো। তাত কি বাজিছে তালৈ মোৰ কানসাৰ নাই। শুনাৰ মনো নাই। মাথো বাজিছে। মাজে মাজে এণ্টেনাৰ লাঠিডাল বতাহত হাউলি পৰে। গানবোৰ অস্পষ্ট হৈ জেৰজেৰাই উঠে। কি অস্বস্তি। লাহেকৈ আকৌ সেইডাল থিয়কৰাই থওঁ।

দীঘল গড় এটাৰ দৰে থিয় দি থকা মথাউৰীটোৰে বাছখন ক্ৰমে মোৰ ওচৰ চাপি আহে। আবেলিৰ ঘৰমুৱা গৰুবোৰে বাট আগচি ধৰাত ড্ৰাইভাৰে বাছৰ গতি সামান্য কমাই দিয়ে। ইফালে মানুহবোৰো পাণ-জপাৰ দৰে আনিছে। দহ বাৰজনমানতো বাছৰ



ওপৰত, কেইজনমান দুৱাৰত ওলমিয়ে আহিছে। এনেকৈ নিতৌ আহে, নিতৌ যায়। মানুহ ইমান নহবইবা কিয়, এইমাত্ৰ এইখন গাড়ীয়েই ইয়ালৈ উভতি আহে। দলং বেয়া বাবেই আন গাড়ী আহিব নোখোজে।

এই সকলোবোৰ এতিয়াও যোৱা তিনিবছৰে ঠিক আগৰদৰেই আছে। সেই বাছখন নৈৰ পাৰৰ সেই মদাৰ জোপা, পথাৰখন, সকলোবোৰতে পূৰ্বৰ অৱস্থা বিৰাজমান। কিন্তু ফাগুণৰ গছৰ পাত সলনি হোৱাৰ দৰে সলনি হৈছে তাই, মানে মৌচুমী।

দিখৌৰ যিটোপাৰে জিলিকাই তোলা ঘৰখন মৌচুমীহঁতৰ। ইপাৰৰ চালৰ কামি ওলাই থং থংকৈ থিয় দি থকা ঘৰখন আমাৰ। সিহঁতৰ ঘৰৰ ভেঁটিবোৰ বৰ ওখ। সেয়ে আমাৰ ঘৰৰ পৰা সিহঁতৰ ঘৰখন স্পষ্টকৈ দেখা যায়। মৌচুমীৰ দেউতাক এম.এল.এ। আগতে পিতাইয়ে সিহঁতৰ মাটিতেই খেতি-বাতি কৰিছিল। সেইবাবে ঘৰ দুখনৰ মাজত আৰ্থিকত পাৰ্থক্য থাকিলেও পৰৰ নাছিল। এতিয়া পিতাই নাই। মই সৰু থাকোতেই হেৰাল। ঘৰখনত চাৰিজন ভাই আৰু আই।

মই যেতিয়া চতুৰ্থ শ্ৰেণীত মৌচুমীও একেখন স্কুলতে। ব'হাগ বিহু আহিলে আমি লগৰবোৰৰ সৈতে ঘৰে ঘৰে বিহু মাৰো। আমাৰ পাছফালৰ নঙলামুখৰ আমজোপাত থকা কপৌফুলকেইডাল ব'হাগ আহিলে ঋতুগতভাৱে ফুলে আৰু তাৰে এপাহ কোনেও নেদেখাকৈ মৌচুমীক দিওঁ। তাই সেইপাহ চুলিত মেৰিয়াই নোলোৱালৈকে বিহুকে নানাচে। দিন বাগৰি এইদৰে আমাৰ শৈশৱকাল পাৰ হৈ ডাঙৰ হ'লো।

তেতিয়া মৌচুমী প্ৰথম ক্লাছ টেন'ত উঠিছে। দেউতাকে তাইক প্ৰথম ৰঙা চাইকেল এখন আনি দিছিল। সেইদিনাখন তাই প্ৰথম চাদৰ মেখেলা পিন্ধি চাইকেল চলাই স্কুললৈ আহিছিল। কি সেই সময়তে দলংখন পাৰহৈ কিছু দূৰ আগুৱাই যাওঁতে ছাগলীৰ পোৱালী এটা আগেৰে ল'ৰ মৰাত চাইকেলৰ পৰা তাই ধমকৈ বাগৰি পৰিল। বাটত কোনো মানুহ নাছিল। মই আছিলো দলঙৰ তলত বৰশী বাই। শব্দ শুনি মই দৌৰ মাৰি ওপৰলৈ আহি তাইৰ ওচৰ পাই সুধিছিলো -ঃ বেছিকৈ দুখ পালি নেকি?

ঃ নাই, অলপ। - তাই মিছাকৈ কৈছিল।

মই দেখিলো তাইৰ ভৰিৰ পৰা তেজ ওলাইছে। মই তাইক নৈৰ পৰা পানী অলপ আনোগে বুলি তৎক্ষণাত লৰ মাৰিলো। সৰু হাত। পানী আনো মানে হাতৰ ফাঁকেৰেই পানী আধাবাটতেই শেষ হয়। দ্বিতীয়বাৰ আনিবলৈ খোজোতে তাই কৈছিল নালাগে আৰু ভাল হৈছে বুলি।

চাইকেলখন তুলি তাইক ক'লো-

ঃ ভালকৈ চলাবি, পৰিলে কোনে উঠাই দিব?

তাই মিচিকিয়া হাঁহি এটা মাৰি ক'লে, কিয়, 'তই নাহিবি জানো?'

সেই কুমলীয়া বয়সত বিৰিণাৰ পাত বতাহত হালি-জালি থকাৰ দৰে দুলি থকা মনটো লাহে লাহে তাইক দেখিলেই ফৰকাল লগা হ'ল। মৌচুমীহঁতৰ ঘৰলৈ মই সৰুৰেপৰা দিনত এপাক হ'লেও মাৰো।

কৈশোৰ হেৰাল। আমি হেনো ডাঙৰ হ'লো। যৌৱনৰ বতাহজাকে দুয়োকে কেতিয়া কোবাই গ'ল গমকে নাপালো। মৌচুমীয়ে ফ্ৰক চোলা এৰি চুৰিদাৰ পিন্ধিলে। ব'হাগত আমি নৈপৰীয়া বিহু দলত বিহু মাৰো। বিহুতলীত যদি মৌচুমীয়ে নানাচে, মোৰ ঢোলৰ পৰা অদ্ভুত স্বৰ বাহিৰ হয়। তাই স্কুললৈ এদিন নগ'লে কিবাকিবি ভাবি থাকোতে অংক চাৰৰ ক্লাচত মন বহুৱাব নোৱাৰি চেকনিৰ কোব খাওঁ।

দিনবোৰ যেন নৈত উটি অহা বোৱতী পানী। এই আহে এই যায়। একেলগে হায়াৰ ছেকেণ্ডেৰীৰ ফাইনেল দিয়াৰ পাছত তাই ওলাল চহৰত পঢ়িবলৈ। সৰুৰেপৰা দুয়ো একেলগে হাঁহিছো, কথা পাতিছো, ফুৰিছো, বিহু মাৰিছো, কিন্তু মনৰ কথাষাৰ কিন্তু তাইক এবাৰলৈকো কোৱা নাই। কেইদিনমানৰ পাছত তাই গাওঁ এৰি গুচি যাব। এনেকৈ তেতিয়া কত সদায় লগ পাম। তাত গৈ যদি তাইৰ কৰবাত মন পিছলে। নাই, কথাষাৰ কবই লাগিব।

ব'হাগৰ এদিন বিহুমাৰি আহোতে মৌচুমী মোৰ চাইকেলৰ কেৰিয়াৰত উঠি আহিছিল। তাইক মৰসাহস কৰি ভালপোৱা কথাটো প্ৰকাশ কৰিলো। কোৱাৰ লগে লগে আগতে কাহানিও মোৰ আগত লাজ কৰি নোপোৱা ছোৱালীজনী প্ৰথমবাৰৰ বাবে লাজতে গাল দুখন পুবৰ বেলিটোৰ দৰে ৰঙা পৰিল।

পিছদিনাখন তাই গাওঁ এৰি পঢ়িবলৈ গুচি যোৱাৰ পৰা হাতৰ





আঙুলিৰ মূৰত গণিব পৰাকৈ লগ পাইছো। পোৱাকেইদিন একেসময় বহুসময়ত কথা পাতিছো হাঁহিছো।

মৌচুমী কলেজত পঢ়া দুবছৰ হ'ল। মই পঢ়িব যাব নোৱাৰিলো। ইচ্ছা আছিল, সপোন হল। ঘৰত আইৰ বেমাৰ। মই কিবা এটা নকৰিলে খাম কৰপৰা। দলঙৰ ইটোপাৰে থকা স্কুলখনৰ আগত এখন দোকানেৰেই ঘৰখন চলাওঁ। কেতিয়াবা কাগজে পত্ৰে চাকৰিৰ বিজ্ঞাপন পালে ইণ্টাৰভিউ দিওঁ কিন্তু চাকৰি নহ'ল।

পূজাৰ বন্ধত, পৰীক্ষাৰ পিছৰ বন্ধত মৌচুমী ঘৰলৈ আহে। আকৌ যায়গৈ। চহৰত থাকি তাই কিছু সলনি হৈছে। সেইখিনি হ'বই স্বাভাৱিক। তথাপিও কিন্তু তাই মোৰ সৈতে আগৰ দৰে কথা নাপাতে। কথাবোৰ যেন আগৰ দৰে ৰসাল নহয়, যেন মন খুলি নকয়।

ঃ মই মৌচুমীৰ খুৰাক, দুৱাৰখন খোলা, আমাৰ জুপুৰীটোৰ বাঁহৰ আধাভঙা দুৱাৰখনত নিশা কেইটামান টোকৰ পৰিল। আই বিচনাত। মই দুৱাৰখন খুলি বাহিৰ ওলালো।



ঃ অই হাৰামি, কুকুৰক লাই দিওঁতে গললৈ জপিয়ালি হোঁ! তাৰপিছত মোৰ গালত এটা প্ৰচণ্ড চৰ। হঠাৎ কি হ'ল মই অলপো তলকিব নোৱাৰিলো। গোটেইখন হুলস্থুল লাগিল।

খুড়াকে দানৱৰ মূৰ্তি ধৰি উগ্ৰ মাতেৰে ক'ব ধৰিলে, 'ঐ নিমখ হাৰামৰ জাত। তোৰ বাপেৰে আমাৰ ঘৰতেই চাকৰ খাটি তহঁতক ডাঙৰ-দীঘল কৰিলে। তই আমাৰেই ছোৱালীৰ লগত প্ৰেমলীলা ৰচিবি হা। বাওনা হৈ চন্দ্ৰলৈ হাত মেলিব নাচাবি, বুজিছ! আৰু শুনি ল' তোক যাতে তাইৰ ওচৰে-পাজৰেও দেখা নাপাওঁ। মই বজ্ৰ পৰা জীৱটোৰ দৰে নিশ্চল হৈ থিয় দি ৰ'লো। সিহঁত গলগৈ। আই দুৱাৰত শিলৰ মূৰ্তিটোৰ দৰে থিয় দি ৰ'ল।

মইনো অত দিনে এবাৰো মোৰ বিষয়ে বাবি চোৱা নাছিলোনে? হয়তো, মোৰনো আছে কি? আগতে মনলৈ এইবোৰ কথা অহা নাছিল কিয়? নিঃ হৈ জনম ললে সকলো মিছা। এইখন এখন টকাৰ পৃথিৱী। বাকী সকলো ফুটুকাৰ ফেন। কিন্তু মৌচুমীয়েতো মোক ভাল পায়। তাইতো বুজিব। কিন্তু তাইক জানো কেতিয়াবা আমাৰ এই ভঙা ঘৰলৈ আনিব পাৰিম। তাইক খুৱাম কি? মোৰ মগজুৰে কথাবোৰ ভাবিবলৈ এৰি দিছিল। দিখৌৰ গৰাত বহি ৰওঁ সদায়। মানুহে জোকায় 'প্ৰেম পাগল' বুলি। এদিন কিবা এটা চিন্তা কৰি আন ৰাজ্য পালোগৈ। এইবাৰ টকাকে কমাম। তাৰ পিছত চাম মৌচুমীক মোলৈ দিয়ে নে নিদিয়ে। নিদিলে পলুৱাই আনিম। যাবৰ সময়ত তাইক লগ ধৰিব খুজিও লগ নাপাই চিঠি এখনকে লিখিলো—

'... ৰূপা, মই গাওঁ এৰি আহিলো। জীয়াই থাকিবলৈ হেনো বহুত টকা লাগে আৰু তোক পাবলৈও। তই মোৰ বাবে তিনিটা বছৰ ৰখিবি, ৰখিবিনে? মই উভতি আমি, কথা দিছো.... ।'

কোম্পানীৰ চাকৰি। পুৱাৰ পৰা ৰাতি এপৰলৈকে খাটো। আজৰি নাই। ঘৰলৈ আহিব পৰা নাই। প্ৰাইভেট চাকৰি, এবাৰ এৰিলে আকৌ দ্বিতীয়বাৰ সেইটো দিব কোনে? সেয়ে ভাবিছো তিনিবছৰৰ মূৰত উভতিম। কেইটামান টকাও গোট খাব। গাঁৱত এটা ব্যৱসায় কৰিমগৈ। লগতে মৌচুমীকো ঘৰত সুমুৱামগৈ। মাজে মাজে কেতিয়াবা বাপকন দাইৰ পি.চি.অ'ৰ পৰা ফোন কৰি ঘৰৰ খবৰ, মৌচুমীৰ খবৰ লওঁগৈ। ঘৰলৈ মনি অৰ্ডাৰৰ টকা পাইছেগৈনে সোধো। দুবছৰমানৰ পিছত মৌচুমীৰ মবাইল নম্বৰটো পাই ফোন কৰিলো। বহুদিনৰ অন্তত ৰূপাৰ লগত কথা পাতিলো। তিনিবছৰ নহওতেই ঘৰ অভিমুখী ৰেলৰ টিকট কাটিলো। ৰেল যাব দুদিন পিছত। বজাৰলৈ গৈ আই আৰু ভাইহঁতলৈ কাপোৰ কিনিলো। মৌচুমীলৈ বুলি কিনিলো গ্লাচৰ ভিতৰত আলফুলকৈ সজোৱা এপাহ কপৌফুল আৰু শাৰী এখন। বহুদিনৰ অন্তত ঘৰলৈ উভতাৰ আশাত গাঁৱৰ নিখুট ছবিখনৰ সৈতে মৌচুমীৰ মুখখন মনত খৰকৈ অগা-দেৱা কৰিছে। এনেতে মোৰ বিশ্বস্ত বন্ধুৱে ফোন কৰিলে... তই সোনকালে উভতি আহছোন। মৌচুমীৰ ঘৰত বিয়াৰ আয়োজন চলিছে। আমিও এতিয়াহে গম পাইছো। বিয়াৰ আগতে তাইক এবাৰ চাবহে পাৰিবি। তাৰ বাহিৰে তোৰ আন কাম বাকী থকা নাই। তাইৰ এইয়া লাভ মেৰেজ। ল'ৰাজন হেনো চহৰৰ একেখন কলেজতে পঢ়িছিল।

মই কিবা এটা ক'ব খুজিছিলো। শব্দবোৰ প্ৰস্ফুটিত নহ'ল। মনটোৱে বিশ্বাস কৰিব টান পালে। সময়ৰ বহু আগতেই ষ্টেচন আহি দোকান এখনত বহি ওলট-পালটকৈ কথাবোৰ ভাবিলো। মৌচুমী সলনি হ'বই নোৱাৰে। এইবোৰ চব মিছা। কিন্তু মোৰ বন্ধুৱেতো মোৰ আগত মিছা কথা নকয়। ঘৰলৈ আহি গম পালো সকলো কথা সঁচা। মুহূৰ্ততে নৈত প্ৰবল ঢৌ এটাই আহি মোৰ বুকুত প্ৰচণ্ড খুণ্ডা মাৰিলেহি। আন্ধাৰৰ মাজতো মৌচুমীলৈ অনা উপহাৰটো বান্ধি অনা ফুল থকা কাগজখন জিলমিলাই আছে। ❑

# নিয়তিৰ পৰিহাস

**জুৰি দিহিঙীয়া**
*স্নাতক প্ৰথম বৰ্ষ, কলা শাখা*

এদিন আবেলি ঘৰৰ বাৰান্দাত বহি মামাৰ সৰু ল'ৰাটোৰ লগত ধেমালি কৰি আছিলো। ঘৰত সেইদিনা কোনো নাছিল। সেই সময়তে ঘৰৰ চোতালত এগৰাকী প্ৰায় স্থযপ্ত বছৰীয়া মহিলাই, বছৰীয়া এজনী ছোৱালী আৰু বোকোচাত প্ৰায় প্ৰুযছ মহীয়া বয়সৰ এটি ল'ৰালৈ মোৰ ওচৰতে থিয় হ'লহি। তেতিয়া মামাৰ ল'ৰাটোৱে মোক কৈছিল বাইদেউ কোন আহিছে চোৱা আৰু মই লগে লগে চাই দেখো যে এগৰাকী মলিয়ন কাপোৰ পিন্ধা মহিলাই হাতত আৰু বোকোচাত এহাল ল'ৰা-ছোৱালী লৈ মোৰ ওচৰত থিয় হৈ আছে। দেখাত এনেকুৱা লাগিছিল যেন সিহঁত তিনিও কেইবাদিনো একো খাবলৈ পোৱা নাই। সিহঁতৰ অৱস্থা দেখি মোৰ বেয়া লাগিল। সেইবাবে মই সিহঁতক বাহিৰৰ কোঠাত বহিবলৈ দিলোঁ আৰু বোকোচাত থকা ল'ৰাটোক মানুহগৰাকী কোলাতে শুৱাই ল'লো। তাৰ পাছত মই মানুহগৰাকীলৈ চাই দেখিলো যে তাইৰ শিৰত সেন্দুৰ নাই বোধকৰো তাই স্বামীক হেৰুৱাইছে। সেয়েহে মই সেই মানুহগৰাকীক সুধিয়ে পেলালো যে ইহঁতৰ দেউতাক নাই নেকি? তেতিয়া মানুহগৰাকীয়ে বৰ দুখেৰে কৈছিল, 'ইহঁতৰ দেউতাক মৰাৰ বেছি দিন হোৱা নাই ন' মাহ মান হৈছে। এই ল'ৰাটো গাত থাকোঁতেই তাৰ দেউতাক মৰিল। সেয়ে এতিয়া মোৰ অৱস্থা এনেকুৱা হৈছে।

তাৰ পাছত মই মানুহগৰাকীক আকৌ সুধিলো। সিহঁতৰ দেউতাকৰ কিবা অসুখ হৈছিল নেকি? তেতিয়া মানুহগৰাকীয়ে কৈছিল। সিহঁতৰ দেউতাকৰ মূৰত টিউমাৰ হৈছিল। টকা-পইচা যোগাৰ কৰিব নোৱাৰা বাবে ইহঁতৰ দেউতাকক চিকিৎসা কৰিব পৰা নগ'ল। গাঁৱৰ বহুতৰে ঘৰত কাম কৰি দিম বুলি টকা ধাৰলৈ বিচাৰি গ'লো কিন্তু সকলোৰে মুখত কেটেৰা মাত। তই মাইকী মানুহ কি কাম কৰি ফালিবি বুলি কয়। আমাৰ টকা-পইচা নথকাৰ বাবেই হয়তু তেওঁলোকে আকৌ কৰপৰা পইচা ঘূৰাই দিব বুলি ভাবি টকা ধাৰলৈ দিবলৈ আপচোচ কৰে। এনেদৰে দিন বাগৰি যোৱাৰ লগে লগে তেওঁৰ ৰোগটোৱে ভয়ংকৰ ৰূপ ল'লে আৰু এদিন আমাৰ তিনিওকে এৰি সংসাৰৰ পৰা বিদায় ল'লে। সেয়ে আজি আমাৰ এই অৱস্থা। হয়তু ইহঁতৰ দেউতাক থকাহ'লে দিন হাজিৰা কৰিও তিনিও সাজ ভাতৰ যোগাৰ কৰিলেহেঁতেন। কিন্তু এতিয়া আমি তিনিও ওলাই আঁহো কেতিয়াবা এসাঁজৰ কেতিয়াবা দুসাঁজৰ চাউল যেনেতেনে যোগাৰ কৰো। এইখিনি যোগাৰ কৰোঁতেও কিছুমানে কয় আজিকালি খুজি মাগি খোৱাৰ দিন নাই। কিন্তু হায় খুজি মাগি নাখালে আমাৰ আৰু আন উপায় নাই। তাৰ পাছত তাই বোকোচত শুই থকা ল'ৰাটোৱে সাৰ পাই খুব কান্দিছিল। মাকে যেতিয়া গাখীৰ খুৱালে তেতিয়া সি মনে মনে থাকিল। হয়তু তাৰ ভোক লাগিছিল। তাৰ পাছত মই মাকৰ ওচৰতে বৈ থকা ছোৱালীজনীৰ ফালে চাই দেখিলো যে তাই মই চোৱা দেখি মুখখন সেমেনা-সেমেনি কৰিছে। মই ভাবিলো তায়ো ভোক লাগিছে চাগে। সেয়ে মই ভিতৰলৈ আহি ভাতৰ চৰু চালোহি দেখিলো চৰুত ভাত বেছি নাই। দাইলো অলপহে আছে ভাজি-চাজি নাই। মাকক দিবলৈ হ'লেও কম হয় জীয়েকক দিবলৈ হ'লেও বেছি হয়। যি কি নহওক জীয়েকক দিয়া যাওক বুলি কাঁহিত ভাত উলিয়াই দাইল অলপ দি ছোৱালীজনীক খাবলৈ দিলো। প্ৰথমতে তাই নাখাইছিল পাছত যেতিয়া মাকে খা বুলি ক'লে তেতিয়া তাই গোটেই ভাতকেইটা খালে। তাৰ পাছত মই ভিতৰৰ পৰা মানুহগৰাকীক অলপ চাউল দিলো, ঘৰত ক'ল আছিল তাৰো দুটামান দিলো। তাই সেইকেইটা মোনাত ভৰাই ল'লে। তাই মোক তামোল-পাণ এটাও খুজিলে। মই দিয়াৰ পাছত যাওঁ বুলি কৈ বোকোচাত ল'ৰাটো ল'লে আৰু ছোৱালীজনীক হাতত ধৰি আৰু অলপ বস্তু পোৱাৰ আশাৰে আনৰ ঘৰৰ ফাললৈ আগবাঢ়ি গ'ল। সিহঁত যোৱাৰ ফালে চাই মই ভাবিলো পৃথিৱীত নিয়তিৰ যে কি পৰিহাস। □





# প্ৰতিশোধ



**সত্যজিত গগৈ**
*অসমীয়া বিভাগ, স্নাতক দ্বিতীয় বৰ্ষ*

তৰু দুখীয়া ঘৰৰ ছোৱালী। আৰু তপন ধনী ঘৰৰ ল'ৰা। দুয়োৱে সৰুৰে পৰা একেলগে খেল-ধেমালী কৰি বাঢ়ি আহিছে। সিহঁত দুটা পঢ়া-শুনাতো খুওব ভাল। এটাই আনটোক এৰি এখন্তেকো থাকিব নোৱাৰে। তৰু পঢ়া-শুনাত যিদৰে চোকা ঠিক সেইদৰে বুদ্ধিটো তীক্ষ্ণ। সেয়েহে মাক-দেউতাকে তৰুক খুওব মৰম কৰে। আৰু স্কুলতো তাইৰ কাৰণে এখন সুকীয়া আসন আছে। তৰু তপনতকৈ অলপ বেছি তীক্ষ্ণ হোৱাৰ বাবে স্কুলত চাৰসকলে তপনতকৈ অধিক গুৰুত্বসহকাৰে কৈছিল আৰু উৎসাহ যোগাইছিল। স্কুলত তৰুক অগ্ৰাধিকাৰ দিয়াৰ বাবে তপনে মনে মনে প্ৰতিশোধ পৰায়ণ হৈ উঠিল। এদিন তৰুক বিপদত পেলাবৰ কাৰণে তপনে এটা বুদ্ধি পাঙিলে। সিদিনা আছিল বুধবাৰ। স্কুললৈ যাওঁতে তৰুক বাটতে লগ পাই তপনে ক'লে—

'তৰু আজি মই এটা কথা ভাবিছো।'

তৰু ঃ কি কথা?

তপন ঃ আজি বুধবাৰ। বজাৰো বহিছে।

তৰু ঃ তাতে কি হ'ল?

তপন ঃ নহয় তৰু, তই কিন্তু না নকৰিবি।

তৰু ঃ কচোন মই কি কৰিব লাগে। মই জানো তোৰ কিবা কথাত না কৰিছো আজিলৈকে।

তপনে আজি স্কুলত নোসোমাই বাহিৰে বাহিৰে চিনেমা চাবলৈ যোৱাৰ প্ৰস্তাৱ তৰুক আগবঢ়ালে। এই কথাত যদিও তৰুৱে প্ৰথমতে আপত্তি কৰিছিল তথাপি তপনৰ কথা পেলাব নোৱাৰি যাবলৈ সন্মত হ'ল। আৰু দুয়োৱে লাহে লাহে বুধবৰখীয়া বজাৰৰ ফাললৈ আগবাঢ়িব ধৰিলে। গৈ থাকোতে তৰুৱে তপনক কৈ গ'ল—

'তপন আমি এতিয়া নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী। স্কুললৈ আহি এনেদৰে চিনেমা চাবলৈ যোৱাটো উচিত হৈছে নে?'

তপন ঃ এ... একো নহয় অ' ঘৰত মা-দেউতাই স্কুল গৈছে বুলিহে ভাবিব।

তৰু ঃ নহয় অ' যদি কেনেবাকৈ কথাটো গম পাই। তেনেহ'লে বৰ বেয়া কথা হ'ব।

তপন ঃ হ'ব দে, কোনেও গম নাপাই। তই কাকো নকলেই হ'ল।

এনেকৈয়ে কথা বতৰা পাতি গৈ থাকোঁতে সিহঁত দুটা বজাৰৰ ওচৰ পালেগৈ। বজাৰৰ ভিতৰৰ মাজেৰে তৰু আৰু তপন

আগবাঢ়ি গৈ থাকিল। ঘটনাতো ঘটিল ইয়াতেই। তৰু আগে আগে গৈ আছে আৰু পাছে পাছে তপন। হঠাতে দোকান এখনৰ পৰা থাপ মাৰি কোনেও নেদেখাকৈ চেণ্টৰ বটল এটা লৈ লুকুৱাই থ'লে আৰু তৰুৱে নজনাকে সেই চেণ্টৰ বটলটো তাইৰ বেগত ভৰাই থলে। এই দৃশ্য অন্য এজন বেপাৰীয়ে আঁতৰৰ পৰা লক্ষ কৰি আছিল। তপনে ভাবিছিল যে সি চোৰ কৰা কাৰ্যটো কোনেও দেখা নাই। কিন্তু যেতিয়া আঁতৰৰ পৰা চাই থকা দোকানীজনৰ ওচৰ পালেগৈ তেতিয়া দোকানীজনে তপনৰ হাত এখন থাপ মাৰি ধৰি সুধিলে—

দোকানী ঃ ঐ ল'ৰা তই সেই দোকানখনৰ পৰা কি চুৰ কৰিলি?

তপন ঃ একো চুৰ কৰা নাই দাদা। আপুনি বিশ্বাস কৰক।

দুকানী ঃ মই তোক সেই দোকানখনৰ পৰা কিবা এটা লৈ মনে মনে বেগত ভৰাই থোৱা দেখিছিলো। চাওঁ ক'ত থলি বুলি তপনৰ বেগটো লৈ খুলি চালে। কিন্তু তপন বৰ চতুৰ আছিল। সি চেণ্টৰ বটলটো তৰুৱে নজনাকৈয়ে তাইৰ বেগত ভৰাই থৈছিল। দোকানীজনে বেগটোত বটলটো নাপাই বৰ লাজ পালে। আৰু তপনক ক্ষমা খুজি যাবলৈ দিয়াত দুয়োৱে বেগা-বেগীকৈ চিনেমা হ'ল পালেগৈ। দুয়োৱে টিকত লৈ চিনেমা গৃহত সোমাল। আৰু চিনেমা চাই প্ৰায় এঘাৰমান বজাত দুয়ো ঘৰলৈ বুলি ওভতিল। যেতিয়া তৰু ঘৰ পাইছিলহি, তেতিয়া সময় হৈছিল প্ৰায় ৰচ.চপ্ত মান। মাকে তৰুক কিয় স্কুলৰ পৰা সোনকালে আহিলি বুলি সোধাত তাই ক'লে— আজি স্কুলত মিটিং এখন হোৱাৰ বাবে অৰ্ধ চুটি হ'ল মা!

কেতিয়াও মিচা কথা নোকোৱা এই সহজ-সৰল তৰুৱে তাইৰ অতি মৰমৰ বন্ধু তপনৰ কাৰণে আজি নিজৰ মাকৰ আগত মিছা কথা ক'বলগীয়া হৈছে। মাকে যেতিয়া তাইৰ বেগৰ পৰা আনদিনাৰ দৰে কিতাপ পত্ৰবোৰ ওলিয়াবলৈ লয়, তেতিয়া বেগত এটা চেণ্টৰ বটল পালে। আৰু মাকে সুধিলে—

'মাজনী এই চেণ্টৰ বটলটো ক'ত পালি?'

তৰু ঃ আচৰিত হৈ ক'লে— মই নাজানো মা! কোনে মোৰ বেগত ভৰাই দিলে।

মাক ঃ তই কাৰোবাৰ পৰা চুৰ কৰি অনা নাইতো?

তৰু ঃ নহয় মা! মই বাৰু কিয় চুৰ কৰিম? চুৰ কৰা শব্দটো শুনিয়েই তাইৰ বুকুখন চিৰিং কৰি উঠিল। কাৰণ আজি তাই তপনৰ লগত চিনেমা চাবলৈ যাওঁতে বজাৰত দোকানী এজনে তপনক কিবা এটা চুৰ কৰা দেখিছিল। কিন্তু তপনে তেনে কাম কিয় কৰিব! যদিও ইমানদিনে তাই তপনক বিশ্বাস কৰি আহিছিল। কিন্তু আজি সেই বিশ্বাসৰ ওপৰতেই সন্দেহ জন্মিছে। আৰু তাই তেতিয়া সমস্ত কথা মাকৰ আগত বিৱৰি ক'লে। মাকে তেনে কথা শুনি খঙতেই তাইক বৰ বেয়াকৈ প্ৰহাৰ কৰিলে। মাকৰ মাৰত তাই সেইদিনাৰ পৰাই জ্বৰত পৰিল। জ্বৰতে তাই ভ্ৰম বকিবলৈ ধৰিলে। আৰু তাই বাৰে বাৰে তপনক বিচাৰিলে। মাকে এই জ্বৰৰ সংবাদ তপনক দি মাতি পঠালে। তপনেও খবৰ পাই তৎক্ষণাত আহি মৰমৰ তৰুৰ ওচৰত উপস্থিত হ'লহি। তপনে আহিয়েই তৰুৰ হাত এখনত খামোচ মাৰি ধৰি হুক-হুকাই কান্দিবলৈ ধৰিলে। তৰুৰ জ্বৰ বেছি জোৰেৰে হ'ব ধৰিছে। তাকে দেখি মাকে ভয়তে ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছে। যাতে তাই অতি শীঘ্ৰে আৰোগ্য হৈ উঠক। তৰুৱে তপনৰ হাতৰ স্পৰ্শ পাই চকু মেলি চাই ক'লে—

'মই তোক বহুত ভাল পাওঁ অ' তপন। আৰু সেই কাৰণেই তোৰ প্ৰতিটো কথাকে মই না নকৰি মানি চলো। আজি তই মোৰ বেগত কিয় চেণ্টৰ বটলটো ভৰাই দিলি? তই মোক কিহৰ প্ৰতিশোধ ল'ব বিচাৰিছিলি? যাৰ কাৰণে মাই আজি মোক এনেদৰে প্ৰহাৰ কৰিব লগা হ'ল।'

তপন ঃ মই তোক বৰ ভুল বুজিলো অ' তৰু। তোক স্কুলত ছাৰসকলে উচ্চস্থান দিয়াৰ বাবে মই তোক হিংসা কৰিছিলো। আৰু তাৰ প্ৰতিশোধ হিচাপেই তোক স্কুলৰ পৰা বাহিৰে বাহিৰে চিনেমা চাবলৈ লৈ গৈছিলো। যাতে তোক মানুহে বেয়া বুলি কয়। আৰু ছাৰহঁতে যাতে হেয় চকুৰে চায়।

সমস্ত কথাখিনি কোৱাত তৰুৰ চকুৰ পৰা আপোনা-আপুনি চকুৰ পানী বৈ আহিল। তাই তপনক উদ্দেশ্যি কৈ গ'ল— তপন মই আৰু নাবাচিম। তই মোতকৈও ভালদৰে আগবাঢ়ি যাবি। যাতে মা-দেউতা আৰু ছাৰসকলে মোৰ অনুপস্থিতি অনুভৱ নকৰে। এই কথাবোৰ মনত ৰাখিবি। মই আকৌ তোৰ ওচৰলৈ ঘূৰি আহিম। তই চিন্তা নকৰিবি! তপনেও তাইৰ কথাকেইযাৰত কান্দি পেলালে। আৰু কান্দি কান্দিয়েই ক'লে— 'তৰু মোক এৰি যাব নোৱাৰ। মোৰ ভুল হৈছিল তৰু! মোক ক্ষমা কৰি দে। তৰুৱে শেষবাৰলৈ এবাৰ চাৰিওফালে চাই মাকক বিচাৰিলে। আৰু ক'লে মই যাবলৈ ওলালো মা! তুমি তপনকেই আজিৰ পৰা নিজৰ সন্তান বুলি ভাবিবা। তাক অকণো কষ্ট নিদিবা মা। আৰু কিবা বেয়া কাম কৰিলে মোৰ দৰে প্ৰহাৰ নকৰিবা। ভালদৰে বুজাবা। মই আহিম মা, মই আকৌ ওভতি আহিম। তৰুৰ শেষ কথাকেইযাৰত মাকে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। আৰু তৰুৰো চকুযুৰি চলচলীয়া হৈ আহিল। আৰু চকুহাল মুদি শান্তি বিচৰাৰ আগতেই তৰুক এজনাই এই সংসাৰৰ পৰা চিৰদিনৰ কাৰণে লৈ গ'ল। □





# তমসো মা জ্যোতিৰ্গময়

কুলদীপ ফুকন
*স্নাতক তৃতীয় বৰ্ষ, প্ৰাণীবিজ্ঞান বিভাগ*




সমীৰণ বৰুৱাই নিজৰ বিশেষ কেবিনটোৰ আৰামী চকীখনত বহি চিগাৰেটটি জ্বলাই হুপিবলৈ আৰম্ভ কৰিছে। আজি সমীৰণ বৰুৱা যিটো পদবীৰ মুৰব্বী সেইটো পদক সকলোৱে ঈৰ্ষাৰ চকুৰে চায়।

"সাগৰ সঙ্গমত..." ভূপেনদাৰ মিঠা চিংটনৰ শব্দত সমীৰণ বৰুৱাৰ অলপ খং উঠিল। নুঠিবনো কিয় এই সময়কন তেওঁৰ ব্যক্তিগত সময় কোনোবাই ফ'ন কৰি তেওঁক আমনি কৰাটো মুঠেও নিবিচাৰে।

মবাইলৰ পৰ্দাত ভাহি অহা নামটি দেখি সমীৰণৰ মনটো কুমলি উঠিল। পাহি, পাহি বৰুৱা সমীৰণৰ একমাত্ৰ জী।

"অ' পাহি কোৱা"

"দেউতা ব্যস্ত আছা নেকি?"

"তোমাৰ বাবে মই সদায় ফ্ৰী, আৰু কোৱা পঢ়া-শুনা কেনে চলিচে, ঘৰলৈ নাহা নেকি?"

"ওহো নাযাওঁ"

"কি?"

"ইস্ ভয় খালা নেকি, এইবাৰ মই ঘৰলৈ নাযাওঁ তাৰ সলনি তুমি আহিব লাগিব মোৰ কলেজলৈ গম পালা।"

"কিয়, তুমি শ্ৰেষ্ঠ ছাত্ৰীৰ এৱাৰ্ড পালা নেকি?"

"সেইটো মই এনেও পাম, তুমি চিন্তা কৰিব নালাগে। কিন্তু

এইবোৰ কথা বেলেগ, তোমাৰ মৰমৰ ডিব্ৰু মহাবিদ্যালয়খনিয়ে জন্মৰ অৰ্ধশতবাৰ্ষিকী পূৰ কৰিব আৰু তুমি নাহিবানে।"

"আৰে মই পাহৰিয়ে গৈছিলো, আচলতে ইমান কামৰ ব্যস্ততাত মোৰ হিচাপ কৰিবলৈয়ে সময় নাছিল। নিশ্চয় যাম পাহি এতিয়াৰ 'তোমাৰ কলেজখন চাই আহিম।"

"আৰু বহুত বস্তু তোমাক দেখুৱাবলৈ আছে, তুমি আহিলে বাকীবোৰ কম ঠিক আছে, কোনো মিটিঙৰ তাৰিখলৈ নথবা মই বেয়া পাম, কাৰণ দুমাহৰ পাছত সোণালী জয়ন্তীৰ তাৰিখ আছে"

" নাপাহৰো।"

"বাই দেউতা, মোৰ বহুত কাম আছে জানাইটো মই সাংস্কৃতিক বিভাগৰ দায়িত্বত আছো, তোমাতকৈও মই ব্যস্ত এইকেইদিন।"

"ঠিক আছে।"

ফ'নটো কটাৰ পাছত সমীৰণ বৰুৱা বহু সময় মনে মনে থাকিল। মগজুৰ এটি এটি স্নায়ুৱে তেওঁৰ মনটোত বিজুতি ঘটাবলৈ আৰম্ভ কৰিলে।

ডিব্ৰু মহাবিদ্যালয় পঞ্চাচ বছৰীয়া গাভৰু হ'বলৈ আগবাঢ়িছে। মানুহে হয়তো ঠিকে কয় নিৰ্জীৱ বস্তু বয়সত গাভৰু হয় আৰু মানুহ বয়সত বৃদ্ধ- সমীৰণে ভাবিলে।

সমীৰণৰ ঘৰৰ অৱস্থা সিমান ভাল নাছিল। স্নাতকৰ নামভৰ্তিৰ বাবে অলপো টকা যোগাৰ নাছিল। পুৱাতে উঠি ঢেকীয়া শাক বুটলি পুৱাতে বিক্ৰী কৰি পোৱা টকাৰে ঘৰৰ তেল নিমখ কিনোতে যায়। আধি খেতিত হালবোৱা বাপেকে তাৰ নামভৰ্তিৰ টকা গোটাব নোৱাৰে।

এই ক্ষেত্ৰত সমীৰণক হাত মেলি আকোৱালি ল'লে ডিব্ৰু মহাবিদ্যালয়ে। দুখীয়া ছাত্ৰৰ বাবে থকা দুখন আসনৰ এখনত সমীৰণ আহিল। সমীৰণৰ বাবে তেতিয়াৰ পৰা ডিব্ৰু এখন মহাবিদ্যালয় নহয়, আন এখনি ঘৰও হৈ পৰিল, শিক্ষা জীৱনৰ আশ্ৰয় পোৱা এখনি ঘৰ।

একেখনি মহাবিদ্যালয়তে সমীৰণে ত্ৰিশ বছৰৰ পাছত নিজৰ একমাত্ৰ জী পাহিক নামভৰ্তি কৰি দিছিল। মহাবিদ্যালয়খনিৰ মাতৃদক্ষিণাৰূপে। আজি তাই এই মহাবিদ্যালয় খনিৰে স্নাতকবৰ্ষৰ ছাত্ৰী। খুউব সফলতাৰে নিজৰ কৰ্তব্য পালন কৰি গৈছে তাই। কাহানিও মাতৃৰ মৰম নোপোৱা পাহিয়ে সমীৰণক তাই জনা-বুজা হৱৰে পৰা পত্নীৰ আৰু নজিক মাতৃৰ অভাব অনুভৱ কৰিব দিয়া নাই। পাহি অকলশৰীয়াকৈ ডাঙৰ হোৱা দেখি সমীৰণে দ্বিতীয় বিবাহ কৰিব খুজিও ৰৈ গৈছিল— মাধবীৰ আত্মাই কষ্ট পাব বুলি।

"মাধবী তোমাৰ অভাৱ মই প্ৰতিপলে অনুভৱ কৰো"— সমীৰণে মুখৰ ভিতৰতে ক'লে।

"চাৰ আপোনাৰ নামত ফেক্স এখন আহিছে" —যতীনৰ ক'লে সমীৰণ বেলকণিৰ পৰা ভিতৰলৈ সোমাই গ'ল। ফেক্সখন হাতত তুলি ল'লে—

প্ৰতি
সমীৰণ বৰুৱা

জয়জয়তে আপোনাক জনাবলৈ পাই আমি গৌৰাম্বিত যে ডিব্ৰু মহাবিদ্যালয়খনি সময়ৰ সোঁতত আগবাঢ়ি আজি সোণালী জয়ন্তী বৰ্ষ গৰকিছেহি। আমি জানি কৃতাৰ্থবোধ কৰিছো যে আপুনি এই মহান শিক্ষানুষ্ঠানখনিৰ বিগত বছৰৰ ছাত্ৰ আছিল। গতিকে....

শ্ৰদ্ধাৰে
ডিব্ৰু ছাত্ৰ একতা সভা

"নিমন্ত্ৰণী পত্ৰ" সমীৰণে ক'লে,

"চাৰ যাবনে?"

"নিশ্চয় যাম যতীন, বহু কথা এতিয়াও ডিব্ৰুৱে চাদৰৰ আচলতে ঢাকি ৰাখিছে, মই তাক জনাটো উচিত।"

"চাৰে বৰ কঠিনকৈ মোক কথাবোৰ বুজাই দেই" —চাহৰ কাপটো আগবঢ়াই যতীনে ক'লে।

" হ'ব তই ইয়াত মুৰ ঘমাব নালাগে, পাহিয়ে কাপোৰ এযোৰ খুজিছে উদ্বোধনী অনুষ্ঠানত সমবেত সংগীত গাবলৈ। মই পেক কৰি থৈছো তই কুৰিয়াৰত দি থৈ আহিবিগৈ।"

যতীনে তৎক্ষণাত পেকেটটো লৈ ওলাই গ'ল। সমীৰণে দেখিলে বৰ আলফুলে সি পেকেটটো কঢ়িয়াই নিছে। নিনিবনো কিয় তাৰ মৰমৰ পাহি মাজনীৰ বস্তু সেইয়া।

সমীৰণ পুনৰ বেলকণিৰ বাৰাণ্ডালৈ ওলাই আহিলে আৰু চকুহাল মুদি দিলে—

"সমীৰণ মই তোমাৰ অসমৰ্থতাৰ কথা জানো, তোমাক জোৰ নিদিও কিন্তু এটা প্ৰতিশ্ৰুতি বিচাৰিছো" —মায়াৰ প্ৰশ্নত সমীৰণ তলমূৰ কৰি ৰ'ল।

"কোৱা"

"তোমাৰ জীৱনত আৰু হস্তক্ষেপ নকৰো কিন্তু এই মহাবিদ্যালয়খনিৰ সোণালী জয়ন্তীৰ বৰ্ষত দিয়া তুমি মোক এবাৰ হ'লেও লগ কৰিবা কথা দিয়া"

"মায়া, মই কথা দিছো, সাংস্কৃতিক সন্ধিয়াৰ দিনা আমাৰ মৰমৰ বকুলৰ তলত লগ হ'ম।"





- মায়া, মায়া —সমীৰণৰ প্ৰথম প্ৰেম, অভিজাত্য সাগৰত ককবকাই নুফুৰা মায়া - মায়া বাৰু আহিবনে? নাই সমীৰণ এবাৰ হ'লেও মায়াক লগ কৰিব লাগিব।

...

"মাত্ৰ এদিন" —আঙুলিৰ পাবত হিচাপ কৰি সমীৰণ বৰুৱাই ফোনত ক'লে।

"জানো দিয়া, মই নোকোৱা হ'লে তুমি তাকো নাজানিলা হয়। আৰু শুনা তোমাৰ ৰেজিষ্ট্ৰেচন মই কৰি থম তুমি আহি কাৰ্ডখন কালেক্ট কৰি লবা। ফেক্সখন পালা নহয়?"

- পাহিৰ প্ৰণোচ্ছল শব্দকেইটা শুনি সমীৰণৰ মন ভৰি উঠিল।



"পালো dear"

"ওমম..... তোমাৰ ডনেচনৰ চেক্ খন মই ফাণ্ডত জমা দিলো লগতে কাপোৰযোৰ পালো, থেংক ইউ"।

"হব বাৰু"

"ঠিক আছে, মই ৰিহাচেলৰ বাবে যাওঁ পাছত ফ'ন কৰিম"

......

এলাৰ্ম ঘড়ীটোৰ প্ৰচণ্ড শব্দত সমীৰণ সাৰ পাই উঠিল। পুৱতি নিশা ৩ বাজিছে। সমীৰণ খৰধৰকৈ সাজু হ'ল। সোনকালে ওলালেহে সি সময়মতে নগাঁওৰ পৰা ডিব্ৰুগড় পাবগৈ, ইতিমধ্যে যতীনে জলপান সাজু কৰিলেই।

সমীৰণ ডিব্ৰুগড় পায়হি মানে পুৰা দহ বাজিল সোকাষে পাৰ হৈ গ'ল ডিব্ৰুগড় বিশ্ববিদ্যালয়। নাহৰৰ দেশ ডিব্ৰুগড় বিশ্ববিদ্যালয়।

"সুন্দৰে যে
ফুলাৰ মন্ত্ৰ আহোৱাত্ৰ যাতে
সেয়েহে আজি
ইমান ফুল প্ৰভাতে প্ৰভাতে"

চৌকিদিঙ্গী পাই সমীৰণে পাহিলৈ ফ'ন কৰিলে,

"পাহি ক'ত আছা?"

"কলেজত, তুমি ইমান দেৰি কৰিছা, ক'ত আছা তুমি?"

"আৰু দহ মিনিট ৰবা, তাৰ পাছত তোমাৰ গেটৰ সমুখত মই থাকিম।"

"অ'কে সোনকালে আহা"

অন্যদিনৰ দৰে পোন্ধৰ / দহ মিনিট লগা বাটটি সমীৰণৰ আজি বিশমিনিটৰো অধিক প্ৰয়োজন হ'ল। ইমান ট্ৰেফিক... লগতে ধুনীয়াকৈ সাজি-কাচি অহা পুৰুষ-মহিলা, ল'ৰা-ছোৱালীবোৰ... দেখাতেই বুজা গৈছে ডিব্ৰুৰ অৰ্ধ শতবাৰ্ষিকীৰ অহংকাৰেৰে পৰিপূৰ্ণ সকলোবোৰ প্ৰাক্তন অথবা বৰ্তমানৰ ডিব্ৰুয়ান।

গাড়ীখনৰ পৰা নামি সমীৰণ ৰেজিষ্ট্ৰেচন কাউণ্টাৰলৈ গ'ল।

"মোৰ নাম সমীৰণ বৰুৱা, নগাঁওৰ; ৰেজিষ্ট্ৰেচন কৰা আছে কাৰ্ডখন ইচ্ছু হ'লনে?"

"আপুনি পাহি বৰুৱাৰ দেউতাক নহয় জানো?" —চচমাযোৰ নাকৰ ওচৰলৈ ঠেলি কাউণ্টাৰত বহি থকা মানুহজনে সুধিলে।

"হয়"

"আপোনাৰ কাৰ্ডখন ৰেডি হৈ আছে। এইখন"

কাৰ্ডখন ডিঙিত ওলোমাই সমীৰণ বাহিৰলৈ ওলাই আহিল। চাৰিওফালে সি চালে, হয় ডিব্ৰু আৰু সদ্যযৌৱনা প্ৰাপ্ত গাভৰুৰ দৰে জিলিকি উঠিছে। দূৰত সেইয়া ৰশ্মি, ফাৰুক, পল্লৱী, দিপাংকৰ, দিপুল খুউব উচ্চস্বৰত হাঁহি হাঁহি তাৰ ওচৰলৈ আগবাঢ়ি আহিছে।

"অই গৰু তই বাচি আচচোন" —দিপুলে চিঞৰি সমীৰণক সুধিলে।

"আৱে মই তোক ফাইনেলত দহ মাৰ্কৰ উত্তৰটো নেদেখুওৱাৰ বাবে এনেকুৱাকে কৈছ যে"

"নহয় অ' দোস্ত, তই হেনো বহু টকা পইচা কৰিলি সেইবাবে খাই তোৰ চৰ্বী, কলেষ্টৰেল বাঢ়ি মৰিলি বুলিহে সুধিছিলো"

দিপুল আৰু সমীৰণৰ কথা শুনি সকলোৱে হাঁহি উঠিল। আজি সকলোৱে নিজৰ বয়সৰ কথা পাহৰি গৈছে।

....

"দেউতা" —পাহিৰ কাণ তাল মৰা চিঞৰত সমীৰণ উচপ খাই উঠিল।

"জানা মই ইমান ব্যস্ত আছো, যেনেতেনে অলপ সময় উলিয়াই তোমাৰ ওচৰলৈ আহিছো।"

"ক' তই মোকচোন ফ'নত বহুত কথা কম বুলি কৈছিলি,

এতিয়া নকৰ নেকি?"

"কিয় নকম দস্তুৰমত কম। প্ৰথমতে কোৱা আজি তোমাৰ ডিব্ৰুখন কেনেকুৱা লাগিছে?"

"ক'বলৈ ভাষা নাই পাহি, ত্ৰিশবছৰৰ আগৰে ডিব্ৰুযেন মোৰ একে লাগিছে কেৱল আমি যেন অলপ বৃদ্ধ হ'লো আৰু ডিব্ৰু গাভৰু হৈ আহিছে।"

"বাৰু দেউতা আৰু এটা কথা"

"কি কথা"

"জানা মই মোৰ বাবে কোনোবা বিশেষ এজনক ঠিক কৰিছো প্লিজ দেউতা গালি নাপাৰিবা"

"কোন হয়"

"ৰুদ্ৰ, ডিব্ৰুগড়ৰ মেডিকেল কলেজত স্নাতকোত্তৰ কৰি আছে"

"পাহি, তই মোক কি আজিলৈকে বুজি নাপালি নেকি? তোৰ যেতিয়া সুখ হয় তেতিয়া মই মই বৰ সুখী অনুভৱ কৰো। যদিও মই তোৰ জীৱনসঙ্গী বিচাৰো, চিৰদিন তেওঁৰ লগত তয়েইটো কটাব লাগিব। গতিকে তেওঁক বুজি বিয়াত বহা দায়িত্ব তোৰ। তই নিজৰ বাবে সঙ্গী বাচনি কৰিছ মই বহুত সুখী কাৰণ আজি মই অনুভৱ কৰিছো যে তই মোতকৈও ডাহৰ হ'লি।"

"থেংক ইউ দেউতা, আৰু জানা তেওঁৰ মা প্ৰাক্তন ডিব্ৰুয়ান আছিল। আমি নিমন্ত্ৰণ কৰিছো, তেওঁ আহিম বুলি কথা দিছে। তোমাক আজি দুয়োগৰাকীকে চিনাকী কৰাই দিম। তাৰ পাছত তোমাৰ মতামত দিবা, তোমাৰ সন্মতিয়েই মোৰ প্ৰতি আশীৰ্বাদ স্বৰূপ হ'ব। "Afterall you are my Dad."



"হ'ব ইমান ডাঙৰ ডাঙৰ কথা ক'ব নালাগে। সাংস্কৃতিক সন্ধিয়াৰ আগত মোক চিনাকী কৰাই দিবি। এতিয়া তই যা তোৰ চাগে বহু কাম আছে।"

"ঠিক আছে" ...

পাঁচ বাজি গৈছে- সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হ'বলৈ একঘণ্টা বাকী। ছোঁঘৰৰ পৰা বাঁহী, তবলা আদিৰ সুমধুৰ শব্দ বাহিৰ হৈছে।

সমীৰণ উদ্ভিদবিজ্ঞান বভিগৰ সন্মুখত সজায় ৰখা শাৰী শাৰী চকীৰ এখনত বহি পৰিল। সন্মুখৰ দৃষ্টিত চকু স্থিৰ হৈ ৰ'ল বকুল গছ জোপাৰ তলিত। মায়া বাৰু আহিবনে.........

"মায়া" ... বকুলৰ তলত উদ্বিগ্নতাৰে বৈ থকা মহিলাগৰাকীক সমীৰণে মাত দিলে।

"সমীৰণ"

"চিনি পালা?"

"চিনি নাপাবলৈ তুমি অলপো সলনি হোৱা নাই, কেৱল অলপমান তপা হৈছা"

"তুমি কিন্তু শকত হ'লা মায়া"

"জানো, মোৰ তুমি আজি নাহিবা যেন ভাব হৈছিল কিন্তু তুমি মোৰ কথা ৰাখিলা, মই সুখী।"

"অতীতৰ কথা বাদ দিয়াচোন মায়া, কিছুমান কথা মনত পেলাই সুখৰ মুহূৰ্তবোৰ দুখৰ কৰা অনুচিত। সেই সময়ত তুমি মোৰ লগত বিয়া হও বুলি কোৱা হ'লেও মোৰ তোমাক নিজৰ কৰা সামৰ্থ্য নাছিল। বাৰু তোমাৰ পৰিয়ালৰ কথা নোকোৱা?"

"মোৰ হাজবেণ্ড ইণ্ডাষ্ট্ৰিয়েলিষ্ট আছিল আৰু ল'ৰা এটি..."

"মায়া হাজবেণ্ড আছিল বুলি কিয় কৈছা?"

"সমীৰণ তোমাক মিছা কিয় কম, বিয়াৰ ছমাহৰ পাছতে তেওঁৰ মৃত্যু হ'লে, ঠিক মৃত্যু নহয় এক ষড়যন্ত্ৰৰ বলি হ'ল।"

"মায়া... তুমি মোক এইবোৰ কথা অলপো নজনালা"

"অ সমীৰণ, কিন্তু তেওঁৰ সন্তানৰ বীজ মোৰ গৰ্ভত থিতাপি লৈছিল। বিধবাৰ সাজ দলিয়াই স্বামীৰ সকলো সপোন মই দিঠকলৈ পৰিণত কৰিলো। মোৰ নিজৰ খবৰ ল'বলৈও পাহৰি গৈছিলো তেনে অৱস্থাত মোৰ দুখৰ গাঁথা কিদৰে তোমাক কওঁ। যিদিনা নিজৰ খবৰ ল'বলৈ আহৰি পাইছিলো সেইদিনা মোৰ ল'ৰা মেডিকেল স্নাতক হৈ ওলাইছিল আৰু উদ্যোগৰ লগত নিজৰ পঢ়াৰ দায়িত্বলৈ মোক আজৰি কৰি দিছিল, তেতিয়াই হাতত লেখিবলৈ সময় পাইছিলো তোমাৰ প্ৰতিশ্ৰুতিৰ কথা। এইয়া আজিৰ পৰা মাত্ৰ ছমাহৰ আগৰ ঘটনা। তোমাৰ একো কথা নোকোৱা?"

"তোমাৰ আগত মই সদায়ে নিষ্প্ৰভ মায়া। তথাপিও কওঁ শুনা মোৰ এজনীয়ে মাত্ৰ ছোৱালী "পাহি", তাই বৰ্তমানৰ





ডিব্ৰুয়ান, তুমি জানি সুখী হ'বা যে মোৰ ছোৱালী বহু ডাঙৰ হ'ল কিয়নো তাই নিজৰ জীৱন লগৰী নিজে ঠিক কৰিছে আৰু আজি তাই মোৰ পৰা অনুমতি বিচাৰিছে ইয়াৰ বাবে"

"তুমি কি ক'লা—" মায়াই সুধিলে

"একো কোৱা নাই, সকলো দায়িত্ব মই পাহিক দি ৰাখিছো, তাইৰ পচন্দই মোৰ অনুমতি। অন্তত মোৰ দৰে তাইক হ'ব নিদিও।"

"এইখিনি কথা যদি আজি মই ত্ৰিশ বছৰৰ আগতে শুনিলো, হয় তেতিয়া মই আৰু সুখী হ'লোহেঁতেন। যি কি নহওক 'হেঁতেন' শব্দৰ হেনো কোনো মূল্য নাই। সমীৰণ তোমাৰ পত্নীৰ কথা একো নকলো।"

"জানি কি কৰিবা মায়া?" - এটা দীঘল হুমুনিয়াহ কাঢ়ি সমীৰণে ক'লে "পাহিক মোৰ কোলাত দি তেওঁ কেতিয়াও উভতি নহা টোপনিত মাৰ গ'ল।"

"অ'হ চ'ৰি সমীৰণ।"

"সাগৰ সঙ্গমত" - সমীৰণৰ ফ'নটো বাজি উঠিল।

"অ মই বকুলৰ তলত আছো। বহু পুৰণি বান্ধবী এগৰাকীক লগ পালো ...... অ ............ তই ইয়ালৈকে আহ।"

"মোৰ ছোৱালী পাহি। আজি তাইৰ পচগুৰ লগত মোক হেনো চিনাকী কৰাই দিব। মই সিহঁত দুয়োটাকে ইয়ালৈ মাতিছো। তোমাকো তাইৰ লগত চিনাকী কৰাই দিম।"

"তুমি সুখীনে সমীৰণ?"

"মই সুখী মায়া, জীৱনৰ এটা অধ্যায় সন্ধিকৰি আগ বাঢ়িলো, বৰ্তমান মই সন্ধিৰ পৰা মুক্ত- অতীত সদায় অতীতেই সেইয়া সিহঁত আহি গ'ল।"

"আহা পাহি"

"দেউতা এইয়া ডাঃ ৰুদ্ৰ চাংকাকতী আৰু ৰুদ্ৰ এইয়া মোৰ মৰমৰ বন্ধু অৰ্থাৎ দেউতা মিঃ সমীৰণ বৰুৱা"

"ৰুদ্ৰ আৰু পাহি এইয়া মোৰ ক্লাচমেট মায়া হাজৰিকা" — ৰুদ্ৰ আৰু পাহিয়ে মায়াৰ প্ৰতি নমস্কাৰ দিলে।

"সমীৰণ, মই বৰ্তমান হাজৰিকা নিলিখো" - মায়াই হাঁহি হাঁহি ক'লে।

"অহ মই পাহৰি গৈছিলো, তুমিয়েই ইহঁতক কৈ দিয়াচোন।"

"ঠিক আছে, পাহি তুমি মোৰ ওচৰলৈ আহাচোন আৰু ৰুদ্ৰ তুমিও আহা" - দুয়ো মায়াৰ কাষ চাপি আহিল।

"সমীৰণ মই Maya Changkakotu, meet my son Dr. Rudra Changkakoti and my Daughter in law Mrs. Pahi Barooah Changkakoti. মোৰ সৰু পৰিয়াল।"



সমীৰণ আচৰিত হৈ পৰিল - "মানে মায়া ৰুদ্ৰ তোমাৰ....."

"অ সমীৰণ তুমি ঠিক বুজিছা আৰু ৰুদ্ৰ তুমি মোক ইমানদিনে পাহিৰ কথা কিয় কোৱা নাছিলা? মই বহুত সুখী ৰুদ্ৰ আৰু একো নকও, তোমালোক জীৱনত সুখী হোৱা মোৰ আশীৰ্বাদ থাকিল।"

পাহিয়ে মায়াৰ ভৰি চুই আশীৰ্বাদ ল'লে- "মা মই সাংস্কৃতিক বিভাগৰ দায়িত্বত আছো মাজতে সময় উলিয়াই ৰুদ্ৰক দেউতাকৰ লগত চিনাকি কৰিবলৈ আনিছিলো। এতিয়া যাওঁ আৰু আপোনালোক দুয়োজন সময়ত প্ৰেক্ষাগৃহলৈ আহিব কিন্তু।"

"ঠিক আছে পাহি যোৱা, ৰুদ্ৰ তুমিও যোৱা, এতিয়াৰ পৰা পাহি তোমাৰ দায়িত্বত" —মায়াই ক'লে ....

"মায়া মোৰ কোনো আক্ষেপ নাই, নাই কোনো প্ৰতিবাদ.. হয়তো এটা সময়ত যি হৈছিল ভালৰ বাবেই হৈছিল।"

"অ সমীৰণ আমি আতৰি নোযোৱাহ'লে পাহি আৰু ৰুদ্ৰই আমাৰ জীৱনলৈ আহি আমাৰ লগ কৰাব নোৱাৰিলে হয়।"

"আজি মোৰ এনে লাগিছে যেন ডিব্ৰুৰ সোণালী জয়ন্তীৰ সোণালী স্পৰ্শই আমাৰ জীৱনত সকলো দুখ, একেবাৰে শুহি লৈ গ'ল।"

"ঠিক কৈছে সমীৰণ ডিব্ৰুত আশ্ৰয় লোৱা সকলোকে ডিব্ৰুয়ে বহুত দিয়ে আজি আমি ডিব্ৰুৰ চৌহদতে এৰি থৈ যোৱা সকলো সুখ ওভটাই পালো" —মায়াৰ চকুহাল সেমেকি উঠিল।

"তাই বুঢ়া-বুঢ়ী ইমান সৰু সৰু ল'ৰা-ছোৱালীৰ আগত চেনী খাই থাকিবলৈ লাজ নালাগেনে? আহ অ'ডিটৰিয়াম যাও উদ্বোধনী অনুষ্ঠান আৰম্ভ হ'লেই" —দিপুলৰ মাতত সমীৰণ আৰু মামাই প্ৰেক্ষাগৃহৰ ফালে আগুৱাই গ'ল। দুয়োৰে দেহাত তেতিয়া বাজি আছিল সুখৰ ঝংকাৰ। □

# নিয়ৰ সৰে সংগোপনে



**বিপ্লৱী গগৈ**
*স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)*

টুপ্ টুপ্ ... শব্দৰে নিয়মবোৰ সৰি পৰিছে। পাতল কুঁৱলীৰ আৱৰণ এটাই ঢাকি ৰাখিছে চৌপাশ। পুবৰ আকাশ হেঙুলী কিৰণেৰে বিচ্ছুৰিত কৰি নকইনাৰ সলাজ হাঁহিটোৰ দৰেই ওলাওঁ নোৱাওঁকৈ ভুমুকি মাৰিব খুজিছে সূৰ্যদেৱতাই। দুবৰিৰ বুকুত তিৰবিৰাইছে মুকুতা সদৃশ নিয়ৰৰ জলকণাবোৰ। মাজে মাজে বলা চেঁচা বতাহছাটিয়ে কঢ়িয়াই আনিছে তলসৰা শেৱালিৰ মৃদু সুবাস। কুঁৱলীৰে ঢকা গছবোৰৰ পাতৰ আগেৰে ওলমি থকা এই সৰো এই সৰোকৈ থকা নিয়ৰৰ মুকুতাৰ বতাহজাকৰ লগে লগে সৰি পৰিছে দুৱৰিৰ দলিচাত। তাৰেই ফলশ্ৰুতিত সৃষ্টি হৈছে এটি শ্ৰুতিমধুৰ শব্দ। টুপ্ টুপ্... কাণ উনাই শুনিব নলগা সত্বেও খুব মনোযোগেৰে শুনিছে নিয়ৰে এই শব্দ। নিয়ৰ সবাৰ এই শব্দ বৰ ভালপাই তাই। শৰতৰ বোকোচাত উঠি আগমণ ঘটিব ধৰিছে শীতৰ। পুৱাৰ এই সপ্ৰতিভ ৰূপ নিয়ৰৰ





বৰ প্ৰিয়। সেয়েহে দোকমোকালিতে উঠি তাই বহি লৈছেহি বাৰাণ্ডাৰ একোণত আৰু উপভোগ কৰিছে প্ৰকৃতিৰ নৈসৰ্গিক সৌন্দৰ্য। এক অনাবিল আত্মতৃপ্তিত ভৰি উঠে তাইৰ মন। অভ্যাসবশতঃ তাই এবাৰ শোৱনিকোঠাৰ ফালে চালে, জোনাকে এতিয়াও সাৰ পোৱা নাই। যোৱানিশা যথেষ্ট পলমকৈ শুইছিল সি।

জীৱনে বাৰু কি দিলে মোক? আকৌ এবাৰ নিজকে সোধে নিয়ৰে। নাই একো দি থৈ নগল, সকলো মাথো কাঢ়ি লৈ গ'ল। তথাপিও আজি যেন তাই অনুভৱ কৰিবলৈ এৰি দিছে এই কথা। "সময়ে মানুহৰ পৰা বহু কিবাকিবি লৈ যায় আৰু বহু কিবাকিবি দি থৈও যায়, যদিও তোমাৰ এদিন সকলো আছিল, আজি সেয়া শেষ হৈ গৈছে বুলি কিয় ভাবিছা নিয়ৰ? ইমান অৰ্থহীন কৰি তুলিছা জীৱনক। অনুভৱ কৰাচোন এবাৰ বৰ্তমানে তুমি কি পাইছা, কি পোৱা নাই; এবাৰ উপভোগ কৰি চোৱা জীৱনক, বুজি পাবা জীৱন কিমান অৰ্থবহ।" জোনাকৰ এই কথাকেইষাৰে নিয়ৰক যেন ঘূৰাই আনিছে এক নতুন জীৱনলৈ। তিল্‌তিল্‌কৈ নিঃশেষ হৈ যাব খোজা তাইৰ সত্বাক যেন পুনৰ্নিৰ্মাণ কৰি তুলিছে জোনাক নামৰ এই প্ৰচণ্ড অনুভৱী ল'ৰাজনে। কি আছিল আৰু কি নাছিল এইকথাষাৰ ভবাতকৈ এতিয়া তাই ভাবে কি আছে আৰু কি নাই। এৰা! ভগৱানৰ ওচৰত তাই চিৰকৃতজ্ঞ। মৰি যাব ধৰা এডাল গছক নিজস্ব সাৰ-পানীৰে জীয়াই তুলিব খুজিছে জোনাকে। এডাল লেহকা লতাক নিজৰেই দেহক আশ্ৰয় দি বগাই যাবলৈ দিছে ওপৰলৈ কেৱল ওপৰলৈ। আৰু তাই! সেই উদাৰ বৃক্ষৰ সত্বা সাৱটি বগুৱা বাই আগবাঢ়ি গৈছে মাথো আগবাঢ়ি গৈছে আগলৈ।

বহু সপোন আৰু আশা লৈ জীয়াই থাকে মানুহ। হাজাৰ বিপদ। জীয়াই থকাৰ সুতীব্ৰ সংগ্ৰামৰ মাজতো মনৰ মাজত গঢ়ি উঠে আশা। আশাক লৈয়েই এই জীৱন। সকলো হেৰাই যোৱাৰ পিছতো মানুহ জীয়াই থাকে; কিন্তু আশা অবিহনে জানো মানুহ জীয়াই থাকিব পাৰে? আশাহীন জীৱন এটা কোনেও কল্পনা কৰিব নোৱাৰে। তথাপি, হঠাতে হেৰাই যোৱা আশাবোৰতো পুনৰ ঘূৰি নাহে কাহানিও তাইৰ বাবে। আজিকালি নীৰলে কৰবাত বহিলেই সাৰপাই উঠে তাইৰ ভিতৰৰ নিয়ৰজনী। যাৰ দুভৰিৰ যাদুত থৰ হৈ পৰিছিল এসময়ত মানুহৰ কৌতুহলী চকুবোৰ। মনৰ মাজত অগাদেৱা কৰি থাকে সুশোভিত সাজেৰে বিভিন্ন ভঙ্গিমাক আনৰ আগত কোনো জটিলতা নোহোৱাকৈ প্ৰকাশ কৰা সেই নিয়ৰজনীৰ ছবি। আকৌ এবাৰ সাৰ পাই উঠিব খোজে তাইৰ চঞ্চল, উতনুৱা মনটো। ঠিক সাতবছৰৰ আগৰ সেই নিয়ৰজনী হৈ। এতিয়া তাইৰ বয়স ছাব্বিশ। জীৱনৰ মাথো ছাব্বিশচা বসন্ত গৰকিয়ে তাই যেন অভিজ্ঞ হৈ উঠিছে বাস্তৱৰ সৈতে সহাৱস্থান কৰিব পৰাকৈ। সুখ-দুখৰ সংজ্ঞা দিব পৰাকৈ এতিয়া তাই উপলব্ধি কৰে বাস্তৱৰ নিদাৰুণ সত্য। অথচ আজিৰ পৰা সাতটা বছৰৰ আগতে তাই চিন্তা কৰিব পৰা অৱস্থাত নাছিল এই জটিল যেন লগা কথাবোৰ। মাথো দেখি গৈছিল সপোনৰ উপৰি সপোন। তাইৰ চৌপাশে থকা উচ্চাকাংক্ষী সপোনবোৰে হাতবাউলি মাতিছিল। উচ্চাভিলাষী মনটো তাইৰ অস্থিৰ হৈ উঠিছিল। অতি বেছি উচ্চাকাংক্ষায়ো মানুহৰ জীৱনলৈ নমাই আনে নেকি অভিশাপ? এই কথা এতিয়া তাই বাৰে বাৰে নিজকে সোধে। এৰা, সময়ে মানুহক বৰ একাকী কৰি থৈ যায়। জোনাকে প্ৰায়ে কয় তাইক, অতীতৰ সেই ঘটনাবোৰ বেয়া সপোনৰ দৰেই পাহৰি যাবলৈ চেষ্টা কৰাচোন। সেই অতীত তোমাৰ বাবে মাথো এক যন্ত্ৰণা। বৰ্তমানৰ সৈতে জীয়াই থাকিবলৈ শিকা। তথাপিও দেখোন মাজে মাজে তাই নিজকে প্ৰবোধ দিব নোৱৰা হয়। জোনাকৰ কথাবোৰ শুনি থকা সময়ছোৱাত তাইৰ মনটো শান্ত নদী এখনৰ পানীৰ দৰেই স্থিৰ হৈ পৰে। পিছমুহূৰ্ততে কি হৈ যায়, তাই ঠিক ধৰিব নোৱাৰে। যেন বাৰিষাৰ ফেনে ফুটুকাৰে বাঢ়ি অহা এখন বৰা নদী। মোহাৰি সামৰি সকলো নিজৰ বুকুত আকোঁৱালি লব খোজে। আপ্ৰাণ চেষ্টা কৰে তাই কথাবোৰ পাহৰিবলৈ। কিন্তু বৃথা। নিষ্ঠুৰ সময়ৰ স্বাক্ষৰ যে বিদ্যমান অহৰহ তাইৰ চকুৰ সমুখত। কেনেকৈ পাহৰিব পাৰি? সৌ সিদিনাখন ঘটা ঘটনাটোৰ দৰেই আজিও সজীৱ, তাইৰ স্মৃতিৰ

কুঁৱলীৰে ঢকা গছবোৰৰ পাতৰ আগেৰে ওলমি থকা এই সৰো এই সৰোকৈ থকা নিয়ৰৰ মুকুতাৰ বতাহজাকৰ লগে লগে সৰি পৰিছে দুৱৰিৰ দলিচাত। তাৰেই ফলশ্ৰুতিত সৃষ্টি হৈছে এটি শ্ৰুতিমধুৰ শব্দ। টুপ্ টুপ্... কাণ উনাই শুনিব নলগা সত্বেও খুব মনোযোগেৰে শুনিছে নিয়ৰে এই শব্দ।



একাঁজলি তলসৰা শুভ্ৰ শেৱালি লৈ উভতি আহিল জোনাক। শেৱালিমুঠি তাইৰ কোলাত আলফুলে সিঁচি দি সি ক'লে, তলসৰা শেৱালিয়ে জানো হেৰুৱাই পেলায়, নিজস্ব সুগন্ধ? নিশাৰ মায়াবী সৌন্দৰ্যক মনোমোহা সৌন্দৰ্যক মনোমোহা



মণিকোঠাত ৰৈ যোৱা এখন যুগমীয়া ছবিৰ দৰেই মুহূৰ্তটো, তাৰপিছৰ অৱস্থা আৰু আজিৰ এই পৰ্যায়। মনৰ মাজত দোলা দিছেহি সাতবছৰৰ আগৰ সেই দিনটোৰ প্ৰতিচ্ছবিয়ে।

এগৰাকী প্ৰতিভাবান নৃত্যশিল্পী আছিল নিয়ৰ হাজৰিকা। দুবৰিৰ বুকুত উজলি উঠা পুৱাৰ নিয়ৰ টোপালৰ দৰেই সপ্ৰতিভ মুখৰ ছোৱালীজনীয়ে খুউব সুন্দৰ নাচিছিল। এগৰাকী নামজ্বলা নৃত্যশিল্পী হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টাৰ সামান্যও ত্ৰুটি কৰা নাছিল তাই। নৃত্যচৰ্চাৰ সমান্তৰালকৈ তাই অব্যাহত ৰাখিছিল নিজৰ পঢ়া-শুনাও। ইতিমধ্যেই এগৰাকী উদীয়মান নৃত্যশিল্পী হিচাপে তাই প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হৈছিল। সেইবাৰ তাই আছিল স্নাতক চূড়ান্ত বৰ্ষৰ ছাত্ৰী। চূড়ান্ত পৰীক্ষা দিয়ে তাই নৃত্যৰ এটা বিশেষ প্ৰশিক্ষণৰ বাবে আমেৰিকালৈ যোৱাৰ সিদ্ধান্ত লৈছিল। ইমানদিনে দেখি অহা সপোনটো পূৰ্ণ হোৱাৰ দিশত তাই আৰু এঢাপ আগুৱাইছিল। আনন্দৰ আতিশয্যত থৌকি-বাথৌ লাগিছিল তাইৰ হিয়া। সকলো ফালৰপৰা নিজকে প্ৰস্তুত কৰিছিল তাই। স্নাতক চূড়ান্ত পৰীক্ষা শেষ কৰাৰ দুদিনমান পিছতে তাইক আচৰিত কৰি দি আমন্ত্ৰণ আহিছিল সুদূৰ কলিকতাৰ পৰা। কলিকতাৰ এটা নামজ্বলা সংগঠনে আয়োজন কৰা নৃত্যানুষ্ঠানত ভাগ ল'বৰ বাবে আমন্ত্ৰণ আহিছিল তাইলৈ। ভাৰতৰ বিভিন্ন ঠাইৰ বাছ বাছ শিল্পীয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানত একমাত্ৰ তায়েই আছিল অসমৰ প্ৰতিনিধি। অভাৱনীয়ভাৱে পোৱা এই আমন্ত্ৰণে উৎফুল্লিত কৰি তুলিছিল তাইৰ লগতে ঘৰখনৰ সদস্য তথা শুভাকাংখীসকলকো। কলিকতাৰ পৰা আহিয়ে আমেৰিকালৈ যোৱাৰ পৰিকল্পনা কৰিছিল তাই। দেউতাকক যাৱতীয় কাম-কাজসমূহ সম্পন্ন কৰিবলৈ দি মোমায়েকৰ স'তে তাই ৰাওনা হৈছিল কলিকতালৈ। তিনিদিনীয়াকৈ আয়োজন কৰা অনুষ্ঠানত তাই পৰিৱেশন কৰা নৃত্যই সকলোৰে সমাদৰ লাভ কৰাৰ সমান্তৰালকৈ অসমলৈও কঢ়িয়াই আনিছিল গৌৰৱৰ বতৰা। এবুকু ভৰা সপোন লৈ তাই ঘূৰিছিল ঘৰ অভিমুখে। ঘৰত দুটামান দিন কটাইয়েই তাই উৰা মাৰিব লাগিব আকাংখিত স্বপ্নৰ দেশখনলৈ। কথাবোৰ কল্পনা কৰি অজান শিহৰণত শিহৰিত হৈ উঠিছিল তাইৰ হৃদয়। কিন্তু.....! এইসকলো উৎসাহ আনন্দ যেন পলকতে মিহলি হৈ পৰিছিল ধূলিৰ স'তে। ভাগিছিগি থানবান হৈ পৰিছিল তাইৰ কল্পনাৰ নীলৰঙী কাঁচঘৰটো। তাচপাতৰ দৰেই খহি পৰিছিল সকলো সপোন। কলিকতাৰ পৰা অসম অভিমুখী সিহঁত উঠি অহা ট্ৰেইনখন দুৰ্ঘটনাত পতিত হৈছিল। কেইবাটাও দবা লাইনচ্যুত হৈ বাগৰি পৰিছিল। মৃত্যু হৈছিল ভালেমান লোকৰ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল বহুলোক। নিয়ৰহঁত উঠি অহা দবাটোও লাইনচ্যুত হৈ ছিটিকি পৰিছিল। প্ৰচণ্ড আঘাতত তাই মুহূৰ্তত জ্ঞান হেৰুৱাই পেলাইছিল।

যেতিয়া জ্ঞান ঘূৰাই পাইছিল নিয়ৰে তেতিয়া তাই নিজকে আৱিষ্কাৰ কৰিছিল হস্পিটালৰ বগা বেডত। তাইক আগুৰি চৌপাশে দেখিছিল এজাক শুভাকাংক্ষী। সকলোৰে চকুবোৰ সিক্ত। বিছনাৰ পৰা উঠি বহিব খুজিছিল তাই। মাকক সুধিছিল, মা মামা ক'ত? নিঃশব্দে কান্দোনত ভাগি পৰিছিল মাক। কেনেকৈ জনাব তাইক তেওঁ সেই নিষ্ঠুৰ সত্যটো। মোমায়েক যে আৰু জীৱিত অৱস্থাত নাই। মাকৰ কান্দোনে তাইক বিচলিত কৰি তুলিছিল। নকলেও বুজি উঠিছিল তাই সেই কথা। কিন্তু তাতোকৈ ভয়ানক সত্য এটা যে তাইৰ বাবে ৰৈ আছে। সেইকথা সামান্যও ভবা নাছিল তাই। যেতিয়া গম পাইছিল এইকথা তাই, পুনৰ অজ্ঞান হৈ পৰিছিল তাই।

পুনৰ জ্ঞান ঘূৰাই পাই নিয়ৰে মাকক সাৱটি উচুপি উঠিছিল। কিয় মা, কিয় এনে হ'ল মোৰ? দুৰ্ঘটনাটোত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল নিয়ৰ। আৰু থিতাতে প্ৰাণ হেৰুৱাইছিল তাইৰ মোমায়েক। দুৰ্ঘটনাটোৱে চিৰদিনৰ বাবে কাঢ়ি লৈ গ'ল তাইৰ ভৰি দুখন। আকোঁৱালি ল'ব চিৰজীৱনৰ বাবে অকাল পংগুত্বক। শেষ হৈ গৈছিল তাইৰ নিজকে প্ৰতিষ্ঠা কৰাৰ সপোন; বিখ্যাত হেপাঁহ। মই মৰি যোৱা হ'লেই ভাল আছিল বুলি কৈ দুৰ্বাৰ কান্দোন ভাগি পৰিছিল নিয়ৰ। মৰি যোৱা সেই





সপোনবোৰৰ ধ্বংসাৱশেষ লৈ তাই কেনেকৈ কটাব জীৱন? বাৰে বাৰে একেটা প্ৰশ্নই জুমুৰি দি ধৰিছিল তাইক। তথাপিও মানি ল'বলৈ চেষ্টা কৰিছিল, নিষ্ঠুৰ বাস্তৱক। আৰুতো বিকল্প নাই।

জীৱনৰ আগভাগতে প্ৰচণ্ড বামাৰলিস্বৰূপ হৈ অহা দুৰ্ঘটনাটোৱে শাৰিৰীক, মানসিকভাৱে সম্পূৰ্ণ বিধ্বস্ত কৰি যোৱাৰ সময়তে নিয়ৰৰ জীৱনলৈ আহিছিল জোনাক। শান্ত, সমাহিত, উদাৰ মনোবৃত্তিৰ এই ল'ৰাজনে তাইক সাহস দিছিল, লোকচক্ষুৰ আঁৰত প্ৰতিফলিত হোৱা অৱহেলাৰ ভাব নোহোৱা কৰিবলৈ তাইক আগবঢ়াই নিছিল জীৱনৰ বাটত। পৰিবৰ্তন অনুভৱ কৰিছিল নিয়ৰে। জোনাকৰ সান্নিধ্যই তাইক প্ৰচণ্ড সাহসী কৰি তুলিছিল, জীৱনৰ প্ৰতি বীতশ্ৰদ্ধ হৈ পৰা ছোৱালীজনীয়ে জীৱনক ভালপাবলৈ শিকিছিল। এবুকু ভালপোৱাৰ উত্তাপেৰে উত্তাপিত হৈ উঠিব ধৰিছিল নিয়ৰৰ হৃদয়। অ হয়তো জোনাকৰো হৈছিল তেনে। আৰু এদিন....। সকলো প্ৰতিকূলতা নেওচি জোনাকে তাইক নিজৰ কৰি লৈছিল। তাইৰ বাবে জোনাক যেন এখন বিশাল আকাশ, সেই আকাশৰ তলত এৰি দিছে নিজকে। সকলো দিছে জোনাকে তাইক। নোপোৱা বেদনা মচি প্ৰজ্ঞাৰ চাকিগছি জ্বলাই দিছে নীৰৱে জোনাকে তাইৰ হৃদয় বেদীত। আজি আৰু একো দুখেই অনুভূত নহয়, তাইৰ হৃদয়ত। তথাপি কৰুণ অতীতৰ কাহিনী ৰোমন্থন কৰিলে আজিও ছটফটাই উঠে তাইৰ ভিতৰৰ মানুহজনী।



কান্ধত কাৰোবাৰ মৃদু স্পৰ্শ অনুভৱ কৰি সঁচকিত হৈউঠিল নিয়ৰ।

নী, কি ভাবি আছা এনেকৈ?

জোনাক আহি ৰৈছেহি তাইৰ কাষত

কিছু সহজ হ'বৰ চেষ্টা কৰি তাই ক'লে, নাই একো ভবা নাই। চোৱাচোন, শেৱালিবোৰ কি সুন্দৰকৈ সৰি আছে।

জোনাক আগবাঢ়ি গ'ল শেৱালিজোপাৰ কাষলৈ।

একাঁজলি তলসৰা শুভ্ৰ শেৱালি লৈ উভতি আহিল জোনাক। শেৱালিমুঠি তাইৰ কোলাত আলফুলে সিঁচি দি সি ক'লে, তলসৰা শেৱালিয়ে জানো হেৰুৱাই পেলায়, নিজস্ব সুগন্ধ? নিশাৰ মায়াবী সৌন্দৰ্যক মনোমোহা সৌন্দৰ্যক মনোমোহা কৰি তোলে ই পাহি মেলি ফুলি। আৰু ...... আৰু পুৱা দুবৰিৰ বুকুত সৰি পৰিও ই জানো হেৰুৱাই পেলায় নিজস্ব গুণ? শেৱালি সদায় শেৱালিয়েই, নিশাৰ সদ্যযৌৱনা শেৱালিয়েই হওক বা পুৱাৰ তলসৰা শেৱালি। ঠিক সেইদৰে তুমিও নিজকে এপাহ শেৱালি হিচাপে কল্পনা কৰাচোন। তুমি নিশাফুলা অথবা পুৱা। তলসৰা শেৱালি নহয়; তোমাৰ পৰিচয় মাথো শেৱালি। শেৱালিৰ বাবেই জানো জোনাকৰ জন্ম হোৱা নাই?

জোনাকে তাইৰ দুচকুলৈ চায়।

নিয়ৰৰ দুচকুৰে নিগৰি আহিব ধৰা চকুলো দুটোপাল আলফুলে মচি দি জোনাকে ক'লে, ধুমুহাত বিধ্বস্ত হৈও ভাগি নপৰা গছৰ দৰে হোৱা যি দুহাত প্ৰসাৰিত কৰি আকাশৰ বুকুলৈ মুৰ তুলি চায় বয় অপৰাজেয় হৈ।

জোনাকৰ বহল বুকুখনৰ মাজত মুচি মুচি সোমাই পৰে নিয়ৰ।

সেমেকা বতাহ এছাটি ৰিৰৰিৰকৈ বৈ গ'ল। টুপ্ টুপ্ কৈ পাতৰ আগেৰে তেতিয়াও সৰিছিল কৰবাত দুই এটোপাল নিয়ৰ। □



# পৰিণয়

**প্ৰাণজিৎ শইকীয়া**
*স্নাতক দ্বিতীয় বৰ্ষ (বাণিজ্য শাখা)*

ৰাখীয়ে ঘৰটো সাৰি-পুচি হাত-মুখ ধুবলৈ বাথৰুমলৈ সোমাই গ'ল। তাৰপিছত তাই মাক-দেউতাক ভনীয়েক আৰু ভায়েকৰ লগত ওচৰৰে বৰুৱাৰ ঘৰলৈ সৰু ছোৱালী এজনীৰ সম্মদিনৰ কাৰণে দিয়া পাৰ্টীটোলৈ ওলাই গ'ল। হাত-মুখ ধুই মুখখন মচি ৰাখীয়ে ফণীখন লৈ আইনাৰ আগত থিয় হ'ল। আজিকালি ৰাখীয়ে আইনাৰ আগত নিজৰ মুখখন চাবলৈকে ভয় কৰে। তাইৰ মুখখন বহুতো দাগেৰে ভৰা আৰু কোচ-মোচ খোৱা চালখনেৰে তাইৰ দেহাটোৱে ঘৰখনক যে কিমান কষ্ট দিছে আনে নকলেও তাই বুজি পায়। তেতিয়া ৰাখীয়ে তাইৰ নিজৰ ওপৰতে পুতৌ জন্মে। কি প্ৰয়োজন আছিল মোক ডাঙৰ দীঘল কৰিবলৈ? তেতিয়া তাই মাক দেউতাকৰ ওপৰত খং উঠি যায়। কেতিয়াবা তাই আত্মহত্যাৰ কথা নভৱাও নহয়। কিন্তু ইয়াৰ বাবে প্ৰয়োজনীয় সাহসৰ অভাৱ। তদুপৰি তাইৰ আছে নিজৰ প্ৰতি এটা গোপন ভালপোৱা।

কিন্তু ৰাখীয়ে আজিকালি মানুহৰ লগত কথা বতৰা পাতিবলৈকে ভাল নাপায়। কিবা এটা অজান ক্ষোভ আৰু অপমান পাই তাই যেন লাহে লাহে মানুহৰ মাজৰ পৰা আঁতৰি আহিছে। আজিকালি ৰাখীয়ে নিঃসংগতাৰ সংগী হিচাপে নৰকান্ত বৰুৱাৰ কবিতা আবৃত্তি কৰি ভালপোৱাৰ লগতে নিজেও কবিতা লিখিবলৈ আৰম্ভ কৰিছে। নৰকান্ত বৰুৱাৰ কবিতাৰ মাজত কেতিয়াবা তাই নিজকে ভাল পায়।

চাৰিমাহৰ পিছত ৰাখীৰ ভনীয়েকৰ বিয়া। ঘৰত ডাঙৰ জীয়ৰী হিচাপে ৰাখীৰ বিয়াৰ বাবে বাট চাই থাকোঁতে মাক-দেউতাকৰ আমনি লাগিল। অৱশেষত মাক-দেউতাকে সেই চিন্তা বাদ দিলে। ৰাখীৰ ভনীয়েকৰ সৈতে ক'ৰবালৈ ওলাই গ'লে মানুহে তাইক পুতৌ দৃষ্টিৰে চালে তাই সহ্য কৰিব নোৱাৰে। একে মাতৃৰ গৰ্ভত জন্ম হৈও কিয় এই শাৰীৰিক বৈসাদৃশ্য। কেতিয়াবা তাইৰ ভগৱানৰ ওপৰত বৰ খং উঠে। সেয়েহে আজিকালি ৰাখীয়ে মানুহৰ দৃষ্টিৰ পৰা আঁতৰি থাকিবলৈ বুলিয়েই বৰকৈ ফুৰিবলৈ নাযায়।

কাইলৈ সিহঁতৰ গাঁওখনত দুদিনীয়াকৈ এখন কবিতাৰ কৰ্মশালা অনুষ্ঠিত হ'ব। তাই মেজৰ ওপৰত নিমন্ত্ৰণী পত্ৰ দেখি কথাটো মনত পৰিল। আজিকালি ৰাখীয়ে বাতৰি কাকত, আলোচনী আদিত কবিতা লিখি ভাল নাম কৰিছে।

কৰ্মশালাত কবিতা পাঠদান কৰিবলৈ ৰাখীক আমন্ত্ৰণ কৰিছে। ৰাজ্যখনৰ প্ৰায়বিলাক আগশাৰীৰ কবিয়েই তাত ভাগ লোৱাৰ কথা। তালৈ আহিব লগা আছে ৰাখীৰ কবিতাৰ মাজেদি নিবিড় সম্পৰ্ক গঢ়ি উঠা প্ৰতিষ্ঠিত কবি গগন চন্দ্ৰ অধিকাৰী। তেওঁৰ কথা মনত পৰি ৰাখীৰ মনটো অবুজ মনেৰে অবুজ আনন্দৰে ভৰি পৰিল।

ৰাখীয়ে আগেয়ে লিখি ৰাখি থোৱা জন্ম টা কবিতা নিৰ্বাচন কৰি ভালকৈ লিখি লওঁ বুলি ড্ৰেছিং টেবুলৰ কাষলৈ যাওঁতেই আইনাত নিজৰ প্ৰতিবিম্বিত দৃষ্টি নিবদ্ধ হ'ল। ৰাখীৰ মনত নিমিষতে গঢ়ি উঠা আনন্দৰ জোৱাৰবোৰ মাৰ গ'ল। তেতিয়া ৰাখীয়ে ভাবে- মোৰ এই শাৰীৰিক অৱয়ব দেখি গগন চন্দ্ৰ অধিকাৰীয়ে ঘিন নকৰেতো। কবিসকলে অৱশ্যে মানুহক অন্তদৃষ্টিৰে চাব পাৰে। গগন চন্দ্ৰ অধিকাৰী বাৰু তেনে এজন কবিয়েই নহ'বনে? চাৰি বছৰ আগতেই তাইৰ কবিতাসমূহ যেতিয়া কাকতে-পত্ৰই প্ৰকাশ হৈছিল, তেতিয়াই তাই গগন চন্দ্ৰ অধিকাৰীৰ পৰা উচ্চ প্ৰশংসামুখৰ এখন চিঠি পাইছিল। গগন চন্দ্ৰ অধিকাৰীয়ে হেনো তাইৰ কবিতাৰ প্ৰেমত পৰিছে।

আজি ন-পুৰণি কবিসকল সন্মিলনত। চিনাকী-পৰ্ব আৰম্ভ হৈছে। তেতিয়া ৰাখীয়ে গগন চন্দ্ৰ অধিকাৰীৰ মুখলৈ চালে। ৰাখীয়ে ওখ-পাখ সুন্দৰ চেহেৰাৰ গগন চন্দ্ৰক দেখি তাইৰ নিজৰ চেহেৰাৰ কথা ভাবি মনটো সংকোচেৰে ভৰি পৰিল। গগন চন্দ্ৰ অধিকাৰীৰ কবিতাৰ পিছতেই ৰাখীকো মঞ্চলৈ মতা হ'ল। তেতিয়া ৰাখীয়ে উগুল-থুগুল মন এটা লৈ মঞ্চলৈ উঠি আহিল। কবিতা পাঠ শেষ হোৱাৰ পিছত সকলোৰে হাত চাপৰি পৰিল আৰু লগতে তাই দেখে যে বহুতৰে মাজত গগন চন্দ্ৰয়ো অতি উৎসাহেৰে হাত চাপৰি মাৰিছে।

সভাৰ শেষত গগন চন্দ্ৰ অধিকাৰীয়ে তাইক এক নিবিড় পৰিবেশত লগ ধৰিলে। ৰাখী আৰু তেওঁ কেইটামান অতি নিৰিবিলি মুহূৰ্তৰে পাৰ কৰাৰ পিছত ৰাখীক প্ৰতিষ্ঠিত কবিজনে আচৰিত কৰি তাইক বিয়াৰ প্ৰস্তাৱ আগবঢ়ালে। ৰাখীয়ে তেতিয়া প্ৰথমে এক অবুজ ভয় ভাবেৰে তাইক অবাক কৰি তুলিছিল যদিও পিছলৈ ওলাই অহা এচেৰেঙা পুৱা ৰঙা ৰ'দ তাইৰ গালে-মুখে ফুটি উঠিল। ❑







# জীৱনৰ বাটত

**ৰাখী বকলিয়াল**
*স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)*

জীৱনটোনো আচলতে কি? তাকে ভাবি ভাবি ঘৰৰ আগফালে থকা কৃষ্ণচূড়া গছজোপাৰ তলতে বহি আছে ৰবিন। সেই সময়তে ৰবিনৰ বন্ধু কিৰণ আহি ৰবিনৰ ওচৰ পালেহি।

কিৰণ ঃ ঐ ৰবিন কেৰম খেলোঁগৈ বল।

ৰবিন ঃ নাই, নাযাওঁ অ', আজি মনটো ভাল লগা নাই।

কিৰণ ঃ কিনো হ'ল, তো আকৌ আজি?

ৰবিন ঃ নাই, এনেয়ে.........?

কিৰণ আৰু ৰবিন সদায় একেলগে গধূলি সময়ত তিনিআলিৰ মূৰত কেৰম খেলিবলৈ যায়। সেইদিনা কিৰণে লগ ধৰাত ৰবিনৰ ওলাই যাবলৈ মন নগ'ল। কাৰণ সেইদিনা ৰবিনৰ মনটো আন এক বিৰল চিন্তাই আগুৰি ধৰিছে। ৰবিনে স্নাতক ডিগ্ৰী লৈ কলেজৰ পৰা ওলোৱা প্ৰায় দুবছৰেই হ'ল। এতিয়াও সি নিজৰ বুলি একো এটা কৰিব পৰা নাই। সি ভাবিবলৈ ল'লে যে যদি সি গোটেই জীৱনটো মাক-দেউতাকৰ বোজা হৈ কটাবলগীয়া হয়, তেন্তে তাৰ স্নাতক ডিগ্ৰী ধৰি জীৱনটোৰ অৰ্থই বা কি? এনেবোৰ চিন্তাই দিনক দিনে তাৰ মনটো বেছি গভীৰ কৰি ৰাখিবলৈ ধৰিলে। জীৱনটোক কৰ্মৰত কৰি তুলিবলৈ সি চেষ্টা নকৰা নহয়; কিন্তু চেষ্টাৰ ফলহে সি পোৱা নাই। ইণ্টাৰভিউ দি দি তাৰ আমনি লাগিছে আৰু কিমান ইণ্টাৰভিউ দিব? ইণ্টাৰভিউ দিয়ে, চাকৰি হ'ব বুলি কয় কিন্তু চাকৰি নহয়। ইণ্টাৰভিউ দিবলৈ যাওঁতে তাক বাপেকে বাটখৰচৰ বাবে যি পইচা দিয়ে, সেই পইচাত মহাত্মা গান্ধীৰ ঠাইত তাৰ বাপেকৰ ফটো থকা যেনহে অনুভৱ হয়। কিন্তু বাপেকৰ পৰা টকা নল'লেও নহ'ব লবটো লাগিবই।

তাৰ কষ্টই কিন্তু এদিন তাক মিঠা ফল দিলে। হয়, তাৰ জীৱনৰ বাটত খোজ দি আগবাঢ়োতে সি বহুত উজুতি খাইছে, তেজো ওলাইছে। কিন্তু, কেতিয়াবা যে উজুতি খায় তেজৰ ঠাইত তেল ওলাব পাৰে সি ভবাই নাছিল।

সেইদিনা আছিল সোমবাৰ, ৰবিন আনদিনাৰ দৰে সেইদিনাও কিবা ভাবি ভাবি নিজৰ কোঠাতে সোমায় আছিল। এনে সময়তে সিহঁতৰ ঘৰৰ বেৰত লাগি থকা কলিং বেলটো বাজি উঠিল টিং টিং......। ৰবিনে ভাবিলে যে এই দুপৰীয়া সময়ত কিৰণৰ বাহিৰে সিহঁতৰ ঘৰলৈ আন কোনো নাহে। গতিকে সি ভিতৰৰ পৰাই মাত লগালে...... "দুৱাৰ খোলা আছে; সোমায় আহ", আকৌ কলিং বেলৰ শব্দ "টিং টিং"......, ৰবিনে আকৌ ভিতৰৰ পৰাই মাত লগালে "সোমাই নাহ কিয়!" আকৌ সেই একেই কলিং বেলৰ শব্দ। এইবাৰ ৰবিন কোঠাৰ পৰা বাহিৰলৈ ওলাই গ'ল, সি দেখিলে যে বাহিৰত সেয়া তাৰ বন্ধু কিৰণ নহয়, ডাকঘৰৰ চিঠি বিলাই ফুৰা পিয়নজনহে।

- ৰবিন হাজৰিকা হয়নে?
- হয়। কওঁকচোন.......
- আপোনাৰ এখন চিঠি আছে
- মোৰ চিঠি

এইবুলি সি পিয়নজনৰ হাতৰ পৰা চিঠিখনলৈ পঢ়ি চায় দেখিলে যে সেইখন আন কাৰো চিঠি নহয়, সেই অলপদিনৰ আগতে ইণ্টাৰভিউ দি থৈ অহা অসম সৰ্বশিক্ষা অভিযান মিছনৰ পৰা সেইখন হ'ল চাকৰিৰ যোগদান পত্ৰ। সেই পত্ৰখন পাই ৰবিনৰ এনেকুৱা লাগিল যে সি হাতেৰে সৰগহে ঢুকি পালে। সি তাৰ সেই সু-খবৰ মাক দেউতাকক শুনালে। তাৰ এই সু-খবৰটো শুনি মাক-দেউতাকৰ মুখত হাঁহি বিৰিঙিল। সেই দিনাৰপৰা ৰবিনে জীৱনটোৰ বাটত উজুতি নোখোৱা হ'ল আৰু মাক-দেউতাকৰ সৈতে এটা সুখী জীৱনৰ পাতনি মেলিলে। সেয়েহে এতিয়া ৰবিনে অনুভৱ কৰিব পাৰিছে যে কষ্টৰ ফল সঁচাকৈ বৰ মিঠা। সেই বাবে ৰবিনে কৈছে মনুষ্য জীৱনত সকলোৱে কষ্ট কৰিব লাগে। কষ্ট অবিহনে জীৱনটো মিছা। কষ্ট কৰি গ'লে পিছলৈ জীৱনটো মসৃণ হয়। ❑



# প্ৰেম মানে...

শ্ৰীমতী লাকী বৰা
*স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ*

অসমৰ বুকুৰ মাজেদি বৈ যোৱা মহাবাহু ব্ৰহ্মপুত্ৰ নদীৰ দাঁতি কাষৰ এখন সৰু গাঁৱৰ নাম ঢলপুৰ। চহৰৰ পৰা নিলগত হ'লেও গাওঁখন শিক্ষা-দীক্ষা, সাহিত্য-সংস্কৃতি, বেপাৰ-বাণিজ্য আদিৰ ক্ষেত্ৰত আগবঢ়া। তাতোকৈ ডাঙৰ কথা হৈছে এই গাওঁখনত বাস কৰা সকলো মানুহ মাজত অত্যন্ত মিলাপ্ৰীতি আৰু আনৰ সুখ-দুখৰ ভাগ আতায়ে লয়। এই গাঁৱতে এজন দুখীয়া খেতিয়ক আছিল, নাম ৰামেশ্বৰ গগৈ। ৰামেশ্বৰৰ দুটি সন্তান পাখী আৰু ৰাজ দুয়োটাই বৰ চোকা। ৰাজ এইবাৰ নৱম শ্ৰেণী। আৰু পাখী এইবাৰ হাইস্কুল শিক্ষান্ত পাছ কৰিছে। ৰামেশ্বৰ সাধাৰণ খেতিয়ক আছিল যদিও ল'ৰা-ছোৱালী দুয়োটাক পঢ়া-শুনা ক্ষেত্ৰত অকণো অসুবিধা হ'বলৈ দিয়া নাছিল।





ৰামেশ্বৰৰ বৰ আশা আছিল পাখী চহৰত পঢ়ি-শুনি ডাঙৰ মানুহ হোৱাৰ। সেয়েহে তেওঁ ভবা মতে পাখীক ডিব্ৰুগড় চহৰত থকা ডিব্ৰু মহাবিদ্যালয়ত নাম লগায় দিলে। আৰু পাখীৰ থকা-মেলা সকলো ব্যৱস্থা তেওঁ সম্বন্ধীয় ভনীয়েক জুলী পাখীৰ মাহীয়েক ঘৰত কৰি দিলে।

শাওনৰ মাহৰ এটা শান্ত-স্নিগ্ধ এটা সুন্দৰ ৰাতিপুৱা (ইংৰাজী জুলাই মাহ)। পাখীয়ে মাহীয়েক ঘৰৰ বাৰাণ্ডাৰ চকীখনত বহি থাকোঁতে মাহীয়েক জুলীয়ে তাই হাতত একাপ চাহ হাতত তুলি দিলে। পাখীয়ে চাহ কাপ হাতত লৈ আকাশলৈ চালে কিযে অপৰূপ সৌন্দৰ্য সূৰ্যদেৱতাই কেনেদৰে আই ধৰিত্ৰীক মিচিকিয়া হাঁহিৰে দিনটোৰ বাবে শুভ কামনা জনাইছে। আকাশলৈ চাই মনটো বৰ ভাল লাগি গ'ল। ঠিক সেই সময়তে মাহীয়েকে মাত লগালে পাখী ৮ (আঠ) বাজিলে কলেজ যাব হ'ল গা-ধুই লোৱা। ডিঙিত তাৱেলখন লৈ তাই গা-ধুবলৈ ওলায় গ'ল পাখীয়ে এখোজ-দুখোজকৈ আগবাঢ়িল সেই মাধুৰ্যৰে ভৰা 'কলেজ' নামৰ শিক্ষানুষ্ঠানটোলৈ, ইফালে জীৱনৰ প্ৰথম কলেজীয়া দিন পৰম আনন্দ, আনহাতে 'ৰেগিং' নামৰ এই অক্ষমনীয় কেলেংকাৰী শব্দটোৱে পাখীৰ বুকুত বাৰে বাৰে খুন্দা মাৰিছিলে।

এইদৰে তাই ৰেগিঙৰ কথা ভাবি ভাবি কলেজ পালেহি। ৰিক্সাৰ পৰা নামি তাই কলেজৰ গেটৰ ওপৰলৈ মূৰ তুলি চালে— ডিব্ৰু মহাবিদ্যালয়, ডিব্ৰুগড়, স্থাপিত ১৯৬৩ চনত বুলি লিখা আছিল। পাখী এখোজ দুখোজকৈ গৈ ক্লাছ ৰূমত সোমালে। তাই ক্লাছ ৰূমত সোমায় চাৰিওফালে এবাৰ চকু ফুৰালে কিজানি বা তাই চিনাকি কোনোবা পায় কিন্তু নাই কোনো চিনাকি নোলালে। মাত্ৰ জুম পাতি বহি থকা ল'ৰাজাকৰ মাজৰ পৰা এজন ল'ৰাই তাইলৈ চাই মিচিকিয়া হাঁহি এটা মাৰিলে তাইও সেই হাঁহিৰ সঁহাৰি জনালে। তাই প্ৰথম বেঞ্চত বেগটো থ'বলৈ লওতে কোনোবা কেইজনমানে পাছফালৰ পৰা মাত লগালে। এইফালে আহাচোন বুলি মতা মাত শুনি তাই ঘূৰি চালে বোধহয় তাইকে মাতিছে। এইবাৰ আৰু ৰক্ষা নাই, বুকুৰ ধপ্ ধপ্নি শব্দটোৱে এইবাৰ বুকুৰ একেবাৰে কলিজাত ঢুকি পালেগৈ। তাই ল'ৰাকেইজনৰ ওচৰলৈ গ'ল। তাই পৰিচয়টো লোৱাৰ পাছত সিহঁতৰ মাজৰ পৰা সেই মিচিকিয়া হাঁহি মৰা ল'ৰাজন আগবাঢ়ি আহিল। ল'ৰাজন দেখাই শুনাই এজন সুন্দৰ ডেকা আৰু ভদ্ৰ যেন দেখা গৈছিল। তেওঁৰ এটা গুণ আছিল তেওঁৰ মুখত অমৃত বৰষা মাত আৰু মৌ-মিঠা হাঁহি এটা মুখত লাগি থাকে। তেওঁ মোৰ ওচৰলৈ আহি সুধিলে—

ঃ তোমাৰ নাম কি?

ঃ মোৰ নাম পাখী মানে পাখী গগৈ।

ঃ তোমাৰ কি কি Subjects আছে।

ঃ অসমীয়া, ইংৰাজী, ঐচ্ছিক অসমীয়া, সমাজশাস্ত্ৰ, ৰাজনৈতিক বিজ্ঞান, শিক্ষা বুলি ক'লো। এনেদৰে বহুতো প্ৰশ্ন হোৱাৰ পাছত মই অলপ সাহস গোটাই সুধিলো—

ঃ যদি বেয়া নোপোৱা তোমালোকৰ নাম কেইটা ক'ব নেকি?

ঃ নাই নাই কিয় বেয়া পাম— বুলি গোটেই কেইটা ল'ৰা চিঞৰাৰ নিচিনাকৈ ক'লে কাৰণ আমি যেতিয়া একে ক্লাছ ফ্ৰেণ্ড। কাৰণ তুমি ভয়ে ভয়ে ক্লাছ ৰূমত সোমোৱাৰ বাবে অলপ ধেমালি কৰিলো বেয়া নাপাবা।

ঃ মোৰ নাম ৰাজু, বিকি, পল্লৱ, ভাস্কৰ... বুলি এজন এজনকৈ নাম কোৱা শেষত সেই ল'ৰাজনৰ নাম ক'লে—

ঃ মোৰ নাম ঋতুপৰ্ণ মানে ঋতুপৰ্ণ গগৈ।

এনেতে ১০.৪৫ বজাৰ অসমীয়াৰ প্ৰফেচাৰজন ক্লাচত প্ৰবেশ কৰাৰ বাবে আমি সকলোৱে নিজ নিজ বেঞ্চত বহি ল'লো। ছাৰে অসমীয়া লেকচাৰ আৰম্ভ কৰিলে, কিন্তু পাখী ৰেগিংৰ নামত থকা বুকুৰ সেই ধপ্ ধপ্নিটো তেতিয়াও যোৱা নাছিল। আৰু তাই ভাবিলে কি আচৰিত ল'ৰাকেইজন নিজৰ ক্লাচৰ হৈয়ো তাইক ৰেগিং কৰাৰ দৰে প্ৰশ্ন কৰিছিল আৰু তাই ইমান অধৈৰ্য, চিৰিয়েচ হৈ পৰিছিল। ল'ৰাকেইজন স'তে কথা পাতোঁতে ঋতুপৰ্ণ নামৰ সেই ল'ৰাজনৰ কথোপকথন চকুৰ আগত ভাঁহি আহিল। ইচ্ ইমান ধুনীয়া তাৰ অমৃত বৰষা মাত, মাতটোৱে যেন তাইক কিবা আপোন আপোন লাগিলে যেন তাই কোনোবা চিনাকিহে হয়। সু-স্বাস্থ্য, চুটি চুটিকৈ কটা ক'লা চুলি, ওখ-পাখ, সহজ তথা মসৃণ মুখাবয়ৱেৰে অপূৰ্ব সুন্দৰ দেখাইছিল তাক। অহংকাৰ আৰু স্পৰ্ধাৰ পৰিবৰ্তে তাৰ কথা বতৰাত ফুটি উঠিছিল শিশু সুলভ সৰলতা আৰু সকলোকে আপোন কৰি ল'ব পৰা প্ৰৱণতা এটা। সঁচাকৈয়ে ধুনীয়া...! এনেদৰে ভাবি থাকোতে অসমীয়া ছাৰজনে.... তেখেতৰ বহুমূলীয়া ক্লাচটো কৰি গুচি গ'ল। তাৰ পাছত আৰু তিনিটা ক্লাচ হোৱাৰ পাছত মোৰো ক্লাচ শেষ হ'ল।

পাছদিনা মোৰ ৯.১৫ বজাৰ পৰা ক্লাচ আছিল বাবে সোনকালে ওলালো। মোক সোনকালে ওলোৱা বাবে মাহীয়ে সুধিলে সোনকালে ক্লাচ আছে নেকি? মই ও বুলি কৈ খৰধৰকৈ ওলাবৰ বাবে চেষ্টা কৰিলো আৰু মাহীয়ে ৰান্ধি দিয়া ভাত কেইটামান খায় কলেজ পালোহি।



ঃ অ'ই পাখী, আহিলা— বুলি ঋতুপৰ্ণে মাতিলে।

ঃ ওঁ বুলি মই তৃপ্তিৰে এটি আদৰণি হাঁহি মাৰিলোঁ।

এনেদৰে দুয়ো ওপৰৰ ফ্লৰলৈ চিৰিয়েদি আগবাঢ়িলে। ক্লাচ আৰম্ভ হ'ল, এইদৰে দুটা ক্লাচ হ'ল, তাৰ পাছত এটা ক্লাচ আছিল যদিও মাজতে অফ.... আছিল।

ঃ পাখী! এতিয়া ক্লাচ অফ আছে কেণ্টিন যাওঁ বলা বুলি ঋতুপৰ্ণে মাতিলে। ঋতুপৰ্ণে ইমান ডাঙৰকৈ মাতিলে যে সকলোৱে শুনি হাঁহিলে। পাখী লাজত একেবাৰে ৰঙা চিঙা পৰি গৈছিল যদিও লগৰ ৰীমাও কেণ্টিনলৈ যাবলৈ ওলোৱাত তাই এটি হাঁহিৰে সন্মতি জনালে।

কেণ্টিনত কফি খায় থাকোঁতে ঋতুপৰ্ণে পাখীক বহুতো কিবা কিবি কথাৰ লগতে তাৰ মনৰ বহুতো কথা ক'লে। আচলতে তাৰ ঘৰ ইয়াত ওচৰৰেই মিলন নগৰ নামৰ ঠাই ডোখৰত। সেইবাবে সি বাইকেৰে অহা যোৱা কৰে। ধনীঘৰৰ মাক-দেউতাকৰ একমাত্ৰ ল'ৰা ঋতুপৰ্ণ। দেউতাক এজন ভাল ব্যৱসায়ী আৰু মাকে কোনোবা এটা অফিচত চাকৰি কৰে। দেউতাক এই চহৰত তেওঁ ব্যৱসায় বহুতো নাম আছে যদিও মাক-দেউতাকৰ কোনো ভেম ভাৱ নাই। তাৰ পৰিৱৰ্তে তেওঁলোক হেনো দুখীয়া মানুহক বহুতো সহায় কৰা লগতে কোনোবা দুখীয়া ল'ৰা-ছোৱালী মাক-দেউতাকে পঢ়াব-শুনাব নোৱাৰিলে তেওঁলোকে যিমান পাৰে পইচাপাতি দি সহায় কৰিছিল বুলি পাখীয়ে ঋতুপৰ্ণ মুখেদি শুনিছিল।

এইদৰে এটাবছৰ পাৰ হৈ গ'ল। এই এটা বছৰতে ঋতুপৰ্ণ আৰু পাখীৰ মাজত বন্ধুত্ব বাঢ়িল আৰু পাখীয়ে মনৰ কথা ঋতুপৰ্ণৰ আগত ফ্ৰি হৈ ক'ব পৰা হ'ল। আজিকালি তাই নিজকেই নিজে অনুভৱ কৰিছে, আচলতে কলেজীয়া জীৱন কি কাৰণে মধুৰ বুলি কয়। তাই যেতিয়াৰ পৰা জনা হৈছিল তেতিয়াৰ পৰা তাই নাজানে প্ৰেম মানে কি ঃ অকল ভালপোৱা নে এজন প্ৰকৃত বন্ধু নে তাইৰ সকলো কথা বুজি পোৱা, সুখ-দুখৰ সমভাগী হোৱা সকলো সময়তে তাই সংগী হৈ থকা। এতিয়াও কিন্তু সেই প্ৰশ্ন উত্তৰ বিচাৰি পোৱা নাছিল। কিয়নো তাই ঋতুপৰ্ণক নেদেখাকৈ থাকিব নোৱাৰা হৈ পৰিছে, কিয় জানো তাই বুকুৰ একোনত ঋতুপৰ্ণে আলাসৰে ঠাই লৈছে। তাই চেষ্টা কৰিয়ো তাৰ পৰা অলপ কৰি আঁতৰি আঁতৰি থাকে। আগৰ দৰে ফ্ৰি কথা পাতিব নোৱাৰে কাৰণ কিবা ক'লে সি বেয়া পায় আৰু তাইক নমতা হৈ তাই পৰা আঁতৰি যায় তাকে ভাবি সাৱধানে কথা পাতে। তাই বুজি পোৱা নাছিল তাৰ মানেই কিজানি প্ৰেম....., তাই নিজকে এজনী ব্যক্ত প্ৰেমিকা হিচাপে আৱিষ্কাৰ কৰিছিল। তাৰ আবেগ ভৰা চাৱনিয়ে তাইক জীয়াই থকাৰ প্ৰেৰণা দিছিল। কি জানো সিহঁত দুয়োটাৰ মাজত এক নিঃস্বাৰ্থ ভালপোৱা আৰু বিশ্বাসৰ ভেটি গঢ়ি উঠিছিল এক মধুৰ সম্পৰ্ক পাখীয়ে গমকেই নাপাইছিল।

ঋতুপৰ্ণেও পাখীক ইমান ভাল পাই পেলাইছিল যে তাই ভাবি আচৰিত হৈ পৰিছিল। পাখীয়ে তাক প্ৰতিদিনে লক্ষ্য কৰিছিল। মোৰ অনুপস্থিতিত তাৰ মন বৰ উদাৰ হৈ থাকে আৰু মোৰ উপস্থিতিয়ে তাৰ দুটি উঠেৰে হাঁহি বিৰিঙায়। এনেদৰে দুয়োৰেই মাজত প্ৰেমগভীৰ হৈ উঠিল। কিন্তু কোনোজনে প্ৰকাশ কৰিব পৰা নাই। ক্লাচত ভৰি দিওঁতে তাৰ মাতত আদৰণি হাঁহি পাওঁ।

ঃ পাখী আহিলা? এটি মিঠা আমেজভৰা মাতে মোকে উল্লাসিত কৰে দিনটোৰ বাবে।

ঃ এইফালে আহাচোন? বুলি ঋতুপৰ্ণে মাতিছিল পাখীয়ে গৈ তাৰ সৈতে বহি বহুতো কথা পাতিছিল।

পাখী আৰু ঋতুপৰ্ণে এইদৰে সুখ-দুখৰ কথা পাতি বহুত সুখৰ দিন কটাইছিল। কিন্তু সেই সুখৰ দিনত ভগৱানৰ কু-দৃষ্টি পৰিল। এবাৰ মহাবাহু ব্ৰহ্মপুত্ৰই কালৰূপ ধৰি দুয়ো পাৰ উপচাই গ'ল ঢলপুৰ নামৰ গাঁওখনৰ মাজেদি। ইয়াতেই অথন্তৰ ঘটিল। বানপানী শুকুৱাৰ পিছত সেই গাঁৱলৈ নামি আহিল ভয়ঙ্কৰ ৰূপত মহামাৰী আৰু এই মহামাৰীয়ে ৰামেশ্বৰ গগৈৰ সংসাৰখন থানবান কৰি পেলালে। পাখীৰ মৰমৰ মাকজনী এই মহামাৰী মেলেৰীয়া বেমাৰত প্ৰাণ হেৰুৱাব লগা হ'ল।





যেতিয়া পাখীয়ে এই খবৰ পালে লগে লগে মাহীক মহাকে গাড়ী ভাড়া কৰি লৈ পাখীক গাঁৱলৈ লৈ আহিল। পাখী কান্দি কান্দি পাগলীৰ দৰে হৈ পৰিছিল। তেতিয়া ৰাজ দশম শ্ৰেণীৰ ছাত্ৰ আছিল। পাখীয়ে কান্দি কান্দি দেউতাকক ক'লে দেউতা আমি মাতৃহাৰা হ'লো। কিন্তু দেউতাকে সিহঁতক ভাগি পৰিবলৈ নিদিলে। সিহঁতক বুকুৰ মাজত ৰাখি সান্ত্বনা দিলে আৰু পঢ়ি-শুনি ভাল ল'ৰা-ছোৱালী হ'বৰ কাৰণে প্ৰেৰণা যোগালে। মাকৰ সকাম হৈ যোৱাৰ পাছত পাখী ক দেউতাকৰ ওচৰত দুদিন মান থাকিবলৈ কয় মাহীয়েক মহাক চহৰলৈ গ'লগৈ। দেউতাকে খেতি কাম দিনক দিনে কৰিব নোৱাৰা হৈ অহাত ডাকঘৰত দেউতাকে সিহঁতৰ বাবে কিছু টকা সঞ্চয় কৰিবলৈ ধৰিলে। ভৱিষ্যতে সিহঁতৰ পঢ়া-শুনাত প্ৰয়োজন হ'ব বুলি। সেইদিনা আছিল অত্যন্ত গৰম। খেতিৰ পৰা কাম কৰি আহি ঘৰ পোৱাত পাখীয়ে পানী এগিলাছ খাবলৈ দিয়ে। পানী গিলাছ খাই য়েই ৰামেশ্বৰ গগৈ চকীখনত ঢলি পৰিল। পৰিল যে পৰিলেই। ল'ৰালৰিকৈ গাঁৱৰ মানুহে লাগি চিকিৎসালয়লৈ লৈ গ'ল যদিও সিহঁত দুটাক দলনিত পোনা মেলি ইহসংসাৰৰ পৰা বিদায় মাগিলে। নিষ্ঠুৰ নিয়তিৰ পৰিহাস। চাৰিওফালে সিহঁত দুয়োটায়ে আন্ধাৰ দেখিবলৈ পালে। পাখীয়ে ভায়েকক লৈ কেনেকৈ থাকিব। সিহঁত দুয়োটাই এই পৃথিৱীত কিয় জনম ল'লে তাকেই ভাবি পাখীয়েই দুচকু বোৱাই বিনাই কান্দিবলৈ ধৰিলে। কিযে মৰ্মান্তিক ছবি।



দেউতাকৰ সকামৰ দিনাই মাহীয়েক মহায়েকে সিহঁতক চোৱা-চিতাৰ দায়িত্ব গ্ৰহণ কৰিব বুলি ৰাইজৰ আগত মত প্ৰকাশ কৰিলে। সিহঁত দুয়োৰে আশাৰ ৰেঙণি দেখিবলৈ পালে। দেউতাকৰ মৃত্যু হোৱাৰ বছৰতেই পাখীয়ে দ্বিতীয় বাৰ্ষিক পৰীক্ষা আৰু ৰাজে মেট্ৰিক পৰীক্ষা দিছিল। সিহঁত পৰীক্ষালৈ দুমাহ থকা অৱস্থাত খুউব মনপুতি আৰু নিষ্ঠাৰে পঢ়িবলৈ আৰম্ভ কৰিলে। দুমাহ দি উৎকণ্ঠাৰ পিছত দুয়োটাৰে পৰীক্ষাৰ ৰিজাল্ট ওলাল। পাখীয়ে চাৰিটা বিষয়ত লেটাৰ মাৰ্ক পাই আৰু ৰাজে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। মহাকেই পাখীক আকৌ ভালকৈ পঢ়িবৰ কাৰণে সেই কলেজতেই স্নাতক প্ৰথম বৰ্ষত নাম লগাই দিছিল আৰু পাৰিলে অসমীয়া বিভাগত মেজৰ লৈ পঢ়িবলৈ ক'লে। পাখীয়ে মহাৰ কথা ৰাখি অসমীয়াত মেজৰলৈ পঢ়িলে আৰু সেই কলেজতেই নাম লগাই দিলে।

ঋতুপৰ্ণে তাইক বহুত সাহস যোগালে। প্ৰতিটো সময়তে তাইৰ লগত থাকি তাই কিবা প্ৰয়োজন হ'লে টকা পইচাৰে সহায় কৰিলে। এদিন ঋতুপৰ্ণে পাখীৰ সিহঁতৰ ঘৰলৈ লৈ গৈছিল আৰু তাৰ মাক দেউতাকে পাখীৰ দুখৰ কথা শুনি কৈছিল— মাজনী তুমি ভালকৈ পঢ়া-শুনা কৰা মৃত্যু হোৱা মা-দেউতাৰ নাম ৰাখা আৰু কিবা প্ৰয়োজন হ'লে আমাকে নিজৰ বুলি ভাবি ক'বা বুলি ক'লে। তাই হুক হুকাই কান্দি পেলালে। ঋতুপৰ্ণে ক'লে হ'ব এতিয়া যাওঁ বলা তোমাক মাহীয়ে বিচাৰ ফুৰিব।

নিৰৱতা ভংগ কৰি ঋতুপৰ্ণে গাড়ীৰ চলন্ত অৱস্থাতে ক'লে—

ঃ পাখী তুমি মোক ভুল নুবুজিবা, কাৰণ তোমাক বন্ধুত্বৰ খাতিৰত নহয় কিবা কাৰণ এটাতহে আমাৰ ঘৰলৈ লৈ গৈছিলো সেই কথাতো মই আজি কম বুলি ভাবিছিলো, কিন্তু তুমি যে মোক বেয়া নাপাবা।

ঃ মই কিয় বেয়া পাম... পাখীয়ে সহজ হৈ কৈ দিলে।

ঃ মোক জীয়াই থাকিবৰ বাবে পাখী তোমাৰ প্ৰেৰণাৰ প্ৰয়োজন। মই তোমাক ভাল পাই পেলাইছো পাখী, আই লাভ ইউ পাখী। পাখীয়ে একো নকৈ কান্দি মূৰটো ঋতুৰ বুকুৰ মাজত গুজি দিলে।

ঃ চাওঁ উঠা, বুলি ঋতুপৰ্ণে পাখীৰ দুবাহুত ধৰি উঠাই দিলে।

ঃ আই অল্ৱে' লাভ ..... ।

পাখীয়েই আৰু বঢ়াই ক'ব নোৱাৰিলে। সুখৰ মাজতো

তাই বহুত দুখ লাগিছিল। তাই সৰু ছোৱালীৰ দৰে ভগৱানক ক'লে সেই ভগৱান তুমি মোক প্ৰকৃত প্ৰেম মানে কি জনাত সহায় কৰিলা, ৰঙতে তাই কান্দি দিবৰ মন গৈছিল।



ঃ পাখী অহা কাইলৈ তোমাৰ সিদ্ধান্ত মোক এখন চিঠিৰ দ্বাৰা জনাবা দেই। হ'ব নে?

ঃ পাখীয়ে কান্দি থকা অৱস্থাতে অলপ হুঁহা যেন কৰি ক'লে হ'ব বাৰু এতিয়া মই যাওঁ, মাহীৰ ঘৰলৈ এইফালে যাম, তুমি যাবা।

পাছদিনাখন কলেজত পাখীয়ে এখন চিঠি ঋতুপৰ্ণক দিলে— মৰমৰ....

আজি বহুত দিনৰ পৰা সাঁচি ৰখা গুপুত কিছু ক'বলৈ মই হাতত কলম তুলি ললোঁ। মইয়ো তোমাক বহুত ভাল পাওঁ ঋতুপৰ্ণ। তুমিও মোক সঁচাই ভাল পাব লাগিছা। আৰু মই মনে বিচৰা ল'ৰাজনৰ দৰে মোৰ জীৱন সংগী হ'ব লৈছা। আৰু মোৰ সকলো সুখ দুখৰ সময়তে তুমি মোৰ লগত থাকা। কিন্তু পঢ়া-শুনাত বেছি গুৰুত্ব দিবা। ভালদৰে পঢ়িবা। জীৱনত প্ৰতিটো মুহূৰ্ততে মনত থকা এই মহৎলোকৰ বাণীটো "প্ৰেমৰ সংজ্ঞা দিয়া কঠিন। মাথোঁ ইমানেই ক'ব পাৰি প্ৰেম হ'ল একচত্ৰ ৰাজত্বৰ ইচ্ছা, মনৰ সমমৰ্মিতা আৰু শৰীৰৰ অনেক ৰহস্য অতিক্ৰম কৰি প্ৰিয়জনক দখল কৰাৰ গোপন কৰা আৰু সুক্ষ্ম আকাংক্ষা" — লা ৰোশফুকু।

ঋতুপৰ্ণ, মই কিন্তু দুখীয়া ঘৰ ছোৱালী আৰু মোৰ মা-দেউতা কোনো নাই। তাত যদি তোমাৰ আপত্তি নাই তেন্তে মই চিৰজীৱনৰ বাবে.... শেষত, চেষ্টা কৰা ভৱিষ্যতৰ বাবে আৰু মযো..... ইতি

—তোমাৰ পাখী

*চিঠিখন পাই ঋতুপৰ্ণে পাখীক মাতি ক'লে—*

ঃ পাখী এইবোৰ তুমি কি লিখিছা।

ঃ ঋতুপৰ্ণ মোৰ চিঠি পালো। কিন্তু মই সিদ্ধান্ত ল'ব পৰা নাই। তুমিটো জানাই মোৰ মাযদেউতা কোনোৰেই নাই অথচ মোৰ জন্ম.... তোমাৰ লগত যদি যাওঁ প্ৰথমে সুবিধা ঘৰ ক'ত, মাক কোন, দেউতা.... তেনে পৰিস্থিতিত মই বৰ দুখ পাম ঋতুপৰ্ণ......সেইবাবে মই তোমাক সঁহাৰি জনোৱা নাই....

পাখীয়ে আৰু একো ক'ব নোৱাৰিলে।

ঃ ঋতুপৰ্ণ অবাক হৈ গ'ল সি ক'লে—

যদি সঁচা মৰম থাকে, তেন্তে তেনে প্ৰশ্ন আহিব নোৱাৰে। মইতো তোমাকে বিচাৰোঁ পাখী.....

ঃ কিন্তু মই তোমাক দুখ দিব নোৱাৰো ঋতুপৰ্ণ।

ঃ আজিয়েই মই ঘৰত মা-দেউতাৰ লগত কথা পাতিম তেতিয়া দেখা যাব... এতিয়া সেইবোৰ বাদ দিয়া।

ঃ হ'ব বুলি পাখী গুচি আহিলে।

পাখীয়ে কথাবোৰ ভাবি ভাবি কলেজৰ পৰা আহিবলৈ আৰু শক্তি নথকাৰ দৰে হৈ পৰিলে, এয়াই হয়তো কলেজ, সুখ, দুখ আৰু প্ৰকৃত প্ৰেম....। সেইদিনাৰ পৰা তাই তাৰ পৰা আঁতৰি থাকিম আৰু যদি সঁচা মৰম থাকে তেন্তে আমাৰ মিলন হ'বয়েই বুলি ভাবি ঘৰ পায় দেখে যে, মহাক মাহীয়েক লগত কোনোবা তাই কথা পাতি বৰ গৰ্ব কৰি আছে। তাই ৰুমলৈ সোমায় দেখে যে সেয়া আৰু আন কোনো নহয় ঋতুপৰ্ণ আৰু তাৰ মাক-দেউতাক। মাহীয়েকেই তাইক টানি অনাৰ দৰে আনি ক'লে, তোৰ আৰু কপালত দুখ লেখা নাই এতিয়াৰ পৰা তোৰ সুখ লেখিছে। আজি তোৰ মা-দেউতা মানে মোৰ দাদা-বৌ থকা হ'লে কিমান আনন্দ পালেহেঁতেন তোৰ এই কথা শুনি। তাইৰ আৰু বুজিবলৈ বাকী নাথাকিল যে ঋতুপৰ্ণে মা-দেউতাক লৈ তাইৰ বিয়াৰ কথা পাতিব আহিছে মাহীয়েকহঁতৰ ঘৰলৈ। তাই মনে মনে ভাবিলে যে তাই যেতিয়াৰ পৰা জনা হৈছিল তেতিয়াৰ পৰা তাই বিচাৰি ফুৰা প্ৰশ্নটোৰ উত্তৰ বিচাৰি পালে সেই প্ৰশ্নটোৰ উত্তৰ হ'ল—

প্ৰকৃত প্ৰেম মানে যি জনে সকলো সময়তে তাই লগৰ সংগী হৈয়ে তাই দুখক দুখ বুলি কয়, তাই সুখক সুখ বুলি কয়, তাই হাঁহিলে সিয়ো হাঁহে, তাই কান্দিলে যাৰ অন্তৰ বেদনাৰে ভৰি পৰে। আৰু এই সকলোবোৰ সমভাগী হৈছিল তাইৰ একালত থকা বন্ধু ঋতুপৰ্ণ। পাখীৰ কান্দি কান্দি চিঞৰি সকলো ল'ৰা-ছোৱালী যি সকলে প্ৰেমৰ মূল্য বুজি নাপায় ক'বলৈ মন গ'ল "হে মানৱ তোমালোকে প্ৰেমক শ্ৰদ্ধা কৰিবলৈ শিকা, টকাৰে নহয় হৃদয়ৰ আৱেগেৰে, প্ৰেমক জোখা, দেখিবা প্ৰেমৰ গভীৰতা প্ৰেমৰ মহানতা....।" ❑





# বন্ধুত্বৰ মাজেৰেই প্ৰেম

সাগৰৰ নীলা ঢৌবোৰৰ ফালে ৰীমা একেথৰে চাই আছে। কিমান যে ঢৌ! প্ৰতিটো ঢৌ যেন এডোখৰ ৰত্ন। ঢৌ এটা যেন তাইৰ ফালে আহি আছে। ঢৌ হৈ অহা ফেনখিনিলৈ তাই এটা শিলগুটি মাৰি দিলে। ফেনখিনিত শিলগুটিটোৰে স্পৰ্শ কৰাৰ লগে লগেই টুপুংকৈ শব্দ এটা কৰি উঠিল। আজি তাইৰ কাষত ৰক্তিম থকা হ'লে তাক ক'লেহেঁতেন— "সাগৰৰ নীলা ঢৌবোৰ তোমাৰ ভাল লাগেনে?" ৰক্তিম আছিল চহৰৰ আঢ্যৱন্ত অভিযন্তা ঘৰৰ একমাত্ৰ ল'ৰা। ৰীমা আছিল এজনী গাঁৱৰ সহজ-সৰল ছোৱালী। তাই তিনিচুকীয়াৰ এটা ব্যক্তিগত হোষ্টেলত থাকি পঢ়িছিল। ৰক্তিম আৰু ৰীমাই P. K. B. কমাৰ্চ কলেজত একেলগে পঢ়িছিল। ৰীমাই পঢ়া-শুনাৰ উপৰিও বাহিৰা দিশতো আগৰণুৱা আছিল। কলেজৰ নৱাগতা আদৰণি সভাত প্ৰথম গান গাইছিল তাই। তাইৰ গান শুনি সকলোৰে আনন্দ পাইছিল। তাইক লৈ কলেজৰ প্ৰফেচাৰেও প্ৰশংসা কৰিছিল। ৰীমাৰ সুৰীয়া গীতত মুগ্ধ হৈ ৰক্তিমে তাইৰ ওচৰলৈ আহি প্ৰথমে অভিনন্দন জনাইছিল। ৰীমায়েও হাঁহি মুখেৰে তাৰ ফালে চাই ৰৈ গৈছিল। সেইদিনাই ৰক্তিমৰ লগত ৰীমাৰ প্ৰথম চিনাকি। পাছলৈ দুয়োটা মাজে-মাজে লগ হৈ কলেজৰ সন্মুখত কথা-বতৰা পাতিছিল। তেনেকৈ ইদিনা-সিদিনাকৈ কথা-বতৰা পাতি লাহে লাহে সিহঁতৰ বন্ধুত্ব সম্পৰ্ক গঢ়ি উঠিল। সিহঁতৰ বন্ধুত্বৰ এনাজৰীডাল বেছিদিন নাথাকি বেলেগফালে ঢাল লৈছিল। ৰক্তিমে নিঃসংকোচে ৰীমাক প্ৰেম নিবেদন কৰিছিল আৰু ৰীমায়েও সেই প্ৰস্তাৱ সহজভাৱে গ্ৰহণ কৰিছিল। সিহঁত দুয়োটাৰে কথাবোৰ লাহে লাহে সকলোৰে কাণত পৰিছিলগৈ আৰু মাজে মাজে সিহঁতক লগৰীয়াবিলাকে যিকোনো কথা কৈ জোকাইছিল।



"বাঃ ৰীমা তুমি বৰ ভাগ্যৱতী। ৰক্তিমৰ দৰে তুমি বয়ফ্ৰেণ্ড পাইছা। Congratulation'—তাইৰ বান্ধৱী কৃষ্টিয়ে কৈছিল। কৃষ্টিৰ কথাত ৰীমায়ে লাজতে তলমূৰ কৰিছিল। কৃষ্টিয়ে ৰক্তিমৰ লগত ৰীমাক দেখিলে কিবা যেন এক যন্ত্ৰণাত ছাটিফুটি কৰি উঠিছিল। আচলতে; কৃষ্টিয়ে মনে মনে ৰক্তিমক ভাল পাই পেলাইছিল, কিন্তু কৃষ্টিয়ে ভালপোৱা প্ৰকাশ নকৰোতেই ৰীমাৰ প্ৰেমত পৰিছিল ৰক্তিম। ৰীমা এজনী সহজ-সৰল ছোৱালী, লগতে কৃষ্টিৰ নলে-গলে লগা এজনী

**ৰাজশ্ৰী দুৱৰী**
*স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)*



ভাল বান্ধৱীৰও। ৰীমায়ে তাইক প্ৰিয় বান্ধৱী কৃষ্টিয়ে ইৰ্ষা কৰিছে বুলি ভাবিবই নোৱাৰে। কৃষ্টিয়ে কিন্তু সেই কথা ৰীমাক জানিব দিয়া নাই। কৃষ্টিয়ে ভাবি লৈছিল যে তাইৰ পৰা যিকোনো উপায়েৰে ৰক্তিমক নিজৰ কৰি ল'ব।

"ৰীমা, ব'লা কেন্টিনলৈ যাওঁ" —ৰীমাক ৰক্তিমে হাতত ধৰি কলেজৰ পাছফালে থকা কেন্টিনখনত বহি অনৰ্গল কথা পাতি হাঁহি ফূৰ্তি কৰি আছে।

"হাই ৰক্তিম, হাই ৰীমা"— পিচফালৰ পৰা কৃষ্টিয়ে মাত দিলে। সিহঁতৰ কথা পতা বন্ধ হ'ল। "বাঃ তোমালোকৰ খবৰেই নাই। ইচ্ মই মিছাকৈয়ে মাতিলো পাই।" ৰক্তিম আৰু ৰীমাই তাইৰ কথাত হাঁহিলে। "কি হ'লনো একেবাৰে উধাতু খাই আহিলা যে"— ৰীমাই সুধিলে। "মই এটা কথা ভাবিছো, আমি এটা পিকনিক পাৰ্টি এৰেঞ্জ কৰোঁ আহাঁনা। সদায় কিমান ক্লাছ কৰি থাকিবা। ব'ৰ লাগি গৈছে। বেছি দূৰলৈ নাযাওঁ নহয়; ওচৰলৈকে যাম। মই ইতিমধ্যে পম্পী, পূৰ্ণিমা, নমিতা, মঞ্জিমাহঁতক কৈছোৱেই। এতিয়া মাত্ৰ তোমালোকৰ মত পাবলৈহে বাকী আছে। কৃষ্টিয়ে একেবাহে কথাবোৰ কৈ গ'ল। "ঠিক আছে যাম, কি আছে। কিন্তু যাবানো ক'লৈ? ৰক্তিমে সুধিলে। "শ্বিলঙলৈকে যাম, বেছি দূৰ নহয়।" কৃষ্টিয়ে ক'লে।

জানুৱাৰী মাহৰ ৰচ তাৰিখ। ফৰকাল বতৰ। আকাশত কতো ডাৱৰ অকণমান নাই। সিহঁতে সকলো যা-যোগাৰ কৰি ৰাওনা হ'ল শ্বিলঙলৈ।

ৰাতিয়েই যাত্ৰা কৰি সিহঁতে পোহৰ নহওঁতেই শ্বিলং পালেগৈ। সিহঁতে গাড়ীৰ পৰা নামি নিৰ্দিষ্ট স্থানলৈ বুলি গতি কৰিলে। সকলোৰে সময়মতে ফুৰিলৈ ওলাল।

সকলোৰে হাতত টিফিন আৰু কেমেৰা লৈ এডোখৰ মনোমোহা ঠাইত য'ত শাৰী শাৰী পলাশ গছেৰে ভৰা। সেই ঠাইত সিহঁতে উপস্থিত হ'ল। গোটেইবোৰে তাত বিভিন্ন ধৰণেৰে ফটো তুলিলে। হঠাতে ৰক্তিমক কৃষ্টিয়ে ক'লে "সৌফালে এটা জান আছে ব'লাচোন ৰক্তিম।" কৃষ্টিয়ে ৰক্তিমক টানি নিয়াদি নিলে। "ৰ'বানা ৰীমাকো লগ ধৰো, তাই নহ'লে পাছত বেয়া পাব" —ৰক্তিমে ক'লে। "তাই থাকক। ইয়াতে ভাল পাইছে। তোমাক পাত্তাই দিয়া নাইচোন?" কৃষ্টিয়ে এই বুলি কৈ ৰক্তিমক টানি নিয়াদি নিলে। ৰক্তিমে যাওঁ-নাযাওঁ কৈ গ'ল। তাই ৰীমাৰ Best friend বুলিহে একো নক'লে। কৃষ্টিয়ে তাক নিজৰাটোৰ শিল এটাত জোৰকৈ বহুৱাই দিলে। তাই নিজেও বহিল। কৃষ্টিয়ে আগতেই তাইৰ আন এগৰাকী বান্ধৱী মাম্পীক কৈ থৈছিল যে সিহঁতে বহাৰ লগে লগে ফটো তুলিবলৈ। নানান ভংগিমাৰে কৃষ্টিয়ে ৰক্তিমৰ লগত ফটো তুলিলে। ৰক্তিমে কিন্তু এইবিলাক চক্ৰান্তৰ কথা একো গমকে নাপালে। কৃষ্টিৰ ওপৰত ৰক্তিমৰ বিৰাট খং উঠিছিল। এনেদৰে অকলশৰীয়াকৈ বহুৱাই থোৱাৰ বাবে। কিন্তু ৰীমাৰ বান্ধৱী বুলিহে কৃষ্টিক একো নকৰিলে।

পিকনিক্ পৰা উভতি আহি কৃষ্টিয়ে সেই ফটোবোৰ ৰীমাক দেখুওৱাত সেইবোৰ চাই ৰীমা বিস্ময়ত হতবাক হৈ পৰিল। তথাপি যেন এতিয়াই কিবা এটা কৰি পেলাব তেনেকুৱা লাগিল। কিয় বাৰু ৰক্তিমে এনেকুৱা কাম কৰিলে। ৰক্তিমৰ প্ৰতি প্ৰচণ্ড ঘৃণাৰ ভাব উপজিল।

ৰীমা! সৌজনী ৰীমা নহয়নে। তাই, তাই কেতিয়াও হ'ব নোৱাৰে। ৰক্তিমে ভালকৈ চালে, হয়, হয়তো সৌজনী ৰীমা প্ৰিয়াংকুৰ লগত। সিহঁতৰ একে লগৰে ক্লাছফ্ৰেণ্ড আছিল প্ৰিয়াংকু। কিন্তু এতিয়া, সি দুবাৰ মান পৰীক্ষাত বেয়াহৈ ৰৈ গ'ল। কেতিয়াবা কেতিয়াবা সি ক্লাছত গুণ্ডামি কৰি ফুৰে। সেইকাৰণে ৰক্তিমে প্ৰিয়াংকুৰ লগত তাইক দেখি সৰিয়হ ফুল দেখাদি দেখিলে। কেতিয়াৰ পৰা বাৰু তাই প্ৰিয়াংকুৰ লগত হলিগলি কৰিছে। পিক্নিকৰ পৰা সিহঁতৰ লগ হোৱাই নাই। ক্লাছত কেতিয়াবা ৰক্তিমে লগ কৰিব বিচাৰিলেও তাই লগ নকৰে। হয়তো, কিয় লগ কৰিব? তাইতো এতিয়া প্ৰিয়াংকুৰ প্ৰেমিকা। কথাবোৰ ভাবি ভাবি ৰক্তিম পগলা হোৱাদি হ'ল। সি ভাবিলে প্ৰিয়াংকুক শেষ কৰি দিব পাৰি নেকি? নাই নাই কেতিয়াও সি সেই কাম নকৰে, আৰু কৰিবও নোৱাৰে। কিন্তু তাই প্ৰবঞ্চক, লম্পট এটাৰ সৈতে কিয় ফুৰিছে বাৰু? নে, তাই মোক ব্লেকমেইল কৰিব খুজিছে। ইমান নিষ্ঠুৰ হ'ব পাৰেণে

কিন্তু তাই প্ৰবঞ্চক, লম্পট এটাৰ সৈতে কিয় ফুৰিছে বাৰু? নে, তাই মোক ব্লেকমেইল কৰিব খুজিছে। ইমান নিষ্ঠুৰ হ'ব পাৰেণে তাই। তাইতো মোক খুউব ভালপাইছিল। এইবোৰ আকৌ কিহৰ অভিনয়। সি একেবাৰে ক্লান্ত হৈ পৰিল।





তাই। তাইতো মোক খুউব ভালপাইছিল। এইবোৰ আকৌ কিহৰ অভিনয়। সি একেবাৰে ক্লান্ত হৈ পৰিল। ক্লাছত মন নবহি সোনকালে ঘৰত আহি সোমাল।

"হেল্ল ৰক্তিম! মই কৃষ্টি। "অ' কোৱাচোন।"

"তুমি এতিয়া কি কৰি আছা?"

"নাই এনেয়ে কিতাপ এখন চাই আছো" —ৰক্তিমে ক'লে।

"আঃ তুমি বাৰু কিমান কিতাপ নপঢ়া, তোমাৰ কেৱল পঢ়া-শুনা, তাৰ বাদে আন কাম নাই নেকি? তোমাৰ ৰীমাক আজিকালি দেখোন প্ৰিয়াংকুৰ লগত ফুৰা দেখোঁ। তোমাক বিদায় দিলে নেকি? কৃষ্টিয়ে হঠাৎ ৰীমাৰ কথা উলিয়াই ৰক্তিমৰ মূৰটো গৰম কৰি দিলে।

"কৃষ্টি তোমাৰ বেলেগ কথা আছে যদি কোৱা। ৰীমা কথা নুলিয়াবা।" ৰক্তিমে উদ্বিগ্নভাৱে ক'লে।

কৃষ্টি আনন্দত আত্মহাৰা হৈ পৰিল। তাইৰ কামটো সফল হোৱাৰ বাবে।

প্ৰিয়াংকুৱে ৰক্তিমতকৈ বহু আগতেই ৰীমাক প্ৰেম নিবেদন কৰিছিল। ৰীমায়ে কিন্তু সেই প্ৰস্তাৱ নিষ্ঠুৰভাৱে প্ৰত্যাখ্যান কৰিছিল। প্ৰিয়াংকুৰ মনত তেতিয়াৰ পৰাই প্ৰতিশোধৰ অগ্নি জ্বলি আছিল। ৰক্তিমক হৰুৱাব পাৰি তাৰ মন আনন্দত নাচি উঠিল। এইকেইদিন তাকে দেখুওৱাই ৰীমাৰ লগত অলপ ঘূৰিবও পাৰিছে। লগতে সি ৰীমাৰ চিৰলগৰী হ'ব বুলি কথাও দিছে।

ৰীমাই ৰক্তিমৰ কথা ভাবি ভাবি বিছনাখনত বাগৰি দিলে। এইকেইদিন তাই ৰক্তিমৰ পৰা আঁতৰত থাকি মনটো কিবা এক যন্ত্ৰণাত চটফটাই আছে। যি বাৰু কেতিয়াৰ পৰা কৃষ্টিক ভাল পাবলৈ ল'লে। সিচোন এবাৰো মোক নকলে। যদি মোক ক'লেহেঁতেন মই নিশ্চয় তাৰপৰা আগতিয়াকৈ আঁতৰি আহিলোহেঁতেন। এতিয়া বাৰু মই ৰক্তিমৰ স্মৃতি কেনেকৈ পাহৰো। বিভিন্ন ধৰণৰ প্ৰশ্নই ৰীমাৰ মনটো ভাৰাক্ৰান্ত কৰি তুলিলে। ৰীমাৰ দুগালেদি সৰুসৰুকৈ চকুলো ববলৈ ধৰিলে। তাই এই যন্ত্ৰণা কেতিয়াও সহ্য কৰিব নোৱাৰে। তাই ৰক্তিমক কিমান ভাল পাই পেলাইছিল। একেলগে যুগ্মজীৱন কটোৱাৰ সিদ্ধান্ত লৈছিল কিন্তু এতিয়া.... সকলোবোৰ থান-বান হৈ গ'ল।

জুন মাহৰ ২২ তাৰিখ। সেইদিনা ৰক্তিমৰ ভনীয়েকৰ ৰিজাল্ট ওলাইছে। তাই চাৰিখনত লেটাৰসহ পাছ কৰিছে। মাক-দেউতাকে ৰিজাল্টৰ খবৰ পাই আনন্দত আত্মহাৰা হৈ লগৰ বিলাক তেওঁলোকৰ ঘৰলৈ নিমন্ত্ৰণ কৰিছে। লগতে ৰক্তিমেও সকলো বন্ধু-বান্ধৱীকে ফোনৰ দ্বাৰা পাৰ্টিলৈ নিমন্ত্ৰণ কৰিছে। বন্ধুত্বৰ খাতিৰত কৃষ্টিকো মাতিছে। ৰক্তিমে ৰীমালৈ কেইবাবাৰো ফোন লগাইছে, কিন্তু ৰীমাই এবাৰো ফোন ৰিচিভ্ নকৰিলে। ৰীমাই এইটোও জানে যে আজি ৰক্তিমৰ ভনীয়েকৰ ৰিজাল্টৰ পাৰ্টি দিছে। কথাবোৰ ভাবি ৰীমায়ে বিছনাত শুই পৰিল। কৃষ্টি কিন্তু সেইদিনা আনন্দত আত্মহাৰা হৈ পৰিছে। তাই মাজে মাজে মন কৰি আছে ৰক্তিমৰ মনটো যেন একেবাৰে উদাস। ৰীমাৰ অনুপস্থিতিত ৰক্তিমে একেবাৰে অকলশৰীয়া অনুভৱ কৰিছে। কৃষ্টিয়ে কিন্তু ৰক্তিমক শান্তিৰে থাকিবলৈ দিয়া নাই। 'তুমি কি ককায়েকহে। আজি তোমাৰ ভন্টীৰ এটা শুভ দিনটো তুমি মন মাৰি আছা।' নাই কৃষ্টি ৰীমাৰ অবিহনে মোৰ জীৱনটো বৃথা।

আজি তাই মোৰ কাষত থকা হ'লে। তাই কিয় বাৰু মোক নুবুজিলে। ৰক্তিমে এনেদৰে কৈ হুকহুকাই কান্দিবলৈ ধৰিলে।

ৰামীই সেইদিনা হোষ্টেললৈ পলমকৈ উভতিছিল। প্ৰিয়াংকুৰ নিমন্ত্ৰণত হোটেলত বহিলে। প্ৰিয়াংকুয়ে হোটেল বয়টোক ধোচা আৰু কফি আনিবলৈ অৰ্ডাৰ দিলে। ৰীমায়ে কোনোদিনে ৰক্তিমৰ বাদে আনৰ সৈতে হোটেলত সোমোৱা নাই। কিন্তু আজি তাই ৰক্তিমৰ খঙৰ জালতে এটা লম্পটহীন ল'ৰাৰ লগত একেলগে খোৱাৰ কথা ভাবিছে। সেইদিনাখন হোটেলৰ পৰা ওলাই মনৰ বেজাৰত ভৰিকেইটা এখোজ আগলৈ দিলে, আৰু এখোজ পিছলৈ দি ৰীমাই হোষ্টেলত সোমাল। কৃষ্টিয়ে তাইক সন্দেহৰ চকুৰে চাইছিল। ৰীমাই সেইদিনা খুউব কান্দিলে আৰু ৰক্তিমৰ

কৃষ্টি কিন্তু সেইদিনা আনন্দত আত্মহাৰা হৈ পৰিছে। তাই মাজে মাজে মন কৰি আছে ৰক্তিমৰ মনটো যেন একেবাৰে উদাস। ৰীমাৰ অনুপস্থিতিত ৰক্তিমে একেবাৰে অকলশৰীয়া অনুভৱ কৰিছে।



উদ্দেশ্যই যা-তা বলকিলে। কৃষ্টিয়ে সকলো কথা শুনি আছিল। পিছদিনা কৃষ্টিয়ে তাইক ৰক্তিমে কেনেদৰে তাইৰ অবিহনেও লগৰীয়াহঁতে পাৰ্টি এনজয় কৰিলে আদি কথাবোৰ ক'বলৈ ধৰিলে। ৰীমাৰ বুকুৰ জুঁই দুগুণে জ্বলিল।

B. Com. Final Yearঅৰ ৰিজাল্ট ওলাল। ৰীমাই 1st Class পাই উত্তীৰ্ণ হৈছে। তাই ঘৰলৈ যাবগৈ। যোৱাৰ আগতে এবাৰ অন্ততঃ ৰক্তিমক লগ কৰাৰ খুউব হেঁপাহ আছিল।

নাই নাই তাই আগতে কেতিয়াও নামাতে ৰক্তিমে আগতে মাতিলে মাতিব পাৰে। আজি দেওবাৰ। কাইলৈ তাইৰ হোষ্টেলৰ শেষদিন। আজি দিনটো প্ৰিয়াংকুৰ নিমন্ত্ৰণত হোটেলৰ পাৰ্টিত বহিব। ৰক্তিমে চাগৈ গমেই পোৱা নাই। ক'ৰনো এতিয়া ৰক্তিমে তাইৰ কথা ভাবিব। কৃষ্টিৰ কথাহে ভাবিব। ৰীমাৰ বুকুখন বিষাবলৈ ধৰিলে। ৰক্তিমক সঁচাকৈ তাই গভীৰভাৱে ভাল পায়। প্ৰিয়াংকুৰ লগত ৰীমা ওলাই গ'ল এখন হোটেলৰ সন্মুখত সিহঁত ৰ'লগৈ। প্ৰিয়াংকুৰ মন আনন্দত ভৰি পৰিছে কাৰণ আজি ৰীমাক সি হেঁপাহ পলুৱাই ফুৰাব। সি তাইক সুধিলে ৰীমা কি খাবা? ৰীমাই ক'লে যি আনা আনা। সি খাবৰ বাবে কিবা কিবি অৰ্ডাৰ দিলে। প্ৰিয়াংকু আমি যাওঁ বলা বহু দেৰি হ'ল।" "হোৱাট"। প্ৰিয়াংকু চিঞৰি উঠিল। ইমান সোনকালে যাবলৈ ওলাইছা যে তুমি কিবা ভয় খাইছা নেকি? নাই নহয়, আমি অহাৰ বহুত সময় হোৱাৰ বাবেহে। ঠিক আছে তেনেহ'লে ব'লা। সিহঁত দুয়োটাই হোষ্টেললৈ ওভটোতে কিছু পলম হৈছিল। পৃথিৱীলৈ ক্ৰমান্বয়ে আন্ধাৰ নামি আহিছিল। সি বাইকখন পাহাৰতলী ফালে চলাই গৈছে। প্ৰিয়াংকু ইমান জনশূন্য ৰাস্তাৱে আনিছা যে। সি ক'লে— নহয়, আমি এই ৰাস্তাৰে গ'লে হোষ্টেল সোনকালে সোমাবগৈ পাৰিম। সি জানে যে এই পথটো ৰীমাৰ বাবে এদিনীয়া আৰু এইটোও জানে ইয়াত মানুহৰ বসতি খুউব কম। সি আজি বহুদিনীয়া এটা প্ৰতিশোধৰ পৰীক্ষাত সফল হ'ব। এডোখৰ জনশূন্য ঠাইত সি বাইকখন ৰখালে। লগে লগে ৰীমাই মাত দিলে কি হ'ল আকৌ ৰ'লা যে? প্ৰিয়াংকুয়ে কঁপা কঁপা মাতেৰে ক'লে— "ৰীমা তোমাৰ লগত মোৰ কিছুমান কথা আছে। আৰে অঁকৰাটো; আমি দেখোন গৈ থাকিলেও পাতি যাব পাৰিম। নোৱাৰো! তোমাক ৰক্তিমৰ লগত চাই থাকিব নোৱাৰো। তাৰ কথাবোৰ লাগবান্ধ নোহোৱা হ'ল। ৰীমায়ে তাক এটা হিংস্ৰ বাঘৰ দৰে দেখিবলৈ পালে। তাই কথাযাৰ ক'বলৈহে পালে মাথোঁ। মুখত সোপা দি সি জেপৰ পৰা চুৰিখন উলিয়াই ল'লে। আজি ইমানদিনে মোক প্ৰতাৰণা কৰিলি। আজি ক'ত যাবি। আজিতো তোক বচাবৰ বাবে ৰক্তিম আহিব নোৱাৰে।

কাৰণ আজি সি তোৰ পৰা বহু আঁতৰত। ৰীমাৰ অস্পষ্ট গেঙনি শুনা গ'ল। পিছফালৰ পৰা এটা প্ৰচণ্ড ঘোচা প্ৰিয়াংকুৰ মুখত পৰিলহি। সি দূৰৈত চিটিকি পৰিলগৈ। এটা ঘোচাৰ কোবতে সি অচেতন হৈ পৰিল। ৰীমাই কান্দি উঠিল ৰক্তিমক দেখা পাই। ৰীমাৰ মুখৰ পৰা এটা কথাও নোলাল। ৰক্তিম বুলি মাতিবলৈও সাহস নহ'ল। তাতে এনে আচহুৱা পৰিবেশত তাই আৰু অস্বস্তি অনুভৱ কৰিলে। ৰক্তিমে তাৰ বাইকখন ওচৰলৈ আনি ৰীমাৰ মুখলৈ নোচোৱাকৈ ক'লে— "উঠা"। ৰীমাই কান্দি কান্দি বাইকত উঠিল। তাই ৰাস্তাত যাওঁতে খুবেই কান্দিলে আৰু ক'লে। "ৰক্তিম তুমি কিয় মোৰ ওচৰলৈ আহিছিলা। তুমি মোক প্ৰতাৰণা কৰিবা বুলি কেতিয়াও ভবা নাছিলো। তুমি ইমান নিষ্ঠুৰ, তুমি কিয় মোৰ কাষৰ পৰা আঁতৰি গ'লা? কি কৈছা এইবোৰ? ৰক্তিমে টান সুৰত ক'লে আৰু বাইকখন ৰখাই দিলে। তাই সকলো কথা বিৱৰি ক'লে। ৰক্তিম বিস্ময়ত হতভম্ব হৈ পৰিল। কেতিয়া মই তাইৰ সৈতে ফটো তুলিলো। আজি মোৰ কৃষ্টিলৈ ঘৃণা উপজিছে। তাই আমাৰ দুয়োটাৰে এজনী ভাল বান্ধৱী হৈ ইমান নীচ আৰু ইমান তললৈ নামিব পাৰিব ভবা নাছিলো। "শুনা ৰীমা, তোমাক মই বহুতখিনি দুখ দিলো, তুমি বাৰু মোক ক্ষমা কৰি দিবানে?" —এই বুলি কৈ ৰক্তিমে ৰীমাক জোৰেৰে সাৱটি ধৰিলে।

"মই কৃষ্টিৰ ওপৰত প্ৰতিশোধ ল'ম, ব'লা কৃষ্টিৰ ৰুমলৈ যাওঁ।" প্লিজ ৰক্তিম, কৃষ্টিক কিন্তু তুমি একো নকৰিবা। সিহঁত দুয়োটাকে একেলগে অহা দেখি কৃষ্টিৰ মুখ শুকাই গ'ল। ৰক্তিমে অলপ খঙেৰে ক'লে আমাৰ পিকনিকত মৰা ফটোবোৰ চাওঁ। কৃষ্টিয়ে ভয়ে ভয়ে আনি ফটোবোৰ দেখুৱালে। ৰক্তিমে নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে। সি কৃষ্টিক কি কৰিব? উপায়বিহীন হৈ পৰিল সি।

"ৰক্তিম মোক ক্ষমা কৰিবা, মই বহুত ভুল কৰিলো, মই আচলতে তোমালোকৰ মাজত সোমাই তোমালোকৰ মৰম-ভালপোৱাবোৰ সন্দেহৰ মাজলৈ ঠেলি দিব নালাগিছিল। ইয়াতে মোৰ বহুত ভুল হৈ গ'ল।" ৰক্তিম, তোমাক মই মনে মনে ভাল পাই পেলাইছিলো, কিন্তু মই প্ৰকাশহে কৰিব পৰা নাছিলো, সেয়েহে মই তোমালোকৰ মাজত একুৱা জুই হৈ থিয় দিছিলো। তাই দুই হাতেৰে মুখ ঢাকি কান্দি দিলে। ৰক্তিমে ৰীমাক কথা দিয়াৰ বাবে তাইক একো নক'লে। মাথো তাই কোৱা কথাবোৰ মনে মনে শুনি গ'ল। শেষত তাইক এবাৰে কথা ক'লে— "নাকান্দিবা কৃষ্টি, মই ৰীমাক ঘূৰাই পালো নহয় এয়াই মোৰ বাবে সৰ্বস্ব।" ❑





# প্ৰকৃত বান্ধৱী



জিম্পি শইকীয়া

নীলা আৰু চিমা দুয়ো দ্বাদশ শ্ৰেণীৰ ছাত্ৰী। দুয়োজনীয়ে একেখন কালেজত পঢ়ে। দুয়োৱে দুয়োৰে বৰ ভাল বান্ধৱী। পঢ়া-শুনাতো খুওব ভাল। সেয়েহে কলেজৰ অধ্যাপক-অধ্যাপিকাসকলে সিহঁত দুয়োজনীকে বৰ মৰম কৰে। এতিয়া সিহঁতৰ এটাই মাথো সপোন ভাল নম্বৰ লৈ হায়াৰছেকেণ্ডেৰী পাছ কৰি কলেজৰ নাম উজ্বল কৰা আৰু মাক দেউতাকৰ সপোন দিঠকত পৰিণত কৰা।

নীলা মাক-দেউতাকৰ একমাত্ৰ সন্তান আছিল। তাই মাকদেউতাকৰ আলাসৰ লাডু আছিল। পঢ়াৰ ক্ষেত্ৰত সদায় মাক দেউতাকে তাইক সহায় কৰিছিল আৰু উৎসাহ যোগাইছিল।

হায়াৰছেকেণ্ডেৰী পৰীক্ষাৰ আগতে নীলাহঁত কলেজৰ সকলো ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকায়ে মিলি বনভোজ খাবলৈ ওলালে আৰু মাজুলীলৈ যোৱাটো সকলোৱে ঠিক কৰিলে। বনভোজ খোৱাৰ লগতে তেওঁলোকে মাজুলীত অৱস্থিত সত্ৰসমূহো চাব। কলেজৰ অধ্যাপক-অধ্যাপিকাসকলৰ লগত আলোচনা কৰি সিহঁতে বনভোজলৈ যোৱাৰ দিন এটা ঠিক কৰিলে।

সিদিনা আছিল সোমবাৰ। নীলায়ে প্ৰায় ৪-০০ মান বজাত উঠি গা-পা ধুই কাপোৰ পিন্ধি সাজু হ'ল। পুৱা ৫-৩০ বজাত তেওঁলোকে যাত্ৰা আৰম্ভ কৰিব। নীলায়ে মাক-দেউতাক সেৱা কৰিলে আৰু দেউতাকক সোনকালে কলেজত থৈ আহিবলৈ কলে। মাকে তাইক এগিলাচ গাখীৰ খাবলৈ দিলে আৰু টিফিনত নানা ধৰণৰ খোৱা বস্তু ভৰাই দিলে। টিফিনটো বেগত ভৰাই সি মাকৰ চৰণ চুলো। কিন্তু কোনেওটো জনা নাছিল যে সেইটোৱেই তাইৰ মাক-দেউতাকৰ লগত শেষ দেখা হ'ব। দেউতাকে তাইক কলজেত থৈ আহিছিল। সকলোৱে নীলাৰ বাবেই অপেক্ষা কৰি আছিল। তাই বৰ লাজ পালে কাৰণ তাইয়েই সকলোতকৈ দেৰিকৈ আহিছে। বাছত উঠি তাই চিমাৰ কাষৰ চিটটোতে বহিল। বেছ আনন্দ স্ফূৰ্তিৰে যাত্ৰা আৰম্ভ হ'ল। সকলোৱে হাঁহি স্ফূৰ্তি কৰি গান গাই নাচি-বাগি গৈ আছিল। হঠাৎ বাছখনে বিৰাট শব্দ এটা কৰি খাৱৈত বাগৰি পৰিল। সকলোবোৰ ৰং তামাচা নিমিষতে মাৰ গ'ল। চাৰিওফালে হাঁহাকাৰ লাগিল। চাৰিওফালে মাঁথো আৰ্তনাদ। বহুতো ছাত্ৰ-ছাত্ৰী আহত আৰু নিহত হ'ল। অধ্যাপক অধ্যাপিকাসকলেও আঘাত পালে। তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলক এজন এজনকৈ বাছৰ পৰা বাহিৰলৈ উলিয়ালে। চিমাই ভৰি আৰু মূৰত আঘাত পাইছে। চিমায়ে বাছৰ পৰা নামি নীলক বিচাৰিবলৈ ধৰিলে। কিন্তু ভালেপৰৰ পাছত নীলাক ছিটৰ তলত পোৱা গ'ল। কিন্তু সকলো শেষ। ইতিমধ্যে নীলাই স্বৰ্গযাত্ৰা কৰিছে। চিমাই নীলাক হেৰুৱাই দুখত ভাগি পৰিছিল আৰু এনিশাক সাৱতি ধৰি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। ইতিমধ্যে সকলো ছাত্ৰ-ছাত্ৰীৰে অভিভাৱকসকল আহি ঘটনাস্থলীত উপস্থিত হৈছিলিহি। সকলোৱে মাজত মাথোঁ হিয়া ভগা কান্দোন। নীলাৰ মাক-দেউতাক পগলাৰ দৰে হৈছিল।

দিনবোৰ এনেদৰেই পাৰ হৈ গৈছিল। চিমাৰ পঢ়াত মন বহা ন্যছিল যদিও নীলাক সোঁৱৰি তাই আগতকৈ ভালদৰে পঢ়া শুনা কৰিবলৈ ধৰিলে। কাৰণ তাই নীলাৰ সপোনবোৰ দিঠকত পৰিণত কৰিব লাগিব। নীলাৰ সপোন আছিল সিহঁত দুয়োজনীয়ে ভালদৰে দ্বাদশ শ্ৰেণী পাছ কৰি একেলগে উচ্চ শিক্ষাৰ বাবে এখন উন্নতমানৰ কলেজত নাম ভৰ্তি কৰিব। চিমাই নীলাৰ সেই আশা পূৰণ কৰিবই লাগিব। সঁচাকৈ এদিন নীলাৰ সপোন দিঠকত পৰিণত হ'ল? চিমাই অপ্ৰাণ চেষ্টা কৰিলে পৰীক্ষাত ভালদৰে উত্তীৰ্ণ হ'বলৈ। চিমাই অসমৰ ভিতৰতে প্ৰথম স্থান পাই সুখ্যাতিৰে উত্তীৰ্ণ হ'ল। চিমাৰ অসাধাৰণ সাফল্যত অধ্যাপক-অধ্যাপিকাসকল অতিশয় আনন্দিত হ'ল। চিমাই আটাইতকৈ বেছি সুখী হ'ল— কাৰণ তাই নীলাৰ স্মৃতি বুকুত বান্ধি নীলাৰ সপোন বাস্তৱত পৰিণত কৰিলে। চিমাই আকাশলৈ চাই চিঞৰি চিঞৰি কলে চোৱা নীলা, মই তোমাৰ সপোন দিঠকত ৰূপ দিলো। মই আগলৈ আৰু ভালদৰে পঢ়িম। মাত্ৰ তুমি মোৰ লগত থাকিবা? চিমাৰ কাৰণে যেন নীলাৰ মৃত্যুৱেই হোৱা নাই। চিমাৰ চকুৰ পৰা অজানিতে চকুলো বাগৰি আহিল। ❑



এক মিনিটৰ গল্প

# বিফলতাৰ কাৰণ

ভদ্ৰাৱতী পাত্ৰ
*স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)*

নিশা প্ৰায় ১১ বাজিছে। সি নিজৰ ঘড়ীটোলৈ চাই অনুভৱ কৰিলে যে আজিও দিনটো প্ৰায় এনেয়েই পাৰ হৈ গ'ল। সি মানে সেইযে নগৰৰ পৰা প্ৰায় বিশ কিল'মিটাৰ মান আঁতৰত এখন ভিতৰুৱা গাঁৱৰ পৰা বাটকুৰি বাই অহা সেই ক'লাবৰণীয়া ল'ৰাজন। পুৰা সময়বেলাত তাৰ এটাই ইচ্ছা দিনটো যাতে ভালে কুশলে পাৰ হয়। এই উদ্দেশ্য লৈ সি ৰাতিপুৱাই পেটত খুদকণ এটা পেলাই সদায় বেগ এটা লৈ কাম কৰাৰ আগ্ৰহেৰে ঘৰৰ পৰা ওলাই আহে। বেচেৰাই কেইবাটাও সৰু সুৰা ব্যৱসায়ৰ কাম হাতত লৈছে। সি যে কিমান আশাবাদী, কিমান আশাৰে যে সি দিনটোৰ কাৰণে ওলাই আহে কিন্তু সন্তুষ্টিজনক কাম তথা সফলতাহে আজিলৈকে পোৱা নাই। কিহত ভুল সেই প্ৰশ্নটোৰ উত্তৰ বিচাৰোতেই তাৰ দিনটোৰ আধাসময় পাৰ হৈ যায়। এয়াই জীৱন নেকি?

এনেকৈয়ে সি খুব কষ্টেৰে তাৰ জীৱনটো অতিবাহিত কৰিছিল। হঠাৎ সি এদিন এটা সিদ্ধান্ত ল'লে যে সি এখন কিতাপ লিখিব কিতাপখনৰ নাম দিছিল 'বিফলতাৰ কাৰণ'। সি জীৱনত কি কি কাৰণত বিফল হ'বলগা হৈছিল সেই আটাইবোৰ কাৰণ সেই কিতাপখনত উল্লেখ কৰিব। কোনোবা নতুন পাঠকে যদি কিতাপখন পঢ়ে তেন্তে তেওঁ জীৱনটোৰ বিফলতাৰ আটাইবোৰ কাৰণ জানিব পাৰিব আৰু সেইবিলাকৰ যোগেদিয়েই সফলতাৰ কিদৰে অৰ্জন কৰিব পাৰি সেই কথা আয়ত্ত কৰিব পাৰিব। ইতিমধ্যে সি কিতাপখন লিখাৰ চিন্তাত বিভোৰ হৈ যাব ধৰিলে। নিশাৰ সি সপোনত দেখিছে যে তাৰ কিতাপখনৰ হাজাৰ হাজাৰ কপি এদিনতে বিক্ৰী হৈছে। কিতাপখন বেষ্ট চেলাৰত পৰিগণিত হৈছে। কিন্তু, মনতে তাৰ এটা প্ৰশ্ন হয়, গোটেই জীৱনটোৰ বিফলতাক কেন্দ্ৰ কৰি ৰচনা কৰা কিতাপখনৰ জনপ্ৰিয়তাই মোক এজন সফল লেখক হিচাপে স্বীকৃতি দিবনে? ☐



# কবিতা

একো একোজন কবিৰ প্ৰতিটো কবিতাই এক নতুন উপলব্ধিৰ, এক নতুন সন্ধানৰ, এক নতুন আৱিস্কাৰৰ শিলালিপি . . . সফল শিল্পীৰ তুলিকাৰ এডাল আঁকে চিত্ৰপটত এক অসীমৰ আভাস ফুটাই তোলাৰ দৰে কবিৰ গভীৰ উপলব্ধিপ্ৰসূত দুটা শব্দই, দুটা শাৰীয়ে এক অনাবিস্কৃত জগতৰ জপনা মুখত আমাক থিয় কৰাব পাৰে . . .

## যদি মোক কাইলৈ এৰি যোৱা

**ধন্তি কোঁৱৰ**
*স্নাতক প্ৰথম বৰ্ষ (বাণিজ্য শাখা)*

কাইলৈ যদি তুমি মোৰ
চকুৰ আঁতৰ হয় গুচি যোৱা
যদি বিচাৰি যোৱা
অন্য এখন হৃদয়
মোৰ কি হ'ব।

কাইলৈ চাগে' আহোঁ আহোঁকৈ ওলমি থকা
এজাক বৰষুণে অকস্মাৎ
এৰি যাব মোৰ আকাশ
কাইলৈ চাগে' বুকুৰ ধাননি এৰি উৰি যাব
এজাক টোকোৰা চৰাই।
কাইলৈ চাগে নিয়ৰো নসৰে
ফুলো নুফুলে
কলাপাত নকঁপে আগলি বতাহৰ।

কাইলৈ চাগে' পাখিত পাখি লগাই
এহালি কপৌ
পৰি নাথাকে ঘৰৰ মূধত।
মাত্ৰ দুপৰীয়া ডিঙিত বাজি থাকিব
এটি অকলশৰীয়া কপৌৰ বিননিৰ মাত।
কাইলৈ মোক চকুৰে দেখা সপোনবোৰকো
খহাই পেলাম।
আৰু আন্ধাৰৰ প্ৰাচীন শূন্যতাত
বুৰ যাম।
কোনেও দাঙিব নোৱাৰাকৈ এৰি
শিলক পাতিম বুকুৰ ৰখীয়া
কাইলৈ তুমি তোমাৰ হাতেৰে
মোৰ দুয়োখনি হাত সোলোকাই
থৈ যাবাগৈ...

দুয়োটা ওঁঠক পিন্ধাই থৈ যাবা
নুফুটা শব্দৰ শীতলতা
কাইলৈ মোৰ শিতানত শৰাই পাতি
সজাবলৈকো
নাথাকিব এটাও সপোন
মই কোন স'তে টোপনি যাম কোৱা।



## মোৰ অসহায় মুহূৰ্তবোৰ

**ড° বন্তি ফুকন সোণোৱাল**
*অধ্যাপিকা, বুৰঞ্জী বিভাগ*

বছৰে বছৰে
মই অসহায় হওঁ পৰীক্ষাগৃহত..

ধুনীয়া সাজোনমতী
ছোৱালীবোৰে যেতিয়া
লিখিব নোৱাৰে উত্তৰ
মই অসহায় হওঁ!

ৰঙা নীলা সেউজীয়া
নখ থকা আঙুলিবোৰে
আঁকি যায় যেতিয়া
কাউৰী ঠেঙীয়া আখৰ
মই অসহায় হওঁ!

জলৌজপৌ
দীঘলচুলীয়া
থিয় বা পথালিকৈ
অলকা উলিওৱা
ল'ৰাবোৰ যেতিয়া
ইচাটি বিচাটি কৰে
মই অসহায় হওঁ!

অসহায় হওঁ সঁচাকৈ
যেতিয়া মই
সিহঁতৰ চাতুৰালিৰ স'তে
লুকা-ভাকু অথবা
চোৰ পুলিচৰ খেল খেলো!
আৰু
যেতিয়া চিৰিয়াচ পৰীক্ষাৰ্থীজাকক
খিতিঙালি মৰা ল'ৰাবোৰে
খোচা-বিন্ধা কৰে পৰীক্ষাগৃহত
মই অসহায় হওঁ বৰকৈ....

## মুক্তি

দিম্পী সন্দিকৈ দুৱৰা
*স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)*

এমুঠি অন্নৰ সৈতে সংগ্ৰাম আমাৰ
ওপৰত নাচিব ধৰিছে ত্ৰিবৰ্ণ পতাকা
আৰু তলত কতযে বুভুক্ষিত জনতা
দাসত্ব জিঞ্জিৰিত বন্দী সিহঁত।
এখনি বস্ত্ৰৰ কাৰণে আমাৰ কিমান যে হাঁহাকাৰ
অৰ্ধনগ্ন হৈ কৰ্মতেই লিপ্ত
কেৱল জীয়াই থকাৰ স্বপ্ন
অপ্ৰকাশ বেদনাৰে
অৰ্থহীন চকুলো সিহঁতৰ।
ৰাজনীতি পাশাখেলত বন্দী
সিহঁতৰ কৰ্ম কৰা অৰ্থ হয়তো নাই
সিহঁতৰ কৰ্মৰ অৰ্থ
সত্যা, লুণ্ঠন...
কিমান যে অন্যায়।
মুক্ত দিনতো নহল মুক্তি।
ভোকাতুৰ শিশুৰ কৰুণ বিননি
মাতৃৰ দুগ্ধ বিনে নাই আৰু একো
স্বাধীনতাৰ জনতা
সাতুৰিছে পৰাধীনতাৰ সাগৰত।
বিষাদ ভৰা জীৱনৰ
বিষাদৰ শেষ আজিও নহ'ল।
কাকুতি মিনতি কৰো
হে প্ৰভু তোমাক
ধ্বংস কৰা অন্যায়ৰ শাসন
আন্ধাৰ হ'ব খোজা এই জগতক
পোহৰ বিলোৱা!
মুক্তি দিয়া সিহঁতক
পৰাধীনতাৰ পৰা মুক্তি
হওক স্বাধীনতাৰ জয়।



## জীৱন্ত মৃতক

ৰিণী গগৈ
*স্নাতক দ্বিতীয় বৰ্ষ, কলা বিভাগ*

জোনাকত মাজে মাজে বাজি উঠে
ঝুনুকাৰ ঝন্ ঝননি;
কুঁৱলীৰ পাৰ হয়
মৃত্যুৰ দেৱতা
ছয়দিনৰ নিদ্ৰা ছিঙি
এটা 'শ'
বালি খান্দি উঠি আহে
আন্ধাৰতো উজ্জ্বলি উঠে
বেঙুনীয়া পেশী, শ্যামল স্নায়ু।
বৈ বৈ স্তব্ধ হৈ যায়
শীতল ৰক্ত,
অবশ হয় ভাগৰুৱা হিমযু
শেতা পৰা ছালৰ ফাঁকেদি পিৰপিৰাই
জীৱনৰ বীষাক্ত কীট,
বায়ুহীন শূন্যতাত
ধলী পৰে অভিশপ্ত ৰজনী।
মৃত্যুৰ দেৱতা গুচি যায়
জোনাকে নিতাল মাৰে,
এটা শ'
বালি খান্দি শুই পৰে।।





## আত্মগাঁথাৰ চাৰিটি ৰূপ

কুলদীপ ফুকন
*স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান বিভাগ)*

(১)
কত ফুলে সূৰুজমুখী ফুল
খোজ দিলো দূৰ সীমনালৈ
সূৰুজমুখী ফুল বিচাৰি
যাত্ৰা পথত লগ পালো এজন পথিক
তেওঁৰ কলিজাটো চুচৰি গৈ আছিল
তেওঁৰ পাছে পাছে
পথ বুলিছিলো তেওঁ নিজৰ ঘৰলৈ

(২)
উচ্চতা
কোনোৱে ক'লে সপোনবোৰ হেনো
আকাশত ফুলে
বাহুৰ জোৰেৰে সাজিলো এডাল
পানীৰ জখলা
সেই ফুলবোৰত পানী দিবলৈ

(৩)
সপোন
যদি উৰে এটি সপোন মোৰ আকাশত
সাবটিম তাইক মোৰ দুই আলফুল হাতে

হাতৰ মুঠি খুলি দেখিলো
তাইৰ নিৰস শুকাই যোৱা ভঙ্গুৰ দেহটি

(৪)
তেওঁৰ কথাযাৰি
তেওঁ মোক এযাৰি কথা কৈছিল
কিন্তু মই শুনা নাছিলো
মই শুনিছিলো মোৰ নিজৰ কথা
শুনিছিলো বৰষুণৰ মাজেৰে নামি অহা
ধুমুহাৰ কলিজাৰ স্পন্দন
তেওঁ মোক এযাৰি কথা কৈছিল
তেওঁ কৈছিল মাত্ৰ "ভালেৰে থাকিবা"
কিন্তু মই শুনা নাছিলো



## ভগ্ন হৃদয়

মধুৰশ্মি বৰুৱা
*স্নাতক তৃতীয় বৰ্ষ, কলা শাখা*

লাহে লাহে যেন শেষ হ'ব ধৰিছে
জীৱনৰ প্ৰতিটো আশা
ভঙা হিয়া ভগা দেহ লৈ ফুৰিছে
মাথো শৰীৰত প্ৰাণ
নিগৰি আহিব ধৰিছে
দুটোপাল তেজৰ চকুলো
চাওঁতা যে
নাই আজি তাইৰ কাষত।

ততাপি!
আশা নিৰাশাৰ সপোন লৈ
জীয়াই থকাৰ প্ৰতিশ্ৰুতি
বান্ধি লৈছে প্ৰৱল ইচ্ছাক
থাকিব বিচাৰে জীয়াই
স্মৃতি লৈ
কিন্তু!
সিও যে কেৱল বিষাদৰ।
ভাগৰুৱা প্ৰাণত
কোনে দিব জীপাল কৰি
আপোন বুলিবলৈ যে কোনো নাই।
উকা হিয়াত কোনে জ্বলাব
আশা বন্তি???
নেলাগে হৃদয়ত দিয়ে
কেৱল তেজৰ চেঁকুৰা!!
কেৱল তেজৰ চেঁকুৰা!!!

# লিমাৰিক / আপদীয়া পদ্য

*(শ্ৰদ্ধাৰে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুৰ হাতত)*

বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই

(১)

আজি কালি কলেজ শিক্ষকৰ দৰমহা বাঢ়িল
তাকে লৈ মনত বৰ আনন্দ মিলিল
ডেজিকনেশ্যন সহকাৰী অধ্যপক হ'ল
পুৰণি ফাইল হাতত লৈ কাহিলিপাৰালৈ গ'ল
দৰমহা বঢ়াৰ লগতে অৱস্থাও হ'ল কাহিল।

(২)

ন' বজাত কলেজলৈ আহি অফিচত চহী কৰে
চাৰে তিনি বজালৈকে থাকিব লগাত ভাগৰি জুগৰি পৰে
নতুন শিক্ষামন্ত্ৰীৰ নিয়ম নতুন
যেন আদৰি আনিছে প্ৰভাতী কিৰণ
মাজৰ সময়খিনি মিলাই-জুলাই বজাৰ সমাৰো কৰে।



(৩)

কিনো নীতি নিয়ম বান্ধি দিয়ে এই হিমন্ত
চাৰে ছঘণ্টা কলেজত থাকি মৰি মৰি যেন জীৱন্ত
তাতে ছেমিষ্টাৰ পদ্ধতি
নাই অকণো শান্তি
ক্লাছ কৰি কৰিও আমুৰাই মনবোৰোচোন অশান্ত।

(৪)

কোনোজনে কৰে প্ৰজ্ঞাৰ সাধনা কোনোৰে আক' জ্ঞান
তাকে নকৰিলে নৰয় বোলে আদৰ আৰু মান
নিজকে ভাবি লয় বুদ্ধ বুদ্ধ
তাকে লৈ লাগি যায় শীতল যুদ্ধ
অথচ ওচৰত পালে নিজকে লাগে বৰ অজ্ঞান অজ্ঞান।



(৫)

কোৰা হয় অভাৱত পৰি স্বভাৱ হয় নষ্ট
কথাযাৰ শুনিলে পাওঁ বৰ কষ্ট
তেওঁলোক হ'ল শিক্ষক
ভাৱে ল'ৰা-ছোৱালীহঁতে শিকক
সকলোৰে সপোনবোৰো হৈ পৰে মন্ত মন্ত।

(৬)

সদৌ শেষত ছাৰ বাইদেউসকললৈ পৰম শ্ৰদ্ধা থাকিল
ক'ৰবাত যদি ভুল ভ্ৰান্তি কৰিছোঁ কৰি দিয়ে যেন বাতিল
মই 'কবি' বৈদ্য ব্ৰাইট
নেজানো একো ফাইট ছাইট
জনাই নজনাই লিখা প্ৰথমটো লিমাৰিক ইমানতে অন্ত পৰিল।





## এন্ধাৰ

গনেশ পাংগিং
*স্নাতক দ্বিতীয় বৰ্ষ, কলা শাখা*



এই এন্ধাৰ পৃথিৱীখন
পোহৰ হোৱা নাই কিয়?
পোহৰ হোৱা নাই কিয়?
এই ধৰণী সমাজখন।
সলনি হোৱা নাই কিয়?
এই মানৱ জাতিৰ মনবোৰ
যত আছে ঘাত-প্ৰতিঘাত
বাধা-বিঘিনি, ছিন্ন-বিচ্ছিন্ন, অশান্তি, হিংসা।
শান্তি হেৰাই গৈছে এই সোনালী পৃথিৱীৰ পৰা।
হেৰাই গৈছে বান্ধোনৰ একতা এই ধৰণীৰ পৰা।
বন্দুক বাৰুদ টোৱে এই পৃথিৱীৰ বুকুখনক ঢাকি ৰাখিব ধৰিছে।
সোনালী পৃথিৱীখনক তেজেৰে ৰাঙলী কৰিছে।
কিমান বাধা, কমিন হিংসা, কিমান অশান্তি।
কেতিয়া মানুহে এই মনৰ পৰা উন্মুক্ত হ'ব।
আমাক এখন শান্তি পোহৰ সমাজ লাগে।
য'ত থাকে এন্ধাৰৰ সলনি পোহৰ পোহৰ পোহৰ।



## নিসংগতা

জাফ্ৰিনা হুছেইন
*স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)*

সময়ৰ প্ৰবল সুঁতিত যেন গভীৰৰ পৰা গভীৰতলৈ
ক্ৰমাৎ নিবিড় হৈ আহিছে
মোৰ স'তে এই নিঃসংগতাৰ ক্ষণবোৰ
সন্ধিয়া আকাশত তৰা লেখি লেখি
হঠাতে উজ্জ্বল তৰা এটিৰ দৰেই
উজ্জ্বলি উঠিব খোজে হৃদয়
কিন্তু যেতিয়া অতীতৰ স্মৃতিবোৰে সোঁৰৱাই দিয়ে
সময়ৰ নিষ্ঠুৰ, হিংস্ৰ প্ৰহাৰ
সন্ধিয়াৰ সেই নিৰ্জনতাত
মোৰ হিমচেঁচা বিবৰ্ণ দেহত
ধূসৰ কৰুণতা বয় নিমাতে
তেতিয়া আলফুলে দুবাহু মেলি
মোক আকোঁৱালি লয়
কেৱল মোৰ এই নিসংগতাই

## সঁহাৰি বিচাৰি

ভাগ্যশ্ৰী গোস্বামী
*স্নাতক দ্বিতীয় বৰ্ষ, কলা শাখা*

ভাৱৰ আবেগত ডুব গৈ আগবাঢ়িছো
এটা কবিতা লিখিবৰ বাবে
কিয় বাধা দিছা তুমি মোক বাৰে বাৰে
বাধা দিছা জীৱনৰ প্ৰতিটো খোজতে।
এই প্ৰেমময় পৃথিৱীত তুমি মোৰ সৈতে
জানো অলপো সঁহাৰি নিদিয়া
জীৱনৰ পুৱা বেলাত
যিদিনা দেখা পালো তোমাক,
তোমাক দেখা পালেও
আজিও যে তোমাৰ মোৰ দূৰত্ব কিমান.......।।
মন গলেই
নোৱাৰো ক'ব মনৰ কথা,
লিখো বুলি ভাবিলেও
নোলায় কোনো শব্দ,
মই যে এতিয়াও সজাত পখীৰ দৰেই আবদ্ধ।
পদুম পুৱাতে শোৱাপাতি এৰি
দিনটোত এবাৰ হ'লেও ভাবো
তোমাৰ কথা,
সন্ধ্যাৰ শুভ্ৰ জোনাকে আনি দিয়ে
তোমাৰেই বতৰা
লুঙলুঙীয়া বাটেৰে আমি দুয়ো
গৈ থাকোতে বিৰাজ কৰিছিল কেৱল
নিৰৱতা,
সেই নিৰৱতাত তুমি মোৰ বাবে
আছিলা জীৱনত গুপুতে সাচিৰখা
এটা ডাঙৰ প্ৰশ্নৰ সঁহাৰি।।



## স্মৃতি

প্ৰণৱ জ্যোতি দাস
*স্নাতক দ্বিতীয় বৰ্ষ, কলা শাখা*

স্মৃতি মানেই মধুৰ নহ'বও পাৰে,
হ'বও পাৰে স্মৃতি তিতা।
হয়তো স্মৃতি পল অনুপল
দিন বা ৰাতিৰ
স্মৃতি মাথো স্মৃতি
স্মৃতিত থাকে মাথো অতীত
অতীতৰ মধুৰ সপোন
অতীতত কটোৱা প্ৰতিটো পলৰ
দিন আৰু ৰাতিৰ স্মৃতি
স্মৃতিৰ শলিতাত জ্বলে মাথো
অতীতৰ স্মৃতি
স্মৃতিৰ পাতত লেখা আছে
শৈশৱৰ সোণোৱালী গাঁথা
শৈশৱৰ সোণোৱালী আভা
নৈ গড়াত শিমলু ফুলাৰ দৰে
স্মৃতিবোৰ শিমলু হৈ ফুলিছে।
কহুঁৱা হৈ উৰিছে আকাশে বতাহে।
স্মৃতিবোৰ ৰঙীণ
সুকুযে মেলানি মগাৰ দৰে।
স্মৃতিবোৰ ক্ষন্তেকীয়া
নিশাৰ শেৱালি ফুলৰ গোন্ধৰ দৰে।





## মাজুলী

বিৰাজ খাটোৱাল
*স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)*

যোৱাকালি এই ঠাইতে
গুলপীয়া ছাতিৰ তলত বৰষুণ দিছিল
হাঁহিৰ বৰষুণ...
চৰাইবোৰে হাঁহিছিল, বতাহে খেলিছিল
ছাঁতিৰ আঁৰত;
কিন্তু আজি,
কুলি চৰাইজনীয়ে খবৰ দিলেহি
আজি তুমি নাহা এই পথেদি
যোৱাৰাতি তুমিহেনো হেৰুৱালা
তোমাৰ বাওঁহাতৰ নখ আৰু নেইলপলিছ-
আজি তুমি কেইবজাত পাৰ্লাৰলৈ আহিবা
মোৰ ঠিকনা তোমাৰ পাৰ্লাৰৰ সন্মুখৰ ফুটপাথত,
কলা, কৃষ্টি আৰু সংস্কৃতি ধৰি ৰখাই তোমাৰ লক্ষ্য
পাৰ্লাৰৰ নাম "বৈষ্ণৱ মহাসত্ৰ"
যোৱাৰাতি তুমি কান্দিছিলা...
টিউবলাইটৰ পোহৰত জিলিকি উঠিছিল চকুপানী,
কাৰণ মহাজনৰ মাটিত তোমাৰ পাৰ্লাৰখন
কেতিয়া ভাঙি পেলায় ক'ব নোৱাৰি আধুনিক হাতীয়ে
সময় সন্ধিয়া ৫ বজাত
তুমি পৌৰসভাৰ ৰেষ্টোৰেণ্টলৈ আহিবা
একাপ কফি খাবলৈ সংগ লাগে তোমাক
তুমি নিশ্চয় আহিবা..
গুলপীয়া ছাতিটোত সপোন লৈ....
কিন্তু তোমাকটো মই চিনি নাপাওঁ
তুমি হেৰুৱাই আহিছা সতীত্ব
আৰু তোমাৰসৌন্দৰ্য
আধুনিকতাই কাঢ়ি নিলে
তোমাৰ কঁকালত পৰা চুলি
ভৰি নখবোৰ আৰু নেইলপলিছ
আৰু হয়তো সেইবাবেই কান্দিছে আজি
গুলপীয়া ছাতিটোৱে
আৰু আৰু
কৃষ্ণচূড়া, গোলাপ, তগৰবোৰে



## সেউজী

পৰিক্ষিত কন্দ
*স্নাতক তৃতীয় বৰ্ষ, কলা শাখা*

সেউজী ধৰণী সেউজী পৃথিৱী
সেউজী প্ৰকৃতিৰ দান।
সেউজী সত্য সেউজীয়েই সুন্দৰ
সেউজীয়া আমাৰ প্ৰাণ।।
সেউজীৰ আঁৰে আঁৰে বিবিধ ৰঙৰ চৰায়ে
পাতিছে সেউজী মেলা।
সেউজীৰ আঁৰে আঁৰেই মনৰ উলাহতে
নাচি ফুৰিছে পখিলা।।
সেউজীৰ কোলাতেই জন্মিছো আমি
সেউজীতে যাব আমাৰ প্ৰাণ।
সেউজীক পিছে এই জনমত
কিয় কৰিছো অপমান।।
ওলাই আঁহা সবে আজি সেউজী ধৰণীৰ
গাওঁ আমি সেউজীৰ গান।
মৰমৰ সেউজীক মৰমেৰে আদৰি
জনাওঁ সেউজীক প্ৰণাম।।

# কল্পনা পৃথিৱীৰ মানুহ

অসীম জ্যোতি গগৈ
*স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)*

মই কল্পনা পৃথিৱীৰ মানুহ
সপোন গাঁৱৰ বাসিন্দা মই
আছোহি বিষাদ নগৰীত।
মই জীয়াই থাকিব বিছাৰো,
এবুকু আশা আছে বাবে।
তোমাক ভাল পাব বিচাৰো,
মোৰ হৃদয়ে বিচাৰে বাবে।
তোমাক আপোন কৰিব বিচাৰো,
তোমাক ভাল পাওঁ বাবে।
অভিমান মোৰ নাই,
কাৰণ বেদনাত পিষ্ট হ'লেই
মই আঁকিবলৈ ধৰো নীলা নীলা ছবিবোৰ।
তুমি চিন্তা নকৰিবা,
যেতিয়ালৈকে থাকিব তোমাৰ অভিমান
সেই অভিমানত মোৰ নস্তালজিয়া
মই লেখিবলৈ নেবো মোৰ জীৱনৰ কবিতা
আৰু, বেদনা সুৰীয়া বিষাদৰ গান।
মোৰ সমস্ত দেহমন, ভাব, অনুভূতি
উৰ্চৰ্গিত কৰিম তোমাৰ নামত
তোমাক ভাল পাওঁ বাবেই।
গৈয়ে থাকিম তোমাৰ হৃদয়ৰ পুখুৰীলৈ,
যেতিয়ালৈকে থাকিব মোৰ বুকুৰ পিয়াঁহ।
কল্পনা পৃথিৱীৰ মানুহ মই,
সপোন গাঁৱৰ বাসিন্দা
আছোহি বিষাদ নগৰীত
কেৱল তোমাক ভাল পাওঁ বাবে।।



# ভাৱনা

পৰীক্ষিত দাস
*স্নাতক তৃতীয় বৰ্ষ*

কবিতা লিখিব মই নাজানো
তথাপি অন্তৰৰ ভাববোৰ যেন
লিখি থবৰ মন যায় বগা কাগজৰ বুকুত
নীলা চিয়াহিৰে নীলা নীলা আখৰে
মনৰ ভাৱনাবোৰ কিজানি বুজি পায়।
কোনোৱে মোৰ জীৱনৰ আশাবোৰক
চিলা হৈ উৰিবৰ মন যায় আকাশত
বতাহৰ লগত মোৰ মনতো চিলাৰ লগত
গাঁথি দি নিলিম আকাশত উৰিবলৈ দি
চাবলৈ মন যায় বতাহৰ কোমল পৰশে
মোৰ মনটোক কোন দিশে নিয়ে উৰুৱাই
পাৰিম জানো বতাহে তাৰ ঠিকনাত মনটোক থবলৈ
বতাহৰ দিশ সলনি হ'লে মই মোৰ মনটোৰ স'তে
আকাশৰ বুকুৰ পৰা সৰি নপৰিম জানো
তেতিয়া মই আকাশৰ বুকুত জিৰাবলৈ ঠাই পাম জানো
ওহ্ মোৰ ভাৱনাবোৰৰ জানো কোনো অন্ত আছে
নাই নাই ভাৱনাৰ কোনো অন্ত নাই
এই অন্তহীন ভাৱনা লৈ এদিন শেষ হৈ যাম
সেইদিনা আৰু নাথাকো মই আৰু নাথাকে কোনো ভাৱনা।





# যন্ত্ৰণাৰ জীৱনটো

নিৰ্মালী বৰা
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)

"যদি মোৰ মৃত্যু হ'লহেঁতেন
মোৰ জন্ম মুহূৰ্তত।
তেন্তে মই আজিও হৈ থাকিলোহেঁতেন
শান্ত আৰু নীৰৱ.......
মই শুই থাকিলোহেঁতেন পৃথিৱীৰ
সম্ৰাট আৰু পৰিষদ বৰ্গৰ মাজত;
যি সকলে নিজৰ পৰাই গঢ়ে
নশ্বৰ অট্টালিকা।
অথবা থাকিলোহেঁতেন স্বৰ্ণ পুঞ্জৰ
অধিকাৰী ৰাজন্যবৰ্গৰ স'তে
যি সকলে নিজৰ ঘৰ
পৰিপূৰ্ণ কৰি তোলে সম্ভাৰেৰে।
যদি মোৰ জন্ম হ'লহেঁতেন;
গোপনে....... অকালতে........
তেন্তে মই হ'লোহেঁতেন কাহানিও
পৃথিৱীৰ পোহৰ নেদেখা সেই.............
শিশুজাকৰ দৰে..........।
যন্ত্ৰণাৰে জৰ্জৰিত জনৰ বাবে
পোহৰ কিয়........?
তিক্ততাৰে পৰিপূৰ্ণ আত্মাৰ বাবে
জীৱন কিয়?
মৃত্যু কামনা কৰোঁতাক কিয় ধৰা নিদিয়ে
মৃত্যুয়ে..........?
মৃত্যু কৰায়ত্ব হ'লে উল্লাসিত হোৱাজনক



# এটি মধুৰতম কবিতা

কবিতা শইকীয়া
*স্নাতক দ্বিতীয় বৰ্ষ, কলা শাখা*

ফাগুণ তুমি ৰৈ থাকিবা
মোৰ হেঁপাহৰ প্ৰিয়তম অহালৈ,
তেওঁ আহিব ফাগুণৰ এটি দিনত
মোৰ বাবে আশাৰ বতৰালৈ।
তুমি অহাৰ পৰত পুঞ্জীভূত দুখবোৰ আঁতৰি
অন্তৰত আনন্দৰ জোৱাৰ উঠিব,
তুমি আহিলে হিয়াৰ সমস্ত মৰমত
হৃদয়ত আশাৰ পলাশ ফুলিব
কিন্তু পলাশ,তুমি মৰহি নাযাবা
হঠাতে ফুলি প্ৰেমৰ প্ৰতীকৰূপে,
তুমি প্ৰস্ফুৰ্টিত হৈ ৰবা ফুলৰূপে
আমাৰ পবিত্ৰ প্ৰেমৰ চিনৰূপে
তুমি আহিবানে ফাগুণৰ আমেজ লগা এটি দিনত
অপেক্ষাৰ অন্তত মোৰ সাক্ষাৎ হ'বলৈ।
জীৱন নামৰ সমুদ্ৰৰ নিৰ্জন আবেগৰ পাৰত বহি
সুখ দুখৰ প্ৰেমালাপ কৰিবলৈ।
প্ৰাণৰ প্ৰিয়তম তুমি আহিবা তুমি আহিলে
তোমাৰ সঁচা প্ৰেমৰ ঔৰসত,
শব্দৰ তুলিকাৰে মোৰ অনুভৱেৰে পূৰ্ণ হৃদয়ৰ গৰ্ভত
জন্ম লাভ কৰিব এটি মধুৰতম কবিতা।

## বিপন্ন সময়

বিনী ভৰালী
*স্নাতক প্ৰথম বৰ্ষ (কলা শাখা)*

সময়বোৰ এতিয়া দুঃসময়
আজিৰ মানৱ সভ্যতা
হৈ পৰিছে নিৰ্লজ
মানৱতাৰ মাজত বৰ্তি আছে
মাথো ঘৃণা আৰু সংশয়
বাস্তৱৰ কঠোৰতাত আজি
সকলোবোৰ ছেদেলি-ভেদেলি
দুহাতৰ মুঠিত আছে
কেতিয়াও শেষ নোহোৱা
ভাজক, ভাজ্য আৰু ভাগশেষৰ
নিমিলা অংক.............
চৌদিশে এক নাৰকীয় যন্ত্ৰণা
য'ত আছে,
হত্যা, ধৰ্ষণ আৰু বিস্ফোৰণ।
চৌদিশ আজি কাৰাৰুদ্ধ, বাকৰুদ্ধ
শাসনৰ মকৰাজালত
বাটত চিনাকী-অচিনাকীৰ সমাগম
পাৰিবনে অন্ত এই
দুখময় সময়ৰ পৰিক্ৰমা?

## তোমাক হেৰুৱাই

ছায়াৰাণী মিলি
*স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)*

তুমি ক'ত আছা?
আজি মই তোমাক
বিচাৰি বিচাৰি ঘূৰি ফুৰিছো
আহা এবাৰ কাষলৈ
সাবটি লওঁ।
তুমি মোৰ কাষত
থাকোতে এনে লাগিছিল
যেন. . .
মই সকলো পালো
কিয় তুমি মোক পাহৰি গ'লা?
জীৱনত তুমি মোক জীয়াই
থকাৰ আনন্দ দিছিলা,
তুমি মোক হাঁহিবলৈ
শিকাই থৈ গ'লা।
কিন্তু, এনে এটা ধুমুহা আহিল
মোৰ জীৱনৰ হাঁহিবোৰ
হেৰাই গ'ল
কান্দোনবোৰ সাবটি লবলগীয়া হ'ল
এতিয়া ক'ত আছা তুমি?
আকৌ এবাৰ ঘূৰি আহা
মই তোমাৰ বাবে আজিও
আগৰদৰে বৈ আছো,
মই তোমাৰ বাবে সদায়
বৈ থাকিম।
জগতৰ সকলো বস্তু পাহৰি গৈছো
মই তোমাক হেৰুৱাই.........।









## জীৱন কি?

গুণিন বৰগোহাঁই
*উঃ মাঃ প্ৰথম বৰ্ষ*

জীৱন এনে এক সাঁথৰ
যি কেতিয়াও সহজে নাভাঙে,
মানুহে বাৰু এই সত্য
মানি ল'ব নোখোজে কিয়?
জীৱন এক এনে যুঁজ
যি নহয় সহজে শেষ
যদিওবা হৈ যায়
সকলো আশা নিঃশেষ
জীৱন এনে এক প্ৰেৰণা
যিয়ে লৈ যায় আগুৱাই
দুৰ্গম বাটৰ মাজেদি
অনিৰ্দিষ্ট লক্ষ্যলৈ ধিয়াই
জীৱন এক এনে মুকুতা
যাক সহজে পোৱা নাযায়
লভিও তথাপিতো মানুহ
ইয়াৰ মূল্য বুজি নাপায়
পাইছা যদি এই অমূল্য জীৱন
মিছাতে নকৰিবা নষ্ট
একমান হৈ টঙালি বান্ধি
ধাৰ্য কৰা লক্ষ্য নিৰ্দিষ্ট।

## মোৰ টুকুৰা টুকুৰ সপোনবোৰ

দ্বীপজোতি পাত্ৰ
*স্নাতক প্ৰথম বৰ্ষ (বাণিজ্য শাখা)*

মোৰ দুখৰ সুখৰ ভাষা
কালৰ মুখৰ মনৰ বেথা;
শুনা মানুহ নাই
আজি মই এটি নিসংগময় নিতাল নিশা।
ক্ষণিকৰ সুখৰ সাগৰৰ অলেখ সপোনৰ তিৰবিৰণি,
আজি মোৰ কেঁচা কলিজাৰ অন্তহীন ধপধপনি;
চকুবো আহৰি নাই উন্মাদ কান্দোনৰ ধল
দুখবোৰতো অবিনশ্বৰ হৈয়ে ৰ'ল,
স্তব্ধ হৈ ৰ'ল মোৰ জীৱন গতি;
জনপূৰ্ণ পৰিবেশো যেন শূন্য আজি।
অ' ৰূপৰ কুঁৱৰী
অশ্ৰুৰ নিজৰা বোৱাই সৃষ্টি কৰো ত্যাগৰ নদী
কিজানিবা তুমি অহা সেই নদীয়েদি উটি ভাহি
শান্তিৰ নিজৰা হৈ;
হে মোৰ স্বপ্নৰ ৰাণী



## তুমি এৰি থৈ যোৱা স্মৃতিবোৰে

মজেশ মুণ্ডা
*স্নাতক দ্বিতীয় বৰ্ষ (বাণিজ্য শাখা)*

তুমি এৰি থৈ যোৱা স্মৃতিবোৰে
মোক আমনি দিয়ে,
কেতিয়াবা নিজানত অকলে কৰবাত বহিলে,
দুচকুত ভাহি আহে তোমাৰ প্ৰতিচ্ছবি,
আৰু ভাহি সৌসিদিনা এৰি থৈ যোৱা দিনবোৰ,
তোমাৰ হাতৰ কোমল স্পৰ্শত মুগ্ধ হোৱা
তোমাৰ ওঁঠ দুটিৰ মৃদু স্পৰ্শত
সকলো পাহৰি যোৱা।

কিয় বাৰু আমনি দিয়ে
তুমি এৰি থৈ যোৱা স্মৃতিবোৰ
নিজকে সোধো কেতিয়াবা নিৰৱে নিৰলে
কোনেনো দিব ইয়াৰ সঁহাৰি........?

## সময় নিৰ্বিকাৰ

সুভজিত হাজৰিকা
*স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)*

মোক কোনেও ৰুধিব নোৱাৰে
মই দুৰ্বাৰ গতিত আহিব পাৰো আৰু যাব পাৰো
মোৰ কোনো আদি অন্ত নাই
জোখ মাখ কৰিবলৈ কাৰো সাধ্য নাই
কোনেও নজনাকে বিলাব পাৰো সুখ-দুখ
যিয়ে মোক অনুভৱ কৰে
সিয়ে কেৱল কিঞ্চিৎমান দেখা পায়
এটি সুন্দৰ সুখী জীৱন।
সকলো প্ৰাণতে বিলীন মই প্ৰতিটো ক্ষণত,
পল অনুপল বাগৰি যাওঁ নতুনক আদৰি
ভুমুকি মাৰি থাকে মায়াৰ মোহত
এৰি অহা প্ৰাচীন স্মৃতি
আমনি দিয়ো প্ৰতিটো জীৱন্তৰ প্ৰাণত।
পুৰা ছাঁয়াৰ উৰণি গুচাই আহিব পাৰো মই
এটি সেউজ ফুলৰ থোপা লই
মেলানি মাগিব পাৰো মই
কাম, ক্ৰোধ, লোভ, মোহ বৰ্জন কৰি
এটি অশ্ৰুশিক্ত আত্মা বোজা লই।
মই কাৰো বাবে ৰব নোৱাৰো
মোৰ হিয়া অপাৰ অসীম
যদি আনে মোক ৰুধিব বিচাৰে
তাক মই ডুবাই ৰাখিব পাৰো
অন্ধকাৰৰ ধূসৰ ছাঁয়াৰ অটল গৰ্ভত
মই কাৰো বাবে হাবাথুৰি নাখাওঁ
মোৰ বাবেহে সকলোৰে বিচাৰি হাঁহাকাৰ
মোৰ সীমা প্ৰতিটো জীৱন্ত প্ৰাণত
সিঁচৰতি হোৱা মধুৰ কল্পনা
ময়েই আনো পুৰা-গধূলি আশা-নিৰাশা।।







## মনুষ্যৰ জীৱন কচুপাতৰ পানী

বিপুল ভূঞা
*স্নাতক প্ৰথম বৰ্ষ (কলা শাখা)*

মনুষ্যৰ জীৱনটো মিছাই নৰতনু
যেনে ফুলৰ ৰেণু
এদিন পাহি সৰিয়েই যায়।

মনুষ্যৰ জীৱনটো এটি সোণৰ সজা
সেই সজাটিতেই সোমাই আছে
এজনী সুন্দৰ ৰূপৰ পক্ষী।

যিদিনা সেই ৰূপৰ পক্ষীজনী উৰি যায়
সোণৰ সজা ভাঙি,
সিদিনাই মনুষ্যৰ জীৱনটো শেষ হয়।

মনুষ্যৰ জীৱন নিচেই দুদিনীয়া
আজি আছে কালি নাই,
মাত্ৰ দুদিনৰ বেহা।





## চকুপানী

নয়ন জ্যোতি কটকী
*স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)*

এখন নেদেখা নদীৰ কাহিনী
বহুদিনৰ পৰাই বৈ আছে,
এডোখৰ নিৰ্জন ঠাইত
নদীখনে নিৰলে-নিৰবে।

এখন নেদেখা সুবাসত
অচিনাকী মৃদু সুবাসত
সাৰ পোৱা নদীৰ সীমাহীন দুটি পাৰ,
এখন নেদেখা নদীৰ কাহিনী।

সময়বোৰে হাঁহিৰ জোৱাৰত মিলিব খোজে
নৈখনে যেতিয়া কোৱাল সোঁতত বৈ যাব খোজে
ভাগৰুৱা পথিকেও বিষাদত কেঁকাব ধৰে
যেতিয়া নদীৰ পথত বাধা দি ৰোৱা
বিষাক্ত কাঁইটবোৰে বিন্ধিব খোজে।
এখন নেদেখা নদীৰ কাহিনী
নাৱৰীয়াই বঠা মাৰি নোপোৱা
এখন নদীৰ কাহিনী
নৈখনৰ নাম ......?

## গুৰুৰ দান

প্ৰাঞ্জিত শইকীয়া
*স্নাতক দ্বিতীয় বৰ্ষ (বাণিজ্য শাখা)*



সমাজ এখনত শিক্ষাৰ
পোহৰেৰে উজলাই তোলা
অজ্ঞানীৰ মনত জ্ঞানৰ
ভাৰ জগাই দিয়া
হে গুৰু, তুমি মহান।
অকপটে দান কৰা
জ্ঞানৰ ভাণ্ডাৰ তুমি
হে গুৰু তোমাৰ মহিমা অপাৰ।
মোৰ দৰে হাজাৰ হাজাৰ
শিশুৰ মাজত জ্ঞানৰ
জেউতি বিলাই পোহৰাচ্ছন্ন কৰা
আমাৰ ভৱিষ্যৎ গঢ়ি তোলা
হে গুৰু, তুমি সঁচাকৈ মহান
তোমাৰ জ্ঞানৰ আলোক
প্ৰতিফলিত হৈছে
মানৱ সমাজৰ দাপোনত।
সমাজৰ চুকে কোনে
চহৰে নগৰে তোমাৰেই প্ৰতিদান
আজি আমাৰ দেশৰ
নৱ জাগৰণৰ
তুমিয়েই কাৰণ।
ধন্য, দেৱ তুল্য
মানৱৰ অংশ তুমি
হে গুৰু, তোমাৰ সহস্ৰ প্ৰণাম।

## শৰতৰ শেৱালি সুবাস

কৰবী সন্দিকৈ
*স্নাতক প্ৰথম বৰ্ষ (কলা শাখা)*



শৰতৰ সেন্দুৰীয়া পুৱাত
আলিৰ কাষে কাষে খোজ কাঢ়ি
শেৱালিৰ সুবাসত মাথো
তোমাৰ কথা মনত পৰে
মনত পৰে তোমাৰ মৰমবোৰ
এপাহ দুপাহকৈ শেৱালি ফুল বুটলি
সাঁচি থও তোমালৈ বুলি
এদিন আহিবা দিম তোমাক
শেৱালিৰ সুবাস।





## প্ৰিয়জনৰ সন্ধানত

হিৰণ্য বড়া
*স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)*



সময়বোৰ যে কেনেকৈ পাৰ হৈ যায়—
আজি কল্পনা,
কালিলৈ সপোন,
আজি দিঠক,
কালিলৈ অতীত।।
বৰ্তমান তোমাৰ বাবে
ইমান কঠিন নে?
সেয়ে চাগে গুচি যোৱা অতীতলৈ,
সপোনৰ কোলাত ভাহি।।
কি এৰিলা নো অতীতত তুমি?
বিৰহিত প্ৰেম পিৰিতি
নে, ইতিহাসৰ বৃষ্টি
কাৰ সন্ধানত যোৱা তুমি,
নিশ্চয় প্ৰাণৰ প্ৰেয়সী।
যোৱা তুমি,
বিচাৰা প্ৰিয়জনক।
নকৰো দুখ আজি,
নিদিও চকুলো মচি।
তুমি যে মোৰ আজি
তুমি যে মোৰ আজি।

## আজি যে সোণৰ বিয়া

সোণমণি দাং
*স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)*



তোমাক লগ নোপোৱা হ'লে
কেতিয়াবাই হেৰাই গ'লোহেঁতেন
অসীমৰ দূৰ দিগন্তত।
তুমি জানো ক'ৰপৰা আহিলা
ফাগুণৰ পছোৱা হৈ
দুচকুত অযুত সপোন লৈ।
কিয় সোণ আহিলা,
বিদায়ৰ এই (শুভ) সন্ধিক্ষণত
ইমান আৱিৰ সনা কথা
গুপুতে গুপুতে কোনেও নজনা
দুৰু দুৰু কঁপিছে হিয়া।
আজি যে সোণৰ বিয়া।

## FRIENDSHIP

**Noyanmoni Dihingia**
*BSc 1st Year*

Friendship is as presious as,
A drop of water in the desert.
It is the way that
Brings lots of happiness,
And become a path of success.
It is the music of soul.
And it will hald your
Hand whenever you fall.
The most loyal and beautiful
relationship
- "is friendship"

*(Dedicated -*
*To all my Dibru friends)*



## WEEKNESS IS DEATH

**Mahananda Dutta**
*B.Sc 1st year*

Strength is life
Weakness is death, Strength is felicity.
life eternal, immortal, weakness is constant
Strain and misery, weakness is death.
This is the fact of life.
To succeed one must have tremendous
Perseverance, tremendous will, "I will
drink the ocean", says the persecering soul,
at my will, mountains will crumble up,
Have that sort of energy, that sort of
will work hard and you will reach the goal.

Be not in despair, the way is very difficult,
like working on the edge of a razor,
Yet despair not, arise, awoke
and find the ideal the goal.

Be unselfish
and never listen to one friend in private
accusing another, have infinite
patitence and success is yours.

Purity patience and perseurance
are chree essentials to success
and above all live.



# অন্যান্য ৰচনা

# আমাৰ আকাশ তেনেই অকণি, তোমাৰ আকাশ দিয়া

**শ্ৰীমতী মৌচুমী দত্ত**
*অধ্যাপিকা, অসমীয়া বিভাগ*

হে আকাশ, মোৰ প্ৰাৰ্থনা শুনা, নিৰুপায় যদি বিলাস এয়া,
কোন প্ৰশ্নৰ ইংগিত কোৱা অঙঠাৰ দৰে জোনটো বেঁকা
আমাৰ আকাশ নিচেই অকণি তোমাৰ আকাশ দিয়া!
*(প্ৰাৰ্থনা ঃ আকাশৰ প্ৰতিঃ খিৰিকিৰে)*

আকাশক ক্ষমা বিচৰা এজন কবি, আকাশৰ স'তে মনৰ ব্যথা ভগাই ল'বলৈ বিচৰা এজন কবি। যাৰ কবিতাত ৰবীন্দ্ৰনাথ, ইলিয়েট, বুদ্ধ দৰ্শন, গ্ৰাম্যজনজীৱনৰ 'আইতাৰ জধলা চুমা', জীৱিকাৰে জীৱনত আবিৰ সনাৰ প্ৰয়াস বিদ্যমান।

কবি নৱকান্ত বৰুৱা। মোৰ প্ৰিয় কবিৰ তালিকাত যাৰ নাম অন্যতম। কবিতা পঢ়া, কবিতা পঢ়ি ভালপোৱা মঞ্চত কবিতা আবৃত্তি কৰাৰ পৰা ধৰি বৰ্তমানলৈকে নৱকান্ত বৰুৱাৰ কবিতাই মোক মোহাচ্ছন্ন কৰি আছে। নগাঁৱৰ ওপজা ঘৰখনেই আছিল কবি নৱকান্তৰ কবিতাৰ কঠিয়াতলি। পাঠশালাৰ প্ৰথম মানত পঢ়ি থাকোতেই কবিয়ে লিখিছিল এটি কবিতা। হাইস্কুলীয়া জীৱনতো কবিয়ে সাহিত্য চৰ্চাৰ হেঁপাহ কৰিছিল। তাৰ ফলশ্ৰুতিতেই হাতে লিখা আলোচনী 'অৰ্ঘ্য' লিখি উলিয়াইছিল। আন এখন আলোচনী 'কুঁহি'ত তেওঁ লিখিছিল কবিতা। হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰি থাকোতেই কবিয়ে ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ সম্পাদনাত ওলোৱা শিশু আলোচনী 'অকণ'ত এটি কবিতা ছপা হৈ ওলায়। নৱকান্ত বৰুৱাৰ হাইস্কুলীয়া জীৱনৰ কালছোৱাতেই সমগ্ৰ দেশত স্বাধীনতা আন্দোলন ভৰপক হৈছিল। সেয়েহে তাৰ প্ৰভাৱ স্বাভাৱিকতেই কিশোৰ নৱকান্তৰ চিন্তা-ভাৱনাত পৰিছিল। ঘৰত, বাহিৰত সকলোতে মুক্তিৰ স্বপ্নই এক নতুন বাতাবৰণ আনি দিছিল। সেই সময়তে নৱকান্ত বৰুৱাই লিখি উলিয়াইছিল 'মুক্তি' নামৰ এখন কবিতা পুথি।

নগৰৰ বাসিন্দা হোৱা স্বত্বেও নৱকান্ত বৰুৱাৰ বংশ পৰিয়ালৰপুৰণি ঠাই গাঁৱৰ জীৱনৰ লগতো আছিল এক অবিচ্ছিন্ন সম্পৰ্ক। সেয়ে তেওঁৰ কবিতাৰ মাজত গাঁৱৰ ছবিৰ সুন্দৰ প্ৰতিফলন পোৱা যায়—

এয়েই চিনাকি গাঁও, কুঁৱলীৰ কাগজত
জাপানী ছবিৰ মায়া বিজুলী বাঁহৰ,
বহুতো অতীত সনা পথাৰৰ বাটে বাটে
উশাহ উপচি পৰা চিনাকি সৌৰভ
ৰবাব ফুলৰ আৰু তোমাৰ চুলিৰ সেমেকা নৰাৰ *(উভতি নহাৰ কবিতা)*

শান্তি নিকেতন আছিল নৱকান্ত বৰুৱাৰ চাৰিটা বছৰৰ সাধনাৰ ক্ষেত্ৰ। ১৯৪৩ চনত নৱকান্ত বৰুৱাই শান্তি নিকেতনত পঢ়িবলৈ যায়। এই সময়ত ঘৰৰ আৰ্থিক সংকটৰ বাবে পঢ়া-শুনাত যথেষ্ট অসুবিধা হৈছিল। সেই সময়ৰ তিতা-মিঠা অভিজ্ঞতাৰে লিখা তেওঁৰ এটি কবিতাত সেই বাৰ্তা পোৱা যায়—

পৰিচয় মোৰ কলেজৰ ছাত্ৰ
বহুত দিনৰ ফীজ যদিও বাকী

ড° মহেন্দ্ৰ বৰাই নৰকান্ত বৰুৱাৰ কবিতা সম্পৰ্কে দিয়া মন্তব্য প্ৰনিধানযোগ্য—"তেওঁ দুৱাৰ মুকলি কৰি দিলে, কবিতাৰ মাটিৰ ঘৰলৈ সোমাই আহিবৰ কাৰণে— অজস্ৰ জটিল জীৱন আৰু জীৱিকা সংক্ৰান্ত সমস্যাক, সিবিলাকৰ লগত খাপ খাই পৰা অনতি বিন্যস্ত স্পন্দনৰ ছন্দ-চেতনাক আৰু মসৃণে কৰ্কশে মিলিত ভাষাৰ সুৰ সমলয়ক।"

আধুনিক জীৱনৰ যান্ত্ৰিকতাই সৃষ্টি কৰা দ্বিধা, দ্বন্দ্ব, সংশয় আৰু সংঘাততো কবিৰ মন নিপীড়িত হৈছে। যাৰবাবে কবিয়ে লিখিছে—

এনেকৈয়ে আমি নামি যাওঁ
ওপৰত ৰুগ্ন স্বৰ্গৰ বাৰাণ্ডা
তলত জীৱন জীৱিকাৰ ফুটপাথ
মাজত অনিশ্চয়তাৰ শংকা
আকৃতিবিহীন এটা 'যদি'
ঃ যদি আমি বৈ যাওঁ।...... *(লিফ্‌ট)*

জীৱনৰ বিভিন্ন স্তৰৰ বিভিন্ন সময়ে দিয়া ভাব আৰু চিন্তাৱে গঢ় দিয়া কবিজনাক কৰি তুলিছে আকৰ্ষণীয় আৰু অতুলনীয়। কবিতাৰ ভাৱনাক সযতন আংগিকৰ কলা কৌশলে দিয়ে মনোৰম ৰূপ। যাৰ হাতত ধৰি কাব্যপিপাসুৱে ৰসাস্বাদন কৰে অনুভৱৰ পৃথিৱীত।

কিন্তু মই যে প্ৰেমিক, ইনটেলেকচুৱেল প্ৰেমিক।
এবাৰ বাহিৰলৈ চাওঁ
জোনটো দেখো
বিধৱাৰ দৰে বগা ডাৱৰৰ কাপোৰ পিন্ধা।
বিধৱা আইলৈ মনত পৰি হঠাতে মনত পৰে—
কাইলৈ ফীজ নিদিলে নহ'ব পৰীক্ষা দিয়া।

বৌদ্ধধৰ্ম আৰু দৰ্শনৰ প্ৰতি কবি আছিল একান্ত অনুগত। বুদ্ধক লৈ তেওঁৰ বহুতো কবিতাৰ সৃষ্টি, 'বোধিদ্ৰুমৰ খৰি' কবিতাত ইয়াৰ নিদৰ্শন—

জীৱন গলাই জ্বলা মমবাতি শিখাৰ মাজত
তোমাৰ শৰীৰ জ্বলে, অমিতাভ জ্ঞান জ্বলে।
জ্ঞান স্থিৰ। মৃত্যুৰ বতাহে যাৰ শিখা নকঁপায়।
জ্ঞান জ্বলে। হেজাৰ বসন্ত পুৰি ছগাক
চঞ্চল কৰা
মমৰ পোহৰ জ্বলে, মউমাখি গোলাপৰ প্ৰেমৰ ক্লীৱতা জ্বলে। *(বোধিদ্ৰুমৰ খৰি)*

তেওঁৰ কবিতাত অনেক চিত্ৰকল্পত বন্দী হৈ আছে অতীত প্ৰীতি, গ্ৰাম্যজীৱনৰ নৈসৰ্গিক ঐশ্বৰ্য। এনে কিছুমান মধুৰ চিত্ৰকল্পৰ নিদৰ্শন—

মন গ'লে বাৰু দুপাহ এপাহ ফুলিব খৰিকাজাঁই
ৰঙা মৰিচাৰ পাত দুটা এটা অ'ত ত'ত পৰি ৰ'ব।
ভাত বাঢ়ি তুমি শুই থাকা আই
কলদিল ভজা, কঠালৰ গুটিৰ খাৰনিত দিয়া মাছ। *(পাহৰা স্বৰ্গৰ স্বপ্ন)*

ভাব-ভাষাৰ বলিষ্ঠ সংযোজন আৰু কাব্যৰীতিৰ অতুলনীয় আস্বাদনৰ বাবেই কবি নৰকান্ত বৰুৱা সকলোৰে প্ৰিয়। ☐







# বুদ্ধদেৱে মানুহক দিয়া এটা কৰচৰ কথা

সীমা ছেত্ৰী
*স্নাতক প্ৰথম বৰ্ষ, বিজ্ঞান শাখা*

গৌতম বুদ্ধই ৰাজপাট, ৰাজসুখ ত্যাগ কৰি সকলো মানুহৰ কল্যাণৰ বাবে পৰম জ্ঞান তথা পৰম সত্য আৱিষ্কাৰ কৰিবলৈ কঠোৰ তপস্যা কৰিছিল। কঠোৰ তপস্যাৰ অন্তত পৰম জ্ঞান লাভ কৰাৰ লগে লগে বুদ্ধদেৱে চাৰিটা পৰম সত্যৰ সন্ধান পাইছিল, তাৰ ভিতৰতে এটা আছিল 'উপেক্ষা'। 'উপেক্ষা' মানুহৰ জীৱনৰ এটা ডাঙৰ কৰচ। আনৰ নিন্দা, ভৎসনা, গালি-গালাজ, তিৰস্কাৰ আদিয়ে দিয়া দুখৰ পৰা উপেক্ষাই মানুহক ৰক্ষা কৰিব পাৰে। বুদ্ধদেৱে উপেক্ষাক কেনেদৰে নিজৰ জীৱনৰ কৰচ কৰি লৈছিল সেই সম্পৰ্কে এটা কাহিনী আছে।

এবাৰ বুদ্ধদেৱে ভিক্ষা বিচাৰি এঘৰ ব্ৰাহ্মনৰ ঘৰত উপস্থিত হ'ল। ঘৰৰ গিৰিহঁত খঙাল। ব্ৰাহ্মণজনে ভিক্ষা বিচাৰি যোৱাৰ বাবে বুদ্ধদেৱক অত্যন্ত কটু ভাষাৰে গালি-শপনি পাৰি থকা সবকা কৰিলে। অতি নীচ বাক্যৰে তিৰস্কাৰ কৰি ব্ৰাহ্মণজনে বুদ্ধদেৱৰ ফালে চাই দেখিলে যে মুখত মিঠা হাঁহি এটা লৈ বুদ্ধদেৱে তেওঁলৈকে চাই আছে। তাকে দেখি ব্ৰাহ্মণজনে আচৰিত হৈ বুদ্ধদেৱক সুধিলে— 'ইমানবোৰ গালি-শপনি, নিন্দা, তিৰস্কাৰ শুনিও যে তুমি হাঁহি আছা, তোমাৰ লাজ লগা নাইনে, তুমি কেনেধৰণৰ মানুহ হে!'

বুদ্ধদেৱে তেতিয়া ক'লে— হে বিপ্ৰৱৰ, মই আপোনাক এটা কথা সুধোঁ, ধৰি লওক কোনোবা এজন মানুহে আপোনাক কিবা এটা বস্তু দিছে। আপুনি কিন্তু বস্তুটো গ্ৰহণ নকৰিলে। তেতিয়া সেই বস্তুটো বাৰু কাৰ লগত থাকিব?

যিজনে দিছে তাৰ লগতেই থাকিব —ব্ৰাহ্মণে উত্তৰ দিলে।

তেতিয়া হ'লে শুনক। আপুনি মোক দিয়া গালি-গালাজ, নিন্দা-ভৰ্ৎসনা এইবোৰ মই গ্ৰহণ নকৰিলোঁ, গতিকে এইবোৰ নিশ্চয় আপোনাৰ লগত থাকিব। মই আপোনাৰ সম্পত্তি আপোনাকেই ওলোটাই দিলোঁ। আপোনিয়েই ৰাখি থওক।

এই বুলি বুদ্ধদেৱে তাৰ পৰা হাঁহিমুখেৰে ওলাই গুচি আহিল। ☐

# মন

## এটি সূক্ষ্ম দৃষ্টি

হেমন্ত সৎনামী
*বাণিজ্য শাখা, স্নাতক দ্বিতীয় বৰ্ষ*

'নমস্কাৰ'। মোক চিনি পাইছেনে? মই আপোনালোকৰ অভিন্ন বন্ধু 'মন'। এইযে মোৰ মন যায়, তোৰ মন যায়... বুলি কয় মইয়েই সেই 'মন'। আপোনালোকৰ প্ৰধান চালিকা শক্তি মন। মই যদি ঠিকে নাথাকো আপোনালোকৰ বিভিন্ন বিসংগতিয়ে দেখা দিব। মই যদি ঠিকে নাথাকো আপোনালোকৰ গা-মূৰবোৰ জানো ভালে থাকে।

আপোনালোক সকলোৱে অৱগত যে মোৰ শক্তি অপাৰ। মই উফাইদাং মাৰি এইযাৰ কোৱা নাই। মোৰ বলতেই বহুতেই হৈছে সাধু, গুণী, জ্ঞানী আৰু বহুতেই হৈছে চোৰ, ডকাইত, অসাধু। যিসকলে সকলো কাম মই ভৱামতে নকৰি সুস্থ মানসিকতাৰে বিবেচনা কৰি কামবোৰ কৰে, তেন্তে তেওঁলোকে নিশ্চয় নিজকে সফলভাবে প্ৰতিষ্ঠা কৰি এই সংসাৰখনত সুখে-শান্তিৰে জীৱন-নিৰ্বাহ কৰিব পাৰে। আনহাতে যি সকলে মোক পৰিচালনা কৰিব জনা নাই অথবা উচিত বিবেচনা নকৰি চঞ্চল মানসিকতাৰে কাম কৰিছে তেওঁলোক হৈ পৰিছে— ভণ্ড, স্বাৰ্থপৰ, জঘন্য, বৰ্বৰ।

মোৰ কিন্তু বিশেষ কিছুমান গুণ আছে। মই বহুৰূপী। মই প্ৰত্যেকৰ কাৰণে বিভিন্ন ধৰণৰ অৰ্থাৎ কথাতে কয় নহয় "ধানটোৱে প্ৰতি কণটো, মানুহটোৱে প্ৰতি মনটো। সেয়ে মই কাৰোবাৰ কাৰণে হৈ পৰো জটিল আৰু কাৰোবাৰ কাৰণে হৈ পৰো সহজ-সৰল। আপোনালোকৰ বা মানুহৰ স্বভাৱ-চৰিত্ৰৰ একমাত্ৰ কাৰণ মই। সঁচাই খং উঠেনেকি মোৰ বাবে? মোক আচলতে পৰিচালনা কৰাৰ ওপৰতে কথা। মোক যদি ভাল ধৰণেৰে ভাল চিন্তাৰে পৰিচালনা কৰি আপোনালোকৰ স্বভাৱ চৰিত্ৰ ভাল হৈ গঢ় ল'ব আৰু বেয়া মানসিকতাৰে পৰিচালনা কৰে তেন্তে মই সেই ধৰণেই ভাঁজ লওঁ।

মই এতিয়া মোৰ যিটো গুণৰ কথা কব গৈছোঁ এই গুণটোৰ কথা আপোনালোক সকলোৱে অৱগত, কাৰণ আমাৰ জুবিনদায়ে গায়, "ভৰি পিছল খালে খামুচিবা, পিছলা মন কেনেকৈ ধৰিবা.........।" সেয়ে মোক ধৰিব নজনা লোকক মই নাগুৰ নাকুতি দেখাই দিম। সেয়ে যদি মোক পিছলিব দিয়া তেন্তে ভাবি লওক আপোনালোকৰ দুৰৱস্থাৰ কথা। সেয়ে উচিত বিবেচনাৰে সিদ্ধান্ত লৈ কাম-কৰিবলৈ শিকক।

বিশেষকৈ মই ডেকা-ডেকেৰীহঁতক বেছি মন পিছলা কৰোঁ। এই বয়সত মই বেছি চঞ্চল হওঁ। এই সময়ছোৱাত মই বাৰিষাৰ বৰষুণৰ নিচিনা হওঁ। সেই যে আপোনালোকৰ প্ৰেম প্ৰীতি, মানে হিয়া দিয়া নিয়া কাৰবাৰবোৰ মইহে কৰোঁ। মোৰ বাবেই বহুজনৰ হৃদয় জোৰা লাগে আৰু বহুজনৰ হৃদয় ভাঙে। সেয়ে আপোনালোকক সাৱধান কৰি দিছো যে, মোক খামুচিব নাজানিলে জীৱনৰ পিছল বাটত মুখ থেকেছা খাই পৰিব। সুযোগ বুজি মোক নাকী লগাব নাজানিলে জীৱন দুখময় হ'ব।

পিছে মোৰ বহুত শত্ৰু। হিংসা, ভয়, সন্দেহ, হতাশ, নিৰাশাই সুযোগ পালেই মোক ধ্বংস কৰিব বিচাৰে। মোৰ সুখ-শান্তি নাইকীয়া হয়। তেতিয়া মোৰ আত্মহত্যা কৰো যেন লাগে। লাজ অপমান আদিয়েও মোক আনৰ লগত মুখ দেখুৱাব নোৱাৰা অৱস্থা কৰে। তথাপি এই হতাশা মনক যদি কোনোবাই সান্ত্বনা দিয়ে, অকণ মৰম কৰে তেতিয়া মই কি আনন্দ লাভ কৰোঁ।

যদিও আপোনালোকে মোক বেয়া পায় তথাপিময়েই এই বিশ্বৰ আটাইতকৈ বেগমান বস্তুটো। মই মুহূৰ্ততে গোটেই বিশ্ব সৰগ, নৰক ভ্ৰমি আহিব পাৰো। মোৰ বেগ সময়তকৈ তীব্ৰ। মোৰ স'তে যদি আপোনালোকে হাত মিলাই যায় তেন্তে আৰু চিন্তাই নাই সফল হ'বই।





"পত্নী বা প্ৰেমিকা পোৱাটো সহজ
বন্ধু পোৱাটো সহজ নহয়।
বন্ধুৰ স্পৰ্শ বৰ দুৰ্লভ আৰু উষ্ণ।"
—অনুৰাধা শৰ্মা পূজাৰী
*(নাহৰৰ নিৰিবিলি ছাঁ)*

# বন্ধুত্ব



লক্ষীনাথ দলে
*স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)*

'বন্ধুত্ব' এটি অতি মিঠা শব্দ। বন্ধুত্বৰ অৰ্থ বৰ বিশাল। সচৰাচৰ আৱেগ অনুভূতিবোৰ কেতিয়া কাৰ সৈতে বন্ধুত্ব গঢ়ি তোলে সেইয়া গমেই নাথাকে। 'বন্ধুত্ব' আদৰ্শ, মনৰ মিলন, চলন-ফুৰণ, ভাৱভঙ্গী, কথা-বাৰ্তা, স্বভাৱ-চৰিত্ৰ আদিৰ মিলন থকা মানুহৰ মাজত গঢ়ি উঠা দেখা যায়। 'বন্ধু' তেনেই সৰু সৰু চুটি শব্দ পিছে তাৰ আঁৰত কিমান যে আশা-ভৰসা, সহায়-সহানুভূতি বিশ্বাস আৰু সহৃদয়তা লুকাই থাকে যাক কোনো ভাষাৰ দ্বাৰা বুজাব নোৱাৰি। বন্ধুত্ব কেৱল সমবয়সৰ বিপৰীতে লিংগৰ মাজতে সীমাবদ্ধ হৈ নাথাকে। বিভিন্ন বয়সৰ বিপৰীত লিংগৰ মাজতো বন্ধুত্ব হ'ব পাৰে। বন্ধুত্ব মাতৃ-কন্যা, ভাই-ভনী, বুঢ়া-ডেকা, পিতা-পুত্ৰৰ মাজতো হ'ব পাৰে। বন্ধুত্ব যাৰ সৈতেই নহওক কিয় তাৰ মাজত লুকাই থাকে বিশ্বাস, মৰম আৰু নিৰ্ভৰশীলতা। মানুহ এজন অকলশৰে জীয়াই থাকিব পাৰে। কিন্তু সমাজপ্ৰিয় মানুহে বিভিন্ন সময়ত বিভিন্ন লোকৰ সংস্পৰ্শলৈ আহিবলগীয়া হয়। এজন মানুহক সৰ্ব-সুস্থ জীৱন-যাপনৰ বাবে যিদৰে অন্ন, বস্ত্ৰ, বাসস্থানৰ প্ৰয়োজন ঠিক তেনেদৰেই মানুহ এজন শান্তি আৰু আনন্দত জীয়াই থাকিবলৈ হ'লে বন্ধু বা সংগীৰ নিতান্তই প্ৰয়োজন। বন্ধুত্ব গঢ়ি উঠিবলৈ হ'লে তেজৰ সংস্পৰ্শৰ কথা নাহে, দুটি হৃদয়ৰ মিলনেৰেই বন্ধুত্ব গঢ়ি উঠে। দয়া, ক্ষমাশীলতা, ধৈৰ্যশীলতা, সহিষ্ণুতা, উদাৰতা আদি গুণৰ অধিকাৰীজনে সহজে আনৰ লগত বন্ধুত্ব সম্পৰ্ক স্থাপন কৰিব পাৰে।

জীৱনৰ বাটত অৱশ্যেই বন্ধুত্বৰ নামত অসৎ বন্ধুকো লগ পোৱা যায়। কিছুমান লোকে কেৱল নিজৰ স্বাৰ্থ সিদ্ধি কৰাৰ বাবেহে বন্ধুত্ব গঢ়ি তোলে। যিজন বন্ধুক বিপদ কালত বিচাৰি পোৱা নাযায়, এনে বন্ধু বন্ধুত্বৰ নামত কলংক। প্ৰকৃত বন্ধুজন সকলো সুখ-দুখত সমভাগী হয়। সৎ বন্ধু বিচাৰি পোৱা জটিল যদিও এইটো সত্য যে আমাৰ মাজত অসৎ বন্ধুৰ দৰে সৎ বন্ধুও বহু আছে। বন্ধুত্ব গঢ়ি তোলাতকৈ ভঙাটো সহজ। বন্ধুত্ব গঢ়াৰ বাবে বহু প্ৰচেষ্টা, প্ৰতিশ্ৰুতি আৰু সময়ৰ প্ৰয়োজন। মানুহৰ মন যেতিয়াই বিতৃষ্ণাৰে ভৰি পৰে, ভাৱাক্ৰান্ত হয় তেতিয়া বন্ধুৰ প্ৰয়োজনীয়তা বাঢ়ে। জীৱন পথত অতিষ্ঠ কৰা মনবোৰ সতেজ, সুন্দৰ কৰিব পাৰে কেৱল বন্ধুত্বইহে।

প্ৰকৃত বন্ধুত্বই প্ৰদান কৰে জীৱন যাত্ৰাত অ-গভীৰ আনন্দ। বৰ্তমান আধুনিকতাবাদী চিন্তাধাৰাই বন্ধুত্বৰ এনাজৰী নিশকতীয়া কৰা বুলি বহুত চিন্তাবিধে সমালোচনা কৰে। কিন্তু এটা কথা সত্য যে, শ্ৰেষ্ঠতাৰ স্থান সদায় আগত। ইয়াক কোনেও নিম্নস্তৰত দলিয়াই পেলাব নোৱাৰে। গতিকে জীৱনৰ প্ৰতিটো মুহূৰ্ততে যদি আমি ইজনে সিজনৰ সৈতে বন্ধুত্ব গঢ়ি তোলোঁ, সুখ-দুখবোৰ বিনিময় কৰোঁ, তেনেহ'লে বন্ধুত্বৰ ভাতৃত্ববোধ সদায়ে আমাৰ মাজত ৰ'ব আৰু বন্ধুত্বৰ প্ৰেমৰ স্মৃতিত চিৰযুগমীয়া হৈ থাকিব।

সাহিত্যত এষাৰ কথা আছে যে, "আচল বন্ধু সেইজনেই যিয়ে বন্ধুত্বৰ মোল বুজি পায়"। □



# কলেজীয়া জীৱন

**নিৰ্মালি বৰা**
*স্নাতক প্ৰথম বৰ্ষ, কলা শাখা*

পঢ়াশলীয়া জীৱনৰ আটাইতকৈ মনোমোহা ৰঙে-ৰসে উপচিপৰা বহু আশা-আকাংক্ষাৰে ভৰপুৰ বৈচিত্ৰময় সময়ছোৱাই হৈছে কলেজীয়া জীৱন। কলেজীয়া জীৱন সকলো ছাত্ৰ-ছাত্ৰীৰ অপাৰ আনন্দ। সীমাহীন আশা আৰু সপোনৰ সোণালী ৰঙেৰে ৰঙীণ এছোৱা সুমধুৰ সময়। এই সময়ছোৱাত সকলো ছাত্ৰ-ছাত্ৰীয়েই ভৱিষ্যত জীৱনৰ আৰম্ভণি কৰে আৰু সকলোৱে মনত নতুন নতুন সপোন ৰচনা কৰে। এই সময়ছোৱাত সকলো ছাত্ৰ-ছাত্ৰীয়ে কল্পনাৰ সাগৰৰ ঢৌত উটি-ভাহি ফুৰে।

ভৱিষ্যত জীৱনৰ পূৰ্ণ কৃতকাৰ্যতা, সফল জীৱন গঢ়াৰ আখৰা হয় কলেজসমূহত। কলেজসমূহ হৈছে শিক্ষাৰ্থীসকলৰ জীৱন সাধনাৰ একো একোখন আখৰাতলি। এই আকৰাতলিতে গঢ়ি উঠে শিক্ষাৰ্থীসকলৰ এটা সফল জীৱন। কলেজলৈ প্ৰথম আহি বহুতো শিক্ষাৰ্থী কিছুমান বিপদৰো সন্মুখীন হয়। এই বিপদ আন একো নহয়; ই হৈছে ৰেগিং নামৰ এক মহামাৰী। এই ৰেগিংৰ কবলত পৰিয়েই বহু ছাত্ৰ-ছাত্ৰীয়েই মানসিক ভাৰসাম্যতা হেৰুৱাই কলেজীয়া জীৱন সামৰণি মৰাৰ উদাহৰণ বিৰাজমান। সাধাৰণতে ক'বলৈ গ'লে ৰেগিং হৈছে। এক প্ৰকাৰ ধেমালিহে, পুৰণা ছাত্ৰ-ছাত্ৰীসকলে নতুন ছাত্ৰ-ছাত্ৰীসকলক দুই এটা প্ৰশ্ন কৰি তেওঁলোকৰ লগত চিনা-পৰিচয় হয়। ৰেগিংৰ পাছৰ পৰ্যায়টো কিন্তু বেচ মনোমোহা আৰু আদৰৰ। কলেজৰ পুৰণি বিদ্যাৰ্থীসকলে নতুনসকলক আদৰণি জনোৱা অনুষ্ঠানটি কলেজীয়া জীৱনৰ এক মনোমোহা নিদৰ্শন।

কলেজসমূহ হৈছে একো একোটা উচ্চ জ্ঞানৰ মন্দিৰ। উচ্চ অৰ্হতা সম্পন্ন শিক্ষকসকলৰ উচ্চ শিক্ষাদানে এই মন্দিৰ পোহৰাই তোলে। সেই পোহৰে শিক্ষাৰ্থীসকলক সফল জীৱন গঢ়াৰ সু-পথে আগবঢ়াই লৈ যায়। শিক্ষকসকলৰ উচ্চ-জ্ঞানৰ ৰঙীন পোহৰে ৰঙীণ কৰি তোলে শিক্ষাৰ্থীসকলৰ ভৱিষ্যৎ জীৱন। শিক্ষাৰ্থীসকলৰ মনৰ ফুলনিত ফুলিবলৈ লোৱা ৰঙা গোলাপ ফুলৰ কলিটো ফুলি উঠে এই সময়ছোৱাতে। ইয়াৰ ভিতৰত আটাইতকৈ মনোমোহা সময় হৈছে কলেজ সপ্তাহ। বিভিন্ন নৃত্য-গীত, খেল-ধেমালি, বন্তি প্ৰজ্বলন আদিৰে বাৰেৰহনীয়া অনুষ্ঠান কলেজ সপ্তাহ।

কলেজত অধ্যয়ন কৰা সময়ছোৱা কেৱল জ্ঞান আহৰণৰ বাবেই নহয় ই হৈছে নিজকে প্ৰতিভাৱান আৰু সমগুণসম্পন্ন কৰি তোলাৰ সময়। সেইবাবে কলেজত, অধ্যয়ন কৰা কালছোৱা প্ৰতিজন শিক্ষাৰ্থীৰে বাবে হৈ পৰে অতি মোহনীয়। কলেজসমূহ শিক্ষাৰ্থীৰ তীৰ্থক্ষেত্ৰ বুলিও ক'ব পাৰি, কাৰণ কলেজীয়া সিক্ষাৰ্থীসকলৰ বাবে কলেজখনেই হৈছে আটাইতকৈ পবিত্ৰ তীৰ্থস্থান। কলেজ হোষ্টেলৰ আকৰ্ষণ আৰু অধিক বেছি। ইয়াত কোনো জাতিভেদ নাই। বিভিন্ন অঞ্চলৰ বিভিন্ন জাতি, বিভিন্ন



সম্প্ৰদায়ৰ শিক্ষাৰ্থীয়ে ইয়াত একেলগে বাস কৰে আৰু এখন সুকীয়া সমাজ গঢ়ি তোলে। শিক্ষাৰ্থীসকলৰ শিক্ষাজীৱনৰ আটাইতকৈ মনোৰম আৰু কল্পনাৰ ভাৰ ধাৰাৰে ভৰপুৰ এই সময়ছোৱাৰ সদব্যৱহাৰ আৰু জীৱনটোক সঠিক আৰু শুদ্ধ পথত আগবঢ়াই নিয়াৰ ওপৰতহে সফল জীৱন নিৰ্ভৰশীল। কল্পনা প্ৰতিভা গঢ়ি তাৰ ৰূপত মোহিত হৈ আমি জীৱন জয়গান গাও এই সময়ছোৱাত। □







# কিম্বদন্তী আৰু বাস্তৱৰ মোহনাত মেৰবিল



শিৰোনামাটিয়ে হয়তো আপোনাক কিছু নষ্টালজিক কৰি তুলিছে। ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া চাঁচনী অঞ্চলৰ এখন চিৰপৰিচিত গাঁৱৰ নামেই হৈছে মেৰবিল।



হয় মেৰবিল; কিমবদন্তী মতে পূৰ্বতে বুঢ়ীদিহিং নৈৰ এৰাসুঁতি আছিল বুলি বহুতে ক'ব খোজে। ই এটা প্ৰকাণ্ড জলাশয়। এই জলাশয়টোৰ নামেই হ'ল মেৰবিল।

মেৰবিল উৎপত্তি সম্পৰ্কে পঢ়িবলৈ পাইছিলো আজিৰ পৰা প্ৰায় কেইবছৰমান আগতে। প্ৰায় দুশ পঞ্চাশ বছৰমান আগতেই শ্ৰীৰাম নামৰ এজন মহন্তই পৃথিৱীৰ কোলাত সাৰ পাই উঠে। কালক্ৰমত সেইজনা মহন্তই বৰ্তমানৰ শিৱসাগৰ জিলাৰ নাজিৰাত সত্ৰ পাতি অধিকাৰ কৰিছিল। তেওঁৰেই সম্ভৱত বৰ্তমান মেৰবিল মাজুলীৰ পুব অংশত বাস কৰিছিল। তেওঁৰ ভাষ্য অনুসৰিয়েই অধিকাৰৰ প্ৰথমা কন্যা আপিক জলকোঁৱৰে বিয়া কৰাবৰ বাবে ভবাত তথা



**সত্যজিত গগৈ**
*স্নাতক দ্বিতীয় বৰ্ষ, কলা শাখা*



গেঁসাইক সপোন দেখুৱাইছিল। কিন্তু বৰ্তমানে এই মেৰবিলৰ আশে-পাশে বসবাস কৰি থকা লোকসকল অনুমানিক প্ৰায় ১৯০১-০২ চন মানত বিভিন্ন কাৰণত বিভিন্ন ঠাইৰ পৰা উঠি আহি হাবি কাটি মুকলি কৰি খেতি-বাতি কৰি পুৰুষানুক্ৰমে বসতি কৰি আছে। আচৰিত কথা এয়ে যে বৰ্তমানৰ সময়ত মেৰবিলৰ মাজুলীটোত মাটি আছে প্ৰায় নশ বিঘামান। বাকী মাটিবোৰত ইতিমধ্যে বিভিন্ন ঠাইৰ পৰা অহা মানুহবোৰে অধিকাৰ কৰি বসতি স্থাপন কৰি একোখনকৈ গাওঁ স্থাপন কৰিলে। শুনা যায় যে প্ৰায়



১৯৪৮ চন মানলৈকে মেৰবিল মাজুলীত বহু মূল্যবান গছ যেনে— বাঁহ, বেত, শিৰিখ, চেগুণ, কঁঠাল, শিমলু আদিয়ে ভৰি আছিল। তাৰ উপৰিও তৰাগছ আৰু পাতিদৈ আজিও ঠাহ খাই আছে। এসময়ত মেৰবিল মাজুলীৰ সোঁমাজত এখন বহল মুকলি পথাৰ আছিল; আৰু সেই মুকলি চৰণীয়া পথাৰখন আজিও আছে। য'ত বান্দৰ, উদ, থেকেৰামাহী আদি বনৰীয়া জীৱ জন্তুৰে ভৰি আছিল। ইয়াৰ উপৰিও বনৰীয়া চৰাই যেনে ধনেশ পক্ষী, পাকৈচোৰা, কুৰুহা, মণিহাৰী, পানীকাউৰী, শেৱালী হাঁহ, বৰটোকোলা, কামচৰাই, দলমুৰি, দৰিক, বনকুকুৰা আদিৰে ভৰি আছিল। কিন্তু সময়ৰ তাগিদাত আজিৰ প্ৰাকৃতিক দুৰবস্থাত মেৰবিল মাজুলীত থকা সেই আপুৰুগীয়া জীৱ-জন্তু আৰু পক্ষীবোৰৰ অস্তিত্ব নাইকীয়া হৈ আহিছে। সন্তোষৰ কথা এইয়ে যে যদিও বৰ্তমানৰ প্ৰাকৃতিক দুৰৱস্থাত এই সকলোবোৰ হেৰাই গৈছে। তথাপিও খৰালি দিনত বহুত বিদেশী চৰাই আলহী হৈ আহি এই বিলত চৰে আৰু বিলৰ সৌন্দৰ্যবৰ্দ্ধন কৰে। এইয়া নিশ্চয়ে মেৰবিলবাসীৰ লগতে চাচনীবাসীৰ বাবে গৌৰৱৰ কথা। বৰ্তমান দুষ্কৃতিকাৰী কিছুমান মানুহৰ উৎপাতত এই সকলোবোৰেই অৰ্থাৎ জীৱ-জন্তু আৰু পক্ষীবোৰ হেৰাই যাব ধৰিছে। কিন্তু আজিৰ অস্থিৰ সমাজ ব্যৱস্থাক প্ৰত্যাহ্বান জনাই উঠি অহা কেইজনমান নৱপ্ৰজন্মৰ যুৱক আৰু সমাজকৰ্মী শ্ৰীযুত মণিমানিক গগৈদেৱৰ সংস্পৰ্শলৈ আহি মেৰবিল মাজুলীক; মেৰবিল গ্ৰেজিং আৰু বন্যপ্ৰাণী সুৰক্ষা সমিতিৰ সৈতে আলোচনা কৰি এক নতুন ৰূপ দিয়াৰ বাবে চিন্তা চৰ্চা কৰিছে। অতি সুখৰ খবৰ এইয়ে যে মণিমানিক গগৈদেৱৰ নেতৃত্বত থকা নৱপ্ৰজন্মৰ এই যুৱকসকল আৰু মেৰবিল গ্ৰেজিং ৰ বন্যপ্ৰাণী সুৰক্ষা সমিতিৰ চিন্তাধাৰাক সন্মান আৰু সন্মতি জনাই অইল ইণ্ডিয়া লিমিটেড, জিলা প্ৰশাসন আৰু চাচনীবাসী ৰাইজৰ বিপুল সঁহাৰিৰ ফলত ২০১০ বৰ্ষত শুভাৰম্ভ কৰে "চাচনী মেৰবিল পৰিবেশ পৰ্যটন প্ৰকল্প।" এই প্ৰকল্পৰ কাম-কাজত মন্ত্ৰমুগ্ধ হৈ চৰকাৰেও সহায়ৰ হাত আগবঢ়াই যাবলৈ সন্মত হৈ প্ৰকল্পটো পৰিদৰ্শন কৰিবলৈ আহিছিল ২০১১বৰ্ষৰ অসমৰ মাননীয় পৰিবহন আৰু পৰ্যটন মন্ত্ৰী মহোদয়ৰ লগতে হস্ততাত শিল্প আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী মহোদয়া। ইতিমধ্যে উক্ত প্ৰকল্পটোক নতুন ৰূপেৰে সজাই তুলিছে। আৰু প্ৰস্তাৱিত পৰিবেশানুকুল প্ৰকল্পসমূহ যেনে নৌকা বিহাৰ, ৰূপৱে, একুৰিয়াম, সাংস্কৃতিক প্ৰকল্প, জলকোঁৱৰৰ বিশাল মূৰ্তি, কটেজ, বজাৰ আদিৰ আন্তঃগাঁঠনিসমূহ নিৰ্মাণৰ বাবে অসম চৰকাৰৰ পৰ্যটন বিভাগে দায়িত্ব আৰু বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে।

প্ৰকল্পটোৰ ক্ৰমবৰ্দ্ধমান জনপ্ৰিয়তালৈ লক্ষ ৰাখি অচিৰেই আন কিছুমান ব্যৱস্থা লোৱাৰ সময় আহি পৰিছে। মেৰবিল মাজুলীক এক অনন্য ৰূপ দিয়াত এক প্ৰাণপ্ৰণ চেষ্টাৰ অব্যাহত ৰখাৰ বাবে মণিমানিক গগৈদেৱৰ নেতৃত্বত থখা যুৱকসকলৰ এই সৎ প্ৰচেষ্টাক শলাগ ল'বলগীয়া। □





# ২০১০ বৰ্ষত অনুষ্ঠিত মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানসমূহ



















## মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাত বিজয়ী শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকল



# ডিব্ৰু মহাবিদ্যালয়
# ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ
# বছৰেকীয়া প্ৰতিবেদন

## ২০১০-২০১১ বৰ্ষ

# ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

২০১০-২০১১ বৰ্ষ

ডিব্ৰুগড় - ৮৭৬ ০০১



## উপসভাপতিৰ বছৰেকীয়া প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল বীৰসন্তানে মাতৃভূমিৰ অস্তিত্ব ৰক্ষা কৰিবলৈ গৈ বীৰত্বৰে মাতৃ কোলাত প্ৰাণ আহুতি দিলে সেইসকল বীৰ শ্বহীদলৈ মোৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ আৰু লগতে বিগত বছৰত অসমৰ বিভিন্ন প্ৰান্তত যিসকল নিৰপৰাধী ব্যক্তিয়ে দুস্কৃতিকাৰীৰ কুটাঘাতমূলক কাৰ্যত প্ৰাণ হেৰুৱাবলগীয়া হ'ল সেইসকল ব্যক্তিৰ আত্মাৰ সদ্গতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো। ইয়াৰ লগতে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ক প্ৰমুখ্যে কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল তথা সমূহ কৰ্মচাৰীবৃন্দলৈ সশ্ৰদ্ধ প্ৰণাম আগবঢ়াইছো।

২০১০-২০১১ বৰ্ষৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা নিৰ্বাচনত যিসকল ভাইটি-ভণ্টী আৰু বন্ধু-বান্ধৱীয়ে মূল্যবান ভোটৰদ্বাৰা মোক ছাত্ৰ একতা সভাৰ উপসভাপতি হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ স্বাৰ্থৰ হকে আৰু ছাত্ৰ সমাজখনৰ উন্নতিৰ অৰ্থে সেৱা আগবঢ়াবলৈ সুবিধা দিলে মহাবিদ্যালয়ৰ সেই সমূহ ভাইটি-ভণ্টী আৰু বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ডিব্ৰু মহাবিদ্যালয়ৰ দৰে এখন আগশাৰীৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপসভাপতিৰ দায়িত্বত থাকি মোৰ দায়িত্ব পালন কৰাত কিমান সফল হ'ব পাৰিলো বা নোৱাৰিলো ইয়াক বিবেচনা কৰা দায়িত্ব মই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত ন্যস্ত কৰিলো। কাৰ্যকালৰ সীমিত সময়ছোৱাত মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচী হাতত লোৱাৰ উপৰিও মোৰ দৃষ্টিগোচৰ হোৱা মহাবিদ্যালয়ৰ বিভিন্ন অভাৱ আৰু সমস্যাসমূহৰ বিষয়ে মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগতে চৰকাৰী বিষয়াসকলকো অৱগত কৰোৱা হৈছিল।

এবছৰীয়া কাৰ্যকালত গ্ৰহণ কৰা মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচীসমূহ ঃ

(১) মহাবিদ্যালয় সপ্তাহৰ আয়োজন প্ৰতিবছৰৰ দৰে ২০১০-২০১১ বৰ্ষৰ ১৩ ডিচেম্বৰ ২০১০, তাৰিখৰ পৰা ১৮ ডিচেম্বৰ ২০১০ তাৰিখলৈ সপ্তাহ যোৱা কাৰ্যসূচীৰে মহাবিদ্যালয় ক্ৰীড়া সপ্তাহ আৰু সাংস্কৃতিক প্ৰতিযোগিতাসমূহৰ আয়োজন কৰা হয়।

(২) মহাবিদ্যালয় সপ্তাহৰ অন্তিম দিনাৰ বঁটা বিতৰণী আৰু সাংস্কৃতিক সমাৰোহৰ কাৰ্যসূচীত আমাৰ মাজত উপস্থিত থাকে মুখ্য অতিথি মাননীয় সাংসদ ও উত্তৰ পূৰ্বাঞ্চল উন্নয়নৰ স্বতন্ত্ৰ মন্ত্ৰী পৱন সিং ঘাটোৱাৰ, বিশিষ্ট অতিথি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি চন্দ্ৰ গগৈ আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক নগেন শইকীয়া। উক্ত দিনা মাননীয় সাংসদ ঘাটোৱাৰদেৱক মহাবিদ্যালয়ৰ বিভিন্ন অভাৱ আৰু সমস্যাবোৰ অৱগত কৰাৰ লগতে ছাত্ৰ একতা সভা তৰফৰ পৰা এখন স্মাৰক পত্ৰ প্ৰদান কৰা হয়। য'ত—

(১) এটা উপযুক্ত পুথিভঁৰাল আৰু অধ্যয়ন কক্ষ হ'ব পৰা কোঠাৰ প্ৰয়োজন,

(২) ছাত্ৰ একতা সভাৰ কাৰ্যালয় আৰু এটা কনফাৰেন্স হলৰ প্ৰয়োজন হোৱাকৈ আহল-বহল তিনিমহলীয়া ঘৰৰ কথা উল্লেখ কৰা হয়।

(৩) পৌৰসভাৰ পৌৰপতিলৈ স্মাৰক পত্ৰ এখন প্ৰদান কৰি ডনবস্কু স্কুলৰ কাষেদি অহা মহাবিদ্যালয়

# উপসভাপতিৰ বছৰেকীয়া প্ৰতিবেদন

সংযোগী পথটো মেৰামতি কৰিবলৈ আবেদন জনোৱা হয়।

(৪) মহাবিদ্যালয় চৌহদৰ চাৰিওফালে বাৰিষাৰ পানী জমা হোৱা ঠাইবোৰত পলসবালি, মাটি পেলায় চৌহদটো উপযুক্ত কৰি তুলিবলৈ যত্ন কৰা হয়।

(৫) মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ সংযোগী পথসমূহ মেৰামতি কৰা লগতে পকীকৰণ কৰা ব্যৱস্থাও হাতত লোৱা হৈছিল।

(৬) মহাবিদ্যালয়ৰ শ্ৰেণীকোঠা, জিৰণীকোঠা আদিত বিজুলি, বিচ্ছিন্ন থকা ইলেক্ট্ৰনিক ফেন, বৰ্ড আদিবোৰ মেৰামতি কৰোৱা হয়।

(৭) মহাবিদ্যালয় প্ৰস্ৰাৱঘৰ, শৌচালয়, জিৰণী কোঠাবোৰ মেৰামতি কৰাৰ লগতে পানীৰ ব্যৱস্থা কৰাৰ ব্যৱস্থাও হাতত লোৱা হৈছিল।

(৮) মহাবিদ্যালয়ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উপযুক্ত খোৱা পানী অভাৱৰ সমস্যাটো দূৰ কৰিবৰ বাবে পানী টেংক আৰু টেপৰ ব্যৱস্থা কৰিবলৈ কৰ্তৃপক্ষক অৱগত কৰা হয়।

(৯) মহাবিদ্যালয়ৰ স্নাতক মহলাৰ ২০১১-১২ বৰ্ষৰ পৰা যি নতুন চেমিষ্টাৰ পদ্ধতি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই প্ৰণয়ন কৰে তাৰ ফলত সৃষ্টি হোৱা মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সমস্যাৰ ওপৰত গুৰুত্ব দি মহাবিদ্যালয় পৰিচালনা সমিতিলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰি মহাবিদ্যালয় আন্তঃ গাঠনি ভাল কৰাৰ লগতে মহাবিদ্যালয়ৰ নামভৰ্তিৰ বাবে আসন নোপোৱা মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীকে নামভৰ্তিৰ সুবিধা প্ৰদান কৰিবলৈ যত্ন কৰা হয়।

(১০) মহাবিদ্যালয়ৰ ২০১১-২০১২ নতুন শিক্ষাবৰ্ষৰ আৰম্ভণিত ৯ জুলাই তাৰিখে নৱাগত আদৰণি সভাখন অতি জাক-জমকতাৰে অনুষ্ঠিত কৰা হয়।

(১১) ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ অন্যান্য কাৰ্যসূচী যেনে— সৰস্বতী পূজা, বিদায় সভা, প্ৰতিষ্ঠা দিৱস আৰু শিক্ষক দিৱস আদি সফলতাৰে অনুষ্ঠিত কৰা হয়।

মোৰ দৃষ্টিগোচৰ হোৱা বৰ্তমানৰ বিভিন্ন অভাৱ আৰু সমস্যাবোৰত এবাৰ সকলোৰে দৃষ্টি আকৰ্ষণ কৰিব বিচাৰো ঃ

(১) মহাবিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ বাবে এতিয়াও প্ৰস্ৰাৱগাৰ, শৌচালয়ত উপযুক্ত পানীৰ ব্যৱস্থা নাই। যাৰ ফলত ইয়াৰ পৰা মহাবিদ্যালয়ৰ পাৰিপাৰ্শ্বিক অনৱৰত ঘটাৰ লগতে অতিকৈ প্ৰদুষণ হয়। ইয়াৰ বাবে উপযুক্ত পানীৰ ব্যৱস্থা কৰি পৰিস্কাৰকৈ ৰাখিব পৰা ব্যৱস্থা ল'ব লাগে।

(২) হোষ্টেলৰ অভাৱ- মহাবিদ্যালয়খনত বহুদিনৰ পৰাই এখন নিজা হোষ্টেলৰ অভাৱবোধ কৰি অহা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ আৰু দূৰদূৰণিৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে হোষ্টেলৰ অতিকৈ প্ৰয়োজন। সেয়ে মহাবিদ্যালয়খনৰ এটা হোষ্টেলৰো ব্যৱস্থা কৰা অতি প্ৰয়োজন।

(৩) মহাবিদ্যালয়খনত এটা পুথিভঁৰাল আছে যদিও ইয়াত প্ৰয়োজনীয় পৰিমাণে পুথিৰ অভাৱ পৰিলক্ষিত হয়। পুথিভঁৰালখনত বহুসময়ত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকলেও দৰকাৰী পুথিৰ অভাৱবোধ কৰি আহিছে। সেয়ে মহাবিদ্যালয় পুথিভঁৰালটোত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে আৰু প্ৰয়োজন সাপেক্ষে প্ৰতিবছৰে যুগুটোৱা আৰু সংশোধিত পুথিৰ যোগান ধৰিব লাগে। লগতে পুথিভঁৰাল আৰু অধ্যয়ন কক্ষৰ শৃংখলাবদ্ধতা আৰু পুথিভঁৰালৰ কৰ্মকৰ্তাসকল আৰু ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে আধুনিক কম্পিউটাৰ ব্যৱস্থাৰ লগতে জেৰক্স মেচিনৰ ব্যৱস্থাও পুথিভঁৰালত হ'ব লাগে।

(৪) ২০১১-২০১২ বৰ্ষৰ পৰা বিশ্ববিদ্যালয় কৰ্তৃপক্ষই প্ৰণয়ন কৰা চেমিষ্টাৰ পদ্ধতি প্ৰচলনৰ ফলত মহাবিদ্যালয় যি আন্তঃগাঠনিৰ অভাৱবোৰ অতি সোনকালে সমাধান কৰাৰ চেষ্টা কৰিব লাগে। (যেনে ঃ ছাত্ৰ-ছাত্ৰী অনুপাতে (১ঃ২৫) অধ্যাপক নিযুক্তি, পাঠদানৰ উপযুক্ত শ্ৰেণীকোঠাৰ ব্যৱস্থা আদি)

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে যদি কিবা ভুল-ত্ৰুটি বৈ গৈছিল তাৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিলো। মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতি আৰু উজ্জ্বল ভৱিষ্যতৰ কামনা কৰি সকলোলৈকে এবুকু মৰম আৰু শুভেচ্ছাৰে মোৰ এই প্ৰতিবেদন সামৰিলো।

—গোবিন কুম্ভকাৰ





## ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

**২০১০-২০১১ বৰ্ষ**

**ডিব্ৰুগড় - ৮৭৬ ০০১**



# সাধাৰণ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকামণ্ডলীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ডিব্ৰু মহাবিদ্যালয়ৰ ২০১০-১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰূপে মোক নিৰ্বাচিত কৰি গৌৰৱান্বিত কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীকে ধন্যবাদ জনালোঁ।

মোৰ এবছৰীয়া কাৰ্যকালৰ আৰম্ভণিতে মহাবিদ্যালয় সপ্তাহ নৱাগত আদৰণী সভাকে আদি কৰি বহুতো গুৰু দায়িত্ব সফলতাৰে পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ। মোক বহুমূলীয়া দিহা-পৰামৰ্শ আগবঢ়োৱা তত্বাৱধাক ড° ৰণজিৎ সিন্হা ছাৰ আৰু এলিন বৰুৱা বাইদেউলৈ মোৰ অশেষ ধন্যবাদ জনালোঁ, লগতে ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্য তথা মোৰ বন্ধুবৰ্গই আগবঢ়োৱা সহায়-সহাযোগিতাৰ কথা ওৰে জীৱন মনত থাকিব।

প্ৰতিবেদনৰ সামৰণিত যিসকলৰ ত্যাগ আৰু কষ্টৰ বিনিময়ত মহাবিদ্যালয়ে জন্মলগ্নৰে পৰা বৰ্তমানৰ ৰূপ লাভ কৰিছে সেইসকলক শ্ৰদ্ধা জনাই ছাত্ৰ একতা সভা আৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ। জ্ঞাতে-অজ্ঞাতে হোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিলোঁ।

জয়তু ডিব্ৰু মহাবিদ্যালয়।

জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

— মনমোহন বৰুৱা

# ডিব্রু মহাবিদ্যালয় ছাত্র একতা সভা

২০১০-২০১১ বৰ্ষ

ডিব্রুগড় - ৮৭৬ ০০১



## সহকাৰী সাধাৰণ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন

জয় জয়তে সশ্ৰদ্ধ প্ৰণাম যাঁচিছো যিসকল মহান ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টা আৰু ত্যাগৰ বিনিময়ত এই মহান অনুষ্ঠানটিৰ জন্ম হ'ল। দ্বিতীয়তে মোৰ আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছো বিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক, শ্ৰদ্ধাৰ শিক্ষা গুৰুসকলক আৰু সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকললৈ। তৃতীয়তে শ্ৰদ্ধাৰে সোঁৱৰিছো যিসকল মহান বীৰ শ্বহীদে মাতৃভূমিৰ অস্তিত্ব ৰক্ষাৰ বাবে জীৱন আহুতি দিলে সেই সকলক।

যোৱা ২১ নবেম্বৰ ২০১০ তাৰিখৰ দিনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয় আৰু সহঃ সাধাৰণ সম্পাদক হিচাপে মই নিৰ্বাচিত হওঁ।

সাধাৰণতে এবছৰীয়া কাৰ্যকালৰ ভিতৰত বৰ্ষিক মহাবিদ্যালয়ৰ সপ্তাহ সৰস্বতী পূজা নবাগত আদৰণি সভা, শিক্ষক দিৱস অনুষ্ঠিত কৰা হয়। মোৰ এই এবছৰীয়া কাৰ্যকালৰ ভিতৰত অনুষ্ঠিত হোৱা বিভিন্ন কাৰ্যসূচীৰ চমু আভাস তলত দাঙি ধৰিলো।

**বাৰ্ষিক ক্ৰীড়া সপ্তাহ ঃ** ২০১০ বৰ্ষৰ বাৰ্ষিক মহাবিদ্যালয়ৰ সপ্তাহ ডিচেম্বৰ মাহৰ শেষৰ ফালে আৰম্ভ হয়। শিক্ষাগুৰুসকলৰ দিহা পৰামৰ্শ আৰু বন্ধু-বান্ধৱীসকলৰ সহায় সহযোগ সুচাৰুৰূপে মহাবিদ্যালয়ৰ সপ্তাহ পালন কৰা হয়।

বিভিন্ন প্ৰতিযোগিতাত প্ৰতিযোগীসকলে নিজৰ নিজৰ প্ৰতিভা দাঙি ধৰে। তেওঁলোকৰ প্ৰতিভাৰ চিন স্বৰূপে বিভিন্ন পুৰস্কাৰেৰে পুৰস্কৃত কৰা হয়। মহাবিদ্যালয়ৰ সপ্তাহৰ শেষৰ দিনা পুৰস্কাৰ বিতৰণৰ লগতে আমন্ত্ৰিত অতিথি তথা নিৰ্দিষ্ট বক্তা আৰু তত্ত্বাৱধায়কসকলৰ ভাষনেৰে মহাবিদ্যালয় সপ্তাহৰ সামৰণি পৰে।

**সৰস্বতী পূজা উদ্‌যাপন ঃ** ২০১১ বৰ্ষৰ সৰস্বতী পূজা গতানুগতিক ভাৱে অনুষ্ঠিত কৰা হয়। সৰস্বতী পূজাটি সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ মহাবিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীৰ সহায় সহযোগিতাত অতি উলহ মালহেৰে সৰস্বতী পূজা উদ্‌যাপন কৰা হয়।

**নৱাগত আদৰণি সভা ঃ** নবাগত আদৰণি সভাখনি ৯ জুলাই ২০১১ তাৰখে অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ পুৰণি ছাত্ৰ-ছাত্ৰীসকলে নৃত্যগীতেৰে নৱাগত সকলক আদৰণি জনায় আৰু মুখ্য অতিথি, বিশিষ্ট বক্তাৰ ভাষণৰ লগতে শিক্ষাগুৰুসকলে বিদ্যালয়ৰ নীতি নিয়মৰ বিষয়ে বক্তব্য আগবঢ়ায়।

**শলাগৰ শৰাই ঃ** কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰাই সকলো কাৰ্যসূচীতে মোক উৎসাহ উদ্দীপনা আৰু নানান দিহা পৰামৰ্শ আগবঢ়োৱা মাননীয় অধ্যক্ষ মহোদয়, বিভাগীয় উপদেষ্টাসকল আৰু মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকললৈ এই প্ৰতিবেদনৰ যোগেদি শলাগৰ শৰাই আগবঢ়াইছো। লগতে সমূহ কৰ্মচাৰীবৃন্দকো কৃতজ্ঞতা জনাইছো। তৰোপৰি বিভিন্ন কামত সহায় সহযোগিতা আগবঢ়োৱা দাদা-বাইদেউ, বন্ধু-বান্ধৱী, ভাইটি-ভণ্টি আৰু লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। শেষত মোৰ জ্ঞাতে-অজ্ঞাতে হোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো আৰু লগতে ডিব্রু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনাৰে মোৰ প্ৰতিবেদন সামৰিছো।

— প্ৰাণজিৎ শইকীয়া





# ডিব্রু মহাবিদ্যালয় ছাত্র একতা সভা

২০১০-২০১১ বৰ্ষ

ডিব্রুগড় - ৮৭৬ ০০১



## সমাজ কল্যাণ বিভাগৰ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন

জয় জয়তে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰু, সতীৰ্থ বন্ধু-বান্ধৱী তথা অনুজ আৰু অগ্ৰজসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ।

২০১০-২০১১ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজ কল্যাণ বিভাগৰ সম্পাদক পদৰ কাৰ্যভাৰ গ্ৰহণ কৰি মই মোৰ কাৰ্যকাল নিষ্ঠা আৰু একাগ্ৰতাৰে পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ।

৪৬তম্ মহাবিদ্যালয় সপ্তাহৰ যোগেদি মোৰ কাৰ্যকালৰ পাতনি হয়। মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ ছাত্ৰ একতা সভাৰ সদস্য বন্ধু সকলে সহায়-সহযোগিতাৰে অতি নিয়াৰিকৈ পালন কৰিছিলোঁ। তাত আমাৰ বন্ধু-বান্ধৱ; শিক্ষাগুৰু সকলোৱে সহায় কৰিছিল। মই তেখেত সকলোৰে ওচৰত চিৰকৃতজ্ঞ।

সদৌ শেষত ডিব্রু মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি আৰু মোৰ কাৰ্যকালৰ সময়ছোৱাত যদি অজানিতে কিবা ভুল-ক্ৰটি ৰৈ গৈছিল তাৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

"জয়তু ডিব্রু মহাবিদ্যালয়"

"জয়তু ডিব্রু মহাবিদ্যালয় ছাত্ৰ একতা সভা"

"জয় আই অসম"

— দিপাংকৰ গগৈ

# ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

## ২০১০-২০১১ বৰ্ষ

## ডিব্ৰুগড় - ৮৭৬ ০০১



## সংগীত বিভাগৰ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন

যিসকল বীৰ বীৰাঙ্গনাই বুকুৰ তেজেৰে দেশ মাতৃৰ চৰণ ধুৱাই গ'ল সেইসকল অমৰ শ্বহীদলৈ ভগৱানৰ ওচৰত মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো।

মোৰ প্ৰতিবেদন আৰম্ভ কৰাৰ আগতে ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় আৰু সন্মানীয় শিক্ষাগুৰুসকল আৰু ডিব্ৰু মহাবিদ্যালয়ৰ পৰিয়ালৰ সকলো সদস্যকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। ২০১০-২০১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক নিৰ্বাচিত কৰা সকলো ডিব্ৰুয়ানক মই ধন্যবাদ জ্ঞাপন কৰিছো।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ প্ৰতি কম সময়ৰ ভিতৰতে মহাবিদ্যালয়ৰ ৪৬ তম বাৰ্ষিক ক্ৰীড়া আৰু সাংস্কৃতিক সপ্তাহ আৰম্ভ হয়। ১৩ ডিচেম্বৰ ২০১০ৰ পৰা ১৮ ডিচেম্বৰ ২০১০ লৈ হোৱা বিদ্যালয়ৰ সপ্তাহৰ ১৬ আৰু ১৭ ডিচেম্বৰ তাৰিখে মোৰ বিভাগৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হৈ যায়।

এই সুযোগতে মোৰ কাৰ্যকালত বিভিন্ন দিশত পৰামৰ্শ আগবঢ়োৱা ড° ৰঞ্জিত সিনহা ছাৰ, মনোজ শৰ্মা ছাৰ, অদিতি বৰুৱা বাইদেউ আৰু নন্দিনি কোঁৱৰ বাইদেউলৈ ধন্যবাদ জ্ঞাপন কৰিছো।

নিৰ্বাচনৰ পৰা আৰম্ভ কৰি মোৰ কাৰ্যকালৰ সকলো দিশতে সহায় কৰা মোৰ বন্ধু শ্ৰীমন্ত, টোলেন, বিৰিঞ্চি, দীন, ধিৰাজ জয়দ্বীপ, বিশ্বজিত, কছাৰী, কৌস্তভ, দীপ (পুচি) আৰু বান্ধৱী...... ডিম্পী, জুলি, কল্যাণী, ডলি, অমৃতা, জোতিকা, গিটি, তৃষ্ণা, ৰিনি, ৰীতা, ডিনাঞ্জলী, গায়ত্ৰী, ডিম্পী, চুমী, দিনীকা, চীমা, পাপৰি, ববী, উৰ্বশী, মুনমী, কল্পনা, কবিতা, নিৰ্মালী আৰু ভন্টি.... কৰিশ্মা আৰু পলাশলৈ ধন্যবাদ জ্ঞাপন কৰিছো। আৰু বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিব বিচাৰো ২০১০-২০১১ বৰ্ষত ছাত্ৰ একতা সভাৰ সদস্যসকলক।

মহাবিদ্যালয় সপ্তাহৰ সংগীত বিভাগৰ ফলাফলসমূহ ঃ

(১) বৰগীত প্ৰতিযোগিতা ঃ

| | |
|---|---|
| ১ম স্থান | শ্ৰীনিপুন গগৈ |
| ২য় স্থান | শ্ৰীপৰাগ নিৰ্মলীয়া |
| ৩ য় স্থান | শ্ৰীমতী স্বপ্না সোনোৱাল |





## সংগীত বিভাগৰ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন

(২) লোকগীত প্ৰতিযোগিতা ঃ

| | |
|---|---|
| ১ম স্থান | শ্ৰীনিপুন গগৈ |
| ২য় স্থান | শ্ৰীপৰাগ নিৰ্মলীয়া |
| ৩য় স্থান | শ্ৰীমতী স্বপ্না সোনোৱাল |

(৩) জ্যোতি সংগীত প্ৰতিযোগিতা ঃ

| | |
|---|---|
| ১ম স্থান | শ্ৰীমতী আফ্ৰিনা চুলতানা |
| ২য় স্থান | শ্ৰীমতী স্বপ্না সোনোৱাল |
| ৩য় স্থান | শ্ৰীমতী অৰ্পণা দাস |

(৪) বিষ্ণুৰাভা সংগীত প্ৰতিযোগিতা ঃ

| | |
|---|---|
| ১ম স্থান | শ্ৰীমতী স্বপ্না সোনোৱাল |
| ২য় স্থান | শ্ৰীনিপুন গগৈ |
| ৩য় স্থান | শ্ৰীমতী আফ্ৰিনা চুলতানা |

(৫) ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা ঃ

| | |
|---|---|
| ১ম স্থান | শ্ৰীনিপুন গগৈ |
| ২য় স্থান | শ্ৰীমতী অৰ্পণা দাস |
| ৩য় স্থান | শ্ৰীমতী স্বপ্না সোনোৱাল |

(৬) আধুনিক গীত প্ৰতিযোগিতা ঃ

| | |
|---|---|
| ১ম স্থান | শ্ৰীমতী অৰ্পণা দাস |
| ২য় স্থান | শ্ৰীমতী আফ্ৰিনা চুলতানা |
| ৩য় স্থান | শ্ৰীনিপুন গগৈ |

(৭) বিহুগীত প্ৰতিযোগিতা ঃ

| | |
|---|---|
| ১ম স্থান | শ্ৰীমতী বন্দিতা শইকীয়া |
| ২য় স্থান | শ্ৰীমতী নিৰ্মালী বৰা |
| ৩য় স্থান | শ্ৰীমতী ৰাখী বকলিয়াল |

(৮) সৃষ্টিমূলক নৃত্য প্ৰতিযোগিতা ঃ

| | |
|---|---|
| ১ম স্থান | শ্ৰীমতী বন্দিতা শইকীয়া |
| ২য় স্থান | শ্ৰীমতী নিৰ্মালী বৰা |
| ৩য় স্থান | শ্ৰীমতী ৰাখী বকলিয়াল |

(৯) বিহু নৃত্য প্ৰতিযোগিতা ঃ

| | |
|---|---|
| ১ম স্থান | শ্ৰীমতী বন্দিতা শইকীয়া |

**ডিব্ৰু মহাবিদ্যালয়ৰ বৰ্ষৰ শ্ৰেষ্ঠ গায়ক শ্ৰী নিপুন গগৈ**

মোৰ কাৰ্যকালত যদি অজানিতে কিবা ভুল-ভ্ৰান্তি হৈছে তাৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি ডিব্ৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলো।

"জয়তু ডিব্ৰু মহাবিদ্যালয়"

"জয়তু ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

"জয় আই অসম"

— নয়নজ্যোতি কটকী

## ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

২০১০-২০১১ বৰ্ষ

ডিব্ৰুগড় - ৮৭৬ ০০১



### সাধাৰণ ক্ৰীড়া বিভাগৰ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন

### ANNUAL REPORT OF GENERAL SPORTS SECRETARY

With God's grace and with all your love and kind co-operation my tenure of being a General Sports Secretary went smoothly on course. I was elected by the students of our college because of them I could give as much as I have within me for the welfare of the students and for the college. Once again I would like to thank all the students, students' union members and my respected teachers for their kind co-operation and guidance. As soon as I take the responsibility of General Sports Secretary, my first job is to organize 'Annual College Week' sports competitions which with the co-operation of all students, I was able to organize successfully. During my tenure, I have also organized a Marathon Race and we have participated in inter college sports competition which was held in JDSG College, Bokakhat, where we have been able to grab a couple of medals in respective events. During my tenure I had always tried my level best to improve the sporting environment of our college.

Before concluding my report once again, I would like to thank our principal Dr. B.K. Baruah Sir, Professor-in-Charge Dr. M.K. Jain, Prof. P.J. Gogoi, non-teaching staff and all Dibruians for their kind co-operation which enable me to complete my tenure successfully.

Long live Dibru College
Long live Dibru College Students' Union

**– Jiten Sharma**





## ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

২০১০-২০১১ বৰ্ষ

ডিব্ৰুগড় - ৮৭৬ ০০১



### সাংস্কৃতিক বিভাগৰ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন

ডিব্ৰু মহাবিদ্যালয়ৰ এই জ্ঞান আৰু প্ৰতিষ্ঠাৰ নেপথ্যত যিসকল লোকৰ নিঃস্বাৰ্থ ত্যাগ আৰু আশাশুধীয়া প্ৰচেষ্টাই অশেষ কষ্টৰ বিনিময়ত আলোক সন্ধানী এই অনুষ্ঠানটি গঢ় লৈ উঠিল আৰু যিসকল ছাত্ৰ-ছাত্ৰীয়ে ২০১০-১১ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক সম্পাদক হিচাপে নিৰ্বাচিত কৰিলে, সেই সকলো ছাত্ৰ-ছাত্ৰীক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

মই ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰুসকললৈ শ্ৰদ্ধা জনাইছোঁ। কাৰ্যকালৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ ৪৬তম্ বাৰ্ষিক সপ্তাহ অনুষ্ঠিত হৈছিল। সাংস্কৃতিক সম্পাদক হিচাপে সকলো কাৰ্যাৱলীৰ সু-পৰামৰ্শ দিওঁতা ছাৰ-বাইদেউসকলক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছোঁ।

সদৌ শেষত মাতৃতুল্য ডিব্ৰু মহাবিদ্যালয়ৰ উন্নতিৰ ৰঙীণ বাটেৰে আগুৱাই যাব বুলি আশা কৰিলোঁ। এবুকু মৰম আৰু শুভেচ্ছাৰে মোৰ প্ৰতিবেদন ইমানতে সামৰণি মাৰিলোঁ।

জয়তু ডিব্ৰু মহাবিদ্যালয়।
জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

**— বাৰীন শইকীয়া**

# ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

২০১০-২০১১ বৰ্ষ

ডিব্ৰুগড় - ৮৭৬ ০০১



## শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰুসকললৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ।

যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক ২০১০-১১ বৰ্ষৰ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ দায়িত্বভাৰ বহন কৰিবলৈ সুযোগ দিলে তেওঁলোকক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোৰ এবছৰীয়া কাৰ্যকালৰ আৰম্ভণিতে অনুষ্ঠিত হোৱা 'মহাবিদ্যালয় সপ্তাহ'ত শৰীৰ চৰ্চা বিভাগৰ অন্তৰ্গত বিভিন্ন কাৰ্যসূচী সুচাৰুৰূপে পালন কৰিবলৈ যত্ন কৰিছিলোঁ। এইক্ষেত্ৰত যদি অজানিতে কিবা ভুল -ক্ৰটি ৰৈ গৈছিল তেন্তে তাৰবাবে সকলোৰে ওচৰত কৰযোৰে ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

মোক সকলো সময়তে সজ উপদেশ তথা গঠনমূলক দিহা-পৰামৰ্শ আগবঢ়োৱা মোৰ উপদেষ্টাসকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

জয়তু ডিব্ৰু মহাবিদ্যালয়।

**— নৰজ্যোতি বৰা**





# ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

২০১০-২০১১ বৰ্ষ

ডিব্ৰুগড় - ৮৭৬ ০০১



## ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন

জয় জয়তে ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, সন্মানীয় শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে ছাত্ৰ একতা সভাৰ সদস্য বৃন্দ তথা আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আমাৰ মহাবিদ্যালয়ত প্ৰতি বছৰে হৈ অহাৰ দৰে মহাবিদ্যালয়ৰ ২০১০ - ২০১১ বৰ্ষৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহ অনুষ্ঠিত হয়। ডিব্ৰু মহাবিদ্যালয়ত পূৰ্বৰ বছৰবোৰৰ দৰে এইবাৰো বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাৰ সংযোজন কৰা হৈছিল। মোৰ বিভাগত থকা কেৰম, ডবা, বেডমিণ্টন আৰু টেবুল টেনিছ খেলসমূহো উন্নত মানদণ্ড আৰু প্ৰতিদ্বন্দ্বিতামূলক হৈছিল।

সদৌ শেষত এই কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ক্ৰটিবোৰৰ বাবে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিলো আৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

**— অপূৰ্ব কুমাৰ দাস**

# ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

২০১০-২০১১ বৰ্ষ

ডিব্ৰুগড় - ৮৭৬ ০০১



## ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকৰ বছৰেকীয়া প্ৰতিবেদন

জয়জয়তে ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, পূজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু মোৰ মৰমৰ বন্ধু-বান্ধৱ তথা ভাইটি-ভন্টিসকললৈ কৃতজ্ঞতা নিবেদন কৰিছোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। ছাত্ৰী জিৰণি কোঠা সম্পাদিকা হিচাপে মোৰ যিখিনি কৰণীয় কাম আছিল সেই কামখিনি কৰাত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য আৰু বন্ধু-বান্ধৱীসকলে সহায় কৰাত মোৰ বিশেষ অসুবিধা হোৱা নাছিল। ইয়াৰ বাবে তেওঁ সকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

মোৰ কাৰ্যকালত আৰম্ভণিৰ পৰা শেষ পৰ্যন্ত প্ৰয়োজনীয় দিহা পৰামৰ্শ আগবঢ়োৱা বিভাগীয় ছাৰ বাইদেউৰ লগতে সমূহ অধ্যাপক-অধ্যাপিকাসকললৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

বহুতো আশা আছিল যদিও কিছুমান অসুবিধাৰ বাবে মোৰ কাৰ্যকালত বহুতো কৰণীয় কাম থাকি গ'ল। সদৌ শেষত সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰুসকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছোঁ।

— শ্ৰীমতী ৰুমী সোনোৱাল





## OUR HON'BLE PRINCIPALS

| | | | |
|---|---|---|---|
| Sri N.L. Borgohain | 16.08.1963 | - | 06.12.1963 |
| Sri B.N. Jamuar | 07.12.1963 | - | 31.07.1992 |
| Lt. M.N. Gogoi | 01.08.1992 | - | 31.10.1997 |
| Mrs. P. Sen | 01.11.1997 | - | 31.03.2001 |
| Sri K. Talukdar | 01.04.2001 | - | 30.04.2003 |
| Mrs. J. Borgohain | 01.05.2003 | - | 11.02.2006 |
| Mrs. B. Das | 12.02.2006 | - | 31.10.2006 |
| Sri M. Borbora | 01.11.2006 | - | 31.05.2009 |
| Dr. B.K. Baruah | 01.06.2009 | - | |

## OUR EX-EDITOR (MAGAZINE)

| Vol. | Editors | Year |
|---|---|---|
| I | Ram Chandra Goswami | 1965-66 |
| II | Haren Handique | 1968-69 |
| III | Kiran Saikia | 1969-70 |
| IV | Dibakar Gogoi | 1970-73 |
| V | Kanakeswar Dowarah | 1977-78 |
| VI | Sachi Handiqe | 1982-83 |
| VII | Devankanta Gogoi | 1983-84 |
| VIII | Rabindrajeet Gogoi | 1984-85 |
| IX | Bitul Neog | 1985-86 |
| X | Sukumar Chetia | 1986-87 |
| XI | Miss Gitimalika Gogoi | 1987-88 |
| XII | Profulla Kalita | 1988-89 |
| XIII | Sanjeeb Narayan Chaudang Boruah | 1989-90 |
| XIV | Utpal Sonowal | 1990-91 |
| XV | Chandan Kumar Sonowal | 1991-92 |
| XVI | Nilim Kumar Das | 1993-94 |
| XVII | Amiya Kumar Borah | 1994-95 |
| XVIII | Dipan Handique & Rahul Dev Sonowal | 1996-97 |
| XIX | Anupam Saikia | 1997-98 |
| XX | Ananta Khanikar & Prasanta Saikia | 1999-01 |
| XXI | Jitu Bharali | 2001-02 |
| XXII | Shanti Chetri | 2002-03 |
| XXIII | Pankaj Bora | 2003-04 |
| XXIV | Lakhyadeep Gogoi | 2004-05 |
| XXV | Niraj Sonowal | 2005-06 |
| XXVI | Durlav Gogoi | 2006-07 |
| XXVII | Bitupan Sonowal | 2007-08 |
| XXVIII | Manik Gogoi | 2008-09 |
| XXIX | Rajib Buragohain | 2009-10 |

# কৃতজ্ঞতা

- আলোচনীখন প্ৰকাশ কৰি উলিওৱালৈকে বিভিন্ন দিশত সহায়-সহযোগ আৰু অনুপ্ৰেৰণা আগবঢ়োৱা সকলোলৈকে মোৰ কৃতজ্ঞতা আগবঢ়াইছোঁ—
- মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি ড০ বিপুল কুমাৰ বৰুৱা ছাৰলৈ
- মহাবিদ্যালয়ৰ উপাধ্যক্ষ অধ্যাপক অমূল্য গোস্বামী ছাৰলৈ
- আলোচনীখনৰ উপদেষ্টামণ্ডলী ক্ৰমে— প্ৰদীপ চেতিয়া ফুকন, মৌচুমী দত্ত, ড° হৰদীপ কৌৰ ৰালিয়া, ড° অলস নিৰঞ্জন সহাই ছাৰলৈ
- আলোচনীখনিৰ অলংকৰণেৰে সজাই তোলা ড° বিকাশ ডেকা (সমাজশাস্ত্ৰ বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়) ছাৰলৈ
- মহাবিদ্যালয়ৰ সমূহ ছাৰ-বাইদেউ তথা কৰ্মচাৰীবৃন্দলৈ . . .
- মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্যলৈ
- আলোচনীখনিৰ সমূহ লেখক-লেখিকালৈ ...
- বিশ্বজিৎ গগৈ (কছাৰী)লৈ অশেষ ধন্যবাদেৰে
- আলোচনীখনি অতি কম সময়ৰ ভিতৰত প্ৰকাশ উপযোগী কৰি তোলাৰ বাবে 'ইনচুই ইনফ'টেক'ৰ সমূহ কৰ্ম-কৰ্তালৈ
- লগতে আলোচনীখনি প্ৰকাশৰ বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱা মোৰ বন্ধু-বান্ধৱী তথা অনুজ ছাত্ৰ-ছাত্ৰীসকললৈ...

—সম্পাদক, 'ডিব্ৰুয়ান'







PHYSICS
ADMINISTRATIVE BLOCK
DIBRU COLLEGE, DIBRUGARH
(UNDER BUNIYAD SCHEME 2004-2005)
DIBRU COLLEGE
CANTEEN
DIBRU COLLEGE ESTD.1963
DIBRU COLLEGE
COMPUTER SCIENCE
DEPARTMENT OF
ZOOLOGY